EDU-RC-1016

FOUNDATIONS OF EDUCATION

# গুৱাহাটী বিশ্ববিদ্যালয়
## দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান

স্নাতক প্ৰথম যান্মাসিক

**B.A First Semester**

**(Regular Course)**

**Paper: EDU-RC-1016**

# Foundations of Education

(Medium: Assamese)

www.idolgu.in

UG-EDU-RC-1016

দূৰ আৰু মুক্ত শিক্ষা প্ৰতিষ্ঠান
**Institute of Distance and Open Learning**
গুৱাহাটী বিশ্ববিদ্যালয়
**Gauhati University**

স্নাতক প্ৰথম যান্মাসিক
**B.A First Semester**
**(Regular Course)**

**Paper: EDU-RC-1016**
# FOUNDATIONS OF EDUCATION
**(Medium- Assamese)**

## বিষয়শূচী (Contents) :


প্ৰথম বিভাগ ঃ শিক্ষাৰ ধাৰণা
দ্বিতীয় বিভাগ ঃ দৰ্শন আৰু শিক্ষা
তৃতীয় বিভাগ ঃ মনোবিজ্ঞান আৰু শিক্ষা
চতুৰ্থ বিভাগ ঃ ৰাষ্ট্ৰীয় সংহতি আৰু আন্তৰ্জাতিক বুজাপৰাৰ বাবে শিক্ষা
পঞ্চম বিভাগ ঃ সমাজবিজ্ঞান আৰু শিক্ষা

## Contributors:

Dr. Nabanita Sarmah — Unit- 1
Dept. of Education, Kaliabor College

Hridayananda Borah — Unit- 2
Dept. of Education, North Guwahati College

Dr. Utpal Kalita — Unit- 3
Dept. of Education, R.G. Baruah College

Dr. Archana Adhikary — Unit- 4
Dept. of Education, Tezpur University

Dr. Mukunda Sarma — Unit- 5
Principal, Bhawanipur Anchalik College

## Course Coordination:

Prof. Amit Choudhury — Director, IDOL, Gauhati University

Prof. Polee Saikia — Professor, Dept. of Education, G.U.

## Content Editor:

Prof. Polee Saikia — Professor, Dept. of Education, G.U.

## Cover Page Designing:

Bhaskar Jyoti Goswami — IDOL, Gauhati University



**ISBN: 978-81-942689-7-0**

**November, 2019**



© Copyright by IDOL, Gauhati University. All rights reserved. No part of this work may be reproduced, stored in a retrieval system, or transmitted, in any form or by any means, electronic, mechanical, photocopying, or otherwise.


Published on behalf of Institute of Distance and Open Learning, Gauhati University by the Director, and printed at Gauhati University Press, Guwahati-781014.

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

## প্ৰথম বিভাগ
## শিক্ষাৰ ধাৰণা

বিভাগৰ গঠনঃ


১.০ ভূমিকা (Introduction)
১.১ উদ্দেশ্য (Objectives)
১.২ শিক্ষাৰ ধাৰণা
  ১.২.১ শিক্ষাৰ অৰ্থ
  ১.২.২ শিক্ষাৰ প্ৰকৃতি -উৎপাদক হিচাপে শিক্ষা
    ১.২.২.১ উৎপাদক হিচাপে শিক্ষা
  ১.২.৩ শিক্ষাৰ পৰিসৰ
১.৩ শিক্ষাৰ প্ৰকাৰসমূহ
  ১.৩.১ আনুষ্ঠানিক শিক্ষা
  ১.৩.২ অনানুষ্ঠানিক শিক্ষা
  ১.৩.৩ অগতানুগতিক শিক্ষা
১.৪ শিক্ষাৰ লক্ষ্য
  ১.৪.১ শিক্ষাৰ লক্ষ্যৰ প্ৰকাৰসমূহ
১.৫ সাৰাংশ (Summing Up)
১.৬ সম্ভাব্য/আৰ্হি প্ৰশ্নাৱলী (Sample Questions)
১.৭ অগ্ৰগতিৰ খতিয়ানৰ উত্তৰসমূহ (Answers to Check Your Progress)
১.৮ প্ৰশঙ্গ গ্ৰন্থ (References & Suggested Readings)


### ১.০ ভূমিকা (Introduction) ঃ

বৰ্ত্তমান গতিশীল সমাজৰ দ্ৰুত পৰিবৰ্ত্তনৰ লগত সামঞ্জস্য ৰাখি আৰু স্থান, কাল, পাত্ৰৰ লগত সগেতি ৰাখি বিভিন্ন সময়ত বিভিন্ন দেশত, বিভিন্ন ব্যক্তিয়ে শিক্ষা সম্পৰ্কে বিভিন্ন সংজ্ঞা আৰু তথ্য দাঙি ধৰা দেখা যায়। ফলত সৰ্বদেশ আৰু সৰ্বজনৰ উপযুগী শিক্ষাৰ কোনো এটা সৰ্ব সন্মত সংজ্ঞা দিয়াটো সম্ভৱপৰ নহয় সময়ৰ অগ্ৰগতিৰ লগে লগে সমাজৰ পৰিবৰ্ত্তন ঘটে আৰু ইয়াৰ ফল স্বৰূপে এসময়ত জনপ্ৰিয়তা লাভ কৰা বহুটো সংজ্ঞা পৰিমাৰ্জিত আৰু সংশোধিত হয়। শিক্ষাৰ প্ৰকৃত অৰ্থ হল জ্ঞান আহৰণ কৰা। মানুহৰ আচৰণ আৰু প্ৰবৃত্তি সমূহক যিমানখিনি পাৰি সংশোধন কৰি মনুহক এটি বিশেষ জীৱ হিচাপে পৰিগণিত কৰোৱাটোৱেই শিক্ষাৰ উদ্দেশ্য।সেয়েহে শিক্ষাৰ প্ৰকৃত অৰ্থ জ্ঞান আহৰণ কৰাতেই সামাবদ্ধ হৈ নাথাকি বৃহৎ পৰিসৰ সামৰি লয়। শিশুয়ে জন্ম লাভ কৰিয়েই কোনো অভিজ্ঞতা আহৰণ কৰিবলৈ সক্ষম নহয় । নানা পৰিস্থিতি আৰু অৱস্থাৰ মাধ্যমত শিশুৱে নিজৰ জ্ঞান প্ৰকাশ কৰাৰ ক্ষমতা আয়ত্ত কৰি লয় সেয়েহে শিক্ষাক জীৱনৰ প্ৰস্তুতি বুলিও কোৱা হয়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**১.১ উদ্দেশ্য (Objectives) ঃ**

১. শিক্ষাৰ অৰ্থ আৰু ধাৰণাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

২. শিক্ষাৰ পৰিসৰ সম্পৰ্কে আলোচনা কৰিব পাৰিব।

৩. শিক্ষাৰ বিভিন্ন প্ৰকাৰ সমূহৰ আৰু সেই সমূহৰ বিশেষত্বৰ বিষয়ে জানিব পাৰিব ।

৪. শিক্ষাৰ লক্ষ্য, ইয়াৰ প্ৰয়োজনীয়তা আৰু ইয়াৰ বিভিন্ন প্ৰকাৰৰ ষিয়ে আলোচনা কৰিব পাৰিব।

**১.২ শিক্ষাৰ ধাৰণাঃ**

**১.২.১ শিক্ষাৰ অৰ্থঃ**

শিক্ষা শব্দটো মূল ইংৰাজী শব্দ হল "Education"ইংৰাজী "Education" শব্দটো লেটিন শব্দ "E" আৰু "DUCO" শব্দৰ পৰা অনা হৈছে বুলি বিভিন্নজন শিক্ষাবিদে সত প্ৰকাশ ক্ৰে "E" মানে হল "out of" আৰু "duco" মানে হল "I Lead" গতিকে শিক্ষা শব্দৰ অৰ্থ হৈছে সুপ্ত অৱস্থাত থকা মানুহৰ জন্মগত জ্ঞান শক্তি আৰু গুণবোৰক প্ৰকৃত নেতৃত্বৰ জৰিয়তে সমাজত খাপ খুৱাই লোৱাৰ উদ্দেশ্য বাহিৰ কৰি প্ৰকাশ কৰা। আনহাতে "Education" শব্দটো অন্য এক লেটিন শব্দৰ পৰা অহা বুলিও কিছু সংখ্যক শিক্ষাবিদে মত প্ৰকাশ কৰে। সেই লেটিন শব্দটো হল "Educere" । ইয়াৰ অৰ্থ হল কৌশল। ইয়াৰ উপৰিও "Education" শব্দটো "Educatum" শব্দটোৰ লগত সম্পৰ্ক আছে বুলিও কোৱা হয়। ইয়াৰ অৰ্থ হল শিক্ষাদান কাৰ্য্য সম্পন্ন কৰা। গতিকে কব পাৰি যে শিক্ষা এক জীৱনৰ প্ৰবাহ আৰু গতিশীল ধাৰণা। ই মানৱ জীৱনৰ ধাৰাবাহিক প্ৰৱাহ হোৱা হেতুকে সমাজ ব্যৱস্তাৰ সাল সলনি লগে লগে ইয়াৰ অৰ্থ সৰ্ম্পকীয় সূত্ৰতো সলনি হোৱা দেখা যায়।

শিক্ষা সম্পৰ্কে বিভিন্নজন শিক্ষাবিদে বিভিন্ন সংজ্ঞা আগবঢ়াইছেঃ-

মহাত্মা গান্ধীয়ে কৈছিল যে, শিক্ষাৰ ব্দাৰা মই সিশুৰ দৈহিক, মানসিক, অধ্যাত্মিক সকলো প্ৰকাৰৰ বিকাশৰ কথা বুজো।

স্বামী বিবেকানন্দই কৈছিল "মানুহৰ অন্তনিহতি পূৰ্ণতাৰ বাহ্যিক বিকাসেই হ'ল শিক্ষা"।

এৰিষ্টতলৰ মতে "শিক্ষাই সুস্থদেহত সুস্থ মনৰ সৃষ্টি কৰে"।

গতিকে কব পাৰি যে শিক্ষাইহে মানৱ জীৱনৰ এক প্ৰধান আৰু অবিচ্ছেদ্য অংগ। ইয়াৰ অবিহনে মানৱ জীৱন অসৰ্ম্পূন হৈ ৰয়। শিক্ষাৰ মাধ্যমেৰে মানুহে নতুন চিন্তা আৰু সাংস্কৃতি ধাৰণাৰ লগতে জীৱনৰ নতুন পথ বিচাৰি, বুদ্ধি আৰু জ্ঞানৰ বিস্তাৰ কৰি জগতৰ ভাল বেয়া বিচাৰ কৰা শক্তি লাভ কৰিব পাৰে।

### ১.২.২ শিক্ষাৰ প্ৰকৃতি-উৎপাদক হিচাপে শিক্ষাঃ

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

শিক্ষা হৈছে এক জীৱনযোৰা প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়া মানুহৰ জন্মৰ পৰা আৰম্ভ হয় আৰু মৃত্যু পযন্ত চলি থাকে। যিহেতু শিক্ষাই সমগ্ৰ মানৱ জীৱনকে সামৰি লয় গতিকে, ইয়াৰ পৰিসৰ বৃষ্টিত হোৱাটো পৰিলক্ষিত হয়। শিক্ষাৰ পৰিসৰ সম্পৰ্কে তলত বৃষ্টিত ভাৱে আলোচনা কৰা হলঃ-

ওপৰৰ আলোচনাৰ পৰা ইয়াকে কব পাৰি যে শিক্ষন হৈছে এনে এক প্ৰক্ৰিয়া যি প্ৰক্ৰিয়াৰ জৰিয়তে ব্যক্তিৰ আচৰণৰ সংশোধন কৰিবলৈ প্ৰচেষ্টা কৰা হয়। এই ক্ষেত্ৰত ব্যক্তিয়ে জীৱনৰ প্ৰতিটো মূহুৰ্ত্তত লাভ কৰা অভিজ্ঞতা সমূহে অগ্ৰাধিকাৰ লাভ কৰে। শিক্ষা যিহেতু এক জীৱনব্যাপি প্ৰক্ৰিয়া গতিকে ইয়াৰ পৰিসৰো ব্যাপক হোৱা দেখা যায়।

(১) **শিক্ষা এক জীৱনযোৰা প্ৰক্ৰিয়াঃ-** শিক্ষা আহৰণৰ প্ৰক্ৰিয়া কেৱল শ্ৰেণী কোঠা বা শিক্ষানুষ্ঠানতে সীমাবদ্ধ হৈ নাথাকে। শিশু এটাৰ জন্মৰ মূহূত্বৰ পৰা এই প্ৰক্ৰিয়া আৰম্ভ হয় আৰু মৃত্যু পৰ্য্যন্ত চলি থাকে। গতিকে জীৱনৰ প্ৰতিটো অভিজ্ঞতাই শিক্ষা প্ৰক্ৰিয়াত স্থান পায় বা প্ৰতিটো অভিজ্ঞতাক আমি অভিহিত কবিব পাৰো।

(২) **শিক্ষা অভিজ্ঞতাৰ পুনৰগঠনঃ-** প্ৰত্যেক ব্যক্তিয়েই জীৱনৰ প্ৰতিটো মূহূৰ্ত্তত নতুন নতুন নতুন অভিজ্ঞতাৰ সন্মুখিন হয়। বিৰামহীন ভাৱে লাভ কৰা অভিজ্ঞতা বোৰৰ আমাৰ মনৰ মজতে পুনৰ গঠন হৈ থাকে। গতিকে অভিজ্ঞতা বিলাকৰ পুনৰ গঠনৰ প্ৰক্ৰিয়াক আমি শিক্ষা বুলি অভিহিত কৰিব পাৰো।

(৩) **শিক্ষা বাস্তৱ সমস্যাৰ সামাধানঃ-** জীৱনৰ বাস্তৱ সমস্যাসমূহ ৰ সমাধান কৰোতে যি অভিজ্ঞতা লাভ কৰা হয় সেই অভিজ্ঞতাৰ সমষষ্টিয়েই হল শিক্ষা গতিকে শিক্ষা লাভ কৰা হয় বাস্তৱ পৰিস্থিতিৰ লগত সক্ৰিয় অংশগ্ৰহণৰ জৰিয়তে। সেইবাবে বহুক্ষেত্ৰত কেৱল পুঠিগত জ্ঞান আহৰণ কৰি সময় অতিবাহিত কৰা ব্যক্তিক অশিক্ষিত বুলিও অভিহিত কৰা হয়।

(৪) **শিক্ষা এক সামাজিক প্ৰক্ৰিয়াঃ-** শিক্ষা মানে হৈছে অভিজ্ঞতা আৰু আমাৰ আটাই বিলাক অভিজ্ঞতাই সামাজিক পৰিবেশত মানুহক সামাজিক জীৱ বুলি অভিহিত কৰায়। সমাজৰ সম্পৰ্কত লাভ কৰি মানুহে নিজৰ জৈৱিক প্ৰবৃত্তি আৰু আচৰণবোৰ সংশোধন কৰি বিবেকশীল আৰু সম্পাদিক হৈ উঠে। গতিকে শিক্ষা মানে হৈছে অভিজ্ঞতা আৰু সামাজিক পৰিবেশত সংঘঠিত হোৱা বিভিন্ন ঘটনাৰ মাজত হোৱা এক সমাযোজন প্ৰক্ৰিয়া। গতিকে শিক্ষা এক সামাজিক প্ৰক্ৰিয়া বুলি ক'ব পাৰি।

(৫) **শিক্ষা সমাযোজন প্ৰক্ৰিয়াঃ-** পৰিবেশৰ লগত সংগতি ৰক্ষা কৰি চলাকে সমাযোজন বুলি কোৱা হয়। ভৌতিক আৰু সামাজিক পৰিবেশৰ লগত সংগতি ৰক্ষা কৰি অৰ্থপূৰ্ণ আৰু সুখী জীৱন যাপন কৰিব পৰাটোৱেই জীৱনৰ লক্ষ্য। এই লক্ষ্য সাধনত শিক্ষাৰ সহায়ৰ অতি প্ৰয়োজন। গতিকে শিক্ষাক মুলত এক সমাযোজন প্ৰক্ৰিয়া বুলি অভিহিত কৰা হয়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

(৬) **শিক্ষা এক বিকাশমূখী প্ৰক্ৰিয়া ঃ-** প্ৰত্যেক শিশুয়েই জন্মসূত্ৰে বিভিন্ন সম্বাৱনীয়তা গুণ লৈ আহে। এই সম্ভাৱনীয়তা গুণ খিনি বাস্তৱত পৰিণত কৰিবলৈ সুবিধা কৰি দিয়াটোৱেই হৈছে শিক্ষাৰ লক্ষ্য। গতিকে প্ৰত্যেক দিশতে শিক্ষাৰ্থীৰ সম্বাৱনীয়তা গুণসমূহ সীমালৈকে আগুৱাই দিবলৈ কৰা প্ৰচেষ্টাই হৈছে শিক্ষা। সেইবাবে শিক্ষাক এক বিকাশমূখী প্ৰক্ৰিয়া বুলি অভিহিত কৰা হয়।

শিক্ষাৰ প্ৰকৃতি সম্বন্ধে তলত আলোচনা কৰা হ'ল ঃ—

### ১.২.২.১ উৎপাদক হিচাপে শিক্ষা ঃ

আধুনিক শিক্ষা ব্যৱস্থাত উৎপাদন মুখীতাৰ ধাৰণাই এক বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা যায়। শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰম সমূহৰ উৎপাদমূখীতাৰ ধাৰণাৰ অন্তভূক্ত কৰা হৈছে। দেশ এখনৰ প্ৰয়োজনৰ ওপৰত পাঠ্যক্ৰম বিষয় নিৰ্বাচন বিশেষভাৱে নিৰ্ভৰ কৰে। সময় যোৱাৰ লগে লগে মানুহৰ মনত নতুন নতুন প্ৰয়োজন আৰু আশা আকাংক্ষাৰ সৃষ্টি হয়। ইয়াৰ ফলতে শিক্ষানুষ্ঠানৰ অধ্যয়নৰ পাঠ্যক্ৰমত আৱশ্যকীয় পৰিবৰ্তন সাধিত হয়। শিক্ষাৰ পাঠ্যক্ৰমত উৎপানমুখীতাৰ ধাৰণা ইয়াৰে এক বাস্তৱ নিৰ্দশন বুলি ধৰিব পাৰি।

শিক্ষা আৰু উৎপাদিকা শক্তিক বিভিন্ন ধাৰণে আলোচনা কৰিব পাৰি। যিকোনো এটা ক্ষেত্ৰৰ উৎপানবৃদ্ধি নিৰ্ভৰ কৰে শিক্ষাৰ ওপৰত আৰু এই ধৰণে বৃদ্ধি হোৱা উৎপাদনে জাতিয় আয় বৃদ্ধিৰ ওপৰতো আৰিহনা যোগায়। শিক্ষা আৰু উৎপাদিকা শক্তিক আন দুই ধৰণেও বিশ্লেষণ কৰিব পাৰি। প্ৰথমতে এজন ব্যক্তিৰ ক্ষেক্তত শিক্ষাক বিনিয়োগ হিচাপে প্ৰয়োগ কৰাৰ লগে লগে প্ৰচলিত বজাৰত তেওৰ আয় বৃদ্ধি অথবা তেওঁৰ গোটেই জীৱনত হোৱা আয়ৰ বৃদ্ধিক বুজাব। দ্বিতীয়তে দেশৰ সৰহ সংখ্যক জনগণে যদি শিক্ষা লাভ কৰিবলৈ সক্ষম হয় তেতিয়া সেই দেশৰ মানদণ্ড বৃদ্ধি পাব। এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি যে, উচ্চপৰ্য্যায়ৰ শিক্ষাৰ সতে আৰ্থিক অনাআৰ্থিক প্ৰগতি বা উন্নয়ণ জড়িত হৈ আছে।

বৃত্তিমূখীতা আৰু উৎপাদনমূখীতাৰ ধাৰণা ভাৰতৰ্ষৰ শিক্ষাৰ ক্ষেত্ৰত ইংৰাজৰ দিনৰে পৰা আৰম্ভ হৈছিল হান্টাৰ আয়োগৰ পৰাৰ্শৰলীত ভাৰতীয় শিক্ষাত শৈক্ষিক আৰু বৃত্তিমূলক স্বৰূপে বিভক্ত কৰি তোলাৰ পৰামৰ্শ আগবঢ়াই। এই ধৰণৰ পৰামৰ্শ সমূহ আগবঢ়োৱাৰ পিছতো ভাৰতীয় শিক্ষা বৃত্তিমুখী তথা উৎপানমূখী হোৱা নাছিল। স্বাধীনতা লাভ কৰাৰ পিছত ১৯৫৩ চনৰ মাধ্যমিক শিক্ষা আয়োগে ভাৰতীয় শিক্ষা উৎপানমূখী কৰাৰ মানসেৰে পৰামৰ্শ আগবঢ়াইছিল। ইয়াৰ উদ্দেশ্য আছিল শিক্ষাৰ্থী সকলৰ উৎপাদন শীলতাৰ ক্ষমতা বৃদ্ধি কৰা আৰু তাৰ যোগেদি সৰ্বসাধাৰণ ৰাইজৰ জীৱনৰ মানদণ্ড উন্নত কৰা। ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগে শিক্ষাৰ এই বৃত্তিমুখীতাৰ প্ৰয়োজন আৰু প্ৰাধান্যত দৃঢ়তাৰে প্ৰকাশ কৰে। এই উদ্দেশ্যৰে আয়োগে মত প্ৰকাশ কৰে যে, বিজ্ঞান শিক্ষাক সকলো

পয্যায়ৰ শিক্ষাৰ পাঠ্যক্ৰম অধিক গুৰুত্ব দিব লাগে। আৰু লগতে কৰ্ম অভিজ্ঞতা কাৰিকৰী দিশত ৰূপদান কৰিব লাগে।

গতিকে উৎপাদক হিচাপে শিক্ষাক আলোচনা কৰি আমি ক'ব পাৰো যে,

১) কৰ্মৰ মজুৰি নিদ্ধাৰণ, বৃত্তিৰ মূল্য নিৰ্দ্ধাৰণ আৰু ব্যক্তিৰ অৰ্থনৈতিক নিৰাপত্তা আদি শিক্ষায়ে নিদ্ধাৰণ কৰে।

২) এখন দেশৰ অৰ্থনৈতিক প্ৰতিপত্তি নিৰ্ভৰ কৰে সেই দেশৰ শিক্ষা ব্যৱস্থাৰ ওপৰত।

৩) শিক্ষাই কৌশলি ব্যক্তি প্ৰস্তুত কৰাৰ লগতে ব্যক্তিৰ মনত শ্ৰমৰ প্ৰতি প্ৰকৃত মযৰ্দা গঢ়ি তোলে।

(৪) উৎপাদনৰ গুৰুত্বপূৰ্ণ কাৰকসমূহ যেনেঃ- ভূমি, শ্ৰম, মূলধন, আৰু সংগঠন ইত্যাদিয়ে অৰ্থনৈতিক বিকাশত সহায় কৰাৰ লগতে শৈক্ষিক বিকাশতো সহায় কৰে।

(৫) শিক্ষাক উপভোগৰ এক বস্তু আৰু উৎপাদনৰ একক বুলি অভিহিত কৰা হয়। কাৰণ শিক্ষাই সুস্থ ব্যক্তিত্ব সুস্থ মানসিকতা আৰু ন ন কৌশল মানুহৰ মাজত সৃষ্টি কৰে আৰু এই বোৰক ভেটিস্বৰূপে লৈয়েই আধুনিক প্ৰযুক্তিবিদ্যাই বিকাশ সাধন কৰিবলৈ সক্ষম হৈছে।

**১.২.৩ শিক্ষাৰ পৰিসৰ ঃ**

(১) **শিক্ষা দৰ্শনঃ**- শিক্ষা আৰু দৰ্শন ইটো সিটোৰ লগত ওতঃ পোতঃ ভাৱে জড়িত। দৰ্শনৰ সহায়ৰ অবিহনে আমি শিক্ষাৰ লক্ষ্য, প্ৰকৃতি আৰু প্ৰয়োজনীয়তা সমূহ বিবেচনা কৰাটো কঠিন হব। এই কথাই শিক্ষাৰ বিভিন্ন ধাৰণা আৰু বিভিন্ন সমস্যা সমূহ আলোচনা কৰে। গতি কে ইয়াক শিক্ষাৰ পৰিসৰৰ অন্তভূক্ত কৰা হৈছে।

(২) **শিক্ষা মনোবিজ্ঞানঃ**- শিক্ষা-মনোবিজ্ঞানত শিশুৰ দৈহিক- মানসিক, নৈতিক, সামাজিক বিকাশ, ব্যক্তিত্ব বুদ্ধি, স্মৃতি, কল্পনা প্ৰৱনতা ইত্যাদি সম্বন্ধে আলোচনা কৰা হয়। ইয়াৰ উপৰিও শিক্ষাৰ বিভিন্ন পদ্ধতি, শিক্ষণৰ বিভিন্ন স্তৰ সমূহৰ আৰু শিক্ষা প্ৰক্ৰিয়াৰ ক্ষেত্ৰত ব্যৱহাৰ বিভিন্ন মানসিক প্ৰক্ৰিয়া বা স্তৰ সমূহৰ সম্বন্ধে আলোচনা হয়।

(৩) **শিক্ষা সমাজ বিজ্ঞানঃ**- শিক্ষা আৰু সমাজ ইটো সিটোৰ লগত জড়িত হৈ আছে। সেইকাৰণে আমি শিক্ষাৰ ক্ষেত্ৰত থকা সমাজৰ ভূমিকা সমূহ আলোচনা কৰাৰ প্ৰয়োজন। এই শাখাই সমাজৰ প্ৰকৃতি, সংস্কৃতি, পৰম্পৰা আৰু বিভিন্ন সামাজিক কৰ্ম পালন আৰু শিক্ষাৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰে। সেইবাবে ইয়াকো শিক্ষাৰ বৃষ্টিত পৰিসৰৰ ভিতৰত অৰ্ন্তভূক্তি কৰা হৈছে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

(৪) **শিক্ষাৰ ইতিহাসঃ-** শিক্ষাৰ ইতিহাস অধ্যয়নে আমাক শিক্ষাৰ পুৰণি নীতি সমূহ আৰু পুৰণি কালৰ শিক্ষাৰ বিভিন্ন সমস্যাসমূহ সমাধান কৰাৰ উপায় সমূহ জনাত সহায় কৰে। এই শাখাত ইতিহাসৰ পূৰ্ব সময়, পুৰণি কাল আৰু বৰ্তমান সময়, সংস্কৃতি আৰু শিক্ষাৰ মাজৰ সম্পৰ্ক আৰু শিক্ষাবিদ সকলৰ বিভিন্ন চিন্তাধাৰা আদি আলোচনা কৰা হয়।

(৫) **শিক্ষা দানৰ কৌশলঃ-** এই শাখাই বিভিন্ন শিক্ষাদানৰ পদ্ধতি, শিক্ষা প্ৰক্ৰিয়াৰ প্ৰকৃতি, লক্ষ্য আৰু উদ্দেশ্য, শিক্ষাৰ্থী আৰু পাঠ্যপুথিৰ লগত জড়িত বিভিন্ন জ্ঞান সমূহ আৰু শিক্ষা পদ্ধতি সমূহৰ সফলতা আৰু বিফলতা হোৱাৰ বিভিন্ন কাৰণসমূহ আলোচনা কৰা হয়। গতিকে শিক্ষাদানৰ কৌশলক শিক্ষা প্ৰক্ৰিয়াৰ এক অবিচ্ছেদ্য অংগ হিচাপে বিবেচনা কৰা হৈছে।

(৬) **শিক্ষাৰ সমস্যাসমূহঃ-** শিক্ষাৰ পৰিসৰৰ অন্য এক গুৰুত্বপূৰ্ন দিশ হৈছে শিক্ষাৰ বিভিন্ন সমস্যাসমূহৰ অধ্যয়ন। শিক্ষা প্ৰক্ৰিয়াত সাধাৰণতে বিভিন্ন সমস্যাৰ সন্মুখীন হোৱা দেখা যায়। শিক্ষাৰ পৰিসৰৰ এই শাখাই শিক্ষাৰ বিভিন্ন সমস্যাসমূহৰ কাৰণ সমূহ, ইয়াৰ প্ৰতিকাৰৰ উপাই সমূহ, পাঠ্যক্ৰমৰ আসোৱাহসমূহ, শিক্ষাৰ মাধ্যম, অপচয় আৰু স্থবিৰতা, আদিৰ সম্পৰ্কে আলোচনা কৰে।

(৭) **শিক্ষা প্ৰশাসন আৰু সংগঠনঃ-** শিক্ষাৰ পৰিসৰৰ এই শাখাই বিশেষকৈ বিদ্যালয় স্থাপন ইয়াৰ প্ৰশাসন আৰু সংগঠন, পৰিদৰ্শন, শিক্ষক নিযুক্তি, অধ্যাপক সকল, বিভিন্ন কৰ্মচাৰি সকল, তেওঁলোকৰ বেতন বা দৰমহা, চাকৰিৰি বিভিন্ন নীতিসমূহ আদি সম্মন্ধে আলোচনা কৰে।

(৮) **শিক্ষা প্ৰযুক্তি বিদ্যাঃ-** শিক্ষাৰ পৰিসৰৰ অন্তভূক্ত অন্য এক গুৰুত্বপূৰ্ণ বিষয় হৈছে শিক্ষা প্ৰযুক্তিবিদ্যা। শিক্ষা প্ৰযুক্তি বিদ্যাই শিক্ষাৰ ক্ষেত্ৰত প্ৰযুক্তি বিদ্যাৰ ন' ন' কৌশল সমূহ আৰু শিক্ষাত ইয়াৰ প্ৰভাৰৰ ওপৰত আলোচনা কৰে। এই শাখাই শিক্ষা প্ৰক্ৰিয়াক অধিক উন্নত কৰিবৰ বাবে বিভিন্ন অৱদান আগবঢ়াইছে। সেইসমূহ হৈছে অনুশিক্ষণ, দলবদ্ধ শিক্ষণ পদ্ধতি, প্ৰগেম শিক্ষণ পদ্ধতি , নিদেশাত্মক প্ৰযুক্তি বিদ্যা ইত্যাদি।

(৯) **তুলনামূলক শিক্ষাঃ-** শিক্ষাৰ পৰিসৰৰ অন্তভূক্ত এই বিশেষ শাখাই বিভিন্ন দেশৰ শিক্ষাপদ্ধতিৰ তুলনামূলক আলোচনা আগবঢ়াই, তুলনামূলক শিক্ষাৰ জৰিয়তে আমি শিক্ষাৰ ক্ষেত্ৰত দেখা পোৱা বৈষ্যমতা, সাদৃশ্য আৰু বৈসাদৃশ্য, বিভিন্ন শিক্ষা পদ্ধতিৰ ভাল বেয়া দিশবোৰ আলোচনা কৰিব পাৰি। ইয়াৰ জৰিয়তে এখন দেশৰ শিক্ষা প্ৰক্ৰিয়াত সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক দিশৰ প্ৰভাৱসমূহ তুলনামূলক শিক্ষ নৰ জৰিয়তে আমি অধ্যয়ন কৰিবলৈ সক্ষম হওঁ।

(১০) **শৈক্ষিক পৰিসংখ্যা বিজ্ঞানঃ-** পৰিসংখ্যা বিজ্ঞান শিক্ষাৰ লগত জড়িত কে বিশেষ শাখা। এই শাখাই শিক্ষাৰ ক্ষেত্ৰত দেখা পোৱা বিভিন্ন সমস্যাসমূহৰ পৰিসংখ্যাৰ জৰিয়তে

সমাধানৰ উপায় আগবঢ়ায়। সেইবাবে শৈক্ষিক পৰিসংখ্যা বিজ্ঞানকো শিক্ষাৰ পৰিসৰৰ অন্তভূক্ত কৰা হৈছে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**জানিথওঁ আহা (১)**

শিক্ষা হৈছে এক ধাৰাবাহিক প্ৰক্ৰিয়া যাৰ জৰিয়তে কোনো বিষয়ৰ জ্ঞান আৰু কৌশল আয়ত্ব কৰি ল'ব পাৰি।

শিক্ষা হৈছে এক বিকাশশীল প্ৰক্ৰিয়া। ইয়াৰদ্বাৰা ব্যক্তিয়ে নিত্য নতুন পৰিবেশ আৰু পৰিস্থিতিত জীৱণৰ প্ৰয়োজনীয় কৌশল আহৰণত ব্ৰতী হয়।

দ্বিপাক্ষিক প্ৰক্ৰিয়াত শিক্ষা হৈছে শিক্ষক আৰু শিৰ্ক্ষাথীৰ মাজৰ পাৰস্পৰিক কাৰ্য্যবিশেষ। পঠনীয় বিষয়বস্তুৰ ওপৰত থকা যাৰ্থাথ জ্ঞানৰ দ্বাৰা শিক্ষকে শিক্ষাৰ্থীক প্ৰভাৱন্বিত কৰে। আনহাতে শিক্ষাবিদ জন ডিউইৰ মতে, শিক্ষা প্ৰক্ৰিয়া একমাত্ৰ শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজৰ আন্তঃপ্ৰক্ৰিয়াতে সীমাবদ্ধ হৈ নাথাকে। শিক্ষাৰ বাবে সামাজিক পৰিবেশৰো প্ৰয়োজন হয়।

বৰ্ত্তমান সময়ত শিক্ষাক এক ব্যক্তিৰ আত্মবিকাশ আৰু সামাজিক সম্পৰ্ক স্তাপনৰ এক আহিলা ৰূপে বিবেচনা কৰা হৈছে। ইয়াৰ ফলস্বৰূপে শিক্ষা আৰু উৎপাদনশীলতাক গভীৰভাবে সংযুক্ত কৰি মানৱ সমাজৰ উপযুক্ত বিকাশ কৰি এক অৰ্থনৈতিক, বৌদ্ধিক, সামাজিক গনতান্ত্ৰি ক আদি দিশৰ পৰিবৰ্ত্তনৰ চেষ্টা কৰা হৈছে।

ব্যক্তিৰ সমগ্ৰ জীৱনটোৱেই শিক্ষাৰ পৰিসৰৰ ভিতৰত পৰে। দেশৰ ভবিষ্যৎ উত্তৰাধিকাৰী সকলে শিক্ষাৰ সহায়ত সভ্যতা, সংস্কৃতি আৰু ঐতিহ্যৰ জ্ঞান লাভ কৰে। তেওঁলোকে কিমানদূৰ তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ শিক্ষা, দিক্ষা, জ্ঞান, কৌশল, আদৰ্শ আদি আয়ত্ব কৰিবলৈ সক্ষম হৈছে সেইটো নিৰ্দ্ধাৰিণ হ'ব শিক্ষাৰ সহায়ত। শিক্ষাৰ পৰিসৰ অতি ব্যপক

**আত্মমূল্যায়ন প্ৰশ্নঃ-**

(১) শিক্ষা হ'ল মানুহৰ অন্তৰ্নিহিত পূৰ্ণতাৰ স্পষ্ট প্ৰকাশঃ- এই উক্তি কোনে কৈছিল ?

(২) শিক্ষাক এক দ্বিপাক্ষিক প্ৰক্ৰিয়া বুলি কোনে আখ্যাদিছিল।

(৩) ত্ৰিপাক্ষিক প্ৰক্ৰিয়া হিচাপে শিক্ষা, শিক্ষক, শিক্ষাৰ্থী আৰু........................দ্বাৰা পৰিচালিত।

(৪) শিক্ষা বুলিলে কি বুজা ? এই শব্দটো কোনটো ভাষাৰ পৰা অনা হৈছে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**অগ্ৰগতিৰ নিৰীক্ষণ-১**

(১) 'এটা সুস্থ শৰীৰত সুস্থ মনৰ গঢ় দিয়াই শিক্ষা' কথাষাৰ কোনে কৈছিল?

(২) গান্ধীজীয়ে শিক্ষাৰ কি সংজ্ঞা আগবঢ়াইছিল?

(৩) 'শিক্ষা এটা দ্বিপাক্ষীক প্ৰক্ৰিয়া' ..................ইয়াৰ পক্ষ কেইটা কি কি।

(৪) বহল অৰ্থত শিক্ষা মানে কি?

**১.৩ শিক্ষাৰ প্ৰকাৰসমূহ ঃ**

শিক্ষা পদ্ধতিৰ ওপৰত ভিত্তিকৰি শিক্ষা প্ৰকাৰৰ মাধ্যম সমূহক তিনিটা বহল ভগত বিভক্ত কৰিব পাৰি

(ক) আনুষ্ঠানিক শিক্ষা

(খ) অনানুষ্ঠানিক শিক্ষা

(গ) অগতানুগতিক শিক্ষা

**১.৩.১ আনুষ্ঠানিক শিক্ষাঃ**

আমাৰ শিক্ষা ব্যৱস্থাত তিনি ধৰণৰ প্ৰকাৰ দেখিবলৈ পোৱা যায়। সেই সমূহ হৈছে আনুষ্ঠানিক, অনানুষ্ঠানিক, অগতানুগতিক শিক্ষা। সচেতন আৰু স্বতঃফুত পৰিকল্পনাৰে কোনো এটা নিৰ্দিষ্ট উদ্দেশ্যত উপনীত হোৱা বাবে আমাৰ আচৰণ সমূহৰ সংশোধন কৰা পদ্ধতিকে আনুষ্ঠানিক শিক্ষা বোলা হয়। এই ব্যৱস্থাত নিৰ্দ্ধাৰিত সময়সূচী, নিয়ম প্ৰণালী, পাঠক্ৰম, পৰীক্ষা ব্যৱস্থা, অনুশাসন, আদি প্ৰয়োগ কৰা হয়। বিজ্ঞান আৰু কাৰিকৰি দিশৰ উন্নতিৰ লগে লগে আমাৰ সমাজে এক জটিল ৰূপ ধাৰণ কৰিছে। এই জটিল সমাজৰ লগত নিজক খাপখুৱাই তোলাৰ বাবে আমাক আনুষ্ঠানিক শিক্ষাৰ প্ৰয়োজন।

অনুষ্ঠানত নাম ভৰ্তি কৰাৰ লগে লগে শিশু এক নিয়ন্ত্ৰিত পৰিবেশত সোমাই পৰে। শিক্ষক আৰু অনুষ্ঠানৰ নিয়ন্ত্ৰিত পৰিবেশে শিশুৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে আৰু ইয়াৰ জৰিয়তে শিশুৰ চৰিত্ৰ আৰু আচৰণৰ সংসোধন ঘটে। ইয়াৰ উপৰিও কোনো এক বিশেষ শ্ৰেণীত নিয়ম শৃংখলাৰ মাজেৰে পোৱা শিক্ষাকো আনুষ্ঠানিক শিক্ষা বোলে। শিক্ষাৰ্থীয়ে এই শিক্ষাৰ দ্বাৰা বিশ্ব বিদ্যালয়ৰ উপাধি, বিশ্ব বিদ্যালয়ৰ প্ৰমান পত্ৰ আদি লাভ কৰিবলৈ সক্ষম হয়। গতিকে ক'ব পাৰি যে, বিদ্যালয় মহাবিদ্যালয় আৰু বিশ্ববিদ্যালযত সহায়ত আয়ত্ব কৰা শিক্ষাকে আনুষ্ঠানিক শিক্ষা বোলে।

**আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষাৰ পাৰ্থক্যসমূহ ঃ**

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

(১) আনুষ্ঠানিক শিক্ষা পূৰ্ব পৰিকল্পিত আৰু উদ্দেশ্য প্ৰণোদিত। আনহাতে অনানুষ্ঠানিক শিক্ষা প্ৰসংগিক, ক্ষেত্ৰভিত্তিক আৰু পৰিস্তিতি সাপেক্ষ।

(২) আনুষ্ঠানিক শিক্ষাৰ সময়সীমা আৰু  পৰিসৰ সিমিত। আনহাতে অনানুষ্ঠানিক শিক্ষাৰ সময় আৰু শিক্ষাৰ পৰিসৰ সীমাবদ্ধতা নাথাকে।

(৩) আনুষ্ঠানিক শিক্ষাই শিক্ষাৰ্থীৰ জীৱনহে আগুৰি থাকে আনহাতে অনানুষ্ঠানিক শিক্ষাই সমগ্ৰ জীৱন আগুৰি লয়।

(৪) আনুষ্ঠানিক শিক্ষাৰ অনুশাসন ব্যৱস্থা কিছু পৰিমানে কঠোৰ। আনহাতে অনানুষ্ঠানিক শিক্ষাৰ অনুশাসন ব্যৱস্থা স্বতঃ প্ৰনোদিত।

(৫) আনুষ্ঠানিক শিক্ষাৰ প্ৰধান কেন্দ্ৰবিন্দু হৈছে শিক্ষক। আনহাতে অনানুষ্ঠানিক শিক্ষা শিক্ষাৰ্থী আৰু পৰিস্থিতিক কেন্দ্ৰ কৰি গঠিত হয়।

(৬) আনুষ্ঠানিক শিক্ষা সমাজৰ দ্বাৰা স্বীকৃতি প্ৰাপ্ত। আনহাতে অনানুষ্ঠানিক শিক্ষা সমাজৰ দ্বাৰা

(৭) আনুষ্ঠানিক শিক্ষাই ব্যক্তিক বৃত্তিৰ উপযুক্ত কৰি তোলে। আনহাতে অনানুষ্ঠানিক শিক্ষাই ব্যক্তিক জীৱনৰ সমস্যা সমাধানৰ উপযুক্ত কৰি তোলে।

(৮) আনুষ্ঠানিক শিক্ষাই ব্যক্তিক স্বাক্ষৰতা দান কৰে। আৰু অনানুষ্ঠানিক শিক্ষাই ব্যক্তিক শিক্ষিত কৰি তোলে।

(৯) আনুষ্ঠানিক শিক্ষা কতৃপক্ষই মূল্যায়ণ কৰে। আনহাতে অনানুষ্ঠানিক শিক্ষাক জীৱনে মূল্যায়ণ কৰে।

### ১.৩.২ অনানুষ্ঠানিক শিক্ষা

অনানুষ্ঠানিক শিক্ষা ব্যৱস্থা হ'ল অনুষ্ঠানৰ চাৰিবেৰৰ বাহিৰত মানৱ শিশুৱে পৰিয়ালৰ অন্য সদস্য সকলৰ লগত থাকি লাভ কৰা শিক্ষা। এই শিক্ষাই সামাজিক, অৰ্থনৈতিক, ক্ৰিয়া কৌতুক আদি দিশৰ শিক্ষাও প্ৰদান কৰে। ইয়াত কোনো ধৰণৰ ধৰা বন্ধা কায্যসূচী বা সময় তালিকা নথাকে। সামাজিক জীৱনৰ বিভিন্ন প্ৰক্ৰিয়া আৰু আৰু পৰোক্ষ শিক্ষা প্ৰতিষ্ঠান সমূহৰ পৰা এই শিক্ষা সম্পসাৰিত হৈ মানৱ শিশুৰ ওপৰত প্ৰতিফলিত হয়। সাধাৰণতে এই শিক্ষা ব্যৱস্থাত কোনো বাধ্যতামূলক নীতি নিয়ম নাথাকে আৰু কোনো ধৰণৰ কৃত্ৰিম আহিলা পাতিৰো আৱশ্যক নহয়। এই শিক্ষা ব্যৱস্থাত দেখা পোৱা প্ৰধান বৈশিষ্টসমূহ হৈছেঃ-

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

(১) অনানুষ্ঠানিক শিক্ষাৰ পৰিসৰ বহল আৰু ই সমগ্ৰ জীৱনৰ অভিজ্ঞতা সামৰি লয়।

(২) এই শিক্ষা ব্যৱস্থা হৈছে প্ৰাসংগিক ক্ষেত্ৰ ভিত্তিক আৰু ব্যক্তিৰ নিজ জীৱনৰ প্ৰয়োজন সপেক্ষ।

(৩) এই শিক্ষা মুক্ত, স্বতঃ স্ফুত আৰু আনুষ্ঠানিক নীতি নিয়ম বৰ্জিত বিধৰ।

(৪) ইয়াৰ কোনো নিৰ্দ্ধাৰিত সময় সীমা, পাঠ্যক্ৰম, শিক্ষাদান পদ্ধতি আৰু মানদণ্ড নাথাকে।

(৫) ইয়াত কোনো নিৰ্দিষ্ট ব্যক্তিয়ে নিদিষ্ট স্থানত নিৰ্দিষ্ট শিক্ষা বিষয়ৰ শিক্ষা প্ৰদানৰ ব্যৱস্থা নাই।

### ১.৩.৩ অগতানুগতিক শিক্ষা ঃ

প্ৰয়োজন আৰু স্বতঃস্ফুত ভাৱে নিজ আচৰণ সংশোধন কৰাকে অগতানুগতিক শিক্ষা বোলে এই শিক্ষাৰ কোনো পূৰ্ব পৰিকল্পিত আচনি নাই, এই শিক্ষা ব্যৱস্থাৰ দ্বাৰা সমাজৰ বিভিন্ন ব্যক্তিক বিবিধি কাৰ্য্যসূচীৰ সহায়ত সমাজিক জীৱনৰ বাবে প্ৰয়োজনীয় শিক্ষা, জ্ঞাণ, দক্ষতা দান কৰে। গতিকে ক'ব পাৰি যে অগতানুগতিক শিক্ষা সমাজৰ বিভিন্ন বয়সৰ আৰু বিভিন্ন শ্ৰেণীৰ লোকৰ বাবে ব্যৱস্থা কৰা পৰিকল্পিত শিক্ষা। এই শিক্ষা আনুসংগিক আৰু ইয়াক সমাজত বাস কৰা আচৰণ বিধিৰ জৰিয়তে নিজ আচৰণ সংশোধন কৰি আয়ত্ব কৰা হয়। এই শিক্ষা নৈমিত্তিক আৰু আমাৰ ক্ৰিয়া প্ৰক্ৰিয়াৰ জৰিয়তে আহৰণ কৰা দৈনিক অভিজ্ঞতাসমূহ। গতিকে অগতানুগতিক শিক্ষাৰ মূল লক্ষ্য হৈছে আনুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ পৰা বঞ্চিত সমাজৰ বিভিন্ন ব্যক্তিৰ চাহিদা পূৰণ কৰা এই শিক্ষাই সামৰি লোৱা দিশ সমূহ হৈছে-

(১) মুক্ত শিক্ষা

(২) যোগাযোগ

(৩) মুক্ত বিশ্ববিদ্যালয়

(৪) ডাক যোগে শিক্ষা

(৫) অভিবৰ্তন

(৬) অনাতাৰ কাৰ্য্যসূচী

(৭) দূৰদৰ্শন কাৰ্য্যক্ৰম ইত্যাদি

**আনুষ্ঠানিক শিক্ষাৰ মাধ্যম হিচাপে বিদ্যালয়ৰ ভূমিকাঃ**

স্কুলৰ প্ৰধান কাৰ্যাৱলী সম্পকে তলত আলোচনা কৰা হলঃ-

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

(১) **সামাজিক জীৱনৰ সংৰক্ষক আৰু গতি নিৰ্নায়ক ঃ-** স্কুলৰ জৰিয়তে এখন সমাজৰ ধাৰাবাহিকতা ৰক্ষা কৰিব পৰা যায় গতিকে এখন সমাজৰ পৰম্পৰা, অভিজ্ঞতা, মূল্যবোধ আৰু ৰীতি নীতি সমূহ এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ সৰ্বৰাহ কৰাত স্কুলৰ ভূমিকা অন্যতম।

(২) **সভ্যতা আৰু সংস্কৃতি উন্নীতকৰণঃ-** সংস্কৃতি ঐতিহ্য আৰু পৰম্পৰা উঠি অহা প্ৰজন্মলৈ অতিবাহিত কৰিনিয়াৰ উপৰিও সময়ৰ লগত সংগতি ৰক্ষা কৰি তাৰ সংযোজন আৰু পৰিবৰ্দ্ধন কৰিলৈ ব্যক্তিক প্ৰশিক্ষণৰ প্ৰয়োজনত স্কুলৰ সহায়ত মানৱ অভিজ্ঞতা সমূহৰ ধাৰাবাহিক পুণৰগঠন আৰু পুণৰ নিৰ্মাণ কৰি সভ্যতা সংস্কৃতিৰ বিকাশ সাধন কৰিব পৰা যায় এই ক্ষেত্ৰত বিদ্যালয়ে গুৰুত্বপূৰ্ণ ভূমিকা অতি প্ৰয়োজন।

(৩) **সামাজিক যোগ্যতাৰ বিকাশ সাধনঃ-** বিদ্যালয়ৰ অন্য এক গুৰুত্বপূৰ্ণ কৰ্তব্য হ'ল ব্যক্তিৰ মাজত সামাজিক যোগ্যতাৰ বিকাশ সাধন ভাৰতবৰ্ষৰ দৰে এখন বিশাল গণতান্ত্ৰিক দেশত জীৱাই থাকিবলৈ সমাজৰ ভৱিষ্যতৰ নাগৰিক সকলক সুনিৰ্দিষ্ট আৰু পৰিকল্পিত শিক্ষা ব্যৱস্থাৰ মাজেৰে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। গণতন্ত্ৰিক চৰকাৰ এখনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ আৰু দেশৰ প্ৰতি কৰ্তব্য পালন কৰাৰ ক্ষেত্ৰত বিদ্যালয়ে প্ৰয়োজনীয় শিক্ষা প্ৰদান কৰিব লাগে।

(৪) **জীৱনৰ সৰ্ব্বোচ মূল্যবোধ ৰূপায়ন কৰাঃ-** বিদ্যালয় অন্য এক প্ৰধান দায়িত্ব হৈছে জীৱনৰ সৰ্ব্বোচ মূল্যবোধ যেনে- নৈতিক আৰু আধ্যাত্মিক মূল্যবোধ শিশুৰ মনত সৃষ্টি কৰা। সামাজিক, অৰ্থনৈতিক, আৰু গণতান্ত্ৰিক মূল্যবোধৰ লগতে নৈতিকতা জগাই তোলাটো স্কুলৰ এক প্ৰধান কৰ্তব্য যাতে, ইয়াৰ জৰিয়তে ব্যক্তিয়ে ভাল বেয়াৰ মাজত পাৰ্থক্য বিচাৰ কৰি চাব পাৰে।

(৫) **জাতীয় ভাৱ দৰ্শন সৃষ্টি কৰা ঃ-** প্ৰত্যেক জাতিৰে নিজ বৈশিষ্ট আৰু চৰিত্ৰ থাকে। নিজ নিজ সংস্কৃতিক সন্মান কৰি নিজৰ দেশৰ গৌৰৱ ৰক্ষা কৰি বিশ্ব সভ্যতাৰ মাজত নিজকে এক জাতি হিচাপে প্ৰতিষ্টা কৰাটো স্কুলীয়া শিক্ষাৰ প্ৰধান কাৰ্য্যাৱলী। সেইবাবে স্কুলৰ পাঠ্যক্ৰম সমূহৰ মাজেৰে ছাত্ৰ-ছাত্ৰীৰ মাজত জাতিয় ভাৱাদৰ্শন সৃষ্টি বিদ্যালয় সমূহে আৰু লগতে শিক্ষকেও চেষ্টা কৰাটো অতি প্ৰয়োজন।

(৬) **ব্যক্তি পাথৰ্ক্যৰ দিশ সমূহ বিকাশৰ সুযোগ প্ৰদানঃ** প্ৰত্যেক ব্যক্তিয়েই ইজনে সিজনৰ পৰা পৃথক। ব্যক্তি অনুযায়ী ব্যক্তিগত সামৰ্থ সমূহো বেলেগ বেলেগ। প্ৰত্যেক ব্যক্তিৰে এক নিজা ব্যক্তিত্ব থাকে। গতিকে শিক্ষাই ব্যক্তিৰ সামৰ্থ আৰু সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি বিকাশৰ ক্ষেত্ৰত সুযোগ প্ৰদান কৰিব লাগে। এই ক্ষেত্ৰত বিদ্যালয়ৰ ভূমিকা অন্যতম।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

(৭) **সামাজিক ব্যৱস্থাৰ পুণৰ নিৰ্মানঃ-** বিদ্যালয়ে সমাজ ব্যৱস্থা পুনৰ নিৰ্মান কৰাত সহায় কৰে উপযুক্ত শিক্ষাৰ মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীয়ে সমাজৰ বেয়া দিশসমূহ আঙুলিয়াই দিব পাৰে। গতিকেসামাজিক পৰম্পৰা আৰু ৰীতি নীতি সমূহ গ্ৰহণ কৰি সমাজৰ বিকাশৰ বাবে নতুন নতুন ভাৱধাৰা গ্ৰহণ কৰাত শিক্ষাই সহায় কৰে।

(৮) **নেতৃত্ব প্ৰদানৰ শিক্ষা ঃ-** বিদ্যালয়ৰ অন্য এক গুৰুত্বপূৰ্ণ দায়িত্ব হৈছে ছাত্ৰ ছাত্ৰীৰ বাবে নেতৃত্বপ্ৰদানৰ শিক্ষা প্ৰদান কৰা। ভাৰত বৰ্ষৰ দৰে গণতান্ত্ৰিক দেশত সমাজৰ সকলো স্তৰতে নেতৃত্ব দিব পৰা ব্যক্তিৰ প্ৰয়োজন। ইয়াৰ উপৰিও সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, শৈক্ষিক, আধ্যাত্মিক ইত্যাদি বিভিন্ন দিশতো সু-যোগ্য নেতাৰ প্ৰয়োজন। গতিকে ছাত্ৰ- ছাত্ৰীক নেতৃত্ব বিকাশৰ গুণ কিদৰে আহৰণ কৰিব পাৰি আৰু শিক্ষা সমাপ্তিৰ পাচত সমাজৰ বিভিন্ন দিশত কেনেকৈ নেতৃত্ব প্ৰদান কৰিব পৰা যায় এই সম্পৰ্কে বিদ্যালয়ে শিক্ষা প্ৰদান কৰিব লাগে।

(৯) **গৃহ আৰু বিদ্যালয়ৰ মাজৰ আন্তঃসম্পৰ্ক গঢ়ি তোলাঃ-** শিশুৰ সুন্দৰ বিকাশৰ বাবে বিদ্যালয়ে ছাত্ৰ-ছাত্ৰীৰ গৃঢ় আৰু বিদ্যালয়ৰ পৰিবেশ নিয়ন্ত্ৰণ কৰিব লাগে। ইয়াৰ বাবে মাজে সময়ে পিতৃ-মাতৃ, অভিভাৱক আৰু শিক্ষক শিক্ষয়ত্ৰীৰ সন্মিলন, ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষা আৰু আন আন কাৰ্য্যাৱলীৰ তথ্যসমূহ ঘৰলৈ প্ৰেৰণ কৰা আদি বিভিন্ন অনুষ্ঠান বিদ্যালয়ে অনুষ্ঠিত কৰিব লাগে। ইয়াৰ জৰিয়তে বিদ্যালয় আৰু গৃহৰ আন্তঃসম্পৰ্ক গঢ়ি তোলাটো সম্ভৱ হৈ পৰে।

(১০) **ব্যক্তিৰ সৰ্বতোপ্ৰকাৰৰ বিকাশ সাধন কৰাঃ-** শিশুৰ ব্যক্তিত্ব বিকাশৰ বাবে প্ৰয়োজনীয় বিভিন্ন দিশসমূহ যেনে- শাৰিৰীক, মানসিক, বৌধিক, নৈতিক, সামাজিক, আধ্যাত্মিক, আদি বিভিন্ন দিশৰ বিকাশ সাধনৰ বাবে প্ৰয়োজনীয় শিক্ষা প্ৰদান কৰাটো বিদ্যালয়ৰ অন্য এক কৰ্তব্য। ইয়াৰ বাবে স্কুলৰ পাঠ্যক্ৰম আৰু আন্তঃ পাঠ্যক্ৰমিক বিষয় সমূহৰ অৰ্ন্তভূক্ত কৰাটো অতি প্ৰয়োজন। এই সকলোবোৰ কাৰ্যত অংশগ্ৰহণৰ জৰিয়তে শিশুৱে প্ৰয়োজনীয় আচৰণ, কৌশল আৰু মনোভাৱৰ বিকাশ সাধন কৰিবলৈ সক্ষম হয়।

**জানি থওঁ আহা (২)**

সুপৰিকল্পিতভাৱে আৰু সুচিন্তিতভাৱে, এক অনুকুল পৰিবেশৰ কোনো নিৰ্দিষ্ট লক্ষ্য আগত ৰাখি নিৰ্দ্ধাৰিত নিয়ম প্ৰণালী, নিৰ্দিষ্ট পাঠ্যক্ৰম, নিৰ্দিষ্ট শিক্ষা পদ্ধতি, নিৰ্দ্ধাৰিত সময়সূচী, পৰীক্ষা ব্যৱস্থা, অনুশাসন আদিৰ পৰা শিক্ষাৰ্থীক যি শিক্ষা প্ৰদান কৰা হয় তাকে আনুষ্ঠানিক শিক্ষা বোলে।

অনানুষ্ঠানিক শিক্ষা হৈছে এজন ব্যক্তি নাইবা শিশুৱে স্বতঃ স্ফুতভাৱে সমাজ আৰু পৰিবেশৰ পৰা লাভ কৰা শিক্ষা বা অভিজ্ঞতা। ই শিশুৰ অন্তৰ্নিৰ্হিত মানসিক আৰু শাৰীৰিক ক্ষমতা সমূহ বিকাশ সাধন কৰি ব্যক্তিক নতুন পৰিবেশৰ লগত সমাযোজন হোৱাত সহায় কৰে।

অগতানুগতিক শিক্ষা শিক্ষাৰ এক নতুন ধাৰণা ইয়াৰ প্ৰধান উদ্দেশ্য হৈছে আনুষ্ঠানিক শিক্ষাৰ পৰা বঞ্চিত হোৱা শিক্ষাৰ্থীৰ শিক্ষাৰ চাহিদা পূৰণ কৰা। ইয়াৰ উপৰিও বিভিন্ন সংযোগ মাধ্যম সমূহ যেনেঃ- ডাক, অনাতাৰ, দূৰদৰ্শন, চেটেলাইট, বাতৰি কাকত, কম্পিউতাৰ, ইনটাৰনেট ইত্যাদি এনে শিক্ষাৰ নিৰ্দেশনাৰ বাবে প্ৰয়োগ কৰা হয়।

শিক্ষা ব্যৱস্থাৰ আটাইটকৈ উল্লেখ যোগ্য অনুষ্ঠান হ'ল বিদ্যালয়। বৃহত্তৰ সমাজৰ পৰিকল্পনা বিদ্যালয়ৰ মাধ্যমত কৰা হয় বাবেই বিদ্যালয়ক সমাজৰ ক্ষুদ্ৰ সংস্কৰণ আখ্যা দিয়া হয়। গতিকে পৰিবৰ্ত্তনশীল সমাজত শিক্ষানুষ্ঠানসমূহৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। বিদ্যালয়ৰ প্ৰধান কাৰ্য্য হ'ল শিক্ষাৰ্থীসকলক প্ৰয়োজনীয় জ্ঞান দান কৰা আৰু শিক্ষাৰ্থীৰ অন্তনিহিত প্ৰতিভাসমূহক পূৰ্ণ পৰ্য্যায়েৰে বিকশিত কৰি তোলাৰ ব্যৱস্থা কৰা।

**আত্মমূল্যায়ন প্ৰশ্নঃ-**

(১) আনুষ্ঠানিক শিক্ষা স্বঃস্ফূৰ্ত নে পূৰ্ব পৰিকল্পিত?

(২) অনানুষ্ঠানিক শিক্ষাৰ এটা বৈশিষ্ট্য উল্লেখ ৰকা।

(৩) অগতানুগতিক শিক্ষাৰ সংজ্ঞা আগবঢ়োৱা।

(৪) বিদ্যালয় শব্দটো কোনটো ভাষাৰ পৰা আহিছে?

**অগ্ৰগতিৰ নিৰীক্ষণ-২**

(১) আনুষ্ঠানিক শিক্ষা কাক বোলে?

(২) অগতানুগতিক শিক্ষাৰ প্ৰধান উদ্দেশ্য কি?

(৩) বিদ্যালয়ৰ এটা উল্লেখযোগ্য ভূমিকা উল্লেখ কৰা।

(৪) অনানুষ্ঠানিক শিক্ষাৰ এটা মাধ্যম উল্লেখ কৰা।

### ১.৪ শিক্ষাৰ লক্ষ্যঃ

শিক্ষাৰ ভিত্তিত আমাৰ জীৱনটোক কেইটামান প্ৰদান স্তৰত ভাগ কৰা হৈছে। সেইকেইটা হ'ল প্ৰাথমিক, মাধ্যমিক, বিশ্ববিদ্যালয আৰু প্ৰাপ্তবয়স্ক শিক্ষাই প্ৰত্যেক স্তৰৰে কিছুমান

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

বিশেষ লক্ষ্য আছে। ঠিক একে ধৰণে শিক্ষা বিষয়টোকো কিছুমান ভাগত ভাগ কৰা হৈছে। উদাহৰণ স্বৰূপে বৈজ্ঞানিক শিক্ষা, বানিজ্যিক শিক্ষা, কাৰিকৰী শিক্ষা আৰু ক'লা ইত্যাদি। এই প্ৰত্যেক ভাগৰে আমাৰ জীৱনৰ বিভিন্ন স্তৰৰ দৰেই কিচুমান লক্ষ্য থকা দেখা যায় গতিকে মানৱ জীৱনৰ সৰ্বাঙ্গীন উন্নতি তথা বিকাশৰ বাবে শিক্ষাৰ লক্ষ্য হোৱা বাঞ্চনীয়। শিক্ষাৰ লক্ষ্যৰ প্ৰয়োজনীয়তা সমূহ তলত আলোচনা কাৰ হ'ল-

(১) **লক্ষ্যই আমাক বিভিন্ন কামৰ দিশ নিৰ্নয় কৰেঃ-** শিক্ষা এক স-সংগবদ্ধ আৰু সু-পৰিকল্পিত প্ৰক্ৰিয়া। যদি ইয়াৰ সু-পৰিকল্পিত লক্ষ্য থাকে তেনেহলে মানুহে ইয়াৰ সহায়ত নিজ লক্ষ্য অভিমূখে শুদ্ধ পথেদি অগ্ৰসৰ হ'ব পাৰে গতিকে শিক্ষা প্ৰক্ৰিয়াৰ লক্ষ্য মানুহৰ সমাজ শিক্ষাৰ প্ৰয়োজন অনুসৰি কৰ্ম কৰাটো সহায় কৰে।

(২) **লক্ষ্যত উপনীত হ'বৰ বাবে বুদ্ধিৰ প্ৰয়োজনঃ-** প্ৰত্যেক ব্যক্তিৰে কম-বেছি পৰিমানে বুদ্ধি থাকে। আমাৰ দৈনন্দিন জীৱনৰ প্ৰতিটো কৰ্মত আমি নানান সমস্যাৰ সন্মুখীন হ'ব লগা হয়। জীৱনৰ লক্ষ্যত উপনীত হব্যল বিভিন্ন সমস্যা সমূহৰ সমাধানৰ অতি প্ৰয়োজন এনে ক্ষেত্ৰত আমাক বুদ্ধিয়ে সহায় কৰে। গতিকে আমি আমাৰ জীৱনৰ প্ৰতিটো কাম বুদ্ধিৰ সহায়ত শৃংখলাবদ্ধভাৱে কৰাটো অতি প্ৰয়োজন। কাৰণ কেৱল শৃংখলাবদ্ধ কৰ্মৰ জৰিয়তে আমি লক্ষ্যত উপনীত হবলৈ সক্ষম হওঁ ঃ

(৩) **শিক্ষাপ্ৰক্ৰিয়াৰ ফলাফলসমূহ মূল্যায়ন কৰাৰ বাবে লক্ষ্যৰ প্ৰয়োজনঃ-** শিক্ষা প্ৰক্ৰিয়াৰ ফলাফল সমূহৰ মূল্যায়নৰ বাবে প্ৰথমে লক্ষ্য সমূহ স্থিৰ কৰাটো অতি প্ৰয়োজন। গতিকে শিক্ষা প্ৰক্ৰিয়াৰ মূল্যায়নৰ বাবে বিভিন্ন পৰীক্ষাৰ অতি প্ৰয়োজন। এইবোৰৰ পৰা আমি শিক্ষা পক্ৰিয়াৰ সফলতা আৰু বিফলতাসমূহ আৰু শিক্ষাৰ্থীৰ কৃতকাৰ্যতাৰ হাৰ নিৰ্ণয় কৰিব পাৰো।

(৪) **বিদ্যালয় প্ৰশাসনৰ দক্ষতা লাভ কৰাৰ বাবে লক্ষ্যৰ প্ৰয়োজনঃ-** আমাৰ জীৱনৰ লক্ষ্য সমূহত উপনীত হবৰ বাবে বিদ্যালয় প্ৰশাসনীক দিশ উত্তম হোৱাটো অতি প্ৰয়োজন। লক্ষই শিক্ষা প্ৰক্ৰিয়াৰ পৰিচালনাত সহায় কৰে আৰু ইয়াৰ পৰিকল্পনাৰ লগে লগে আমি পৰিকল্পিত বিষয়- সমূহৰ কাৰ্যকৰী ৰূপ দিবলৈ সক্ষম হওঁ। ইয়াৰ উপৰিও লক্ষই প্ৰকৃত শিক্ষক নিযুক্তি, শুদ্ধ পাঠ্যক্ৰম প্ৰস্তুতি, বিভিন্ন সা-সৰঞ্জাম, সহপাঠ্যক্ৰম কাৰ্যসূচী আদি নিৰ্দ্ধাৰণ কৰাত সহায় কৰে। যদি শিক্ষা প্ৰক্ৰিয়াত এই সকলোবোৰ পৰিকল্পনা অনুসৰি কাৰ্য্যকৰী ৰূপ প্ৰদান কৰা হয় তেনেহলে প্ৰত্যেক ব্যক্তিয়ে নিজ নিজ লক্ষ্যত উপনীত হবলৈ সক্ষম হ'ব।

(৫) **লক্ষ্যসমূহ অভিভাৱক আৰু সাধাৰণ নাগৰিকৰ বাবে অতি প্ৰয়োজনীয়ঃ-** শিক্ষাৰ লক্ষ্য সম্বন্ধে প্ৰকৃত জ্ঞানৰ অভাৱতে কিছুমান অভিভাৱক আৰু সাধাৰণ নাগৰিকে শিক্ষা সম্বন্ধে নানান সমালোচনা কৰে। কিন্তু শিক্ষাৰ লক্ষ্যৰ প্ৰকৃত জ্ঞানে

তেওঁলোকক শিক্ষাৰ প্ৰতি আগ্ৰহি কৰি তুলিব পাৰে। ইয়াৰ উপৰিও এই জ্ঞানৰ সহায়ত তেওঁ লোকৰ নিজ সন্তানৰ বাবে শুদ্ধ শিক্ষা বা পাঠ্যক্ৰম নিৰ্বাচন কৰাটো সহায় কৰিব পাৰে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

(৬) **কোনো কৰ্ম অৰ্থপূৰ্ণ হ'বৰ বাবে লক্ষ্যৰ প্ৰয়োজনঃ-** মানুহৰ নানান কৰ্মত সাফল্য লাভ কৰিবৰ বাবে শিক্ষাৰ লক্ষ্যই সহায় কৰে। কাৰণ লক্ষ্য অবিহনে কৰ্মৰ কোনো অৰ্থ নাই। গতিকে অৰ্থপূৰ্ণ আৰু লক্ষ্যপূৰ্ণ কৰ্মইহে আমাৰ জীৱনৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰে।

(৭) **লক্ষই শিক্ষা প্ৰক্ৰিয়া বৈশিষ্ট পূৰ্ণ আৰু নিজবিচিন্নমান কৰি তোলেঃ-** শিক্ষাৰ লক্ষ্যই আমাৰ জীৱনৰ বিভিন্ন অভিজ্ঞতা আৰু কৰ্মক বৈশিষ্টপূৰ্ণ কৰি তোলে গতিকে আমাৰ জীৱনৰ লক্ষ্য থকাৰ লগতে শিক্ষা প্ৰক্ৰিয়াতো লক্ষ্য থকাটো বাঞ্চনীয়।

**উত্তম লক্ষ্যৰ বৈশিষ্টসমূহঃ-** শিক্ষাৰ লক্ষ্যসমূহ উত্তম হোৱাৰ বাবে ইয়াৰ কিছুমান বিশেষ গুণ বা বৈশিষ্ট থকাটো অতি প্ৰয়োজনীয়। বিখ্যাত শিক্ষাবিদ জন ডিউইৰ মতে "উত্তম লক্ষ্যৰ কিছুমান বিশেষ বৈশিষ্ট থাকিব লাগে। সেই সমূহ হৈছে-

(১) **উত্তম লক্ষ্যসমূহ সদায় বাস্তৱৰ লগত জড়িতঃ-** শিক্ষাৰ লক্ষ্য সমূহ নিৰ্দ্ধাৰিন কৰোতে সদায় বাস্তৱ পৰিস্থিতিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে। যি সমূহ লক্ষ্যই বাস্তৱ পৰিস্থিতিত সমাজ আৰু সময়ৰ প্ৰয়োজন পুৰাব পাৰে সেইসমূহ লক্ষ্যক উত্তম লক্ষ্য হিচাপে বিবেচনা কৰিব পাৰি। গতিকে উত্তম লক্ষ্যৰ বাবে অতীত আৰু ভৱিষ্যত পৰিস্থিতিৰ পৰিবৰ্তে বাস্তৱ পৰিস্থিতিৰহে অতি প্ৰয়োজন।

(২) **উত্তম লক্ষ্য সদায় পৰিবৰ্তন শীলঃ-**সমাজ আৰু জীৱন এক গতিশীল প্ৰক্ৰিয়া। প্ৰতিটো মুহূৰ্ত্তে আমাৰ জীৱন আৰু সমাজ নতুনত্বৰ সন্ধানত আগবাঢ়ি গৈ আছে। গতিকে এই নতুন সময় আৰু সমাজৰ প্ৰয়োজন পূৰণৰ বাবে শিক্ষাৰ লক্ষ্যসমূহ পৰিবৰ্তন হোৱাটো অতি প্ৰয়োজনীয়। ইয়াৰ উপৰিও বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰভাৱৰ লগে লগে প্ৰত্যেক ব্যক্তিৰে প্ৰয়োজন আৰু চাহিদা সমূহৰ পৰিবৰ্তন হৈছে। ইয়াৰ প্ৰভাৱত নানান সমস্যাৰো সৃষ্টি হৈছে। গতিকে এই সমস্যা সমূহৰ সমাধানৰ বাবে শিক্ষাৰ লক্ষ্যসমূহ পৰিবৰ্তন হোৱাটো অতি প্ৰয়োজনীয়।

(৩) **উত্তম লক্ষ্যই বিভিন্ন কাৰ্যসামৰি লয়ঃ-** প্ৰত্যেক ব্যক্তিয়ে জীৱনৰ বিভিন্ন কাৰ্যত ব্যস্ত হৈ থাকে। উত্তম লক্ষ্যই মানুহৰ বিভিন্ন কৰ্মত শিক্ষা প্ৰক্ৰিয়াৰ এক অংগ হিচাপে স্বীকৃতি প্ৰদান কৰে। ইয়াৰ উপৰিও জীৱনৰ প্ৰকৃত লক্ষ্যত উপনীত হ'বৰ বাবে বিভিন্ন কৰ্মৰ প্ৰয়োজন। গতিকে শিক্ষাৰ লক্ষ্যৰ জৰিয়তে মানুহে জীৱনৰ বিভিন্ন কৰ্ম শৃংক্ষলাবদ্ধভাৱে সম্পাদন কৰি জীৱনৰ প্ৰকৃত লক্ষ্যত উপনীত হবলৈ সক্ষম হয়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**১.৪.১ শিক্ষাৰ লক্ষ্যৰ প্ৰকাৰ সমূহঃ-**

**ব্যক্তিকেন্দ্ৰিক শিক্ষাৰ লক্ষ্য ঃ-**

শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন লক্ষ্য দেখা পোৱা যায়। বিভিন্ন শিক্ষাবিদ সকলে এই ক্ষেত্ৰত বিভিন্ন মতামত আগবঢ়াইছে। যদিও শিক্ষাৰ বিভিন্ন লক্ষ্য দেখা পোৱা যায় তথাপি প্ৰত্যেকটো লক্ষ্যৰ সকলোৰে বাবে সমানে গ্ৰহণযোগ্য নহয়। কাৰণ লক্ষ্য কেতিয়াও স্তিতিশীল হ'ব নোৱাৰে। সময় আৰু সমাজৰ পৰিবৰ্তনৰ লগে লগে এই লক্ষ্য সমূহৰো পৰিবৰ্তন হোৱা পৰিলক্ষিত হয়। ব্যক্তিকেন্দ্ৰিক লক্ষ্যই শিক্ষাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা দেখা যায়।

শিক্ষাৰ ব্যক্তিবাদৰ লক্ষ্যতো প্ৰথমে সমৰ্থন কৰিছিল ইংলেণ্ডৰ বিখ্যাত শিক্ষাবিদ ছাৰ পাৰ্চিনান। তেওঁৰ মতে মানুহৰ ব্যক্তিগত স্বাধীন ক্ৰমৰ বাহিৰে মনুস্য জাতিৰ কোনো সুন্দৰ কথা প্ৰবেশ কৰিব নোৱাৰে। ব্যক্তিসমূহৰ প্ৰয়োজন অনুসৰি সমাজখন গঢ়ি উঠে। গতিকে সমাজ গঢ়িবলৈ হলে প্ৰথমে ব্যক্তি গঢ় লৈ উঠিব লাগিব। ইয়াৰ বাবে ব্যক্তি সকলৰ বিকাশ স্বাধীন কৰ্মৰ মাজেৰে হোৱালৈ অতি প্ৰয়োজন

ব্যক্তিকেন্দ্ৰিক লক্ষ্যৰ অন্য এগৰাকী সমৰ্থক হ'ল "হাৰ্বাৰ্ত স্পেনচাৰ"। তেওঁ বিশ্বাস কৰিছিল যে ব্যক্তিৰ অস্তিত্ব সমাজৰ অস্তিততকৈ অধিক শক্তিশালী আৰু প্ৰভাৱশালী। সেয়েহে শিক্ষাৰ ক্ষেত্ৰত ব্যক্তি স্বাধীনতাক অধিক গুৰুত্ব প্ৰদান কৰা হয়। ব্যক্তি কেন্দ্ৰীক লক্ষ্যক প্ৰকৃত উদ্দেশ্য সফল কৰাত ব্যক্তি সকলৰ নিজস্ব প্ৰচেষ্টাৰো অতি প্ৰয়োজন। বিখ্যাত মহিষি ৰুচোয়ে তেওঁ অমূল্য গ্ৰন্থ "এমিলত" শিশুৰ ব্যক্তিগত শিক্ষাৰ প্ৰয়োজনীয়তা সম্বন্ধে নানান ধৰণৰ যুক্তি প্ৰকাশ কৰিছে। তেওঁ কৈছে যে শিশুসকলে কোনো ব্যক্তি তথা সমাজৰ পৰা বাধা নোলোৱাকৈ প্ৰকৃতিৰ মাজত থাকি শিক্ষা লাভ কৰিব লাগে। কাৰণ ৰুচই বিশ্বাস কৰে যে ব্যক্তিগতভাৱে প্ৰত্যেক মানুহে সজ আচৰণ লৈ জন্মগ্ৰহণ কৰে। কেৱল সমাজেহে ব্যক্তিসকলক জতিল কৰি তোলে। প্ৰতিবাদী সকলে শিক্ষাৰ ব্যক্তিকেন্দ্ৰীক লক্ষ্যৰ বিকাশৰ বিশেষ অৰিহনা আগবঢ়াইছে।

এই শতিকাৰ এজন প্ৰকৃতিবাদী শিক্ষা দাশৰ্নিক পাৰ্চী নানে বৈজ্ঞানিক দৃষ্টি ভংগীৰে শিক্ষাৰ ব্যক্তিকেন্দ্ৰীক লক্ষ্যৰ যুক্তি যোগ্যতা প্ৰতিপন্ন কৰে। তেওঁৰ মতে সমাজৰ প্ৰতিজন ব্যক্তিয়েই নিজৰ স্বকীয় অস্তিতৰ দ্বাৰা গঠিত। ভিন্ন বৈশিষ্টৰ দ্বাৰা গঠিত ব্যক্তিসত্বাৰ পূৰ্ণ বিকাশৰ বাবে আৱশ্যকীয় শিক্ষাৰ বাতাবৰণ সৃষ্টি কৰোৱাই হৈছে শিক্ষাৰ লক্ষ্য। যিমানেই ব্যক্তিৰ জৈৱিক পৰিবৰ্তন আৰু উৎকৰ্ষ সাধন কৰি সমাজৰ অতি নিজৰ মৌলিক অৱদান আগবঢ়োৱাটো দৃঢ়তাৰে মত প্ৰকাশ কৰে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**ইয়াৰ সফলতাসমূহ ঃ**

(১) জীৱ বিজ্ঞানৰ দৃষ্টিভংগীৰ পৰা কোৱা হয় যে, শিশুকাল হ'ল এটা সুন্দৰ অবস্থা। ই কিছুমান সামৰ্থ আৰু প্ৰাকৃতিৰ সম্ভৱনীয়তালৈ জন্মলাভ কৰে। শিক্ষাৰ কাম হ'ল শিশুৰ নিৰ্দিষ্ট সম্ভাৱনীয়তা সমূহক বিকশিত কৰি ব্যক্তিত্বৰ সম্পূৰ্ন বিকাশ সাধন কৰা।

(২) প্ৰকৃতিবাদী দৃষ্টি ভংগীৰ পৰা কোৱা হয় যে, শিক্ষাৰ ব্যক্তিকেন্দ্ৰিক লক্ষ্য হ'ল ব্যক্তিসকলৰ স্বয়ংকীয় বিকাশ সম্ভৱ কৰি তোলা।

(৩) মনোবৈজ্ঞনিক দৃষ্টিভংগীৰ পৰা কোৱা হয় যে, শিক্ষা হ'ল এটি ব্যক্তিবাদী প্ৰক্ৰিয়া। কাৰণ প্ৰত্যেক শিশু এজনে আনজনৰ পৰা পৃথক। সোয়েহে স্থিতিশীল পাঠ্যক্ৰমৰ যুক্তিযুক্ততা নাই।

(৪) ব্যক্তিকেন্দ্ৰিক লক্ষ্য ডাৰউইনৰ বিৰ্বতনবাদ তত্বৰ দ্বাৰাও সমৰ্থিত। মানুহে জীৱনৰ প্ৰতি মূহুত্বতে পৰিবশে আৰু পৰিস্থিতিৰ লগত সংগ্ৰাম আৰু অতিদন্দিতাৰে আগুৱাব লাগে এনে সংগ্ৰামত কেৱল যোগ্য জনেহে নিজৰ অধিকাৰ লাভ কৰিব পাৰে। সেইবাবে ব্যক্তিক নিজ যোগ্যতাৰ লাভৰ শিক্ষা দিয়াটো অতি আৱশ্যকীয়।

(৫) ব্যক্তিৰ আবেগিক আৰু আনুভূতিক জীৱনৰ ফালৰ পৰাও এক সুকীয়া বৈসিষ্ট আছে। ব্যক্তিৰ সমাজ গঠন কৰে আৰু ইয়াৰ উন্নতিৰ বাবে নানান কাৰ্যত অংশগ্ৰহণ কৰে ইয়াৰ বিপৰীতে ব্যক্তিৰ নিজস্ব আশা আকাঙ্খা পূৰণৰ বাবে শিক্ষা অতি প্ৰয়োজনীয়।

**ইয়াৰ বিফলতাসমূহঃ-**

(১) ৰেমণ্ডৰ মতে, " অকলশৰীয়া ব্যক্তি এজন হৈছে এক অলৌকিক কল্পনা।" অকলশৰীয়া ভাৱে ব্যক্তিৰ বিকাশ কৰাটো সম্ভৱ নহয়। সেয়েহে শিক্ষাৰ বিকাশ কৰিবলৈ যাওতে অকল এজন ব্যক্তিৰ কথা চিন্তা কৰাটো কোনো যুক্তি নাই।

(২) প্ৰত্যেক ব্যক্তিয়েই সামাজিক প্ৰাণী। সমাজ হিচাপে জীৱাই থাকিবলৈ প্ৰত্যেক ব্যক্তিয়ে ইজনে সিজনৰ লগত সম্পৰ্ক বজাই ৰাখিব লাগে। কিন্তু ব্যক্তিকেন্দ্ৰিক লক্ষ্যই যিহেতু ব্যক্তিৰ সুকিয়া বিকাশৰ ওপৰত গুৰুত্ব প্ৰদান কৰে গতিকে, সামাজিক সৰ্ম্পক ক্ষেত্ৰত ই বাধা স্বৰুপে দেখা দিয়ে।

(৩) ব্যক্তিকেন্দ্ৰিক লক্ষ্যই মানুহৰ ব্যক্তিত্বৰ আধ্যাত্মিক দিশটোক নুই কৰিছে। গতিকে ব্যক্তি কেন্দ্ৰিক লক্ষ্যৰ জৰিয়তে শিক্ষা গ্ৰহণ কৰি মানুহ সম্পূৰ্ণৰূপে আত্মকেন্দ্ৰিক আৰু স্বাৰ্থপৰ হৈ উঠে। গতিকে লক্ষ্যত কেতিয়াও সমৰ্থন কৰিব নোৱাৰি।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

(৪) ব্যক্তিকেন্দ্ৰিক লক্ষ্যক যিহেতু প্ৰকৃতিবাদক সমৰ্থন কৰে গতিকে এই লক্ষ্যসমূহত শিশুক সম্পূৰ্ণ স্বাধীনতা প্ৰদান কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। যিহেতু শিশু সকল অপৈনত হৈ থাকে গতিকে তেওঁলোকক প্ৰদান কৰা পূৰ্ণ স্বাধীনতা তেওঁলোকে সৎভাৱে প্ৰয়োগ কৰিব নোৱাৰে।

(৫) ব্যক্তিকেন্দ্ৰিক লক্ষ্যই যিহেতু প্ৰত্যেক শিশুৰে সুকীয়া বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে গতিকে প্ৰত্যেক শিশুক সুকীয়া শিক্ষা প্ৰদান কৰাৰ বাবে পৃথক পাঠ্যক্ৰমৰ প্ৰয়োজন। কিন্তু প্ৰত্যেকৰে বাবে পৃথক পাঠ্যক্ৰম কৰা সম্ভৱ নহয়। গতিকে ব্যক্তিকেন্দ্ৰিক লক্ষ্যক সম্পূৰ্ণৰূপে সমৰ্থন কৰিব নোৱাৰি।

**সামাজিক/সমাজকেন্দ্ৰিক শিক্ষাৰলক্ষ্যঃ-**

শিক্ষাৰ বিভিন্ন লক্ষ্য সমূহৰ ভিতৰত সামাজিক লক্ষ্য অন্যতম। শিক্ষাৰ এনে সমাজকেন্দ্ৰিক উদ্দেশ্যৰ ভাৱধাৰাৰ পুৰণি গ্ৰীক দেশত নাগৰিকৰ শিক্ষা ব্যৱস্থাত পোৱা যায়। এই নগৰৰ ৰাজনৈতিক দৃষ্টিভংগী চৰম সমাজবাদী হোৱা হেতুকে ই শিক্ষাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল। আমেৰিকাৰ বিখ্যাত শিক্ষাবিদ জনডিউই এই সামাজিক লক্ষ্যৰ প্ৰবৰ্তক হিচাপে ধৰা হয়। শিক্ষাৰ সমাজিক লক্ষ্যৰ মতে শিক্ষা এনে এক প্ৰক্ৰিয়া যিটোৱে শিশুক সমাজৰ এক সুস্থ সদস্য ৰূপে পৰিগণিত হোৱাত সহায় কৰে। শিক্ষাৰ এই লক্ষ্যৰ ভেটি হৈছে দৰ্শণৰ প্ৰয়োগবাদৰ মতবাদ।

ইয়াৰ মতে, সমাজৰ উন্নতিৰ বাবে কাম কৰাই ব্যক্তিৰ লক্ষ্য হোৱা উচিত। এই লক্ষ্যৰ প্ৰধান পৃষ্ঠপোষক জন ডিউইৰ মতে, শিশুসকলক পূৰ্ণ বিকশিত কৰিবলৈ হলে সমাজ তান্ত্ৰিক ধাৰণাৰ মাজেৰে বিকশিত কৰিব লাগিব। ব্যক্তিয়ে সমাজিক যোগ্যতা আহৰণ কৰাই শিক্ষাৰ প্ৰকৃত লক্ষ্য হোৱা উচিত। তেওঁৰ মতে শিক্ষা ব্যক্তিৰ দুই প্ৰকাৰৰ সমাজিক যোগ্যতা লাভ কৰাত সহায় কৰিব লাগে।

(১) শিল্প বৃত্তি বিষয়ৰ সমস্যা আৰু

(২) সু-নাগৰিকতা

ইয়াৰ উপৰিও শিক্ষাৰ সামাজিক লক্ষ্যই দেশ বা ৰাষ্ট্ৰৰ সামুহিক স্বাৰ্থ ৰক্ষা আৰু সামাজিক মঙ্গল কামনা কৰাটো বুজায়। শিক্ষা দেশৰ নাগৰিক সকলৰ মন সমাজৰ উন্নতিকামী আৰু মঙ্গলকামী কৰি তোলে। জন ডিউইৰ বিখ্যাত গ্ৰন্থ “গণতন্ত্ৰ আৰু শিক্ষা” ত শিক্ষাৰ মাজেদি ব্যক্তিৰ বিকাশৰ ক্ষেত্ৰত ঘাইকৈ গণতান্ত্ৰিক ৰাষ্ট্ৰ অথবা সমাজৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। গণতন্ত্ৰৰ প্ৰকৃত নাগৰিক হবলৈ হলে কিছুমান গুণ, আদৰ্শ , অভ্যাস আৰু মনোযোগৰ অধিকাৰী হ’ব লাগিব। শিক্ষাৰ সমাজকেন্দ্ৰিক লক্ষ্যই মানহক সু-নাগৰিকৰ বাবে প্ৰয়োজনীয় গুণ আহৰণ কৰাত সহায় কৰে।

**ইয়াৰ সবলতাসমূহঃ-**

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

(১) সমাজৰ প্ৰতি ভালপোৱা ভাৰ বা সামাজিক প্ৰাণী হিচাপে জীৱাই থকাটো মানুহৰ এক প্ৰবৃতিগত আচৰণ, শিক্ষাৰ সমাজকেন্দ্ৰীক লক্ষ্যই মানুহৰ এই বিশষ আচৰণৰ বিকাশ সাধন কৰি ব্যক্তিক এজন সুস্থ সামাজিক ব্যক্তি হিচাপে পৰিগণিত হোৱাত সহায় কৰে।

(২) সুস্থ সামাজিক পৰিবেশে মানুহৰ মাজত থকা বিভিন্ন সুপ্ত পুতিভাসমূহৰ বিকাশ সাধন হোৱাত সহায় কৰে। গতিকে সুস্থ ব্যক্তিত্বৰ অধিকাৰী হবলৈ ব্যক্তিক শিক্ষাৰ সমাজ কেন্দ্ৰিক লক্ষ্যৰ অতি প্ৰয়োজন।

(৩) ব্যক্তিৰ নিজ নিজ প্ৰয়োজন সমাজৰ প্ৰয়োজনৰ যোগেদিহে প্ৰতিবিম্বিত হয়। সেইবাবে ব্যক্তিৰ প্ৰয়োজন সমাজৰ প্ৰয়োজনতকৈ পৃথক হ'ব নোৱাৰে। ব্যক্তিৰ প্ৰয়োজনতকৈ সামাজিক প্ৰয়োজনেহে সদায় অগ্ৰাধিকাৰ পোৱা উচিত।

(৪) বৰ্ত্তমান সামাজিক জতিলতা বৃদ্ধি পোৱাৰ লগে লগে মানুহ আৰ্থিক ভাৱে সমাজৰ ওপৰত নিভৰশীল হোৱা দেখা যায়। আধুনিক বিজ্ঞানৰ পৰা লাভ কৰা উন্নত সামাজিক জীৱনত এজন মানুহে কেতিয়াও স্বয়ং সম্পূৰ্ণৰূপে জীৱন নিৰ্বাহ কৰিব নোৱাৰে। সেয়েহে ব্যক্তিৰ নিজ স্বাৰ্থ পূৰাব বাবে সামাজিক পৰিবেশৰ প্ৰয়োজন

(৫) শিক্ষাৰ লক্ষ্য, শিক্ষাৰ পাঠ্যক্ৰম, শিক্ষাদান পদ্ধতি আদি নিৰ্ণয় কৰোতে সেই সমূহে সমাজতান্ত্ৰিক দিশটোহে আগত ৰাখে। গতিকে শিক্ষাৰ ক্ষেত্ৰত সমাজকেন্দ্ৰিক লক্ষ্যই এক অন্যতম ভূমিকা পালন কৰে।

**ইয়াৰ দুৰ্বলতাসমূহঃ-**

(১) চৰম সমাজবাদী সকলে গ্ৰহণ কৰা সমাজৰ অতি মানৱীয় অস্তিতৰ দৃষ্টিভংগীয়ে ব্যক্তিক অস্তিত্বশীল কৰি তুলিব পাৰে। সমাজক সৰ্বশক্তিমান বুলি বিবেচনা কৰিবলৈ যাওতে ব্যক্তিৰ নিজস্ব ক্ষমতা প্ৰয়োজন আদিৰ ভূমিকা যথাযত বিবেচনা নকৰাতো ব্যক্তি আৰু সমাজ উভয়ৰ বাবে ক্ষতিকাৰক।

(২) শিক্ষাৰ সামাজিক লক্ষ্যৰ চৰম দৃষ্টিভংগীয়ে একনায়কত্ববাদৰ সৃষ্টি কৰিব পাৰে। বৰ্তমান সময়ত শিক্ষা জগতত এনে দৃষ্টিভংগী আদৰণীয় নহয়। সেইবাবে এই লক্ষ্যক সম্পূৰ্ণৰূপে সমৰ্থন কৰিব নোৱাৰি।

(৩) সামাজিক লক্ষ্যই যোগ্যতাৰ ক্ষেত্ৰত থকা ব্যক্তিক পাৰ্থক্যৰ কাথাও অৱহেলা কৰা দেখা যায়। সকলো লোকেই সামাজিক পৰিবেশত শিক্ষা লাভ কৰিলেও সকলোৰে পৰা একে ফল আশাকৰিব নোৱাৰি। গতিকে সমাজৰ সকলো লোকৰ বাবে শিক্ষাৰ লক্ষ্য আৰু ক্যৰ্যসূচী একে কৰি তুলিলেও ব্যক্তিৰ প্ৰতিভা বিকাশৰ

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

ক্ষেত্ৰত জতিলতা সৃষ্টি হোৱা দেখা য্যয়।

(৪) শিক্ষাৰ যোগেদি ব্যক্তিৰ সামাজিক যোগ্যতা বিকাশৰ ধাৰণাই কোনো কোনো ক্ষেত্ৰত সমাজৰ লোকক পিথগামী কৰি তোলাৰো আশংকা থাকে। যাৰ ফলত শিক্ষা অনুষ্ঠান বোৰত নিয়ম শৃংখলা বজাই ৰখাৰ ক্ষেত্ৰতো বাধাৰ সৃষ্টি হোৱা দেখা যায়।

(৫) শিক্ষাৰ সামাজিক লক্ষ্যই সমাজত মানুহৰ এনে এক সামাজিক দলৰ সৃষ্টি কৰে যি সকলে কেৱল মাত্ৰ অন্ধ অনুকৰণতহে বিশ্বাস কৰে। গতিকে শিক্ষাৰ সামাজিক লক্ষ্যক সম্পূৰ্ণ ৰূপে সমৰ্থন কৰিব নোৱাৰি।

শিক্ষাৰ ব্যক্তিকেন্দ্ৰিক লক্ষ্য আৰু সমাজকেন্দ্ৰিক লক্ষ্যৰ মাজত কিছুমান পাৰ্থক্য দেখিবলৈ পোৱা যায়। সেইসমূহ হল——

(১) ব্যক্তিকেন্দ্ৰিক লক্ষ্য প্ৰকৃতিবাদ দৰ্শণৰ ওপৰত প্ৰতিষ্ঠিত। আনহাতে সমাজিক লক্ষ্য প্ৰয়োগবাদ দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত।

(২) মানুহৰ জৈৱিক বংশগতিৰ ওপৰত ব্যক্তি কেন্দ্ৰিক লক্ষ্যই সামাজিক বংশগতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আনহাতে, সামাজিক লক্ষ্যই সামাজিক বংশ গতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

(৩) ব্যক্তি কেন্দ্ৰিক লক্ষ্যই বৈজ্ঞানিক দৃষ্টিভংগীৰ ওপৰত প্ৰতিষ্ঠিত। আনহাতে সমাজিক লক্ষ্যই অৰ্থ সামাজিক শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

(৪) ব্যক্তিকেন্দ্ৰিক লক্ষ্যই ব্যক্তিৰ বিকাশৰ ক্ষেত্ৰত পূৰ্ণস্বাধীনতা প্ৰদান কৰে। আনহাতে সামাজিক লক্ষ্যই সমাজকহে পূৰ্ণ স্বাধীনতা প্ৰদান কৰে আৰু সমাজৰ ক্ষমতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

(৫) ব্যক্তি কেন্দ্ৰিক লক্ষ্যক ইংলণ্ডৰ বিখ্যাত দাশনিক চাৰ পাৰ্চি নানে তেওঁৰ বিখ্যাত পুথিত প্ৰথম প্ৰৰ্বত্তন কৰি উলিয়াইছিল। আনহাতে বিখ্যাত শিক্ষাবিদ জন ডিউইয়ে তেওঁৰ বিখ্যাত পুথিত প্ৰথম শিক্ষাৰ সমাজিক লক্ষ্য সৰ্ম্পকে উল্লেখ কৰিছে।

(৬) ব্যক্তিৰ প্ৰকৃতি আৰু প্ৰয়োজনৰ প্ৰতি লক্ষ্য ৰখাই ব্যক্তিকেন্দ্ৰিক লক্ষ্যৰ প্ৰধান উদ্দেশ্য। আনহাতে মানুহৰ সামাজিক যোগ্যতাৰ ওপৰত গুৰুত্ব দিয়াই সামাজিক লক্ষ্যৰ প্ৰধান উদ্দেশ্য।

(৭) কেক্তিকেন্দ্ৰিক লক্ষ্যৰ মতে শিক্ষা সকলোৰে বাবে একে মানদণ্ডৰ কৰি তুলিব নালাগে। আনহাতে শিক্ষাৰ সামাজিক লক্ষ্যই সকলোকে সমানে সু-নাগৰিক কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

(৮) শিক্ষাৰ ব্যক্তিকেন্দ্ৰিক লক্ষ্যই মনোবিজ্ঞানৰ নীতি আৰু পদ্ধতি সমৰ্থন কৰে আনহাতে সামাজিক লক্ষ্যই সমাজ বিজ্ঞানৰ নাতি আৰু পদ্ধতি সমৰ্থন কৰে।

(৯) শিক্ষাৰ ব্যক্তি কেন্দ্ৰিক লক্ষ্যই ব্যক্তিৰ ভিতৰত আৰ্ন্তনিহিত হৈ থকা বিভিন্ন সুপ্ত প্ৰতিভা সমূহৰ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আনহাতে সামাজিক লক্ষ্যই ব্যক্তিক সামাজিক ক্ষেত্ৰত বিকাশ কৰি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

ব্যক্তি আৰু সমাজ ইটো সিটোৰ লগত ওতঃপ্ৰোতঃ ভাৱে জড়িত। এটাৰ অবিহনে আনটো অসৰ্ম্পূণ। ব্যক্তিসকল সদায় সমাজৰ ওপৰত নিৰ্ভৰশীল আৰু সমাজ সমৃদ্ধ কৰিবলৈ ব্যক্তি সকলৰ প্ৰয়োজন। ব্যক্তি সকলৰ উন্নতিৰ দ্বাৰাই সমাজৰ বিকাশ ঘটে। আৰু বিকাশ লাভ কৰা সমাজে ব্যক্তিৰ ওপৰত প্ৰভাৱ পেলাই। ব্যক্তি আৰু সমাজ কোনোটোৰেই নিজস্ব স্বাধীন অস্তিত্ব নাই। সেয়েহে শিক্ষাৰ লক্ষ্য স্থিৰ কৰোতে ব্যক্তি আৰু সমাজ দুয়োটাৰে ওপৰত গুৰুত্ব আৰোপ কৰা হয়। এই ক্ষেত্ৰত বিখ্যাত শিক্ষাবিদ “ৰুচুৰ ” মন্তব্য এনেধৰণৰ ঃ- “ সামাজিক পৰিবেশক বাদ দিলে ব্যক্তিৰ পৃথক অস্তিস্তক আৰু ব্যক্তিত্ব সৰ্ম্পূন অৰ্থহীন, এই দুয়োটাৰ বন্ধন আৰু প্ৰকাশ সামাজিক পৰিবেশতহে হ'ব পাৰে।

বিখ্যাত মনিষী জন আদামচৰ মতে, “ ব্যক্তিত্ব গঢ়ি তুলিবৰ বাবে এটা সামাজিক পৰিবেশৰ প্ৰয়োজন। সামাজিক সংঘৰ্ষ নঘটিলে আমি মানুহ নহয়। সামাজিক জীৱ হিচাপে ব্যক্তিৰ বিকাশ সাধন কৰোটাৰেই হ'ল শিক্ষাৰ মূল উদ্দেশ্য। সমাজত সুন্দৰভাৱে জীৱাই থাকিবলৈ হ'লে সামাজিক দক্ষতাৰো প্ৰয়োজন।

১৯৬৪ চনৰ কোঠাৰি আয়োগৰ মতে, “নিজৰ বা গোষ্ঠীৰ সংকীৰ্ণ স্বাৰ্থৰ অনুসৰনৰ পৰিবৰ্তে বিভিন্ন দিশৰ বিকাশৰ ব্যাপক আনুগত্যৰ মাজেদিহে ব্যক্তিৰ সিদ্ধি হব পাৰে। গতিকে আধুনিক শিক্ষাৰ বাবে শিক্ষাৰ ব্যক্তিকেন্দ্ৰিক আৰু সমাজকেন্দ্ৰিক লক্ষ্য দুয়োটাৰ মাজত সংগতি থকাটো অতি প্ৰয়োজন।

সমাজৰ বাবে ব্যক্তিৰ শিক্ষাৰ ওপৰত দাৰ্শনিক প্লেটোৱে গুৰুত্ব আৰোপ কৰিছে। তেওঁ মত প্ৰকাশ কৰে যে ব্যক্তিয়ে নিজ সম্ভাৱনীয়তা সমূহৰ অবাধে বিকাশ কৰিবলৈ এৰি দিয়াটো দেশৰ বাবে মঙ্গলৰ কথা। ইয়াৰ বাবে দেশ বা সমাজে সেই ব্যক্তিৰ পৰা সৰ্বোকৃষ্ট উপকাৰ লাভ কৰিব পাৰে।

ব্যক্তিৰ বিকাশৰ বাবে প্ৰয়োজন হোৱা স্বাধীনতাৰ কথা জন ডিউয়ে সমৰ্থন কৰে তেওঁৰ মতে প্ৰগতিশীল সমাজ গঠান কৰিবলৈ হ'লে মানুহক বৌধিক স্বাধীনতা দিয়া উচিত। এনে স্বাধীনতা গনতান্ত্ৰিক সমাজব্যৱস্থাৰ যোগেদিহে লাভ কৰিব পাৰি সেইবাবে ব্যক্তি আৰু সমাজৰ স্বাৰ্থ পূৰাব বাবে গনতান্ত্ৰিক সমাজ ব্যৱস্থাৰ প্ৰয়োজন।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

গতিকে ওপৰৰ আলোচনাৰ পৰা ইয়াকে কব পাৰি যে, শিক্ষাৰ ব্যক্তিকেন্দ্ৰিক লক্ষ্য আৰু সামাজিক লক্ষ্য ইটো সিটোৰ বিৰোধি নহয়। দুয়ো দুয়োৰে পৰিপূৰকহে।

**বৃত্তিমূখী ঃ-**

শিক্ষাৰ আন এটা প্ৰধান লক্ষ্য জীৱিকা নিৰ্বাহ কৰা। শিক্ষাই কেৱল মানসিক উৎকৰ্ষ সাধন কৰাতেই সীমাবদ্ধ নাথাকি মানুহৰ জীৱন নিৰ্বাহ কৰাৰ ক্ষেত্ৰটো সহায়ক হোৱাটো প্ৰয়োজনীয় ।বিজ্ঞানৰ নতুন নতুন অৱদান সমূহে উন্নতি সাধন কৰাৰ লগে লগে বহুটো অনুষ্ঠানৰ সৃষ্টি কৰিছে। যাৰ ফলত জতিলতাৰ মাত্ৰা বৃদ্ধি পাইছে। বৃত্তিমূলক শিক্ষাই কোনো এজন মানুহক কেৱল উপাৰ্জন ক্ষম কৰি তুলিবলৈ শিক্ষা প্ৰদান কৰাকে নুবুজায়। বৃত্তিমূলক শিক্ষাৰ মাজেৰে ভবিষ্যত নাগৰিকে সমাজৰ উন্নতিৰ বাবে কাম কৰিব পাৰে। ৰাষ্ট্ৰৰ উৎপাদন শক্তি বঢ়াবলৈ আৰু অৰ্থনৈতিক অৱস্থা সমৃদ্ধ কৰিবলৈ বৃতিমিূলক শিক্ষাৰ অতি প্ৰয়োজন।

বিখ্যাত মনিষি ৰেমণ্ডে কৈছিল যে, শিক্ষাৰ্থীক প্ৰায়োগিক জীৱনৰ দিশটোৰ প্ৰতি সাজু কৰি তুলিবৰ বাবে শিক্ষা ব্যৱস্থাত বৃত্তিমূলক বিষয় সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰাটোৰ অতি প্ৰয়োজনীয়। ভবিষ্যত জীৱনৰ বাবে বৃত্তিসম্বন্ধে শিশু সকলক উপযুক্ত জ্ঞান দিব পাৰিলেহে শিক্ষা ব্যৱস্তাটোৰ উদ্দেশ্যধৰ্মী আৰু অৰ্থপূৰ্ণ বুলি গন্য কৰিব পাৰি।

শিক্ষা হৈছে এনে এক প্ৰতিভা যাৰ জৰিয়তে এখন দেশৰ ৰাষ্ট্ৰীয় প্ৰকৃতি সম্পৰ্কে ধাৰণা কৰিব পাৰি। বিভিন্ন দেশৰ ৰাষ্ট্ৰীয় আৰু বিভিন্ন ধৰণৰ। একেদৰে প্ৰত্যেক দেশৰ প্ৰয়োজন সমূহো বিভিন্ন ধৰণৰ সেইবাবে ভিন্ন প্ৰয়োজনৰ ওপৰত গুৰুত্ব দি শিক্ষা ব্যৱস্থা নিৰ্ধাৰিন কৰা হয়। গতিকে কব পাৰি যে, গণতান্ত্ৰিক দেশৰ শিক্ষা ব্যৱস্থা অন্য দেশতকৈ পৃথক।

**মুক্তিবাদী বা জ্ঞানমূলক শিক্ষাৰ লক্ষ্য ঃ-**

মুক্তিবাদী শিক্ষাৰ লক্ষ্য মানুহ হিচাপে ব্যক্তিজ্ঞানমূলক শক্তিৰ অধিকাৰী। শিক্ষাই আমাৰ বৌদ্ধিক দক্ষতা আৰু সমাৰ্থৰ বিকাশ কৰে। ব্যক্তিক ভবিষ্যত জীৱন নিৰ্বাহৰ বাবে প্ৰশিক্ষণ দি সাজু কৰি তোলাটোৱেই শিক্ষাৰ মূল লক্ষ্য।

শিক্ষাৰ মুক্তিবাদী লক্ষ্যৰ ধাৰা অতি প্ৰাচীন। বৈদিক যুগত মানুহৰ আধ্যাত্মিক জীৱনৰ উন্নতি সাধনত বেছি গুৰুত্ব আৰোপ কৰিছিল। শিক্ষাই আমাৰ বৌদ্ধিক দক্ষতা আৰু সামৰ্থ্যৰ বিকাশ কৰে। প্ৰকৃতভাৱে ক'ব পাৰি যে, মুক্তিবাদৰ শিক্ষাৰ ধাৰণাটোৱে এগৰাকী ব্যক্তিৰ জ্ঞান লাভৰ প্ৰয়াসক বিকশিত কৰা আৰু এই জ্ঞানৰে ব্যক্তিক প্ৰতিষ্ঠিত হোৱাত সহায় কৰে। যি শিক্ষাৰ দ্বাৰাই মন আৰু আত্মাক শৰীৰতকৈ অধিক গুৰুত্ব দি, আধ্যাত্মিক আৰু বৌধিক কামৰ মাজেৰে মানুহৰ উন্নতি সাধন কৰিব পাৰি তাকে শিক্ষাত উদাৰ বা মুক্তিবাদ বোলে।

আধুনিক ধাৰণামতে, মুক্তিবাদী শব্দটো বহল দৃষ্টিভংগীত প্ৰয়োগ কৰা হয়। অৰ্থাৎ-

(১) ব্যক্তিয়ে স্বকীয় বৌধিক আৰু আবেগিক শক্তি ব্যৱহাৰ কৰা স্বাধীনতা।

(২) কুসংস্কাৰ, অন্ধবিশ্বাস আদিৰ প্ৰভাৱৰ পৰা মুক্ত হোৱাৰ স্বাধীনতা আৰু

(৩) স্বতন্ত্ৰভাৱে চিন্তা কৰাৰ স্বাধীনতা।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**গণতান্ত্ৰিক লক্ষ্য ঃ-**

গণতান্ত্ৰিক ব্যৱস্থা হৈছে এনে  এক ব্যৱস্থা য'ত চৰকাৰৰ সকলোবোৰ ক্ষমতা সাধাৰণ নাগৰিকৰ মজত সমভাৱে বিতৰণ কৰা হয়। কাৰণ গণতান্ত্ৰিক দেশৰ প্ৰত্যেক নাগৰিকে চৰকাৰৰ বিভিন্ন কৰ্মত প্ৰতক্ষভাৱে অংশগ্ৰহণ কৰিব পাৰে। ইয়াৰ বাবে সজাগতাৰ অতি প্ৰয়োজন, গতিকে গণতান্ত্ৰিক দেশৰ শিক্ষাৰ লক্ষ্যসমূহ এনেধৰণে নিৰ্ণয় কৰিব লাগে যাতে লক্ষসমূহৰদ্বাৰা নাগৰিকৰ মাজত সজাগতাৰ সৃষ্টি কৰিব পাৰে।

গণতান্ত্ৰিক দেশৰ শিক্ষাৰ লক্ষ্য সম্বন্ধে তলত আলোচনা কৰা হ'ল।

(১) **অৰ্থনেতিক উৎপাদশীলতাঃ-** গণতন্ত্ৰ সাৰ্থক কৰি তুলিবলৈ হ'লে দেশৰ প্ৰতিজন লোককে অৰ্থনৈতিক ভাৱে সক্ষক আৰু উৎপাদনশীল কৰি তুলিব লাগে। ইয়াৰ বাবে দেশৰ উঠি অহা প্ৰজিন যুৱক-যুৱতীয়ে অৰ্থনৈতিক ভাৱে উৎপাদন শীলতাৰ শিক্ষা লাভ কৰিব পাৰিব লাগে। লগতে দেশৰ উন্নতিৰ ক্ষেত্ৰত তেতিয়াহে তেওঁ লোকে নিজৰ বৰঙনি আগবঢ়াব লাগিব।

(২) **সু-নাগৰিকৰ শিক্ষাঃ-** গণতন্ত্ৰসুচাৰুৰূপে পৰিচালনা কৰিবলৈ প্ৰতিজন লোকেই গণতান্ত্ৰিক আদৰ্শ আৰু ইয়াৰ প্ৰক্ৰিয়াসমূহ মানি চলিব লাগে। সমাজৰ লোকৰ প্ৰতি সংবেদনশীলতা সহিষ্ণুতা, সহযোগীতা আৰু নেতৃত্বৰ ভাৱ শিক্ষাই দেশৰ নাগৰিক সকলৰ  মনত জগাই তুলিব লাগে। তেওঁলোকে গণতন্ত্ৰৰ সকলোকথা যুক্তিসংগতভাৱে বিচাৰ কৰি চাব কৰিব পাৰে। ইয়াৰ জৰিয়তেহে আমি ভৱিষ্যতে দেশৰ বাবে সু-নাগৰিক আশা কৰিব পাৰো।

(৩) **নেতৃত্বৰ শিক্ষাঃ-** গণতন্ত্ৰৰ শিক্ষাই দেশৰ উঠি অহা নাগৰিক সকলৰ ব্যক্তিত্বৰ প্ৰয়োজনীয় গুণসমূহৰ বিকাশ সাধন কৰি তুলিব লাগে। ব্যক্তিৰ বিভিন্ন গুণসমূহৰ ভিতৰত নেতৃত্ব প্ৰদান এটা গুৰুত্ব পূৰ্ণ গুণ। গণতন্ত্ৰৰ মৌলিক নীতি আৰু মূল্যবোধসমূহ হৈছে সমাজ, ন্যায়, তাতৃত্ব,বন্ধুত্ব আদি। গতিকে গণতান্ত্ৰিক দেশৰ শিক্ষাই নাগৰিকসকলৰ নেতৃত্বৰ শিক্ষা দিয়াৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে।

(৪) **চিন্তা আৰু ক্ৰিয়াৰ স্বাধীনতাঃ-** গণতন্ত্ৰৰ আন এটা প্ৰধান বৈশিষ্ট হৈছে ইয়াৰ নাগৰিক সকলে মুক্ত আৰু স্বাধীনভাৱে দেশৰ বিভিন্ন সমস্যাসমূহ চিন্তা আৰু তাৰ উপৰত ক্ৰিয়া কৰিব পৰাটো। ইয়াৰ বাবে শিক্ষাই প্ৰতিজন লোকৰ মনত নিজ চিন্তা আৰু

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

প্ৰায়োজনীয় সহায় আৰু আত্ম বিশ্বাস জগাই শিক্ষিত শ্ৰেণীৰ লোকৰ মাজত বৌধিক স্বাধীনতা প্ৰদান কৰিব লাগে।

(৫) **সমতা আৰু সামাজিক ঃ-** এখন গণতান্ত্ৰিক দেশৰ প্ৰধান নীতি হৈছে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ মাজত সমতা স্থাপন কৰা আৰু সকলো লোকে যাতে সমাজৰ সকলো ক্ষেত্ৰত ব্যয় লাভ কৰে। দেশৰ অৰ্থনৈতিক ৰাজনৈতিক সামাজিক আদি বিভিন্ন দিশত বৈসম্যহীন ভাৱে তেওঁ লোকে ন্যায় বিচাৰ কৰিব পাৰে। সেই বাবে সমতা আৰু সামাজিক ন্যায়ৰ শিক্ষা দিয়াটো গণতান্ত্ৰিক দেশৰ শিক্ষাৰ লক্ষ্য হোৱা উচিত।

(৬) **সমাজিক মুক্তি ঃ-** শিক্ষাৰ লক্ষ্য আদৰ্শ সমাজৰ সু-সংস্কাৰ, অন্ধবিশ্বাস, সংকীৰ্ণ ভাৱ গুচাই সমাজখন কুসংস্কাৰ মুক্ত কৰি তুলিব পাৰে। শিক্ষাৰ জৰিয়তে সকলোধৰণৰ লোকৰ মন কুসংস্কাৰ মুক্ত হৈ উঠে আৰু তেওঁলোকে কুসংস্কাৰ মুক্ত কৰি তুলিব পাৰে।

(৭) **চৰিত্ৰ গঠনঃ-** দেশৰ শিক্ষা ব্যৱস্থাই ছাত্ৰৰ নৈতিক চেতনা জগাই তুলি আধ্যাত্মিক জীৱনৰ মানদণ্ড উচ্চ মানবিষ্ঠি কৰি তুলিব লাগে। ইয়াৰ যোগেদিয়ে গনতন্ত্ৰৰ স্থায়ী শান্তি আৰু প্ৰগতি আশা কৰিব পাৰি। সেইবাবে নৈতিক অনুভূতিৰ দ্বাৰা সজচৰিত্ৰ গঠনেহে গণতন্ত্ৰৰ ভেতি সুদৃঢ় কৰি তুলিব পাৰে।

(৮) **ন্যায় প্ৰকাশৰ সুবিধা দানঃ-** গণতান্ত্ৰিক দেশ এখনত সকলো লোকেই শিক্ষাৰ যোগেদি আত্ম প্ৰকাশৰ সুবিধা লব পাৰি। কাৰণ প্ৰত্যেক ব্যক্তিৰ মাজত কিছুমান সুপ্ত আৰু অৰ্ন্তনিহিত প্ৰতিভা লুকাই থাকে, শিক্ষাই প্ৰতিভা চিনাক্ত কৰণ কৰাৰ লগতে ইয়াৰ যথোচিত বিকাশৰ ব্যৱস্থা কৰিব লাগে। গণতান্ত্ৰিক দেশৰ শিক্ষাৰ লক্ষ্যসমূহৰ ভিতৰত ইয়ো এক গুৰুত্বপূৰ্ণ লক্ষ্য হোৱা প্ৰয়োজন।

(৯) **জাতীয় অনুশাসন ঃ-** গণতন্ত্ৰৰ শিক্ষাই দেশৰ নাগৰিক সকলৰ মনত জাতীয় অনুশাসন আৰু আনুগত্যৰ ভাৱ গঢ়ি তুলিব লাগে দেশৰ সংবিধান হৈছে এনে এক আদৰ্শ ব্যৱস্থা যাৰ যোগেদি জাতীয় অনুশাসনৰ মনোভাৱে জাতীয় জীৱনৰ শিক্ষা আৰু বিকাশ সম্ভৱ কৰি তুলিব পাৰে।

(১০) **জাতীয় সংহতিঃ-** এখন গণতান্ত্ৰিক দেশত বিভিন্ন জাতি, বৰ্ণ ভাষাগোষ্ঠীৰ লোকে কাম কৰে। সেইবাবে গণতন্ত্ৰৰ শিক্ষাই যুৱক যুৱতীসকলৰ মনত আবেগিক ঐক্য বুজাপৰা আৰু সংহতিৰ ভাৱ গঢ়ি তুলিব লাগে। ইয়াৰ জৰিয়তে জাতীয় এক্য ভাৱ শক্তিশালী কৰি তুলিব পাৰি আৰু নতুন চিন্তা আৰু ক্ৰিয়া আচনি শিক্ষাত গ্ৰহণ কৰিব পাৰি।

### জানি থওঁ আহা (৩)

শিক্ষা হৈছে উদ্দেশ্যধমী, সুবিবেচিত আৰু সংগঠিত কাৰ্য্য। সেইবাবে শিক্ষাৰ যিকোনো কৰ্ম আঁচনি যুক্ত কৰাৰ বাবে আৰু তাক কাৰ্য্যত পৰিণত কৰাৰ বাবে লক্ষ্যৰ অতি প্ৰয়োজন। শিক্ষাৰ লক্ষ্য স্থিৰ কৰাৰ পিছতহে লক্ষ্যত উপনীত হ'ব পৰাকৈ কোনো এক নিদিষ্ট স্তৰত পাঠ্যক্ৰম, শিক্ষণ পদ্ধতি, শিক্ষণীয় বিষয়, শিক্ষণ কাল আদি স্থিৰ কৰিব পাৰে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

প্ৰত্যেক ব্যক্তিৰ দৈহিক, মানসিক ক্ষমতা সমূহৰ বিকাশ সাধনৰ ওপৰত ব্যক্তিকেন্দ্ৰিকতাই গুৰুত্ব দিয়ে। এই লক্ষ্য সমৰ্থক সকলে শিক্ষা ব্যৱস্থাত এজন ব্যক্তিৰ শাৰিৰীক, মানসিক, আধ্যাত্মিক আৰু নৈতিক দিশৰ সম্পূৰ্ণ বিকাশ ঘটাই সুনাগৰিকতাৰ শিক্ষা ব্যৱস্থাই ব্যক্তিক সুনাগৰিক হিচাপে গঢ়ি তোলাত অৰিহনা যোগায়।

সমাজকেন্দ্ৰিক লক্ষ্যৰ মতে, সমাজ অবিহনে ব্যক্তি জীয়াই থাকিব নোৱাৰে। সমাজকেন্দ্ৰিক লক্ষ্যৰ দ্বাৰা সমন্বয়, সহযোগীতা সহিষ্ণুতা আদি মনোভাৱ ব্যক্তিসকলৰ মাজত গঢ়ি উঠে। সমাজ ব্যৱস্থাৰ মাজেৰেহে ব্যক্তিয়ে সামাজিক মূল্য, গুণ , অভ্যাস, আচৰণ, মনোভাৱ, আৰ্দশ আদি দিশসমূহৰ জ্ঞান আৰু অভিজ্ঞতা লাভ কৰে আৰু সামাজিক কামত অংশ গ্ৰহণ কৰা দক্ষতা লাভ কৰে।

মুক্তিবদৰ শিক্ষাৰ ধাৰণাটোৱে এগৰাকী ব্যক্তিৰ জ্ঞান লাভৰ প্ৰয়াসক বিকশিত কৰে। প্ৰকৃত জ্ঞান লাভ হ'ল জ্ঞানদান কৰাতকৈ বহু ওপৰত বা ঘনাৰাজিৰ শিক্ষন। ই জীৱনৰ অৱস্থাৰ লগত সম্বন্ধিত হ'ব লাগে আৰু ইয়াক শিক্ষাৰ্থী লকলে নিজস্ব অভিজ্ঞতাৰ ভিত্তিত বিকশিত কৰিব লাগিব।

বৃত্তিমূলক শিক্ষাৰ অৰ্থ হ'ল ব্যক্তিক কাৰিকৰী, প্ৰযুক্তিবিদ্যা, শিল্প আদিৰ জ্ঞান পৰিকল্পিত আৰু নিয়মিত ভাবে প্ৰদান কৰা। ইয়াৰ দ্বাৰাই ব্যক্তিয়ে ভবিষ্যতৰ বাবে নিদিষ্ট বৃত্তি নিৰ্বাচন কৰি জীবিকাৰ পথ উলিয়াই ল'ব পাৰে।

শিক্ষাৰ লক্ষ্য মূলতঃ সিকোৱা আৰু গণতান্ত্ৰিক মূল্যবোধৰ চেতনা জাগ্ৰত কৰা ধৰণৰ হোৱা উচিত। গণতান্ত্ৰিক মূল্যবোধ প্ৰত্যেক আৰু প্ৰতিজন ব্যক্তিৰে ব্যক্তিত্বক সন্মান প্ৰৰ্দশন কৰে। মুক্ত প্ৰকাশ, নিজস্ব সিদ্ধান্ত গ্ৰহণ সহযোগিতা আৰু সমভাৱে কাম কৰাৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ সামাজিকতা, অনুশাসন প্ৰিয়তা, সক্ৰিয়তা আৰু স্বকীয়তা খিনিৰ প্ৰকাশ ঘটে আৰু এইবিলাকে সমাজ আৰু ব্যক্তি উভয়ৰে মংগল সাধন কৰে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**আত্মমূল্যায়ন প্ৰশ্নঃ-**

(১) শিক্ষাৰ ব্যক্তিকেন্দ্ৰিক লক্ষ্যৰ পৃষ্ঠপোষকতা কৰা শিক্ষাবিদজন হ'ল..............

(২) সমাজ কেন্দ্ৰিক শিক্ষাৰ লক্ষ্যৰ এটা অসুবিধা বা দুৰ্বলতা উল্লেখ কৰা।

(৩) শিক্ষাৰ মুক্তিবাদী লক্ষ্য মানে কি?

(৪) এখন গনতান্ত্ৰিক ৰাষ্ট্ৰত শিক্ষাৰ লক্ষ্য কি হোৱা উচিত?

**অগ্ৰগতিৰ নিৰীক্ষণ- ৩**

(১) শিক্ষাৰ ব্যক্তিকেন্দ্ৰিক লক্ষ্যৰ এটা দুৰ্বলতা উল্লেখ কৰা।

(২) শিক্ষাৰ বৃত্তিমূলক লক্ষ্যৰ উদ্দেশ্য কি?

(৩) শিক্ষাৰ লক্ষ্যৰ প্ৰয়োজনীয়তা উল্লেখ কৰা।

(৪) মুক্তিবাদী শিক্ষাৰ প্ৰধান লক্ষ্য কি?

## ১.৫ সাৰাংশ (Summing Up)

সাধাৰণ অৰ্থত শিক্ষা হৈছে কোনো বিষয়ত জ্ঞান কৌশল আয়ত্বকৰণ কাৰ্য্য। পূৰ্ব নিৰ্ধাৰিত আৰু পূৰ্ব পৰিকল্পিত পাঠ্যক্ৰমৰ সহায়ত পুথিগত জ্ঞান আৰু নিৰ্দিষ্ট বিষয়ৰ কৌশল আয়ত্ব কৰাকে শিক্ষা বুলি অভিহিত কৰা হয়। গতিকে শিক্ষা হৈছে এক বিকাশশীল প্ৰক্ৰিয়া ইয়াৰ দ্বাৰা ব্যক্তিয়ে নিত্য নতুন পৰিবেশ আৰু পৰিস্থিতিত জীৱৰ প্ৰয়োজনীয় কৌশল আহৰণত ব্ৰতী হয়।

শিক্ষা শব্দটো মূল ইংৰাজী শব্দ হল "Education" "Education" শব্দটো লেটিন ভাষাৰ "E" আৰু "DUCO" শব্দৰ পৰা অনা হৈছে। "E" মানে "out of" বা বহিৰ কৰা আৰু "duco" মানে "I Lead" বা নেতৃত্ব দিয়া। ইয়াৰ মূল অৰ্থ হ'ল মই নেতৃত্ব দি লক্ষ্যত উপনিত হোৱাত সহায় কৰা ।

সংকীৰ্ণ অৰ্থত শিক্ষা হৈছে শিক্ষানুষ্ঠানৰ আবেষ্টনীৰ মাজত লাভ কৰা গতানুগতিক জ্ঞান আহৰণ কৰা কাৰ্য্য। নিৰ্দ্ধাৰিত পাঠ্যক্ৰমৰ মাজেৰে পূৰ্ব পৰিকল্পিতভাৱে নিৰ্দিষ্ট উদ্দেশ্য, সময় সাপেক্ষ আৰু এক নিৰ্ধাৰিত গণ্ডীৰ ভিতৰত আবদ্ধ পাঠ্যক্ৰমৰ সহায়ত এই শিক্ষা প্ৰদান কৰা। আনহাতে, বহল অৰ্থত শিক্ষা হৈছে এক জীৱন যোৱা প্ৰক্ৰিয়া ই মাতৃদেহত জীৱৰ স্থিতিৰ পৰা আৰম্ভ কৰি মৃত্যুৰ আগমুৰ্হ্ত্তলৈ অবিৰামভাৱে চলি থাকে।

দ্বিপাক্ষিক প্ৰক্ৰিয়াত শিক্ষা হৈছে শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজৰ পাৰস্পৰিক কাৰ্য্যবিশেষ। এওঁলোক দুয়োৰো পাৰস্পৰিক অপৰিহাৰ্য্য সম্বন্ধ স্থাপন হয় আৰু শিক্ষকৰ চৰিত্ৰই শিক্ষাৰ্থীৰ

চৰিত্ৰৰ ওপৰত প্ৰভাব বিস্তাৰ কৰে আৰু শিক্ষকেও শিক্ষাৰ্থীৰ পৰা নতুন নতুন অভিজ্ঞতা লাভ কৰে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

শিক্ষা পক্ৰিয়াটো বাস্তৱমুখী হৈ পৰে শিক্ষাৰ্থী, শিক্ষক আৰু সামাজিক পৰিৱেশৰ মাধ্যমত। শিক্ষক আৰু শিক্ষাৰ্থীৰ উভয়ৰ প্ৰচেষ্টাৰ ফলত নিদিষ্ট লক্ষ্যত উপনীত হোৱাত সামাজিক শক্তিৰ প্ৰভাৱ পৰিৱেশৰ মাধ্যমেৰে আহি পৰে। গতিকে শিক্ষা ত্ৰিপাক্ষিক প্ৰক্ৰিয়া। ইয়াৰ উপৰিও শিক্ষক এক গতিশীল প্ৰক্ৰিয়া বুলিও কোৱা হয়। এই প্ৰক্ৰিয়াই ব্যক্তিক নতুন পৰিৱেশৰ লগত সমায়েজন হোৱাত সহায় কৰে। উৎপাদক হিচাপে শিক্ষাই ব্যক্তিৰ অৰ্ন্তনিহিত গুণৰ বিকাশ সাধন কৰি এক উৎপাদনশীল আৰু সৃষ্টিশীল ব্যক্তি হিচাপে প্ৰস্তুত কৰি তুলিব পাৰে। শিক্ষাৰ জৰিয়তে ব্যক্তিৰ সমগ্ৰ বিকাশ সাধন হোৱাৰ উপৰিও এজন যোগ্য নাগৰিক হিচাপে গঢ় দি তুলিব পাৰে।

শিক্ষাৰ পৰিসৰ যথেষ্ট ব্যাপক ।ই সূল্যবোধ, নৈতিকতা, স্বাদ, কৌশল, দৃষ্টিভংগী আদিৰ দৰে দিশবোৰৰ লগত সম্বন্ধযুক্ত। জন ডিউইয়ে সিক্ষাক জীৱন বুলি অভিহিত কৰিছে। গতিকে সামাজিক আৰু আধ্যাত্মিক এই সকলোবোৰ শিক্ষাৰ অন্তভূক্ত। শিক্ষাদানৰ পদ্ধতিৰ ভিত্তিত শিক্ষা প্ৰসাৰৰ মাধ্যসসমূহক তিনিটা বহুল ভাগত বিভক্ত কৰিব পাৰি। সেইকেইটা হৈছে আনুষ্ঠানিক শিক্ষা, অনানুষ্ঠানিক শিক্ষা, অগতানুগতিক শিক্ষা।

আনুষ্ঠানিক শিক্ষাৰ মাধ্যম হিচাপে বিদ্যালয়ৰ অৱদান উল্লেখযোগ্য। বৃহত্তৰ সমাজৰ পৰিকল্পনা বিদ্যালয়ৰ মাধ্যমত কৰা হয় বাবেই বিদ্যালয়ক সমাজৰ ক্ষুদ্ৰ সংস্কৰণ আখ্যা দিয়া হয়। গতিকে পৰিবৰ্ত্তনশীল সমাজত শিক্ষানুষ্ঠানসমূহৰ ভূমিকা গুৰুত্বপূৰ্ণ। ইয়াৰ উপৰিও শিশুৰ ব্যক্তিত্ব বিকাশৰ বাবে শাৰিৰীক, বৌদ্ধিক, নৈতিক , সমাজিক,সৌন্দৰ্য্যবোধ আৰু আধ্যাত্মিক দিশৰ বিকাশ সাধনৰ ক্ষেত্ৰত বিদ্যালয়ৰ ভূমিকা অন্যতম।

শিক্ষাৰ প্ৰকৃত উদ্দেশ্য হ'ল শিশুসকলক সৰ্বাংগ সুন্দৰকৈ গঢ়ি তোলা। শিক্ষাই প্ৰকৃততে দুটা পথ সুগম কৰে। প্ৰথমটো হ'ল আৰ্দশৰ পথ আৰু দ্বিতীয়টো হ'ল সত্যৰ পথ। শিক্ষাৰ লক্ষ্যই শিক্ষাৰ্থী আৰু সমাজক পূৰ্ণ পয্যায়লৈ আগুৱাই নিয়া।

ব্যক্তিকেন্দ্ৰীক শিক্ষাৰ লক্ষ্যই এজন ব্যক্তিৰ মানসিক ক্ষমতা, আবেগ - অনুভূতি, আশা-আকাংক্ষা, দৈহিক গঠনৰ ওপৰত ভিত্তি কৰি শিক্ষা দিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আনহাতে, শিক্ষাৰ সমাজতান্ত্ৰিক লক্ষ্যৰ মতে, সমাজ বা ৰাষ্ট্ৰ ব্যক্তিতকৈ বেছি গুৰুত্বপূৰ্ণ। এই লক্ষ্যই ব্যক্তিৰ মাজত সামাজিক জ্ঞান, ধ্যান ততা সহায় সহযোগিতা বৃদ্ধি কৰা। সময় আৰু সমাজৰ পৰিবৰ্তনৰ লগে লগে ব্যক্তিৰ চিন্তাদাৰা, মূল্যবোধ, প্ৰয়োজন আদিৰ পৰিবৰ্ত্তন ঘটিছে। মুক্তিবাদী লক্ষ্যই জীৱন, সংস্কৃতি, সৌন্দৰ্য্য পৰিশোধন আৰু প্ৰৰিক্ষণৰ ওপৰত বিশ্বাস কৰে। গতিকে, এই লক্ষ্যই বৌদ্ধিক জগতৰ তালিকা, জ্ঞানৰ ভড়াল আৰু ভিন ভিন ৰুচিৰ পৰিশোধনৰ লগত জড়িত।

বৃত্তিমুখী শিক্ষাই ব্যক্তিক অৰ্থনৈতিকভাৱে স্বাৱলম্বী কৰি তোলে। অৰ্থনৈতিক আত্মনিৰ্ভৰশীলতা হ'ল সামাজিক দক্ষতাৰ প্ৰথম বৈশিষ্ট। ই অৰ্থনৈতিক আৰু ব্যক্তিগত

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

বিকাশৰ মাজত সমতা স্থাপন কৰি শিক্ষাৰ্থীসকলক ব্যৱহাৰিক জীৱন আৰু উপযুক্ত কৰ্মৰ বাবে প্ৰস্তুত কৰি তোলে।

গনতন্ত্ৰত শিক্ষাৰ ভূমিকা অতি তাৎপৰ্য্যপূৰ্ণ। গণতন্ত্ৰৰ প্ৰকৃত উদ্দেশ্য হ'ল নাগৰিকসকলৰ সৰ্বাগীন কল্যান সাধনৰ মাধ্যমত ৰাষ্ট্ৰখনৰ প্ৰগতিৰ কামনা কৰ। গণতন্ত্ৰৰ ধাৰনাটো হ'ল এটা সুপৰিকল্পিত ধাৰনা যিটোৰ মাধামত সুন্দৰভাৱে জীৱন ধাৰনা কৰিব পাৰি। গতিকে, জন ডিউইৰ মতে গণতান্ত্ৰিক সমাজৰ শিক্ষা এনেকুৱা ধৰণৰ হ'ব লাগে যিয়ে ব্যক্তি আৰু সামাজিক সংস্পৰ্শই ব্যক্তিগত আগ্ৰহৰ জন্ম দিব পাৰে আৰু সমাজক নিয়ন্ত্ৰণ কৰাৰ লগতে মনত অভ্যাস গঢ়ি তুলি সামাজিক বিশৃংখলতা নোহোৱা কৰি সামাজিক পৰিবৰ্ত্তণৰ সুচনা কৰিব পাৰে।

## ১.৬ সম্ভাব্য প্ৰশ্ন (Sample Questions)

১) শিক্ষা বুলিলে কি বুজা? ব্যক্তিৰ সৰ্বাত্মিক বিকাশত শিক্ষাই কেনেকৈ সহায় কৰে?

(২) "শিক্ষা মানুহৰ অন্তৰ্নিহিত পূৰ্ণতাৰ স্পষ্ট প্ৰকাশ" উক্তিটো আলোচনা কৰি শিক্ষাৰ পৰিসৰ সম্পকে বৰ্ণনা কৰা।

(৩) আনুষ্ঠানিক শিক্ষাৰ মাধ্যম ৰূপে বিদ্যালয়ৰ ভূমিকা আলোচনা কৰা।

(৪) আনুষ্ঠানিক শিক্ষা আৰু আনানুষ্ঠানিক শিক্ষাৰ মাজত থকা প্ৰভেদ উল্লেখ কৰা।

(৫) শিক্ষাৰ ব্যক্তিকেন্দ্ৰিক লক্ষ্য আৰু সামাজিক লক্ষ্যৰ পাৰ্থক্য কি বুজাই লিখা। এই দুয়োটা লক্ষ্য এটা আনটোৰ কোনেকৈ পৰিপূৰক হ'ব তাৰ বিশ্লেষন কৰা।

(৬) শিক্ষাৰ লক্ষ্যৰ প্ৰয়োজনীয়তা সমূহ আলোচনা কৰা।

(৭) গনতান্ত্ৰিক দেশৰ শিক্ষাৰ লক্ষ্য কি হোৱা উচিত ? নিজৰ দেশৰ সংগতি লৈ আলোচনা কৰা।

(৮) চমুটোকা লিখা।

ক) শিক্ষা এটা ত্ৰিপাক্ষিক প্ৰক্ৰিয়া।

খ) অগতানুগতিক শিক্ষা।

গ) শিক্ষাৰ মুক্তিবাদৰ লক্ষ্য।

ঘ) শিক্ষাৰ বৃত্তিমুখী লক্ষ্য।

## ১.৭ অগ্ৰগতিৰ খতিয়ান- (উত্তৰসমূহ)- ১

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

(১) এৰিষ্টটলে কৈছিল।

(২) গান্ধীজীৰ মতে, "শিক্ষাৰ দ্বাৰা মই শিশু আৰু প্ৰাপ্তবয়স্ক সকলৰ দেহ, মন, আৰু আত্মাৰ সৰ্বতো প্ৰকাৰে বিকাশকে বুজো।

(৩) শিক্ষা এটা দ্বিপাক্ষিক প্ৰক্ৰিয়া। ইয়াৰ পক্ষ কেইটা হ'ল শিক্ষাৰ্থী আৰু শিক্ষক।

(৪) বহল অৰ্থত শিক্ষা হৈছে এটা জীৱনযোৰা প্ৰক্ৰিয়া শিক্ষাৰ প্ৰকৃত উদ্দেশ্য হৈছে জীৱনৰ সামগ্ৰিক দিশ চালি জাৰি চাই ব্যক্তিৰ অন্তৰ্নিহিত গুণসমূহৰ বিকাশ সাধন কৰি তেওঁ নতুন পৰিবেশৰ লগত সমাযোজন হোৱাত সহায় কৰা।

**অগ্ৰগতিৰ খতিয়ান- (উত্তৰসমূহ)- ২**

(১) শিক্ষাত সুনিধাৰিত আৰু শ্ৰেণীকোঠাত পদ্ধতিগতভাৱে এক নিদিষ্ট লক্ষ্য আৰু উদ্দেশ্যে আগত ৰাখি সুনিৰ্ধাৰিত সময়ত শিক্ষাৰ পৰিসমাপ্তি কৰাকে আনুষ্ঠানিক শিক্ষা বোলে।

(২) অগতানুগতিক শিক্ষাৰ উদ্দেশ্য হৈছে আনুষ্ঠানিক শিক্ষাৰ পৰা বঞ্চিত শিক্ষাৰ্থী, গৃহিনী, কৰ্মৰত ব্যক্তি আদিক উচ্চ শিক্ষাৰ সুযোগ প্ৰদান কৰা।

(৩) ব্যক্তিৰ সৰ্বতোপ্ৰকাৰৰ বিকাশ সাধন কৰটো বিশ্ববিদ্যালয়ৰ এক অন্যতম ভূমিকা।

(৪) আনুষ্ঠানিক শিক্ষাৰ এক অন্যতম মাধ্যম হৈছে বিদ্যালয়।

**অগ্ৰগতিৰ খতিয়ান- (উত্তৰসমূহ)- ৩**

(১) শিক্ষাৰ ব্যক্তিকেন্দ্ৰীক লক্ষ্যৰ দুৰ্বলতা হ'ল- শিক্ষাৰ এই লক্ষ্যই ব্যক্তিৰ নিজস্ব সত্বাৰ বিকাশৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। কিন্তু ব্যক্তি সত্বাক উপযুক্তভাৱে প্ৰতিফলিত কৰিবলৈ হ'লে এখন সমাজৰ দৰকাৰ। এই লক্ষ্যই আৰ্থ সামাজিক আৰু সাংস্কৃতিক দিশ সম্পূৰ্ণৰূপে আওকাণ কৰি কেৱল জন্মগত, বংশগত গুণাৱলীৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

(২) শিক্ষাৰ বৃত্তিমূলক লক্ষ্যৰ উদ্দেশ্য হ'ল- ব্যক্তিক অৰ্থনৈতিক ভাৱে আত্মনিৰ্ভৰশীল কৰি তোলে।

(৩) শিক্ষাৰ লক্ষ্যৰ প্ৰয়োজনীয়তা আছে কাৰণ শিক্ষা এবিধ উদ্দেশ্যধৰ্মী আৰু ইচ্ছাকৃত কাৰ্য্যবিশেষ। কোনো এটা নিদিষ্ট স্তৰৰ শিশুৰ বাবে শিক্ষাৰ পদ্ধতি পাঠ্যক্ৰম আদি তৈয়াৰ কৰা হয় আৰু লক্ষ্য পূৰণৰ বাবে প্ৰচেষ্টা চলোৱা হয়।

(৪) ব্যক্তিক ভবিষ্যত জীৱন নিৰ্বাহৰ বাবে প্ৰশিক্ষণ দি সাজু কৰি তোলাটোৱেই মুক্তিবাদী শিক্ষাৰ মূল লক্ষ্য।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

## ১.৮ প্ৰসঙ্গ গ্ৰন্থ (References & Suggested Readings) ঃ

(১) বৰুৱা, যতিন ঃ *শিক্ষাতত্ব অধ্যয়ন*, লয়ার্চ বুক ষ্টল, গুৱাহাটী।

(২) ডেকা, বীৰেন্দ্ৰ ঃ *শিক্ষাতত্ব*, বনলতা প্ৰকাশন, পানবজাৰ, গুৱাহাটী।

(৩) দাস, লক্ষ্যহীৰাঃ *সম্পূৰ্ণ শিক্ষা*, সংগম প্ৰকাশন গুৱাহাটী।

(৪) ডেকা, ড° কন্দৰ্প ঃ শৰ্মা, ড° মুকুন্দ, *আধুনিক শিক্ষাতত্ব আৰু শিক্ষা নীতি*, অসম বুক ডিপ’, গুৱাহাটী।

---*---

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

# দ্বিতীয় বিভাগ
# দৰ্শন আৰু শিক্ষা

**বিভাগৰ গঠনঃ**

**২.০ ভূমিকা (Introduction)**

**২.১ উদ্দেশ্য (Objectives)**

**২.২ দৰ্শনৰ অৰ্থ**

**২.২.১ দৰ্শনৰ প্ৰকৃতি**

**২.২.২ দৰ্শনৰ পৰিসৰ**

**২.৩ শিক্ষা দৰ্শনৰ অৰ্থ**

**২.৩.১ শিক্ষা দৰ্শনৰ পৰিসৰ**

**২.৪ শিক্ষা আৰু দৰ্শনৰ সম্পৰ্ক**

**২.৫ শিক্ষাত দৰ্শনৰ প্ৰভাৱ**

**২.৬ সাৰাংশ (Summing Up)**

**২.৭ আৰ্হি প্ৰশ্ন (Sample Questions)**

**২.৮ প্ৰসঙ্গ গ্ৰন্থ (References & Suggested Readings)**

**২.৯ অগ্ৰগতিৰ খতিয়ান/আৰ্হি প্ৰশ্নৰ উত্তৰসমূহ**

## ২.০ ভূমিকা (Introduction)ঃ

মানুহৰ মন অনুসন্ধিৎসু। মানুহৰ অনুসন্ধিৎসু মনৰ বাবে অতি প্ৰাচীন কালৰ পৰাই মানুহে পৃথিৱীৰ উৎপত্তি, পৃথিৱীত থকা জীৱ-জন্তু, প্ৰাকৃতিক নিয়ম আদিৰ সৃষ্টিকৰ্তা সম্পৰ্কে জানিবলৈ অবিৰত প্ৰচেষ্টা চলাই আহিছে। মানুহ কল্পনা প্ৰিয়। কল্পনা প্ৰিয় মানুহে সাধনাৰ সহায়েৰে মানুহৰ জীৱনৰ অৰ্থ, উদ্দেশ্য আৰু কৰ্তব্য আদিৰ বিষয়ে, বিশ্ব ব্ৰহ্মাণ্ডৰ বিষয়ে জানিবলৈ চেষ্টা কৰে। এনে সাধনাৰ ফলত মানুহে জীৱন আৰু বিশ্ব ব্ৰহ্মাণ্ডৰ ৰহস্য উদঘাটন কৰিবলৈ সক্ষম হৈছে। মানুহে সদায় সত্যক উপলব্ধি কৰিবলৈ, সত্যক বুজি পাবলৈ নতুন অভিজ্ঞতা আহৰণ কৰিব বিচাৰে। এনে সত্যৰ উপলব্ধিয়েই দৰ্শন। দৰ্শন আৰু শিক্ষাৰ দিশ সমূহ প্ৰকাশ পোৱাকৈ এটি আলোচনা কৰা প্ৰচেষ্টা কৰা হৈছে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

## ২.১ উদ্দেশ্য (Objectives)

এই বিভাগৰ আলোচনা অধ্যয়ন কৰি আপোনালোকে -

- দৰ্শনৰ বুৎপত্তিগত অৰ্থৰ বিষয়ে জানিব পাৰি।
- দৰ্শনৰ পৰিসৰৰ বিষয়েও আভাস পাব।
- শিক্ষা আৰু দৰ্শনৰ মাজত থকা সম্পৰ্ক সমূহৰ বিষয়ে অনুধাৱন কৰিবলৈ সক্ষম হ'ব।
- শিক্ষাৰ পৰিপ্ৰেক্ষিতত দৰ্শনৰ প্ৰয়োজনীয়তা সমূহৰ বিষয়ে আভাস পাব।

## ২.২ দৰ্শনৰ অৰ্থ (Meaning of Philosophy)

দৰ্শন হ'ল জীৱনৰ অস্তিত্ব, বাস্তৱতা আৰু সত্যক উপলব্ধিৰ বাবে কৰা এক চিন্তনশীল অনুসন্ধানৰ প্ৰক্ৰিয়া। ই মানুহে বাস কৰা জগতখনক জনাৰ প্ৰাকৃতিক আৰু প্ৰয়োজনীয় আকাংক্ষা। পাশ্চাত্য জগতত দৰ্শন মূলত ইয়াৰ শব্দগত অৰ্থতে সত্য-অন্বেষণৰ বৌদ্ধিক প্ৰক্ৰিয়াৰূপে বিবেচিত হয়। ভাৰতীয় দৰ্শন প্ৰধানতে আধ্যাত্মিক। দৰ্শন হ'ল মানুহৰ প্ৰকৃতি আৰু মানুহে বাস কৰা বাস্তৱ জগতৰ প্ৰকৃতি সম্পৰ্কীয় ধাৰণা অধ্যয়নৰ এক বহল ক্ষেত্ৰ। দৰ্শনে মানৱ জীৱনৰ লগত জড়িত মৌলিক বিষয়সমূহৰ চৰ্চা কৰে আৰু মানুহৰ জীৱন যাত্ৰাৰ পথ প্ৰদৰ্শন কৰে। গতিকে ক'ব পৰা যায় যে মানৱ জীৱনৰ সকলো বিষয় আৰু ক্ষেত্ৰই দাৰ্শনিক চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱিত আৰু নিৰ্দেশিত হয়। অধ্যয়নৰ ক্ষেত্ৰ হিচাপে দৰ্শন আটাইতকৈ পুৰণি বিষয়সমূহৰ মাজৰ এটি বিষয়। ই হ'ল সকলো বিজ্ঞানৰ মাতৃস্বৰূপ। আন কথাত দৰ্শন সকলো জ্ঞানৰে মূল। শিক্ষাইও বিভিন্ন দাৰ্শনিক চিন্তাধাৰাৰ পৰাই ইয়াৰ বিষয়বস্তু আহৰণ কৰে।

দৰ্শনৰ ইংৰাজী প্ৰতিশব্দ ‘Philosophy’ গ্ৰীক শব্দৰ পৰা আহিছে। ‘Philos’ আৰু ‘Sophia’ এই শব্দ দুটা লগ লাগি Philosophy বা দৰ্শন শব্দৰ উৎপত্তি হৈছে। ইয়াত ‘Philos’ শব্দৰ অৰ্থ হ'ল **‘Love’** অৰ্থাৎ ভাল পোৱা আৰু ‘Sophia’ শব্দৰ অৰ্থ হ'ল ‘wisdom’or ‘Konoledge’ অৰ্থাৎ জ্ঞান। গতিকে দৰ্শনৰ উৎপত্তিগত অৰ্থ হ'ল ‘Love for Wisdom’ দৰ্শনে জ্ঞান অন্বেষণ কৰে, যাৰ ভেটি হ'ল সত্যতা। ভাৰতীয় দৃষ্টিভংগীত ‘Philosophy’ ক ‘দৰ্শন’ হিচাপে ব্যক্ত কৰে। দৰ্শন হৈছে এটা সংস্কৃত শব্দ আৰু প্ৰায়বোৰ ভাৰতীয় ভাষাতে ইয়াৰ প্ৰয়োগ হয়। দৰ্শন শব্দটোৰ অৰ্থ হৈছে ‘দৃষ্টি’ বা ‘চোৱা’। ভাৰতীয় ঋষি মুনি সকলে তেওঁলোকৰ সাধনাৰ যোগেদি লাভ কৰা জ্ঞান-অভিজ্ঞতাক দৰ্শনৰ যোগেদি প্ৰকাশ কৰিছিল।

অতি প্ৰাচীন কালৰে পৰা দাৰ্শনিকসকলৰ মাজত বিশ্বব্ৰহ্মাণ্ড, জন্ম, মৃত্যু, দুখ-আনন্দ আদিৰ ৰহস্য উদঘাটনৰ বিভিন্ন প্ৰচেষ্টা চলি আহিছে। ইতিহাসৰ বিভিন্ন সময়ত এই ৰহস্যময়

ক্ষেত্ৰৰ ওপৰত বিভিন্ন প্ৰচেষ্টা চলি আহিছে। ইতিহাসৰ বিভিন্ন সময়ত এই ৰহস্যময় ক্ষেত্ৰৰ ওপৰত ভিন ভিন চিন্তাধাৰা ব্যক্ত হৈ আহিছে যদিও জগতৰ ৰহস্য সম্পৰ্কীয় পৰম সত্য আজি পৰ্য্যন্ত আৱিস্কৃত হোৱা নাই। সত্য অন্বেষণৰ এই নিৰন্তন প্ৰচেষ্টাই দৰ্শন অথবা দাৰ্শনিক চিন্তাধাৰাৰ জন্ম দিয়ে। যিকোনো দাৰ্শনিক অনুসন্ধানৰ মূল ভিত্তি হ'ল প্ৰজ্ঞাৰ প্ৰেম। সত্য আৰু বাস্তৱৰ প্ৰকৃতি অধ্যয়ণ আৰু অনুসন্ধানেই দৰ্শনৰ বিষয়বস্তু। ই হ'ল মানুহ, প্ৰকৃতি আৰু ব্ৰহ্মাণ্ডৰ প্ৰকৃতি অনুধাৱন কৰাৰ এক নিৰন্তন প্ৰয়াস। জ্ঞান-বিদ্যা (Epistemology), অধিবিদ্যা (Metaphysics), প্ৰমূল্যবিদ্যা (Axiology) আদি হ'ল দৰ্শনৰ প্ৰধান বিভাগ।

সাধাৰণভাৱে দৰ্শন হৈছে এজন ব্যক্তিৰ নিজ বিশ্বাস, মূল্যবোধ আৰু জীৱনৰ আদৰ্শ। প্ৰায়ে কিছুমান শব্দাংশ ব্যৱহাৰ কৰা হয় যেনে - 'জীৱন দৰ্শন', 'গান্ধীজীৰ দৰ্শন' আদি। এই সকলোবোৰৰ অৰ্থ হৈছে কিছুমান বিশ্বাস, মূল্যবোধ, ব্যক্তিৰ অভিজ্ঞতা আৰু জীৱনৰ পৰা পোৱা আদৰ্শ আদি। জীৱনৰ সকলো কাৰ্য যেনে - সামাজিক, বৌদ্ধিক, আধ্যাত্মিক ইত্যাদিবোৰ বিশ্বাস, মূল্যবোধ আৰু ভাৱধাৰাৰ ওপৰত প্ৰতিষ্ঠিত। এই বিশ্বাসবোৰে প্ৰকৃততে ব্যক্তিৰ কাৰ্যৱলীৰ গঢ় দিয়ে আৰু নিৰ্দেশনা প্ৰদান কৰে। সেইবাবে দৰ্শন হৈছে জ্ঞানৰ সেইখন পথাৰ য'ত জীৱনৰ আদৰ্শৰ পথ নিৰ্দেশনা লাভ কৰা হয়। দাৰ্শনিক **চিচাৰোৰ** মতে "দৰ্শন হ'ল সকলো কলাৰ মাতৃ আৰু মানসিক জগতৰ মহৌষধ।"

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

### ২.২.১ দৰ্শনৰ প্ৰকৃতি (Nature of Philosophy)

বিশ্ব জগতৰ লগত মানৱ জীৱনৰ সংগ্ৰাম এক অবিৰত যাত্ৰা। প্লেটোৱে মন্তব্য প্ৰকাশ কৰিছিল যে বিশ্বজগতৰ বিষয়ে জ্ঞান লাভ কৰা আৰু বিষয়সমূহৰ প্ৰয়োজনীয় ধাৰণা অধ্যয়ন কৰাটো দৰ্শনৰ বিষয়। দৰ্শনৰ স্বৰূপ উপলব্ধি কৰাটো সহজ কাম নহয়। যুগে যুগে দাৰ্শনিক সকলে ইয়াৰ নতুন ব্যাখ্যা কৰি আহিছে। দৰ্শনৰ প্ৰকৃতিসমূহ হ'ল এনেধৰণৰ—

- জীৱ, আত্মা, জগত ইত্যাদিৰ সম্বন্ধে দৰ্শনে অধ্যয়ন কৰে।
- মানুহৰ অনুসন্ধিৎসু মনৰ পৰা দৰ্শনে ব্যাপ্তি লাভ কৰে।
- দৰ্শনৰ পৰা বিভিন্ন বিজ্ঞান আৰু কলাই জন্ম লাভ কৰে।
- প্ৰাকৃতিক পৰিঘটনা আৰু অদৃশ্য শক্তিৰ অধ্যয়ন দৰ্শনৰ অন্তৰ্ভুক্ত।
- দৰ্শনে মানৱ জীৱনৰ তাৎপৰ্য বুজি পোৱাত সহায় কৰে আৰু সত্য, শিৱ সুন্দৰৰ আৰাধনাত ব্ৰতী হ'বলৈ অনুপ্ৰেৰণা যোগায়।
- জ্ঞান আৰু জ্ঞান সম্পৰ্কীয় সমালোচনাৰ অৰ্থই হ'ল দৰ্শন।
- পৰিৱৰ্তনশীল পৰিৱেশ তথা সমাজত সামাজিক আন্তঃক্ৰিয়াৰ যোগেদি মানুহ সমাযোজিত হোৱাত দৰ্শনৰ চিন্তা-চৰ্চাৰ প্ৰতিফলন ঘটে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

- দৰ্শনৰ পদ্ধতি জটিল পদ্ধতি। বিভিন্ন অভিজ্ঞতাভিত্তিক, অধিকাল্পনিক, নিগমনাত্মক আৰু আগমনাত্মক উপাদানৰ দ্বাৰা দাৰ্শনিক পদ্ধতি সমৃদ্ধ।

### ২.২.২ দৰ্শনৰ পৰিসৰ (Scope of Philosophy)

দৰ্শনৰ পৰিসৰ বুলিলে দৰ্শনত কি কি আলোচনা কৰা হয় সাধাৰণতে তাক বুজা হয়। দৰ্শনত জগত আৰু জীৱনৰ স্বৰূপ আৰু ইয়াৰ ৰহস্য ভেদ কৰিবলৈ চেষ্টা কৰা হয়। গতিকে জগত আৰু জীৱনৰ ৰহস্য ভেদ উদ্ধাৰ কৰিবলৈ ইয়াৰ লগত সম্বন্ধ থকা দৃশ্যমান সকলোবোৰ কথাকে দৰ্শনৰ পৰিসৰত সামৰি লোৱা হয়। দৰ্শনৰ পৰিসৰক বহলভাৱে তলত দিয়া ভাগসমূহৰ জৰিয়তে আলোচনা কৰা হ'ল -

**১। অধিবিদ্যা (Metaphysics)**

অধিবিদ্যা হ'ল আধ্যাত্মিক বস্তু সম্বন্ধে আলোচনা কৰা বিজ্ঞান। ই আত্মা, ঈশ্বৰ, জীৱন, মন, কাল, এইবোৰৰ মাজত থকা সম্বন্ধৰ বিষয়ে আলোচনা কৰে আৰু বিশ্বৰ স্বৰূপ সম্বন্ধেও অনুসন্ধান চলায়। অধিবিদ্যাৰ ইংৰাজী প্ৰতিশব্দ Metaphysics শব্দটো গ্ৰীক শব্দ 'Meta' আৰু 'Physika' শব্দ দুটাৰ পৰা আহিছে। 'Meta' মানে 'পিছত' আৰু Physika মানে পদাৰ্থবিদ্যা। গতিকে ব্যুৎপত্তিগত ফালৰ পৰা অধিবিদ্যাৰ অৰ্থ হ'ল 'যি পদাৰ্থবিদ্যাৰ পিছত আহে' বা যি পদাৰ্থবিদ্যাৰ বাহিৰত। এই Metaphysics শব্দটো পোন প্ৰথমবাৰৰ বাবে গ্ৰীক দাৰ্শনিক এৰিষ্টটল আৰু তেওঁৰ শিষ্যবোৰে প্ৰয়োগ কৰিছিল।

**২। জ্ঞান বিদ্যা (Epistemology)**

জ্ঞানবিদ্যাৰ ইংৰাজী প্ৰতিশব্দ Epistemology শব্দটো 'Episteme' আৰু 'Logos' এই দুটা গ্ৰীক শব্দৰ পৰা উৎপত্তি হৈছে। 'Episteme' শব্দৰ অৰ্থ হ'ল 'জ্ঞান' আৰু 'Logos' শব্দৰ অৰ্থ হ'ল আলোচনা বা বিদ্যা। গতিকে Epistemology শব্দৰ অৰ্থ হ'ল জ্ঞানৰ বিষয়ে আলোচনা। জ্ঞান বিদ্যাই জ্ঞানৰ প্ৰকৃতি, উৎপত্তি, বৈধতা তথা সত্যতা সম্বন্ধে অনুসন্ধান চলায়। জ্ঞান মানে কি এই সম্বন্ধে ই অনুসন্ধান চলায়। বৈধ জ্ঞানৰ উৎসবোৰ কি কি ? বৈধ জ্ঞানৰ অৱস্থা কেনে? জ্ঞানৰ সীমাবদ্ধতা কি কি? এইবোৰৰ বিষয়ে জ্ঞানবিদ্যাই অধ্যয়ন কৰে। বিশিষ্ট দাৰ্শনিক কাণ্ট, ফিকটে আদিয়ে জ্ঞানৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছিল।

**। প্ৰমূল্যবোধ (Axiology)**

প্ৰমূল্যবিদ্যাৰ ইংৰাজী প্ৰতিশব্দ 'Axiology' শব্দটো গ্ৰীক 'Axios' শব্দৰ পৰা আহিছে। 'Axios' শব্দৰ অৰ্থ হ'ল প্ৰমূল্য (Value, Worth)। গতিকে 'Axiology' হ'ল প্ৰমূল্যৰ লগত জড়িত আলোচ্য বিষয় বা বিজ্ঞান। প্ৰমূল্যবিদ্যা হৈছে মূল্যবোধ বা আদৰ্শৰ তত্ত্ব। এই বিভাগে দৰ্শনৰ সেইবোৰ বিভাগক অন্তৰ্ভূক্ত কৰে যিবোৰে বিভিন্ন মূল্যবোধ, মানৱ

জীৱনৰ উদ্দেশ্য আৰু আদৰ্শ সম্বন্ধে আলোচনা কৰে। সত্য, শিৱ আৰু সুন্দৰৰ স্বৰূপ নিৰ্ধাৰণ কৰাই প্ৰমূল্যবিদ্যাৰ উদ্দেশ্য। তলত উল্লেখ কৰা দৰ্শনৰ অংশ তিনিটা প্ৰমূল্যবিদ্যাই সামৰি লয়। যেনে -

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**(ক) তৰ্কবিজ্ঞান (Logic)** ঃ তৰ্কবিজ্ঞান এক আদৰ্শনিষ্ঠ বিজ্ঞান আৰু সত্যতাই ইয়াৰ আদৰ্শ। যুক্তিৰ বৈধ্যতা অবৈধতা বিচাৰ আৰু তাৰ নিয়মসমূহৰ আলোচনাই তৰ্কবিজ্ঞান।

**(খ) নীতিবিজ্ঞান (Ethics)** ঃ নীতিবিজ্ঞানৰ মূখ্য আলোচ্য বিষয় হ'ল ভাল-বেয়া, উচিত-অনুচিত, নৈতিকতা-অনৈতিকতা, পাপ-পৰাচিত, কৰ্তব্য-বাধ্যবাধকতা ইত্যাদি।

**(গ) নন্দন তত্ব (Aesthetics)** ঃ ই মূলতঃ সৌন্দৰ্য্যাত্মক অৱধাৰণা সম্পৰ্কে আলোচনা কৰে। সৌন্দৰ্যৰ প্ৰকৃতি আৰু প্ৰমাণ বা যথাৰ্থতা কি, তাৰ আলোচনাই নন্দনতত্ব।

ওপৰত আলোচনা কৰা বিভাগবোৰেই হ'ল দৰ্শনৰ প্ৰধান বিভাগ কিন্তু এই বিভাগবোৰৰ অধ্যয়নতেই দৰ্শনৰ পৰিসৰ সীমাবদ্ধ নহয়। সমগ্ৰ ব্ৰহ্মাণ্ডৰ জ্ঞানেই হ'ল দৰ্শনৰ পৰিসৰ। সমগ্ৰ জীৱনৰ ক্ষেত্ৰয়ে হৈছে দৰ্শনৰ পৰিসৰ। সকলো ধৰণৰ অধ্যয়ণ আৰু চিন্তাৰ বাবে দৰ্শনৰ সহায় অপৰিহাৰ্য আৰু ইয়াৰ অবিহনে কোনো বিষয়েই পদ্ধতিগতভাৱে আলোচনা কৰিব নোৱাৰি।

## জানি থওঁ আহা

- মানৱ জীৱন বা মানুহৰ কাৰ্যৰ এনে কোনো দিশ নাই যি দৰ্শনৰ দ্বাৰা আবিষ্কাৰ হোৱা নাই। জ্ঞানৰ প্ৰতি থকা স্বাভাৱিক আগ্ৰহ আৰু বাসনা তৃপ্ত কৰাই দৰ্শনৰ কাম। দৰ্শন মানৱ জীৱনৰ অপৰিহাৰ্য অংগ।
- দৰ্শন হ'ল মানুহ, বিশ্বব্ৰহ্মাণ্ড আৰু প্ৰকৃতিৰ মাজৰ সম্বন্ধ অনুধাৱনৰ এক অনুসন্ধানমূলক কাৰ্য।
- দৰ্শনৰ ইংৰাজী প্ৰতিশব্দ 'Philosophy' গ্ৰীক ভাষাৰ দুটা শব্দ 'Phileo' আৰু 'Sophia' ৰ পৰা উৎপত্তি হৈছে যাৰ অৰ্থ যথাক্ৰমে 'ভালপোৱা' আৰু 'জ্ঞান' অৰ্থাৎ দৰ্শন মানে হ'ল জ্ঞানৰ প্ৰতি ভালপোৱা।
- দৰ্শনৰ দৃষ্টিভংগী জ্ঞানমূলক আৰু সিদ্ধান্তমূলক।
- দৰ্শনে জীৱন সম্বন্ধে এক সামগ্ৰিক আৰু সমালোচনাত্মক অধ্যয়ন কৰে।
- পৰিস্থিতি আৰু অভিজ্ঞতাৰ লগত দৰ্শনৰ এক নিবিড় সম্পৰ্ক আছে। কাৰণ

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

বিভিন্ন সময়ত উদ্ভৱ হোৱা পৰিস্থিতি আৰু তাৰ আধাৰত লাভ কৰা অভিজ্ঞতাই দাৰ্শনিক চিন্তাধাৰাৰ জন্ম দিয়ে। দৰাচলতে মানুহৰ জীৱন দৰ্শনৰ ভিন্নতা পৰিৱেশ আৰু অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰশীল।

- দৰ্শনৰ পৰিসৰে অধিবিদ্যা, জ্ঞানবিদ্যা আৰু প্ৰমূলবিদ্যাক সামৰি লয়।

**অগ্ৰগতিৰ খতিয়ান**

প্ৰশ্ন ১ ঃ খালী ঠাই পূৰ কৰা

ক) দৰ্শন হৈছে সত্যৰ .....................।

খ) অধিবিদ্যা শব্দটো............ ‘’Meta’ আৰু ‘Physika’ শব্দ দুটাৰ পৰা আহিছে।

প্ৰশ্ন ২ ঃ দৰ্শন কি ?

প্ৰশ্ন ৩ ঃ প্ৰমূলবিদ্যাৰ অংশ কেইটা আৰু কি কি?

## ২.৩ শিক্ষাৰ দৰ্শনৰ অৰ্থ (Meaning of Philosophy of Education)

শিক্ষা হৈছে দৰ্শনৰ প্ৰায়োগিক দিশ। দৰ্শনৰ এই প্ৰায়োগিক বা কাৰ্যকৰী বা ব্যৱহাৰিক দিশটোকে শিক্ষা দৰ্শন বোলা হয়। শিক্ষা দৰ্শন হ’ল শিক্ষা প্ৰক্ৰিয়া আৰু ইয়াৰ লগত জড়িত সমস্যাসমূহৰ দৰ্শনভিত্তিক অধ্যয়ন। শিক্ষা দৰ্শনৰ মূল বিষয়বস্তু হ’ল শিক্ষা আৰু ইয়াৰ পদ্ধতি হ’ল দাৰ্শনিক। দৰ্শনৰ প্ৰায়োগিক দিশ হিচাপে শিক্ষা দৰ্শনে তত্ত্ব দৰ্শন, জ্ঞান মীমাংসা, প্ৰমূল্যবিদ্যা আদিৰ পৰা ইয়াৰ বিষয়বস্তু আহৰণ কৰে আৰু দৰ্শনৰ চিন্তনশীল, নিৰ্দেশনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰে শিক্ষাৰ বিভিন্ন সমস্যাৰ ওপৰত আলোকপাত কৰে। শিক্ষাৰ তাত্ত্বিক আৰু প্ৰায়োগিক দিশত দাৰ্শনিক পদ্ধতি সমূহৰ প্ৰয়োগেই শিক্ষা দৰ্শন, শিক্ষাৰ প্ৰকৃতি, উদ্দেশ্য, বিষয়বস্তু, পদ্ধতি আৰু শিক্ষকৰ ভূমিকাৰ বিষয়ে দাৰ্শনিক চিন্তাৰ আধাৰত শিক্ষা দৰ্শনে সিদ্ধান্ত গ্ৰহণত সহায় কৰে। শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত শিক্ষা দৰ্শনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অৱশ্যে শিক্ষা দৰ্শনক প্ৰকৃতাৰ্থত বিষয় জ্ঞান অথবা কিছুমান সিদ্ধান্তৰ সমষ্টিৰূপে বুজাৰ পৰিবৰ্তে শৈক্ষিক অভিজ্ঞাতক অবলোকন কৰাৰ এক পদ্ধতিৰ ৰূপতহে বুজিব পৰা যায়। সাধাৰণ অৰ্থত ক’ব পাৰি যে শিক্ষা দৰ্শন হ’ল এক দাৰ্শনিক প্ৰক্ৰিয়া, যি প্ৰক্ৰিয়াই দাৰ্শনিক দৃষ্টিভংগী আৰু দাৰ্শনিক পদ্ধতিৰ সহায়ত শৈক্ষিক সমস্যাৰ সমাধান আৰু দাৰ্শনিক সিদ্ধান্তত উপনীত হোৱাৰ প্ৰয়াস কৰে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

### ২.৩.১ শিক্ষা দৰ্শনৰ পৰিসৰ (Scope of Philosophy of Education)

শিক্ষাৰ দৰ্শনৰ পৰিসৰত তলত উল্লেখ কৰা বিষয়সমূহ অন্তৰ্ভুক্ত হৈ থাকে।

**১। শিক্ষাৰ সাধাৰণ সমস্যাসমূহৰ লগত জড়িত**

শিক্ষা দৰ্শন শিক্ষাৰ ক্ষেত্ৰত দেখা দিয়া বিভিন্ন সমস্যাবিলাকৰ লগত জড়িত। যেনে - শিক্ষাৰ লক্ষ্য আৰু আদৰ্শ, মানৱ প্ৰকৃতিৰ বিশ্লেষণ, ৰাষ্ট্ৰ আৰু শিক্ষাৰ মাজৰ সম্বন্ধ, শৈক্ষিক মূল্য, জ্ঞান আহৰণৰ তত্ত্ব আৰু শিক্ষাৰ লগত ইয়াৰ সম্বন্ধ, শিক্ষা আৰু অৰ্থ ব্যৱস্থা, শিক্ষাত বিদ্যালয়ৰ ভূমিকা, শিক্ষা প্ৰক্ৰিয়া আৰু পাঠ্যক্ৰম, শিক্ষা আৰু সামাজিক প্ৰক্ৰিয়াৰ সম্বন্ধ ইত্যাদি। এই সকলোবোৰ দিশৰ লগত জড়িত সমস্যা বিলাকৰ অধ্যয়ন শিক্ষা দৰ্শনৰ পৰিসৰৰ অন্তৰ্ভূক্ত।

**২। শিক্ষাৰ লক্ষ্য আদৰ্শ সমূহৰ বিশ্লেষণ**

শিক্ষাৰ লক্ষ্য যেনে - চৰিত্ৰ গঠন, সু-নাগৰিক গঢ়ি তোলা, জিৰণি, সময়ৰ সৎ ব্যৱহাৰ কৰা, আন্তৰ্জাতিক বুজাবুজিৰ বাবে সমাজৰ মূল্যায়ণ কৰা, সামাজিক পৰিবৰ্তন সম্পৰ্কে বুজি উঠা, সামাজিক আৰু ব্যক্তিকেন্দ্ৰিক লক্ষ্য, আধ্যাত্মিক দিশৰ বিকাশ সাধন কৰা, দাৰ্শনিকসকলে বিভিন্ন সময়ত আগবঢ়োৱা শিক্ষাৰ লক্ষ্য আদৰ্শসমূহৰ বিশ্লেষণাত্মক মূল্যায়ণ শিক্ষা দৰ্শনৰ পৰিসৰৰ অন্তৰ্ভুক্ত।

**৩। মানৱ প্ৰকৃতিৰ ব্যাখ্যা**

কলা আৰু বিজ্ঞানৰ বিভিন্ন বিষয়ৰ অধ্যয়ণ আৰু সংশ্লেষণৰ আধাৰত মানৱ প্ৰকৃতিৰ ব্যাপক আৰু দাৰ্শনিক চিত্ৰ উপস্থাপনৰ ক্ষেত্ৰত শিক্ষা দৰ্শনৰ পৰিসৰৰ অন্তৰ্ভুক্ত।

**৪। শিক্ষাৰ বিভিন্ন ক্ষেত্ৰত দাৰ্শনিক চিন্তাৰ প্ৰভাৱ আলোচনা**

শিক্ষাৰ লক্ষ্য-উদ্দেশ্য, পাঠ্যক্ৰম, শিক্ষণ পদ্ধতি, অনুশাসন, শিক্ষকৰ ভূমিকা আদি বিভিন্ন তাত্ত্বিক আৰু প্ৰায়োগিক দিশত ভিন ভিন দাৰ্শনিক চিন্তাৰ প্ৰভাৱ সমূহৰ আলোচনা শিক্ষা দৰ্শনৰ পৰিসৰৰ অন্তৰ্ভূক্ত।

**৫। শৈক্ষিক প্ৰমূল্যৰ অধ্যয়ন**

প্ৰমূল্য সমূহৰ অধ্যয়ন স্বাভাৱিকতে বিমুৰ্ত আৰু দৰ্শনভিত্তিক। শিক্ষা দৰ্শনে প্ৰমূল্যসমূহৰ আলোচনাত্মক বিশ্লেষণ কৰাৰ লগতে প্ৰমূল্যসমূহক পদানুক্ৰমিক ৰূপত সজায়। কাৰণ দাৰ্শনিক প্ৰমূল্যসমূহৰ পৰাই শৈক্ষিক প্ৰমূল্যসমূহ উদ্ভৱ হয়।

**৬। শিক্ষা আৰু জাতীয় জীৱনৰ বিভিন্ন ক্ষেত্ৰসমূহৰ সম্পৰ্ক আলোচনা**

শিক্ষা আৰু জাতীয় জীৱনৰ বিভিন্ন ক্ষেত্ৰ যেনে - অৰ্থনৈতিক আৰু ৰাজনৈতিক ব্যৱস্থাৰ লগত পাঠ্যক্ৰম, বিদ্যালয় সংগঠন আৰু পৰিচালনা, অনুশাসন আদিৰ সম্পৰ্ক অধ্যয়নৰ ভিত্তি হ'ল শিক্ষাৰ দাৰ্শনিক চিন্তা ধাৰাসমূহ। শিক্ষা দৰ্শনে শিক্ষাৰ বিভিন্ন দিশৰ লগত

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

জড়িত জাতীয় জীৱনৰ এই ক্ষেত্ৰসমূহৰ আলোচনা কৰে আৰু শিক্ষা আৰু জাতীয় জীৱনৰ সম্পৰ্ক নিৰ্দ্ধাৰণৰ আধাৰস্বৰূপে কাম কৰে। গতিকে শিক্ষা দৰ্শনৰ পৰিসৰত এনে বিষয়সমূহৰ আলোচনা অন্তৰ্ভুক্ত হয়।

### ৭। জ্ঞান মীমাংসাৰ তত্ত্বসমূহৰ আলোচনা

শিক্ষা হ'ল জ্ঞান অৰ্জনৰ প্ৰক্ৰিয়া, গতিকে শিক্ষা আৰু জ্ঞান ওত:প্ৰোতভাৱে জড়িত। জ্ঞানৰ উৎস, সীমা, বৈশিষ্ট আৰু জ্ঢান অৰ্জনৰ উপায়সমূহৰ আলোচনা শিক্ষাৰ প্ৰয়োজনীয় বিষয়বস্তু, যিবোৰ আলোচনা দৰ্শনৰ জ্ঞান মীমাংসা শাখাৰ অন্তৰ্ভূক্ত। সেইবাবে শিক্ষা দৰ্শনৰ পৰিসৰত জ্ঞান মীমাংসাৰ আলোচনা অন্তৰ্ভূক্ত হয়।

**জানি থওঁ আহা**

- শিক্ষা দৰ্শন হৈছে শৈক্ষিক অভিজ্ঞতাৰ এক অতি প্ৰয়োজনীয় পদ্ধতি, যিটোৱে শিক্ষাক দৰ্শনভিত্তিক কৰি তোলাত সহায় কৰে।
- শিক্ষাৰ তাত্বিক আৰু প্ৰায়োগিক দিশত দাৰ্শনিক চিন্তা আৰু পদ্ধতিৰ প্ৰয়োগেই শিক্ষা দৰ্শন।
- শিক্ষাৰ দৰ্শন হৈছে শিক্ষাৰ সাধাৰণ তত্বৰ সমালোচনা। ই শিক্ষাৰ সাধাৰণ তত্বৰ ওপৰত পদ্ধতিগত আৰু জটিল মূল্যায়ণ ব্যৱস্থাক প্ৰতিফলিত কৰে।
- শিক্ষা দৰ্শন যদিও দৰ্শনৰ এটি শাখা, ইয়াৰ সাধাৰণ দৰ্শনৰ মৌলিক উদ্দেশ্যৰ দৰে নহয়। দৰ্শনৰ সাধাৰণ প্ৰশ্নসমূহৰ বিবেচনা কৰাৰ পৰিবৰ্তে শিক্ষা দৰ্শনে শৈক্ষিক সমস্যাসমূহৰ ওপৰত দাৰ্শনিক দৃষ্টি দান কৰে।
- শিক্ষা দৰ্শন কিছুমান বিষয়বস্তুৰ সমষ্টি নহয়, ই হ'ল শিক্ষা প্ৰক্ৰিয়াক বিশ্লেষণ আৰু নিৰ্দেশনা প্ৰদান কৰাৰ এক পদ্ধতিহে।

**অগ্ৰগতিৰ খতিয়ান**

প্ৰশ্ন ৪ ঃ শিক্ষা দৰ্শন বুলিলে কি বুজা?

প্ৰশ্ন ৫ ঃ শিক্ষা দৰ্শনৰ দুটা পৰিসৰ কি কি?

## ২.৪ শিক্ষা আৰু দৰ্শনৰ সম্পৰ্কঃ

শিক্ষা আৰু দৰ্শনৰ সম্পৰ্ক নিবিড়। শিক্ষাৰ তাত্বিক আৰু ব্যৱহাৰিক সকলো বিষয়বস্তু আৰু সিদ্ধান্তৰ অন্তৰালত দাৰ্শনিক চিন্তা নিহিত হৈ থাকে। গতিকে দৰ্শনৰ প্ৰয়োগেই হ'ল শিক্ষা।

শিক্ষাই শিশুৰ আচৰণৰ সংশোধন সাধন কৰিবলৈ চেষ্টা কৰে আৰু দৰ্শনে শিশুৰ আচৰণ কেনেদৰে সংশোধন কৰিব লাগে সেই সম্পৰ্কে জনায়। দৰ্শন হৈছে জ্ঞান আৰু শিক্ষা হৈছে জ্ঞানক এটা পুৰুষৰ পৰা আন এটা পুৰুষলৈ হস্তান্তৰ কৰা প্ৰক্ৰিয়া। দৰ্শনে আদৰ্শ, মূল্য আৰু নীতি দান কৰে আৰু শিক্ষাই সেই আদৰ্শ, মূল্য আৰু নীতিক লৈ কাৰ্য সম্পাদন কৰে। সেয়ে শিক্ষাক দৰ্শনৰ প্ৰয়োগিক দিশ বোলা হয়। দৰ্শনে কেনেধৰণৰ জীৱন জীয়াই থকাৰ বাবে উপযোগী সেই সম্পৰ্কে জনায় আৰু শিক্ষাই জীৱনক জীয়াই থকাৰ বাবে উপযোগী কৰি তোলে। দৰ্শনে জীৱনৰ লক্ষ্য সম্বন্ধে জানিবলৈ দিয়ে আৰু শিক্ষাই সেই লক্ষ্যত উপনীত হোৱাত সহায় কৰে।

শিক্ষাৰ বিভিন্ন ক্ষেত্ৰ আৰু বিষয়সমূহৰ অন্তৰালত দৰ্শন নিহিত হৈ থাকে। দৰ্শনেই শিক্ষাৰ সমগ্ৰ ক্ষেত্ৰখনত উদয় হোৱা সকলো প্ৰশ্নৰ উত্তৰ দান কৰে। উদাহৰণস্বৰূপে শিশুক শিক্ষা প্ৰদান কৰিব লাগে নে নালাগে, যদি লাগে তেন্তে কিয় লাগে, কেনেধৰণৰ শিক্ষা দিব লাগে, কাৰ দ্বাৰা দিব লাগে, শিক্ষাৰ পদ্ধতি কেনে হোৱা উচিত আদি সকলো প্ৰশ্নৰ উত্তৰ দৰ্শনে প্ৰদান কৰে। ইয়াৰ উপৰিও স্বাধীনতা, অনুশাসন, কোনো এক বিষয় শিক্ষণৰ যুক্তিযুক্ততা আদি প্ৰশ্নসমূহো দৰ্শনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত।

শিক্ষা আৰু দৰ্শনৰ মাজত থকা সম্পৰ্কৰ বিষয়ে বিভিন্ন দাৰ্শনিক আৰু চিন্তাবিদে বিভিন্ন ধৰণৰ মতামত আগবঢ়ায় যেনে -

**ৰ'চৰ (Ross)** মতে, "দৰ্শন আৰু শিক্ষা একেটা মুদ্ৰাৰে দুটা পিঠি"। (Philosophy and Education are alike two sides of a coin)

**জন ডিউইৰ (John Dewey)** ভাষাত দৰ্শন হৈছে শিক্ষাৰ সাধাৰণ তত্ত্ব (Philosophy may be defined as the general theory of Education)

দাৰ্শনিক সকলৰ ওপৰোক্ত মতামতৰ ভিত্তিত সহজে বুজিব পৰা যায় যে শিক্ষা আৰু দৰ্শন নিবিড় সম্পৰ্ক যুক্ত বিষয়। দৰ্শনে জীৱনৰ লক্ষ্য আৰু প্ৰয়োজনীয়তাসমূহ চিহ্নিত কৰে আৰু শিক্ষাই তাক আহৰণত সহায় কৰে। দৰ্শন লক্ষ্যৰ লগত আৰু শিক্ষা মাধ্যমৰ লগত জড়িত। সকলো শিক্ষা আঁচনিৰ পৃষ্ঠভূমি ৰচিত হয় দৰ্শনৰ মাজত।

দৰ্শন আৰু শিক্ষাক সম্পৰ্কিত কৰা দিশসমূহ তলত উল্লেখ কৰা হ'ল——

### ১) দৰ্শনে শিক্ষাৰ নিৰ্দেশনাক নিদ্ধাৰণ কৰেঃ

শিক্ষাৰ অৰ্থ হ'ল শিশুৰ জন্মগত আচৰণৰ পৰিশোধন কৰা। কি পথেৰে বা কেনেকৈ আচৰণৰ পৰিশোধন কৰিব পাৰি, এই সমস্যা দৰ্শনে সমাধান কৰিব পাৰে। শিক্ষা হ'ল এটা গৱেষণাগাৰ - য'ত দাৰ্শনিক তত্ত্ব আৰু কল্পনা-চিন্তাবিলাক পৰীক্ষা-নিৰীক্ষা কৰি মূল সিদ্ধান্তলৈ আহিব পাৰি। সেয়ে শিক্ষাক প্ৰায়োগিক দৰ্শন বুলি ক'ব পাৰি। শিক্ষা হৈছে দৰ্শনৰ মৌলিক নীতিসমূহৰ প্ৰয়োগ। দৰ্শনে পদ্ধতি সম্পৰ্কে নিৰ্ধাৰণ কৰে। আনহাতে শিক্ষাই ইয়াক অনুকৰণ কৰে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

### ২) সকলো মহান দাৰ্শনিকেই মহান শিক্ষাবিদ

প্লেটোৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈকে সকলো মহান দাৰ্শনিকেই একো একোজন মহান শিক্ষাবিদ। বিভিন্ন দাৰ্শনিক চিন্তাগোষ্ঠীৰ বিভিন্ন দাৰ্শনিকৰ মতামতৰ ফলস্বৰূপে শৈক্ষিক আন্দোলনৰ সৃষ্টি হয়। মহান দাৰ্শনিক ল'ক, ৰুচো আৰু স্পেনচাৰ আদি সকলো মহান শিক্ষাবিদ। আধুনিক যুগৰ মহাত্মা গান্ধী, ৰবীন্দ্ৰ নাথ ঠাকুৰ, বিবেকানন্দ আদি মহান শিক্ষাবিদ আৰু ভাৰতীয় দাৰ্শনিক।

### ৩) দৰ্শনৰ প্ৰচাৰত শিক্ষা হৈছে যোগ্য মাধ্যম

দাৰ্শনিক এজনে সদায় সত্যৰ বাবে পৰিভ্ৰমণ কৰে। মানুহৰ প্ৰকৃত লক্ষ্য, প্ৰকৃত আচৰণ আৰু জগতত প্ৰকৃত আচৰণ সম্বন্ধে তেওঁ থিৰাং কৰে। বহু কষ্ট আৰু সাধনাৰ ফলস্বৰূপে তেওঁ সত্য সম্পৰ্কে ধাৰণা কৰি কিছুমান লক্ষ্য, আদৰ্শ, মূল্যবোধ স্থাপন কৰে আৰু আনৰ আদৰ্শ, বিশ্বাসক নিজৰ আয়ত্বলৈ আনে। এই সকলো কাৰ্য শিক্ষাৰ জৰিয়তে আয়ত্ব কৰিব পাৰি।

### ৪। আধুনিক দৰ্শনত শিক্ষাৰ প্ৰভাৱ

১৯ শতিকাৰ পদাৰ্থ বিজ্ঞান, মনোবিজ্ঞান আৰু অৰ্থবিজ্ঞানৰ যান্ত্ৰিকতাই শিক্ষা আৰু সকলো স্তৰতে বিশেষ প্ৰভাৱ পেলাইছে। নতুন ডাৰউইন নীতিয়ে 'অস্তিত্ব ৰক্ষাৰ বাবে সংগ্ৰাম নীতিক সমৰ্থন কৰি মানুহৰ বৌদ্ধিক বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। আনহাতে বিংশ শতিকাত মানৱতাবাদী জীৱনৰ উচ্চনীতি আৰু মূল্যবোধত বিশ্বাসী চৰিত্ৰ গঠন আৰু সমন্বয় স্থাপন আদিয়ে বিশেষ স্থান গ্ৰহণ কৰিছে। বিজ্ঞান আৰু ধৰ্মৰ মাজত নতুন সংযোজন স্থাপনৰ বাবে চেষ্টা চলোৱা হৈছে। শিক্ষা আৰু দৰ্শনে এই সংযোজন হোৱাত সহায় কৰিছে।

### ৫) শিক্ষাৰ সকলো বহল দৃষ্টিভংগী দৰ্শনে নিৰ্ধাৰণ কৰে

শিক্ষাৰ সকলো সমস্যা দৰ্শনৰ সমস্যা। দৰ্শনে শিক্ষাৰ লক্ষ্য নিৰূপণ কৰে। এই লক্ষ্যই শিক্ষা ব্যৱস্থাৰ পাঠ্যক্ৰম, শিক্ষা পদ্ধতি, স্কুলীয়া সংগঠনৰ সমস্যা, স্কুলৰ অনুশাসন আৰু শিক্ষকৰ ভূমিকা নিৰ্ণয় কৰে। দৰ্শনে অবিৰতভাৱে শিক্ষাৰ সৰ্বোচ্চ লক্ষ্য নিৰ্দ্ধাৰণ কৰাৰ উপৰিও শিক্ষা পদ্ধতিৰ ওপৰতো প্ৰভাৱ পেলায়।

**জানি থওঁ আহা**

শিক্ষা আৰু দৰ্শনৰ সম্পৰ্ক নিবিড়। শিক্ষাই শিশুৰ আচৰণৰ সংশোধন সাধন কৰিবলৈ চেষ্টা কৰে আৰু দৰ্শনে শিশুৰ আচৰণ কেনেদৰে সংশোধন কৰিব লাগে সেই সম্পৰ্কে জনায়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**অগ্ৰগতিৰ খতিয়ান**

প্ৰশ্ন ৬ ঃ "দৰ্শন আৰু শিক্ষা একেটা মুদ্ৰাৰ দুটা পিঠি" - কোনে কৈছিল?

প্ৰশ্ন ৭ ঃ দৰ্শন আৰু শিক্ষাক সম্পৰ্কিত কৰা দুটা দিশ উল্লেখ কৰা।

## ২.৫ শিক্ষাত দৰ্শনৰ প্ৰভাৱ (Impact of Philosophy on Education)

দৰ্শনে জীৱনৰ ইতিবাচক মনোভাৱ সৃষ্টিত সহায় কৰে। দৰ্শনে প্ৰতিষ্ঠা কৰা পথেৰে শিক্ষাৰ জৰিয়তে আগবাঢ়ি যোৱাত সুবিধা হয়। শিক্ষাৰ সকলো বিলাক দিশতে দৰ্শনে প্ৰভাৱ বিস্তাৰ কৰিছে। গতিকে শিক্ষাত দৰ্শনৰ প্ৰয়োজনীয়তা অনস্বীকাৰ্য। তলত এই সম্বন্ধে আলোচনা কৰা হ'ল -

- দৰ্শনৰ প্ৰভাৱ সকলোতে বিৰাজমান। ধৰ্ম, সাহিত্য, ৰাজনীতি, সমাজনীতি আদি সকলোতে দাৰ্শনিক চিন্তাৰ প্ৰভাৱ পৰিলক্ষিত হয়।
- শিক্ষাৰ জৰিয়তে জন্মৰ সময়ত অপৈণত অৱস্থাত থকা শিশু এটাই সমাজিকভাৱে গ্ৰহণযোগ্য আচৰণ লাভ কৰিবলৈ প্ৰয়াস কৰে। এই কাৰ্য সম্পাদনত দৰ্শনেহে প্ৰকৃত দিশ নিৰ্দেশ কৰে আৰু শিক্ষা প্ৰক্ৰিয়াক অৰ্থ প্ৰদান কৰে।
- শিক্ষা ক্ষেত্ৰত কেতিয়াবা কেতিয়াবা সমস্যাৰ সৃষ্টি হয়। যেনে শিশুসকলক কেনে ধৰণৰ শিক্ষা প্ৰদান কৰিব লাগে? শিশুক কেতিয়াৰ পৰা শিক্ষা প্ৰদান কৰিব লাগে? ইত্যাদি শিক্ষাৰ এই সমস্যাসমূহ যুক্তিপূৰ্ণ ভাৱে সমাধান কৰিবলৈ দৰ্শনে প্ৰয়াস কৰে।
- ব্যক্তি, পৰিয়াল, সম্প্ৰদায়, সমাজ আৰু ৰাষ্ট্ৰত সৃষ্টি হোৱা ভিন্নমুখী আগ্ৰহ আৰু চিন্তাধাৰাৰ মাজত ঐক্য স্থাপন কৰাত দৰ্শনে শিক্ষাক প্ৰয়োজনীয় সহায় আগবঢ়ায়। ইয়াৰ উপৰিও দৰ্শনে মানুহৰ মাজত বিশ্বাসৰ মনোভাৱ সৃষ্টিৰ বাবে প্ৰয়োজনীয় যুক্তি আগবঢ়ায়।
- দৰ্শনে পাঠ্যক্ৰম প্ৰস্তুতকৰণৰ ক্ষেত্ৰতো বৰঙণি আগবঢ়ায়। এখন দেশত প্ৰচলিত দাৰ্শনিক চিন্তাধাৰাই সেই দেশৰ পাঠ্যক্ৰমত কি কি বিষয়, কাৰ্য অন্তৰ্ভূক্ত কৰিব তাৰ বাবে পৰামৰ্শ প্ৰদান কৰে। প্ৰত্যেক দেশতে শিক্ষাৰ বিভিন্ন স্তৰসমূহত পাঠ্যক্ৰম প্ৰস্তুকৰণৰ সময়ত দাৰ্শনিক চিন্তাধাৰাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়।
- যিহেতু দৰ্শন হৈছে চিন্তা আৰু কাৰ্যৰ উত্তম পথ, গতিকে কেনেকুৱা শিক্ষা পদ্ধতি গ্ৰহণ কৰিলে শিক্ষা ব্যৱস্থা ফলপ্ৰসু হ'ব তাৰ ব্যৱস্থা দৰ্শনৰ পৰা লাভ কৰিব পাৰি।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

- শিক্ষকৰ দাৰ্শনিক দৃষ্টিভংগীতো দৰ্শনৰ প্ৰভাৱ বিৰাজমান।
- শিক্ষাৰ সমস্যা, শৈক্ষিক প্ৰশ্ন অথবা শৈক্ষিক পৰিৱেশ অধ্যয়ন আদি দৰ্শনৰো সমস্যা বা প্ৰশ্নৰ অধীন।
- শিক্ষাৰ লগত অনুশাসন সদায় জড়িত হৈ থাকে। ছাত্ৰ-ছাত্ৰীসকলক কেনেধৰণৰ অনুশাসনৰ জৰিয়তে বিকশাই তুলিব পৰা যাব আৰু শিক্ষাৰ বিভিন্ন স্তৰ অনুযায়ী অনুশাসনৰ প্ৰকৃতি কেনে হ'ব লাগে সেই সম্পৰ্কেও দৰ্শনে জ্ঞান প্ৰদান কৰা দেখা যায়।

গতিকে দেখা যায় যে শিক্ষাৰ সকলো দিশতেই দাৰ্শনিক দৃষ্টিভংগীৰ প্ৰভাৱ দেখা যায়। দাৰ্শনিক চিন্তা চৰ্চাৰ প্ৰভাৱ নাথাকিলে শিক্ষা কেতিয়াও অৰ্থপূৰ্ণ, প্ৰায়োগিক আৰু গ্ৰহণযোগ্য হ'ব নোৱাৰে।

**আত্মমূল্যায়ণ প্ৰশ্ন**

দৰ্শন অবিহনে শিক্ষা অসম্পূৰ্ণ বুলি ভাৱানে? (৫০ টা শব্দৰ ভিতৰত উত্তৰ কৰক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ২.৬ সাৰাংশ (Summing Up)

- দৰ্শন হ'ল বিভিন্ন বিশেষ বিশেষ বিজ্ঞানৰ এক সমন্বয়স্বৰূপ।
- দৰ্শনে মানুহৰ আত্মা আৰু তাৰ অস্তিত্ব, ভগৱানৰ প্ৰকৃতি আৰু আত্মা আৰু ভগৱানৰ মাজত থকা সমন্বয়ৰ বিষয়ে অনুসন্ধান কৰে।
- শিক্ষাৰ লগত দৰ্শনৰ এক গভীৰ সম্বন্ধ আছে। শিক্ষা আৰু দৰ্শন এটা মুদ্ৰাৰ দুটা পিঠিস্বৰূপ।
- শিক্ষাই দৰ্শনৰ ক্ষেত্ৰত কাৰ্যকৰী ভূমিকা গ্ৰহণ কৰে। দাৰ্শনিক চিন্তাক ব্যৱহাৰৰ উপযোগিতা প্ৰদান কৰে শিক্ষাই।
- শিক্ষাৰ বিভিন্ন দিশ যেনে - লক্ষ্য, পাঠ্যক্ৰম, শিক্ষাদান পদ্ধতি, শিক্ষকৰ ভূমিকা, বিদ্যালয় সংগঠন, মূল্যায়ণ আদিবোৰ দৰ্শনে নিৰ্ধাৰণ কৰে।
- শিক্ষা ক্ষেত্ৰত দেখা দিয়া সমস্যাসমূহৰ সমাধানৰ দায়িত্বও দৰ্শনে গ্ৰহণ কৰে।
- শিক্ষাৰ বিকাশ আৰু প্ৰগতি দৰ্শনৰ ওপৰত নিৰ্ভৰশীল।

ওপৰত আলোচনা কৰা দিশসমূহৰ পৰা ক'ব পাৰি যে শিক্ষাৰ সকলোবোৰ দিশতে দৰ্শনৰ প্ৰভাৱ বিদ্যমান। দৰাচলতে শিক্ষা ব্যৱস্থাৰ কাৰ্যকাৰিতা দৰ্শনৰ তাত্বিক চিন্তাধাৰা অবিহনে সম্ভৱপৰ নহয়। শিক্ষাৰ সকলোবোৰ সমস্যাই দাৰ্শনিক সমস্যা। শিক্ষা ক্ষেত্ৰত দৰ্শনে নিৰ্দেশকৰ ভূমিকা গ্ৰহণ কৰে। দৰ্শনে দেখুৱাই দিয়া দিশেৰে শিক্ষাই আগুৱাই গৈ নিজৰ লক্ষ্যত উপনীত হয়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

## ২.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১) দৰ্শনৰ পৰিসৰ আলোচনা কৰক।

২) শিক্ষা ব্যৱস্থাত দৰ্শনৰ প্ৰয়োজনীয়তাৰ পাচটা দিশ উল্লেখ কৰক।

৩) অধিবিদ্যা মানে কি?

## ২.৮ প্ৰসংগ গ্ৰন্থ (References & Suggested Readings)

১) Sataya and Shaida : Modern Theory and Principle & Education. Dhanpat Rai Publishing, Delhi

২) দাস ফুনু ড° ঃ শিক্ষা দৰ্শন, শান্তি প্ৰকাশন, পাণবজাৰ, গুৱাহাটী

৩) কলিতা উৎপল ঃ শিক্ষাৰ দৰ্শন, কল্যাণী পাবলিছাৰ্চ, গুৱাহাটী

৪। নাথ পাৰুল ঃ শিক্ষাৰ দৰ্শন, লয়াৰ্চ বুক ষ্টল, গুৱহাটী

৫) বৰা হৃদয়া নন্দ ঃ শিক্ষাৰ ভিত্তি, মণি মাণিক প্ৰকাশ, পাণবজাৰ, গুৱাহাটী

## ২.৯ অগ্ৰগতিৰ খতিয়ান (Answers to Check Your Progress)

১। ক) অনুসন্ধান

খ) গ্ৰীক

২। দৰ্শন হ'ল জীৱনৰ অস্তিত্ব, বাস্তৱতা আৰু সত্যক উপলব্ধিৰ বাবে কৰা এক চিন্তনশীল অনুসন্ধানৰ প্ৰক্ৰিয়া।

৩। প্ৰমূল্যবিদ্যাৰ অংশ তিনিটা

ক) তৰ্কবিজ্ঞান (খ) নীতিবিজ্ঞান (গ) নন্দন তত্ত্ব

৪। শিক্ষা দৰ্শন হ'ল শিক্ষা প্ৰক্ৰিয়া আৰু ইয়াৰ লগত জড়িত সমস্যাসমূহৰ দৰ্শনভিত্তিক অধ্যয়ণ। শিক্ষা দৰ্শনৰ মূল বিষয়বস্তু হ'ল শিক্ষা আৰু ইয়াৰ পদ্ধতি হ'ল দাৰ্শনিক।

৫। শিক্ষা দৰ্শনৰ দুটা পৰিসৰ হ'ল

ক। শিক্ষাৰ সাধাৰণ সমস্যাসমূহৰ লগত জড়িত।

খ। শিক্ষাৰ লক্ষ্য আদৰ্শসমূহৰ বিশ্লেষণ।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

৬। ৰচে কৈছিল

৭। দৰ্শনে শিক্ষাক সম্পৰ্কিত কৰা দুটা দিশ হ'ল -

ক। দৰ্শনে শিক্ষাৰ নিৰ্দেশনাক নিৰ্দ্ধাৰিণ কৰে

খ। দৰ্শনৰ প্ৰচাৰত শিক্ষা হৈছে যোগ্য মাধ্যম

**আৰ্হি প্ৰশ্নৰ উত্তৰ সমূহ -**

১। দৰ্শনৰ পৰিসৰক বহলভাৱে তিনিটা ভাগত ভাগ কৰিব পাৰি। সেই তিনিটা ভাগৰ বিষয়ে তলত আলোচনা কৰা হ'ল -

ক) অধিবিদ্যা দৰ্শনৰ পৰিসৰৰ অন্তৰ্ভুক্ত এক ভাগ। ই হ'ল আধ্যাত্মিক বস্তুসম্বন্ধে আলোচনা কৰা বিজ্ঞান। ই আত্মা, ঈশ্বৰ, জীৱন, মন, কাল এইবোৰৰ বিষয়ে আলোচনা কৰে আৰু বিশ্বৰ স্বৰূপ সম্বন্ধেও আলোচনা চলায়।

খ) দৰ্শনৰ পৰিসৰৰ আন এটা ভাগ হ'ল জ্ঞান বিদ্যা। ই জ্ঞানৰ প্ৰকৃতি, উৎপত্তি, বৈধতা তথা সত্যতা সম্বন্ধে অনুসন্ধান চলায়। বিশিষ্ট দাৰ্শনিক কান্ট, ফিকটে আদিয়ে জ্ঞানৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছিল।

গ) দৰ্শনৰ পৰিসৰৰ আন এটা ভাগ হ'ল প্ৰমূল্যবোধ। এই বিভাগে দৰ্শনৰ সেইবোৰ বিভাগক অৰ্ন্তভুক্ত কৰে যিবোৰে বিভিন্ন মূল্যবোধ, মানৱ জীৱনৰ উদ্দেশ্য আৰু আদৰ্শ সম্বন্ধে আলোচনা কৰে।

২। শিক্ষা ব্যৱস্থাত দৰ্শনৰ প্ৰয়োজনীয়তাৰ পাচটা দিশ হ'ল -

ক। শিক্ষাৰ জৰিয়তে জন্মৰ সময়ত অপৈণত অৱস্থাত থকা শিশু এটাই সামাজিকভাৱে গ্ৰহণযোগ্য আচৰণ দৰ্শনৰ জৰিয়তে লাভ কৰিবলৈ প্ৰয়াস কৰে।

খ। শিক্ষাৰ ক্ষেত্ৰত থকা সমস্যাসমূহ যুক্তিপূৰ্ণভাৱে সমাধান কৰিবলৈ দৰ্শনে প্ৰয়াস কৰে।

গ) দৰ্শনে পাঠ্যক্ৰম প্ৰস্তুতকৰণৰ ক্ষেত্ৰত বৰঙণি আগবঢ়ায়।

ঘ) শিক্ষকৰ দাৰ্শনিক দৃষ্টিভংগীতো দৰ্শনৰ প্ৰভাৱ বিৰাজমান।

ঙ) শিক্ষাৰ বিভিন্ন স্তৰ অনুযায়ী অনুশাসনৰ প্ৰকৃতি কেনে হ'ব লাগে সেই সম্পৰ্কেও দৰ্শনে জ্ঞান প্ৰদান কৰে।

৩। অধিবিদ্যা হ'ল আধ্যাত্মিক বস্তু সম্বন্ধে আলোচনা কৰা বিজ্ঞান। ই আত্মা, ঈশ্বৰ, জীৱন, মন, কাল এইবোৰৰ মাজত থকা সম্বন্ধৰ বিষয়ে আলোচনা কৰে।

---*---

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

# তৃতীয় বিভাগ
# মনোবিজ্ঞান আৰু শিক্ষা

**বিভাগৰ গঠনঃ**


**৩.০ ভূমিকা (Introduction)**
**৩.১ উদ্দেশ্য (Objectives)**
**৩.২ মনোবিজ্ঞানৰ অৰ্থ**
**৩.২.১ মনোবিজ্ঞানৰ প্ৰকৃতি**
**৩.৩ শিক্ষা আৰু মনোবিজ্ঞানৰ মাজৰ সম্বন্ধ**
**৩.৩.১ শিক্ষা আৰু মনোবিজ্ঞানৰ মাজৰ পাৰ্থক্য**
**৩.৪ শিক্ষা মনোবিজ্ঞানৰ অৰ্থ**
**৩.৪.১ শিক্ষা মনোবিজ্ঞানৰ প্ৰকৃতি**
**৩.৪.২ শিক্ষা মনোবিজ্ঞানৰ পৰিসৰ**
**৩.৫ শিক্ষা মনোবিক্ষানৰ পদ্ধতি**
**৩.৫.১ পৰ্যবেক্ষণ পদ্ধতি**
**৩.৫.২ পৰীক্ষণ**
**৩.৫.৩ ঘটনা অধ্যয়ণ পদ্ধতি**
**৩.৬ শিকণ-শিক্ষণ প্ৰক্ৰিয়াত শিক্ষা মনোবিজ্ঞানৰ গুৰুত্ব**
**৩.৭ সাৰাংশ (Summing Up)**
**৩.৮ আৰ্হি প্ৰশ্ন (Sample Questions)**
**৩.৯ প্ৰসংগ গ্ৰন্থ (References & Suggested Readings)**
**৩.১০ অগ্ৰগতিৰ খতিয়ানৰ উত্তৰসমূহ (Answers to Check Your Progress)**


## ৩.০ ভূমিকা (Introduction)

বৰ্তমান সময়ত মনোবিজ্ঞান শব্দৰ ব্যৱহাৰ প্ৰতিজন ব্যক্তিয়ে কৰে। মনোবিজ্ঞান প্ৰত্যেককে জীৱনৰ বাবে অতি গুৰুত্বপূৰ্ণ। ইয়াৰ প্ৰয়োগ বৰ্তমান সময়ত দিনক দিনে বৃদ্ধি পাই উঠিছে। মনোবিজ্ঞানৰ ক্ৰমবিৱৰ্তন অধ্যয়ন কৰিলে দেখা যায় যে প্ৰাচীন সময়ত মনোবিজ্ঞান দৰ্শনৰ লগত জড়িত আছিল। 1879 চনৰ পৰাহে ইয়াক স্বকীয় আনুষ্ঠানিক বিষয় স্বৰূপে স্বীকৃতি দিয়া হৈছিল। জাৰ্মানৰ লেইপজিগ (Leipzing) নামৰ স্থানত প্ৰতিষ্ঠা কৰা প্ৰথম মনোবৈজ্ঞানিক প্ৰয়োগশালা (Psychological laboratory) ৰ যোগেদি মনোবৈজ্ঞানিক উইলহেম ৱুণ্ডট (Wilhelm Wundt) এ এই ধাৰণা আনুষ্ঠানিকভাৱে বিকশাই তুলিছিল। বৰ্তমান সময়ত মনোবিজ্ঞানক মানুহ আৰু অন্যান্য প্ৰাণীৰ আচৰণৰ

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

বিজ্ঞান স্বৰূপে বিবেচনা কৰা হয়। বৰ্তমান জটিল সমাজ ব্যৱস্থাত মানৱীয় সমস্যা সমাধানৰ প্ৰধান কাৰক স্বৰূপে মনোবিজ্ঞানক গণ্য কৰা হয়। এই অধ্যায়ত আমি মনোবিজ্ঞানৰ অৰ্থ আৰু প্ৰকৃতি, শিক্ষা আৰু মনোবিজ্ঞানৰ মাজৰ সম্বন্ধ, শিক্ষা মনোবিজ্ঞানৰ অৰ্থ, প্ৰকৃতি, পৰিসৰ আৰু পদ্ধতি তথা শিকণ-শিক্ষণ প্ৰক্ৰিয়াত শিক্ষা মনোবিজ্ঞানৰ গুৰুত্ব বিষয়েও আলোচনা কৰিম।

## ৩.১ উদ্দেশ্য (Objectives)

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি —

* মনোবিজ্ঞানৰ অৰ্থ আৰু প্ৰকৃতিৰ বিষয়ে বুজিব পাৰিব।
* শিক্ষা আৰু মনোবিজ্ঞানৰ মাজৰ সম্বৰ বিষয়ে বৰ্ণনা কৰিব পাৰিব।
* শিক্ষা মনোবিজ্ঞানৰ অৰ্থ, প্ৰকৃতি, পৰিসৰ আৰু পদ্ধতিৰ বিষয়ে বাখ্যা কৰিব পৰিব।
* শিকণ-শিক্ষণ প্ৰক্ৰিয়াত শিক্ষা মনোবিজ্ঞানৰ গুৰুত্ব বিষয়ে বুজিব পাৰিব।

## ৩.২ মনোবিজ্ঞানৰ অৰ্থঃ

মনোবিজ্ঞানৰ ইংৰাজী প্ৰতিশব্দ Psychology গ্ৰীক ভাষাৰ দুটা শব্দৰ পৰা আহিছে। সেয়া হ'ল Psyche আৰু Logos। Psyche শব্দৰ অৰ্থ হ'ল আত্মা আৰু Logos শব্দৰ অৰ্থ হ'ল অধ্যয়ন। অৰ্থাৎ আত্মাৰ অধ্যয়নেই হ'ল মনোবিজ্ঞান।

সময়ৰ পৰিৱৰ্তনৰ লগে লগে মনোবিজ্ঞানৰ অৰ্থৰ ক্ষেত্ৰতো বিভিন্ন পৰিৱৰ্তন অহা দেখা যায়। প্ৰথম অৱস্থাত মনোবিজ্ঞানক আত্মাৰ বিজ্ঞান, পৰৱৰ্তী সময়ত মনৰ বিজ্ঞান আৰু সচেতনতাৰ বিজ্ঞান আৰু বৰ্তমান আচৰণৰ বিজ্ঞান স্বৰূপে গণ্য কৰা হয়।

দাৰ্শনিক প্লেটো আৰু এৰিষ্টোটলে মনোবিজ্ঞানক আত্মাৰ বিজ্ঞান বুলি গণ্য কৰিছিল। কিন্তু আত্মা যিহেতু মানুহৰ অভিজ্ঞতা আৰু জ্ঞানৰ উৰ্ধত সেয়ে এই ধাৰণা প্ৰত্যাখ্যান কৰা হয়। আকৌ আত্মা সম্বন্ধীয় আলোচনা দৰ্শনৰ লগত অধিকভাৱে জড়িত। সেয়ে আত্মা সম্বন্ধে কোনেও সুস্থিৰ সিদ্ধান্তত উপনীত হ'ব পৰা নাছিল।

জাৰ্মান দাৰ্শনিক কাণ্ট আৰু অন্যান্যসকলে মনোবিজ্ঞানৰ আত্মাৰ বিজ্ঞান ধাৰণাৰ সমালোচনা কৰি মনোবিজ্ঞানক মনৰ বিজ্ঞান বুলি অভিহিত কৰিছিল। মনোবিজ্ঞানৰ মনৰ বিজ্ঞান ধাৰণা বহুদিন ধৰি প্ৰচলিত হৈ থাকিল। কিন্তু মন বা মনৰ প্ৰকৃতি সম্বন্ধে অধ্যয়ন কৰোতে মনোবিজ্ঞানসকলৰ মাজত বিৰোধৰ সৃষ্টি হয় কিয়নো মন হৈছে অমূৰ্ত ধাৰণা যাক বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰাটো সম্ভৱ নহয়।

মন সম্বন্ধে অধ্যয়ন কৰোঁতে মনোবিজ্ঞানীসকলে মনৰ তিনিটা দিশৰ সন্ধান পাইছিল। সেয়া হ'ল—চেতন মন (conscious mind), অৱচেতন মন (Subconscious mind) আৰু অচেতন মন (Unconscious mind)। মনোবৈজ্ঞানিকদ্বয় উইলিয়াম ৱুণ্ডট (William Wundt) আৰু উইলিয়াম জেমচ (William James) আৰু অন্যান্যসকলে বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ অন্তত মনোবিজ্ঞানক সচেতনতাৰ বিজ্ঞান বুলি অভিহিত কৰিছিল। কিন্তু মনোবিজ্ঞানৰ এই অৰ্থও সমালোচনাৰ পৰা হাত সাৰিব নোৱাৰিলে। সচেতনতাৰ ধাৰণাত বিশ্বাসী মনোবিজ্ঞানীসকলে ঠাৱৰ কৰিছিল যে মনৰ চেতন অৱস্থাহে বেছি গুৰুত্বপূৰ্ণ। অৱচেতন আৰু অচেতন স্তৰ দুটাক সেইচাম মনোবিজ্ঞানীয়ে বিশেষ গুৰুত্বসহকাৰে লোৱা নাছিল। চেতন মন (Conscious mind) যে আমাৰ সমগ্ৰ মনৰ এক ক্ষুদ্ৰ অংশহে তাক তেওঁলোকে অনুভৱ কৰা নাছিল। অৱচেতন আৰু অচেতন মনেও যে মানুহৰ আচৰণ, কাৰ্যকলাপ আদিত প্ৰভাৱ পেলাব পাৰে সেইকথা সেইচাম মনোবিজ্ঞানীয়ে চিন্তা কৰি চোৱা নাছিল।

কুৰি শতিকাৰ আৰম্ভণিৰ পৰাই কিছুমান মনোবিজ্ঞানীয়ে মনক এক বেলেগ দৃষ্টিকোণৰ পৰা বিচাৰ কৰিবলৈ আৰম্ভ কৰিলে। আচৰণবাদী মনোবৈজ্ঞানিক জন ব্ৰডাছ ৱাটছনে (John Broadus Watson) মনোবিজ্ঞান এক বাস্তৱ, বস্তুনিষ্ঠ আৰু পৰীক্ষাভিত্তিক দৃষ্টিভংগীৰে নিৰীক্ষণ কৰিবলৈ আৰম্ভ কৰে। আমেৰিকাৰ বিখ্যাত মনোবিজ্ঞানী উইলিয়াম মেগডুগলেও (Willium MacDougall) মনোবিজ্ঞানক "আচৰণৰ বিজ্ঞান" হিচাপে অভিহিত কৰিছে আৰু প্ৰত্যক্ষ বিজ্ঞান হিচাপে স্বীকৃতি দিছে। তেখেতৰ মতে "Psychology is the positive science of the behaviour of living beings." বৰ্তমানলৈকে মনোবিজ্ঞানৰ এই সংজ্ঞাকে আধুনিক সংজ্ঞা হিচাপে গ্ৰহণ কৰা হৈছে। কাৰণ মানুহেই হওঁক বা অন্য প্ৰাণীয়েই হওক সকলোৰে আচৰণৰ অন্তৰালত মনৰ অস্তিত্ব অনুভৱ কৰা হয়।

সেয়েহে মনোবিজ্ঞানী উডৱৰ্থে (Woodworth) মনোবিজ্ঞানৰ ক্ৰমবিকাশক সামৰি কৈছে যে মনোবিজ্ঞানে প্ৰথমে ইয়াৰ আত্মাক হেৰুৱালে, তাৰ পাছত মনক হেৰুৱালে, মনৰ পাচত চেতনাক হেৰুৱালে আৰু শেষত ইয়াৰ আচৰণক লৈ বৰ্তি থাকিল (First Psychology lost its soul, then it lost its mind then it lost consciousness, in still has a behaviour of a kind)।

বিভিন্ন মনোবিজ্ঞানীয়ে মনোবিজ্ঞানৰ অৰ্থ বিশ্লেষণৰ বাবে সংজ্ঞা আগবঢ়াইছে। মনোবিজ্ঞানৰ কেতবোৰ সংজ্ঞা তলত উল্লেখ কৰা হ'ল—

) জন ডিউই (John Dewey) ৰ মতে, "নিজৰ তথ্য বা ঘটনাৰ বিষয়ে কৰা অধ্যয়নৰ বিজ্ঞান হ'ল মনোবিজ্ঞান"।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

| *শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই* |
| --- |
| |

) ৱাটচন (Watson) ৰ মতে, “মনোবিজ্ঞান হ’ল প্ৰাকৃতিক বিজ্ঞানৰ এক বিভাগ যিয়ে শিক্ষালব্ধ আৰু শিক্ষাহীন মানৱ
আচৰণক বিষয়বস্তু হিচাপে গ্ৰহণ কৰে” ।

) লেণ্ডচমেন স্কিনাৰ (Landsman Skinner) ৰ মতে, “মনোবিজ্ঞান হৈছে আচৰণ আৰু অভিজ্ঞতাৰ বিজ্ঞান”।

) বিখ্যাত মনোবিদ উডৱৰ্থ আৰু মাৰ্কুইচ (Woodworth and Marquis) ৰ মতে, “ পৰিৱেশৰ লগত সম্বন্ধ ৰক্ষা কৰি ব্যক্তিয়ে কৰা কাৰ্য বা আচৰণৰ বিজ্ঞানসন্মত অধ্যয়নেই হৈছে মনোবিজ্ঞান”।

) লংফেল্ড বৰিং আৰু ৱেল্ড (Longfeld Boring and Weld) ৰ মতে, “মানুহৰ প্ৰকৃতি অধ্যয়নেই হৈছে

মনোবিজ্ঞান”।

) উইলিয়াম মেকডুগেল (William Mc Dougall) ৰ মতে, “মনোবিজ্ঞান হৈছে এক বিজ্ঞান যি সকলোবোৰ জীৱৰে আচৰণৰ প্ৰকৃত জ্ঞান আৰু তাৰ নিয়ন্ত্ৰণ সম্বন্ধে আমাক জনাব বিচাৰে”।

) ড ব্লিউ. বি. কলেচনিক (W. B. Kolesnik) ৰ মতে, “মনোবিজ্ঞান হৈছে মানুহৰ আচৰণৰ বিজ্ঞান”।

) এটকিনচন আৰ এটকিনচন (Atkinson and Atkinson)-ৰ মতে, “মনোবিজ্ঞান হৈছে বিজ্ঞান যি আচৰণ আৰু মানসিক প্ৰক্ৰিয়াক অধ্যয়ন কৰে” ।

) আৰ. এছ. উডৱৰ্থ (R. S. Woodworth) ৰ মতে, “মনোবিজ্ঞানে এজন ব্যক্তিক এক সুকীয়া এককস্বৰূপে আনজন ব্যক্তি লগত আৰু পৃথিৱীৰ আন সকলোৰে লগত কৰা আদান-প্ৰদান সম্বন্ধে বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰে”।

) কাৰ্ট কফকা (Kurt Koffka) ৰ মতে, “জীৱিত প্ৰাণীয়ে বহিঃজগতৰ লগত সম্বন্ধ স্থাপন কৰোতে প্ৰদৰ্শন কৰা আচৰণৰ
বিজ্ঞানসন্মত অধ্যয়নেই হৈছে মনোবিজ্ঞান” ।

) ছাৰ্লচ, ই, স্কীনাৰ (Charles, E. Ckinner) ৰ মতে, “জীৱক প্ৰদান কৰা যিকোনো ধৰণৰ আৰু সকলো প্ৰকাৰৰ পৰিস্থিতি আৰু প্ৰতিক্ৰিয়াকে মনোবিজ্ঞানে বিবেচনা কৰে। প্ৰতিক্ৰিয়া বা আচৰণৰ যোগেদি জীৱই গঠন কৰা সকলোধৰণৰ প্ৰক্ৰিয়া, সমাযোজন, কাৰ্যাৱলী আৰু ক্ৰিয়া অভিজ্ঞতাকে ইয়াৰ যোগেদি বুজোৱা হয়।”

) মনোবিদ ক্ৰো আৰু ক্ৰো (Crow and Crow) ৰ মতে, “মানৰ আচৰণ আৰু মানৰ সম্বন্ধৰ অধ্যয়নেই মনোবিজ্ঞান।”

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

গতিকে ক'ব পাৰি যে মনোবিজ্ঞান হ'ল বিকাশৰ বিভিন্ন স্তৰত সকলো জীৱন্ত প্ৰাণীৰ আচৰণৰ অধ্যয়ন।

**জানি থওঁ আহা**

**উইলিয়াম ৱুণ্ডট ঃ** মনোবিজ্ঞানক দৰ্শনৰ পৰা পৃথক কৰা প্ৰথম মনোবিজ্ঞানী হ'ল ৱুণ্ডট আৰু মনোবিজ্ঞানক স্বাধীন বিষয় হিচাপে বিকশাই তোলাৰ বাবে প্ৰথম 'মনোবৈজ্ঞানিক পৰীক্ষাগাৰ' প্ৰতিষ্ঠ কৰিছিল। ইয়েই হ'ল আধুনিক মনোবিজ্ঞানৰ আৰম্ভণি। এই বৰঙনিৰ বাবে ৱুণ্ডটক 'মনোবিজ্ঞানৰ পিতৃস্বৰূপে গণ্য কৰা হয়।'

### ৩.২.১ মনোবিজ্ঞানৰ প্ৰকৃতিঃ

মনোবিজ্ঞানৰ অৰ্থ আৰু সংজ্ঞাবোৰ বিশ্লেষণ কৰিলে ইয়াৰ প্ৰকৃতিগত বৈশিষ্ট্যবোৰ পৰিলক্ষিত হয়। সেইবোৰ তলত উল্লেখ কৰা হ'—

(১) **প্ৰক্ৰিয়া স্বৰূপ :** মনোবিজ্ঞানৰ স্বাধীনভাৱে স্থান নাই। ইয়াৰ প্ৰধান লক্ষ্য হ'ল সামাজিক প্ৰয়োজনীয়তাৰ ভিত্তিত ব্যক্তিৰ বিকাশত সহায় কৰা প্ৰক্ৰিয়া স্বৰূপে নিজকে বিকশাই তোলা।

(২) **অবিৰত প্ৰক্ৰিয়া :** মনোবিজ্ঞান হৈছে এক প্ৰক্ৰিয়া। ই এক অবিৰত প্ৰক্ৰিয়া আৰু লগতে গতিশীলো। এই প্ৰক্ৰিয়াত এজন ব্যক্তিয়ে নিজকে বুজিব পাৰে আৰু নিজৰ দক্ষতাৰ সৰ্বতোকৃষ্ট ব্যৱহাৰৰ জ্ঞান প্ৰদান কৰে। ব্যক্তিয়ে নিজৰ জীৱনৰ যিকোনো সময়তে মনোবিজ্ঞানৰ জ্ঞানৰ প্ৰয়োগ কৰে।

(৩) **জীৱনৰ লগত সম্বন্ধিত :** মনোবিজ্ঞান জীৱনৰ লগতো সম্বন্ধিত। মনোবিজ্ঞানে আনুষ্ঠানিক আৰ অনানুষ্ঠানিকভাৱে জীৱনত বৰঙণি যোগায় কিয়নো জীৱনত সকলো পৰিস্থিতিৰ ঘটনা সংঘটিত হয়।

(৪) **দক্ষতাৰ বিকাশ:** মনোবিজ্ঞানৰ যোগেদি ব্যক্তিয়ে নিজৰ দক্ষতাবোৰ সৰ্বতোকৃষ্ট ৰূপত বিকশাই তুলিব পাৰে। মনোবিজ্ঞানৰ যোগেদি ব্যক্তিয়ে আত্ম উপলব্ধি লাভ কৰিব পাৰে আৰু নিজৰ প্ৰকৃত ছবিৰ লগত চিনাকী হ'ব পাৰে।

(৫) **ব্যক্তিগত সহায়:** মনোবিজ্ঞানক ব্যক্তিগত সহায় স্বৰূপেও গণ্য কৰা হয়। মনোবিজ্ঞানৰ যোগেদি ব্যক্তিয়ে দলৰ পৰিৱৰ্তে ব্যক্তিগতভাৱে নিজক বিকশাব পাৰে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

(৬) **প্ৰশিক্ষিত ব্যক্তিৰ কাৰ্য :** মনোবিজ্ঞানৰ জ্ঞান প্ৰদান কৰাটো সকলো ব্যক্তিৰ কাৰ্য নহয় কিয়নো ইয়াত বহুতো কৌশলৰ প্ৰয়োগ কৰা হয়। এই কাৰ্যৰ বাবে প্ৰশিক্ষিত ব্যক্তি, মনোবিজ্ঞানী, পৰামৰ্শদাতা আদিৰ প্ৰয়োজন। মনোবিজ্ঞান এক দক্ষতালব্ধ প্ৰক্ৰিয়া।

(৭) **মনোবিজ্ঞানৰ ব্যাপক পৰিসৰ :** মনোবিজ্ঞানৰ পৰিসৰ অতি ব্যাপক। ইয়াৰ পৰিসৰে বিভিন্ন বয়সৰ, বিভিন্ন আগ্ৰহৰ, ভিন্ন বৈশিষ্ট্য আৰু প্ৰকৃতিৰ মানুহক অন্তৰ্ভুক্ত কৰে। ইয়াৰ নিৰ্ধাৰণ কৰা এক জটিল কাৰ্য।

(৮) **সমাযোজনৰ সহায়ক :** মনোবিজ্ঞানে ব্যক্তিক বিভিন্ন পৰিৱেশত সমাযোজন কৰাত সহায় কৰে। এই প্ৰক্ৰিয়াই বিভিন্ন পৰিৱেশত কেনেকৈ সমাযোজন কৰিব লাগে তাৰ জ্ঞান প্ৰদান কৰে। মনোবিজ্ঞানৰ এক লক্ষ্যই হ'ল সমস্যাযুক্ত পৰিৱেশত ব্যক্তিক সমাযোজিত কৰাত সহায় কৰে।

(৯) **আত্ম-ধাৰণাৰ দক্ষতা বৃদ্ধিৰ সহায়ক :** মনোবিজ্ঞানৰ প্ৰক্ৰিয়াৰ যোগেৰে এজন ব্যক্তিৰ আত্ম-মনোবিজ্ঞান বিকশাই তোলাৰ বৈশিষ্ট্যবোৰকো মনোবিজ্ঞানৰ প্ৰকৃতিয়ে অন্তৰ্ভুক্ত কৰে। ইয়াৰ যোগেদি জীৱনৰ সমস্যা সমাধানৰ ক্ষেত্ৰত ব্যক্তিয়ে আত্ম নিৰ্ভৰশীলতা লাভ কৰে।

(১০) **ভৱিষ্যতৰ জীৱিকাৰ প্ৰস্তুতিৰ বাবে সহায়ক :** মনোবিজ্ঞান প্ৰক্ৰিয়াই ব্যক্তিক ভৱিষ্যতৰ জীৱিকাৰ বাবে প্ৰস্তুত কৰাটো সহায় কৰে। এই ক্ষেত্ৰত মনোবিজ্ঞান ব্যক্তি এজনৰ বাবে শুভাকাংক্ষী স্বৰূপ।

(১১) **মনোবিজ্ঞান এক শৈক্ষিক সেৱা :** মনোবিজ্ঞানৰ প্ৰকৃতিয়ে শৈক্ষিক সেৱাকো সামৰি লয়। মনোবিজ্ঞানক শৈক্ষিক সেৱা স্বৰূপেও গণ্য কৰা হয়। এই ক্ষেত্ৰত শিক্ষাক্ষেত্ৰত দেখা দিয়া সমস্যাবোৰ মনোবিজ্ঞানৰ যোগেদি সমাধানৰ প্ৰয়াস কৰা হয়।

(১২) **গ্ৰাহককেন্দ্ৰিক :** মনোবিজ্ঞানক এক বিশেষ সেৱা স্বৰূপে গণ্য কৰা হয়। এই প্ৰক্ৰিয়া প্ৰধানতঃ গ্ৰাহককেন্দ্ৰিক আৰু বিকাশমূলক।

চনত নতুন দিল্লীৰ NCERT ৰ দ্বাৰা প্ৰকাশিত 'Psychology of School' কিতাপখনৰ যোগেদি বাকেৰ মেহদী (Baquer Mehdi) এ মনোবিজ্ঞানৰ প্ৰকৃতিক তলত দিয়া ধৰণেৰে প্ৰকাশ কৰিছিল।

(ক) মনোবিজ্ঞান এক সংগঠিত সেৱা।

(খ) নিৰ্দেশনাৰ সংকীৰ্ণ ধাৰণাৰ পৰা মনোবিজ্ঞান উৰ্ধত।

(গ) মনোবিজ্ঞান বিশেষ তথা সাধাৰণ সেৱা।

(ঘ) মনোবিজ্ঞান সকলোৰে বাবে।

(ঙ) মনোবিজ্ঞান এক গতিশীল আনুষ্ঠানিক আৰু অনানুষ্ঠানিক প্ৰক্ৰিয়া।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

### ৩.৩ শিক্ষা আৰু মনোবিজ্ঞানৰ মাজৰ সম্বন্ধ ঃ

বিশ্বৰ সকলো জীৱন্ত প্ৰাণীৰ আচৰণৰ অধ্যয়নেই হ'ল মনোবিজ্ঞান। ই সকলো জীৱন্ত প্ৰাণীৰ দৈহিক আৰু মানসিক কাৰ্যৰ আচৰণ অধ্যয়ন কৰে। ই কোনো মানদণ্ড স্থিৰ নকৰে।মনোবিজ্ঞানে প্ৰত্যক্ষ পৰ্যবেক্ষণ আৰু নিৰীক্ষণৰ যোগে আচৰণৰ বস্তুনিষ্ঠ অধ্যয়নৰ প্ৰয়াস কৰে। মনোবিজ্ঞানত মানৱ আচৰণ ব্যক্তিনিষ্ঠ ভাৱে বিচাৰ কৰাৰ কোনো স্থান নাই। সেয়েহে ইয়াত বস্তুনিষ্ঠ বিজ্ঞান বা সদৰ্থক বিজ্ঞান বুলিও কোৱা হয়। আনহাতে, শিক্ষাই সাধাৰণতে কম বয়সীয়া ব্যক্তিৰ লগত সম্বন্ধ ৰক্ষা কৰে যিয়ে সিহঁতৰ সাধাৰণ বৃদ্ধি সুনিশ্চিত কৰে। ই এক আদৰ্শনিষ্ঠ বিজ্ঞান যিয়ে ব্যক্তিৰ গ্ৰহণযোগ্য শৈক্ষিক আদৰ্শ বা মানদণ্ড স্থিৰ কৰাৰ চেষ্টা কৰে। শিক্ষা দৰ্শনৰ লগত সম্বন্ধিত আৰু ই অতীত, বৰ্তমান আৰু ভৱিষ্যতক সামৰি সমস্যা অধ্যয়নৰ প্ৰয়াস কৰে।

সাধাৰণ দৃষ্টিভংগীত, দুয়োটা বিষয় এটা আনটোৰ পৰা পৃথক যেন লাগিলেও সূক্ষ্মভাৱে পৰ্যবেক্ষণ কৰিলে দুয়োটা বিষয়ৰ মাজত থকা সম্বন্ধ দেখিবলৈ পোৱা যায়। শিক্ষাৰ লক্ষ্য হ'ল শিশুৰ ব্যক্তিত্বৰ বিকাশ সাধান কৰা আৰু চৰিত্ৰ গঠন কৰা। শিক্ষাৰ এই মূল লক্ষ্যত উপনীত হবৰ বাবে মনোবিজ্ঞান অতি প্ৰয়োজনীয়।শিক্ষাৰ তত্ব বিকাশাই তোলাৰ আৰু শিক্ষাদানৰ উন্নতি সাধনৰ ক্ষেত্ৰত মনোবিজ্ঞানে বৰ্তমান গুৰুত্বপূৰ্ণ ভুমিকা পালন কৰে। প্ৰাচীন সময়ত, মনোবিজ্ঞানৰ প্ৰতি পৰম্পৰাগত শিক্ষকসকলৰ মনোভাৱ পৃথক ধৰণৰ আছিল। সেই সময়ত মানুহে বিশ্বাস কৰিছিল যে শিক্ষাদান কলাৰ বাবে প্ৰায়োগিক কৌশল আৰু বিষয়বস্তুৰ বিদগ্ধ জ্ঞানৰ প্ৰয়োজন। শিক্ষাদান আৰু শিশুসকলক নিয়ন্ত্ৰণৰ ক্ষেত্ৰত মনোবিজ্ঞানৰ অধ্যয়ন বাধাস্বৰূপ আছিল। শিক্ষাত মনোবিজ্ঞানৰ পোষকতা কৰা মহান ব্যক্তি পেষ্টালজীয়ে এই ক্ষেত্ৰত মত পোষণ কৰিছিল যে "শিক্ষাৰ কলা মানসিক জীৱনৰ প্ৰকৃত জ্ঞানৰ ভিত্তিত প্ৰতিষ্ঠিত হৈ উঠিব লাগে"।

বৰ্তমান সময়ৰ শিক্ষাত শিশু হৈছে কেন্দ্ৰবিন্দু আৰু সেয়েহে শিক্ষকে শিশুৰ সকলোবোৰ স্তৰৰ বিকাশ ফলপ্ৰসূ কৰিবৰ বাবে পদ্ধতি আৰু উপায়ৰ প্ৰয়োগ কৰিব লাগে। শিক্ষকে শিশুসকলৰ প্ৰয়োজনীয়তা আৰু আগ্ৰহ অধ্যয়ন কৰিব লাগে আৰু সিহঁতৰ সুস্থ বিকাশৰ বাবে সুবিধা প্ৰদান কৰিব লাগে। মনোবিজ্ঞানৰ জ্ঞান অবিহনে শিক্ষাৰ এই সকলোবোৰ কাৰ্য ভালদৰে সম্পাদন হৈ উঠিব নোৱাৰে। শিক্ষা আৰু ইয়াৰ প্ৰক্ৰিয়াৰ ব্যাপক, গভীৰ আৰু ফলপ্ৰসূ বোধৰ বাবে মনোবিজ্ঞানে শিক্ষকসকলক সহায় কৰে।

শিক্ষাত মনোবিজ্ঞানৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত মনোবিজ্ঞান জেম্চ এচ. ৰচে (James S Ross) মত প্ৰদান কৰিছিল যে "যদিও শিক্ষাৰ লক্ষ্য মনোবিজ্ঞানৰ পৰিসৰৰ বাহিৰত, তথাপিও উপায়সমূহ অতি গুৰুত্বপূৰ্ণ। এজন শিক্ষাবিদে শিক্ষাৰ লক্ষ্য সঠিকভাৱে নিৰ্ধাৰণ

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

কৰি উঠি মনোবিজ্ঞানলৈ দৃষ্টি নিক্ষেপ কৰিব লাগে, কিদৰে তেনে লক্ষ্য নিম্নতম প্ৰচেষ্টা আৰু ভুল পদ্ধতিৰ প্ৰয়োগেৰে তাক পূৰণৰ উপায় উদ্ভাৱন কৰিব পাৰি" ।

শিক্ষাৰ বিভিন্ন ক্ষেত্ৰৰ বাবে মনোবিজ্ঞান উপযোগী। যেনে—

(ক) শিক্ষাৰ লক্ষ্য সৰ্বতোকৃষ্ট ৰূপত লাভৰ উপায়ৰ জ্ঞান প্ৰদানত মনোবিজ্ঞানে শিক্ষকসকলক সহায় কৰে। যিহেতু মনোবিজ্ঞান এক ইতিবাচক বিজ্ঞান গতিকে ই শিক্ষাৰ লক্ষ্যৰ লগত প্ৰত্যক্ষভাৱে জড়িত নহয়। মনোবিজ্ঞানে শিক্ষাৰ লক্ষ্য নিৰ্ধাৰণ নকৰিলেও কোনবোৰ শিক্ষাৰ লক্ষ্য নিৰ্ভৰযোগ্য তাৰ জ্ঞান মনোবিজ্ঞানৰ দ্বাৰা পোৱা যায়।

(খ) মনোবিজ্ঞানৰ জৰিয়তে শিক্ষকসকলে শিশুৰ প্ৰকৃতি সম্বন্ধে, বংশগতীয় দিশ সম্বন্ধে, বৃদ্ধি সম্বন্ধে, মানসিক জটিলতা আৰু পৰিৱেশৰ প্ৰভাৱ সম্বন্ধে জানি উঠিব পাৰে। বিদ্যালয়ৰ সমগ্ৰ পৰিৱেশ শিশুৰ উপযোগী কৰি গঢ়ি তুলি শিক্ষকসকলে শিশুক সৰ্বাংগীনভাৱে বিকশাই তুলিব লাগে।

(গ) মনোবিজ্ঞানৰ জৰিয়তে শিক্ষকসকলে কেনেকৈ এজনৰ ব্যক্তিত্বই আন এজনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে, কেনেকৈ দলীয় জীৱনৰ প্ৰভাৱে ব্যক্তিক বিকশাই তোলে আৰু কেনেকৈ বিদ্যালয়ৰ পৰিৱেশে শিশুৰ বিকাশত সহায় কৰে আদিৰ বিষয়ে জানিব পাৰে। মনোবিজ্ঞানৰ জ্ঞানে শিশুসকলক ভালদৰে বিকশাই তোলাত  শিক্ষকসকলক নিৰ্দেশনা প্ৰদান কৰে।

(ঘ) শিক্ষকসকলে নিজক জানিবৰ বাবে মনোবিজ্ঞানৰ জ্ঞান অপৰিহাৰ্য। নিজৰ শিক্ষাদানৰ সফলতা-বিফলতা, ভাল আৰু বেয়া দিশ শিক্ষকে মনোবিজ্ঞান অধ্যয়নৰ যোগেদি জানিব পাৰে।

গতিকে ক'ব পাৰি যে ক'ব পাৰি যে শিক্ষাৰ সকলো ক্ষেত্ৰতে মনোবিজ্ঞান অপৰিহাৰ্য। একেদৰে মনোবিজ্ঞানো শিক্ষাৰ ওপৰত নিৰ্ভৰশীল। বৰ্তমানৰ শিক্ষা ব্যৱস্থাই মনোবিজ্ঞানৰ ক্ৰিয়া পৰিসৰ বৃদ্ধি কৰি তুলিছে আৰু ফলস্বৰূপে মনোবিজ্ঞানলৈ এক ব্যাপক কৰ্মক্ষেত্ৰৰ সম্ভাৱনীয়তা বৃদ্ধি পাই উঠিছে। মনোবিজ্ঞানৰ প্ৰায়োগিকতা শিক্ষা অবিহনে সম্ভৱ নহয়।

ওপৰোক্ত বিশ্লেষণৰ পৰা ক'ব পাৰি যে বাহ্যিক দৃষ্টিত শিক্ষা আৰু মনোবিজ্ঞান দুয়োটা বিষয় পৃথক পৃথক লাগিলেও দুয়োটাৰ মাজত এক নিবিড় সম্পৰ্ক থকা দেখা যায়। অৰ্থাৎ দুয়োটা বিষয়ক এটাক আনটোৰ পৰিপূৰক স্বৰূপে গণ্য কৰিব পাৰি।

### ৩.৩.১ শিক্ষা আৰু মনোবিজ্ঞানৰ মাজৰ পাৰ্থক্য ঃ

শিক্ষা আৰু মনোবিজ্ঞানৰ মাজত এক নিবিড় সম্পৰ্ক থাকিলেও অধ্যয়নৰ দুয়োটা বিষয়ৰ মাজত বিভিন্ন ক্ষেত্ৰত পাৰ্থক্যও আছে। শিক্ষা আৰু মনোবিজ্ঞানৰ মাজত

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

থকা পাৰ্থক্যবোৰ হ'ল—

| শিক্ষা | মনোবিজ্ঞান |
|---|---|
| ) শিক্ষা এক আদৰ্শনিষ্ঠ বিজ্ঞান। | ) মনোবিজ্ঞান এক ইতিবাচক বিজ্ঞান। |
| ) শিক্ষাৰ লক্ষ্য সামাজিক। | ) মনোবিজ্ঞানৰ লক্ষ্য কেৱল ব্যক্তিগত। |
| ) শিক্ষাই জীৱনৰ লক্ষ্য নিৰ্ধাৰণ কৰে। | ) মনোবিজ্ঞানে শিক্ষাৰ লক্ষ্যৰ প্ৰায়োগিক উপলব্ধি লাভত সহায় কৰে। |
| ) প্ৰকৃত চিন্তনৰ দ্বাৰা শিক্ষা প্ৰভাবিত। | ) মনোবিজ্ঞানৰ প্ৰকৃত অভিজ্ঞতাৰ দ্বাৰা নিৰ্দেশিত। |
| ) শিক্ষাৰ প্ৰক্ৰিয়া সংশ্লেষণাত্মক। | ) মনোবিজ্ঞানৰ প্ৰক্ৰিয়া বিশ্লেষণাত্মক। |
| ) শিক্ষা দাৰ্শনিক নীতিৰ ওপৰত প্ৰতিষ্ঠিত। | ) মনোবিজ্ঞানৰ বাস্তৱ অভিজ্ঞতাৰ ওপৰত প্ৰতিষ্ঠিত। |
| ) অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ বিষয়বস্তুৱে শিক্ষাত স্থান পায়। | ) মনোবিজ্ঞানত কেৱল বৰ্তমানৰ অভিজ্ঞতা আৰু পৰ্যবেক্ষণহে স্থান পায়। |
| ) শিক্ষা প্ৰক্ৰিয়া উচ্চ মানসিক দক্ষতাৰ ওপৰত প্ৰতিষ্ঠিত। | ) মনোবিজ্ঞানৰ প্ৰক্ৰিয়া পৰীক্ষণৰ ওপৰত প্ৰতিষ্ঠিত। |
| ) শিক্ষাই সাৰ্বজনীনভাৱে গ্ৰহণযোগ্য সাধাৰণ নীতি প্ৰদান কৰে। | )মনোবিজ্ঞানে শিক্ষাৰ সাধাৰণ নীতিবোৰ বিশেষ ক্ষেত্ৰত প্ৰয়োগ কৰে। |
| ) আদৰ্শনিষ্ঠ বিজ্ঞান স্বৰূপে শিক্ষাই চৰিত্ৰ আৰু ব্যক্তিত্ব গঠনত সহায় কৰে। | ) চৰিত্ৰ আৰু ব্যক্তিত্ব গঠনৰ বেলিকা মনোবিজ্ঞানে কেৱল প্ৰায়োগিক জ্ঞান প্ৰদান কৰে। |

**অগ্ৰগতিৰ খতিয়ান**

প্ৰশ্ন ঃ মনোবিজ্ঞানৰ ব্যুৎপত্তিগত অৰ্থ লিখা।

প্ৰশ্ন ঃ 'মনোবৈজ্ঞানিক পৰীক্ষাগাৰ' প্ৰতিষ্ঠা কৰা প্ৰথম মনোবৈজ্ঞানিকজন কোন আছিল?

প্ৰশ্ন ঃ শিক্ষা আৰু মনোবিজ্ঞানৰ মাজৰ দুটা পাৰ্থক্য লিখা।

**আত্মমূল্যায়ণ প্ৰশ্ন**

প্ৰশ্ন ঃ মনোবিজ্ঞানক কিয় আচৰণৰ বিজ্ঞান বোলা হয়?

প্ৰশ্ন ঃ মনোবিজ্ঞানৰ জ্ঞানে নতুন পৰিস্থিতিত সমাযোজনত ব্যক্তিক কেনেকৈ সহায় কৰে?

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

## ৩.৪ শিক্ষা মনোবিজ্ঞানৰ অৰ্থ ঃ

শিক্ষা মনোবিজ্ঞান হ'ল মনোবিজ্ঞানৰ এক শাখা আৰু ই প্ৰধানত সাধাৰণ মনোবিজ্ঞানৰ নীতিবোৰ শিক্ষাৰ সমস্যাৰ ক্ষেত্ৰত প্ৰয়োগ কৰাৰ লগত জড়িত। শৈক্ষিক পৰিৱেশৰ ব্যক্তিৰ আচৰণ অধ্যয়নত ই গুৰুত্ব দিয়ে। শিক্ষা মনোবিজ্ঞান মনোবিজ্ঞানৰ এক প্ৰধান শাখা আৰু সেয়ে ইয়াৰ পৰিসৰ অতি ব্যাপক। শিক্ষাৰ লগত জড়িত বিভিন্ন দিশ আৰু সমস্যাৰ সমাধানৰ বাবে প্ৰয়োজনীয় নীতি, তথ্য আৰু পদ্ধতি আদি ই অধ্যয়ন কৰে। ইয়াৰ বিষয়বস্তু শিক্ষা প্ৰক্ৰিয়াত শিশুৰ আচৰণৰ লগত জড়িত। সাধাৰণ মনোবিজ্ঞানৰ দৰে শিক্ষা মনোবিজ্ঞানো এক বিজ্ঞান। শিক্ষা পৰিৱেশ আৰু পৰিস্থিতিৰ লগত জড়িত মনোবিজ্ঞানৰ কাৰ্যকৰী দিশটোৰ অধ্যয়নেই হ'ল শিক্ষা মনোবিজ্ঞান।

শিক্ষা মনোবিজ্ঞানক প্ৰায়োগিক মনোবিজ্ঞানৰ শ্ৰেণীত অন্তৰ্ভুক্ত কৰিব পাৰি। মনোবিজ্ঞানক শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োগ কৰা সম্পৰ্কে সৰ্বপ্ৰথমে চিন্তা কৰিছিল ৰুছোৱে (J. J. Rousseau)। আধুনিক যুগত ছুইজাৰলেণ্ডৰ স্কুল-শিক্ষক তথা মনোবিজ্ঞানী পেষ্টাল'জীয়ে (Pestalozzi) মনোবিজ্ঞানৰ নীতিসমূহ শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োগৰ বাবে চিন্তা-চৰ্চা কৰিছিল। পেষ্টাল'জীক সেয়েহে শিক্ষা মনোবিজ্ঞানীকৰণৰ (Psychologize education) গুৰি ধৰোতা হিচাপে স্বীকৃতি দিয়া হয়। শিক্ষাদান আৰু শিক্ষা আহৰণ প্ৰক্ৰিয়াত দেখা দিয়া বিভিন্ন সমস্যাসমূহৰ বিষয়ে শিক্ষা মনোবিজ্ঞানে অধ্যয়ন কৰে আৰু এই সমস্যাসমূহৰ সমাধানৰ বাবে চেষ্টা কৰে।

বৰ্তমান শিক্ষাৰ্থীসকলৰ শিক্ষাদানৰ প্ৰক্ৰিয়াত বিভিন্ন ধৰণৰ শিক্ষণ পদ্ধতি ব্যৱহাৰ হ'ব ধৰিছে। উদাহৰণস্বৰূপে, জাৰ্মান শিক্ষাবিদ ফ্ৰেডেৰিক ফ্ৰৱেলৰ কিণ্ডাৰ গাৰ্টেন পদ্ধতি (Kindergarten Method), ইটালীৰ ডাঃ মেৰীয়া মণ্টেশ্বৰীৰ দ্বাৰা উদ্ভাৱন কৰা মণ্টেশ্বৰী পদ্ধতি (Montessori Method), আৰ্মষ্ট্ৰঙৰ হিউৰিষ্টিক পদ্ধতি (Heuristic Method), হেলেন পাৰ্কহাৰ্ষ্টৰ ডেলটন আঁচনি (Dalton Plan), খেলাৰ মাধ্যমেদি শিক্ষা দিয়াৰ পদ্ধতি (Play-way Method) আদি আধুনিক পদ্ধতিসমূহ মনোবিজ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত।

শিক্ষা মনোবিজ্ঞানৰ অৰ্থ বিশ্লেষণৰ বাবে বিভিন্ন মনোবিজ্ঞানীয়ে ইয়াৰ সংজ্ঞা প্ৰদান কৰিছে। শিক্ষা মনোবিজ্ঞানৰ কেতবোৰ সংজ্ঞা তলত উল্লেখ কৰা হ'ল—

) এ. ই. উলফক (A. E. Woolfolk) ৰ মতে, "শিক্ষা মনোবিজ্ঞান হ'ল শিক্ষাদান আৰু শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াৰ বোধ আৰু বিকাশৰ লগত জড়িত এক বিষয়; ই মনোবিজ্ঞানৰ তত্ব আৰু পদ্ধতিৰ লগতে নিজৰ স্বকীয় তত্ব আৰু পদ্ধতিৰো ব্যৱহাৰ কৰে"।

) স্কীনাৰ (Skinner) ৰ মতে, "শিক্ষা মনোবিজ্ঞান হ'ল মনোবিজ্ঞানৰ সেই শাখা যি শিক্ষাদান আৰু শিক্ষাগ্ৰহণ কাৰ্যৰ লগত জড়িত" ।

) ডব্লিউ. চি. ট্ৰো (W. C. Trow) ৰ মতে, “শিক্ষা ক্ষেত্ৰত মনোবৈজ্ঞানিক দিশৰ অধ্যয়নেই হ’ল শিক্ষা মনোবিজ্ঞান”।

) ষ্টিফেনৰ (Stephen) ৰ মতে, “শিশুৰ শিক্ষা সম্বন্ধীয় উন্নতি আৰু প্ৰগতিৰ প্ৰণালীৱদ্ধ অধ্যয়নেই হৈছে শিক্ষা মনোবিজ্ঞান

) ক্ৰ’ আৰু ক্ৰ’ (Crow and Crow) ৰ মতে, “শিক্ষা মনোবিজ্ঞানে জন্মৰ পৰা বয়স্ক কাললৈকে এজন ব্যক্তিয়ে লাভ কৰা শিক্ষা অভিজ্ঞতাৰ বিষয়ে ব্যাখ্যা আৰু আলোচনা কৰিব পাৰে।”

) চি. এইচ. জাদ (C. H. Judd) ৰ মতে, “শিক্ষা মনোবিজ্ঞান হ’ল এনে এক বিজ্ঞান যি জন্মৰ পৰা পূৰ্ণতাপ্ৰাপ্ত হোৱালৈকে বিভিন্ন স্তৰৰ মাজেৰে হোৱা ব্যক্তিৰ বিকাশৰ বৰ্ণনা আৰু ব্যাখ্যা আগবঢ়ায়।

) কোলেচনিক (Kolesnik) ৰ মতে, “শিক্ষা মনোবিজ্ঞান হৈছে এক প্ৰায়োগিক বিজ্ঞান যি মনোবিজ্ঞানৰ তত্ত্ব আৰু নীতিসমূহ শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োগ কৰে।

) পিল (Peel) ৰ মতে, “শিক্ষা মনোবিজ্ঞান শিক্ষাৰ মনোবিজ্ঞান।”

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

শিক্ষা মনোবিজ্ঞানৰ ওপৰোক্ত সংজ্ঞাবোৰ বিশ্লেষণ কৰিলে ইয়াৰ বৈশিষ্ট্য কেতবোৰ দেখিবলৈ পোৱা যায়। সেইবোৰ হ’ল—

) শিক্ষাদান প্ৰক্ৰিয়াত মনোবৈজ্ঞানিক ধাৰণাৰ প্ৰয়োগেই হ’ল শিক্ষা মনোবিজ্ঞান।

) শিক্ষা আৰু মনোবিজ্ঞান—এই দুয়োটা বিষয়ৰ আন্তক্ৰিয়াৰ যোগেদি শিক্ষা মনোবিজ্ঞানে বিকাশ লাভ কৰিছে।

) শিকণ-শিক্ষণ প্ৰক্ৰিয়াক ই অধিক ফলপ্ৰসূ কৰি তোলে।

) ই বিভিন্ন পদ্ধতি আৰু কৌশল প্ৰদান কৰে যিবোৰ শিশুৰ বৃদ্ধি আৰু বিকাশৰ ভিত্তিত বিভিন্ন স্তৰত প্ৰয়োগ কৰা হয়।

) শিশুৰ আচৰণৰ উপযুক্ত পৰিৱৰ্তন সাধনত ই সহায় কৰে।

) বিভিন্ন স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তা আৰু বৈশিষ্ট্য বুজি উঠাত ই শিক্ষকক সহায় কৰে।

) ই শিকন-শিক্ষণক অধিক উদ্দেশ্যমুখী কৰি তোলে।

) শিক্ষা মনোবিজ্ঞান হ’ল এক বিজ্ঞানসন্মত অধ্যয়নৰ বিষয়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**৩.৪.১ শিক্ষা মনোবিজ্ঞানৰ প্ৰকৃতি ঃ**

শিক্ষা মনোবিজ্ঞানৰ প্ৰকৃতি তলত দিয়া দিশবোৰৰ যোগেদি সহজে অনুধাৱন কৰিব পাৰি।

(১) **প্ৰায়োগিক বিজ্ঞান (Applied Science) :** শিক্ষা মনোবিজ্ঞানক প্ৰায়োগিক বিজ্ঞান বা প্ৰায়োগিক মনোবিজ্ঞান স্বৰূপে গণ্য কৰা হয়। কাৰণ শিক্ষা ক্ষেত্ৰত মনোবিজ্ঞানৰ নীতিবোৰ ইয়াৰ যোগেদি প্ৰয়োগ কৰা হয়। মনোবিজ্ঞানৰ নীতিবোৰ প্ৰয়োগৰ যোগেদি শিক্ষা মনোবিজ্ঞানে শিশুৰ আচৰণ আৰু অভিজ্ঞতাবোৰ অধ্যয়ন কৰে।

(২) **সদৰ্থক বিজ্ঞান (Positive Science) :** শিক্ষা মনোবিজ্ঞান এক সদৰ্থক বিজ্ঞান, ই আদৰ্শনিষ্ঠ বিজ্ঞান নহয়। ই পৃথিৱীৰ বৰ্তমানৰ তথ্যবোৰৰ লগত সংযোগ ৰক্ষা কৰে। শিক্ষা মনোবিজ্ঞানে শিশুৰ প্ৰকৃতি, নীতি আদি বৰ্তমান সময়ৰ পৰিপ্ৰেক্ষিতত হুবহু অধ্যয়ন কৰে। শিক্ষাৰ মূল্যবোধ, মানদণ্ড আদি শিক্ষা মনোবিজ্ঞানে অধ্যয়ন কৰে।

(৩) **শৈক্ষিক বিজ্ঞান (Eductional Science) :** প্ৰয়োগৰ দিশেৰে শিক্ষা মনোবিজ্ঞান কেৱল শৈক্ষিক সমস্যাৰ লগত জড়িত। সেয়ে সাধাৰণ মনোবিজ্ঞানে বিভিন্ন দিশত ব্যক্তিৰ আচৰণ অধ্যয়ন কৰাৰ দৰে শিক্ষা মনোবিজ্ঞানে শৈক্ষিক দিশত ব্যক্তিৰ আচৰণ অধ্যয়ন কৰে। ব্যক্তি এজনৰ সমগ্ৰ জীৱনৰ আচৰণ ইয়াত অধ্যয়ন কৰা নহয়।

(৪) **ব্যৱহাৰিক বিজ্ঞান (Practical Science) :** প্ৰকৃতিগতভাৱে শিক্ষা মনোবিজ্ঞান ব্যৱহাৰিক। শিক্ষাবিদ আৰু শিক্ষকসকলে প্ৰায় সকলো ক্ষেত্ৰতে শিক্ষা মনোবিজ্ঞানৰ ব্যৱহাৰ কৰে। শিক্ষা মনোবিজ্ঞানৰ জ্ঞানৰ ব্যৱহাৰ অবিহনে ফলপ্ৰসূ শিক্ষাদান সম্ভৱ নহয়। শিক্ষানুষ্ঠানবোৰত শিক্ষা মনোবিজ্ঞানৰ ব্যৱহাৰ সকলো ক্ষেত্ৰত কৰা হয়।

(৫) **বৰ্ধিত আৰু বিকশিত বিজ্ঞান (Growing and Developing Science):** শিশুৰ বৃদ্ধি আৰু বিকাশৰ লগত জড়িত বিভিন্ন দিশৰ কাৰক, নীতি আৰু কৌশলৰ লগত শিক্ষা মনোবিজ্ঞান জড়িত হৈ থাকে। বিজ্ঞান স্বৰূপে শিক্ষা মনোবিজ্ঞানৰ চিৰ বৃদ্ধিশীল আৰু চিৰ বিকাশশীল।

(৬) **সামাজিক বিজ্ঞান (Social Science) :** শিক্ষা মনোবিজ্ঞান এক সামাজিক বিজ্ঞান। শিক্ষা মনোবিজ্ঞানে শৈক্ষিক দিশেৰে ব্যক্তিৰ আচৰণ অধ্যয়ন কৰে যদিও ইয়াৰ ফলাফল সকলো ব্যক্তিৰ ক্ষেত্ৰতে প্ৰযোজ্য। গতিকে শিক্ষা মনোবিজ্ঞানৰ সামাজিক তাৎপৰ্য আছে।

(৭) **বিশেষ বিজ্ঞান (Specific Science) :** মনোবিজ্ঞান এক সাধাৰণ প্ৰকৃতিৰ বিজ্ঞান, ই মানৱ মনক সামগ্ৰিকভাৱে অধ্যয়ন কৰে। শিক্ষা মনোবিজ্ঞানৰ সকলোবোৰ দিশৰ পৰা বিশেষ দিশ এটাক নিৰ্বাচন কৰি অধ্যয়ন কৰে। ই কেৱল শিক্ষা ক্ষেত্ৰৰ লগত জড়িত দিশৰহে অধ্যয়ন কৰে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**আত্ম মূল্যায়ন প্ৰশ্ন**

প্ৰশ্ন ঃ শিক্ষা মনোবিজ্ঞানক কিয় প্ৰায়োগিক বিজ্ঞান বোলা হয়?

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ৩.৪.২ শিক্ষা মনোবিজ্ঞানৰ পৰিসৰ ঃ

কোনো বিষয়ৰ পৰিসৰ বুলিলে তাৰ অধ্যয়নৰ ক্ষেত্ৰক বুজায়। বিশেষভাৱে ক'বলৈ গ'লে কোনো নিৰ্দিষ্ট বিষয়ে কি কি অধ্যয়নৰ বিষয়বস্তুক অন্তৰ্ভূক্ত কৰে তাকে পৰিসৰ বোলে। শিক্ষা ক্ষেত্ৰত শিক্ষা মনোবিজ্ঞানৰ পৰিসৰে অত্যাধিক গুৰুত্ব লাভ কৰে। শিক্ষা মনোবিজ্ঞান হ'ল শিক্ষা আৰু মনোবিজ্ঞান দুটা বিষয়ৰ সমষ্টি। শিক্ষা মনোবিজ্ঞানৰ পৰিসৰৰ অন্তৰ্ভুক্ত বিভিন্ন দিশবোৰ তলত আলোচনা কৰা হ'ল—

(১) **মানৱ আচৰণ (Human Behaviour):** শিক্ষা মনোবিজ্ঞানৰ পৰিসৰৰ অন্তৰ্গত এক প্ৰধান বিষয় হ'ল মানৱ আচৰণ। শৈক্ষিক পৰিৱেশত ই মানুহৰ আচৰণ অধ্যয়ন কৰে। মনোবিজ্ঞানে আচৰণৰ অধ্যয়ন কৰে আৰু শিক্ষাই মানুহৰ আচৰণ সংশোধনৰ প্ৰচেষ্টা কৰে। মনোবিদ পিটাৰ চেণ্ডিফোৰ্ডে (Peter Sandifor) এই ক্ষেত্ৰত মত প্ৰকাশ কৰিছিল যে "ইয়াৰ বিষয়বস্তু হৈছে শিক্ষা গ্ৰহণ প্ৰক্ৰিয়াত মানুহৰ আচৰণ অধ্যয়ন কৰা" (Its subject matter is the behaviour of human beings undergoing the process of education)।

(২) **বিকাশৰ স্তৰ অধ্যয়ন (Study of the stages of Development):** শিক্ষা মনোবিজ্ঞান শিশুৰ বৃদ্ধি আৰু বিকাশৰ অধ্যয়নৰ লগত জড়িত। এজন শিশুৱে কেনেকৈ বৃদ্ধি আৰু বিকাশৰ যোগে বিভিন্ন স্তৰ অতিক্ৰম কৰে আৰু প্ৰতিটো স্তৰত শিশুসকলৰ বৈশিষ্ট্যবোৰ কেনে ধৰণৰ-সেয়াও শিক্ষা মনোবিজ্ঞানৰ অধ্যয়নৰ অৰ্ন্তগত। বৃদ্ধি আৰু বিকাশৰ বৈশিষ্ট্যবোৰৰ বিষয়ে জ্ঞাত নোহোৱাকৈ শিশুৰ শিক্ষা আঁচনি প্ৰস্তুত কৰাটো সম্ভৱ নহয়। সুপৰিকল্পিত আৰু বিজ্ঞানম্মত শিক্ষা ব্যৱস্থা গঢ়ি তুলিবৰ বাবে এই দিশবোৰৰ অধ্যয়ন অতি গুৰুত্বপূৰ্ণ।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

(৩) **শিক্ষণ প্ৰক্ৰিয়া (Learning Process) :** অভিজ্ঞতা আৰু প্ৰশিক্ষণৰ যোগেদি আচৰণ সংশোধন কৰাকে শিক্ষণ বোলে। অভিজ্ঞতা আৰু প্ৰশিক্ষণ লাভৰ বাবে বিভিন্ন স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ তাৎপৰ্য শিক্ষণ অভিজ্ঞতা লাভৰ নীতিবোৰ কি কি-আদি বিষয়ো শিক্ষা মনোবিজ্ঞানৰ পৰিসৰৰ অন্তৰ্ভুক্ত। শিক্ষণ কেনেকৈ কম সময়ত অধিক ফলপ্ৰসূভাৱে লাভ কৰিব পাৰি সেয়াও ইয়াৰ পৰিসৰৰ অন্তৰ্গত।

(৪) **বংশগতি আৰু পৰিৱেশ (Heredity and Environment) :** বংশগতি আৰু পৰিৱেশ দুটা পৃথক অধ্যয়নৰ বিষয় যদিও যুটীয়াভাৱে এই দুয়োটা বিষয়ে শিশুৰ শিক্ষাত অৰিহণা যোগায়। যি জৈৱিক গুণ, বিভূতি বা শক্তি পূৰ্বপুৰুষৰ পৰা বংশানুক্ৰমে উত্তৰ পুৰুষলৈ গতি কৰে সেয়ে বংশগতি। আকৌ যি অৱস্থা (ঘৰ-দুৱাৰ, পিতৃ-মাতৃ, পৰিয়ালবৰ্গ, সমাজ) ৰ মাজত শিশু ডাঙৰ-দীঘল হয় সেয়া হ'ল পৰিৱেশ। বংশগতি আৰু পৰিৱেশ উভয়েই ব্যক্তিৰ সকলোবোৰ আচৰণমূলক সংলক্ষণৰ গঠনত বৰঙণি যোগায়। সেয়ে এই দুয়োটা বিষয়ো শিক্ষা মনোবিজ্ঞানৰ অধ্যয়নৰ বিষয়বস্তু।

(৫) **ব্যক্তিত্বৰ বিকাশ আৰু সমাযোজন (Development and Adjustment of Personality):** এজন ব্যক্তিৰ ব্যক্তিত্বৰ বিকাশ আৰু সমাযোজনকো শিক্ষা মনোবিজ্ঞানে অধ্যয়ন কৰে। দৰাচলতে এজন ব্যক্তিৰ ব্যক্তিত্বৰ সামগ্ৰিক বিকাশকে শিক্ষা বুলি কোৱা হয়। এজন ব্যক্তিয়ে ব্যক্তিত্ব ভালদৰে বিকশাই তুলিব পাৰিলেহে যিকোনো পৰিৱেশত তেওঁ নিজক সমাযোজিত কৰিব পাৰিব। গতিকে ব্যক্তিত্বও ব্যক্তিৰ আচৰণৰ লগত জড়িত। সেয়ে ব্যক্তিত্বৰ বিকাশ আৰু সমাযোজনো শিক্ষা মনোবিজ্ঞানৰ অধ্যয়নৰ বিষয়বস্তু।

(৬) **বুদ্ধি আৰু ইয়াৰ পৰিমাপনৰ অধ্যয়ন (Study of Intelligence and its measurement) :** শিক্ষা মনোবিজ্ঞানৰ পৰিসৰে বুদ্ধিৰ প্ৰকৃতি আৰু ইয়াৰ পৰিমাপনক অন্তৰ্ভুক্ত কৰে। বুদ্ধি মানে হ'ল ব্যক্তিৰ সাধাৰণ মানসিক ক্ষমতা। মানৱ সম্পদৰ উপযুক্ত চিনাক্তকৰণ আৰু ব্যক্তিৰ ক্ষমতা চিনাক্ত কৰি তাৰ উপযুক্ত প্ৰশিক্ষণ প্ৰদান আৰু ব্যৱহাৰৰ বাবে বুদ্ধি আৰু পৰিমাপন অতি প্ৰয়োজনীয়। শিক্ষা ব্যৱস্থাত শিক্ষকসকলে শিশুৰ এই মানসিক ক্ষমতাৰ বিষয়ে জনাটো অতি প্ৰয়োজনীয়।

(৭) **নিৰ্দেশনা আৰু পৰামৰ্শ প্ৰদান (Providing Guidance and Counselling) :** শিক্ষা মনোবিজ্ঞানৰ অধ্যয়নৰ ক্ষেত্ৰত অন্তৰ্ভুক্ত ই হ'ল এক অতি গুৰুত্বপূৰ্ণ বিষয়। বৰ্ধিত শিশুসকলক নিৰ্দেশনা প্ৰদান কৰাও

এক প্ৰকাৰৰ শিক্ষা। সাধাৰণভাৱে প্ৰদান কৰা শিক্ষাই সকলো ল'ৰা-ছোৱালীকে উপকৃত কৰিব নোৱাৰে; বিশেষভাৱে ভিন্নমুখী প্ৰতিভা বা সম্ভাৱনীয়তা থকা ল'ৰা-ছোৱালী ইয়াৰ পৰা ক্ষতিগ্ৰস্ত হ'ব পাৰে। সেয়েহে বৰ্তমান সময়ত শিক্ষা ব্যৱস্থাত নিৰ্দেশনা আৰু পৰামৰ্শ প্ৰদানত অধিক গুৰুত্ব আৰোপ কৰা হয়। নিৰ্দেশনা আৰু পৰামৰ্শ প্ৰদান দৰাচলতে শিক্ষা মনোবিজ্ঞান এক অবিচ্ছেদ্য অধ্যয়নৰ বিষয়।

(৮) **অচেতন মনৰ অধ্যয়ন (Study of Unconscious Mind) :** মনোবিদসকলে অচেতন মনৰ অধ্যয়নক শিক্ষা মনোবিজ্ঞানৰ বিষয়বস্তু স্বৰূপ গণ্য কৰে। শিক্ষা লাভৰ বিভিন্ন সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ ভাব-অনুভূতি আৰু ক্ৰিয়া আচৰণ অচেতন মনৰ দ্বাৰা পৰিচালিত হয়। বাস্তৱত পূৰণ কৰিব নোৱাৰা আশা-আকাংক্ষাবোৰ ছাত্ৰ-ছাত্ৰীয়ে অচেতন মনত অৱদমিত কৰি ৰাখে যাৰ ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন সময়ত অস্বাভাৱিক আচৰণ প্ৰদৰ্শন কৰে আৰু বিভিন্ন শৈক্ষিক সমস্যা যেনে— অমনোযোগীতা, অনুশাসনহীনতা আদি সমস্যা সিহঁতৰ মাজত দেখিবলৈ পোৱা যায়। এইবোৰ উপশমৰ বাবে শিক্ষা মনোবিজ্ঞানৰ যোগে ছাত্ৰ-ছাত্ৰীৰ অচেতন মনৰ অধ্যয়ন কৰা প্ৰয়োজন।

( ) **ব্যক্তিগত পাৰ্থক্য (Individual Difference) :** বংশগতীয় আৰু পৰিৱেশীয় প্ৰভাৱৰ ফলস্বৰূপে সমগ্ৰ পৃথিৱীৰ প্ৰত্যেকজন ব্যক্তিয়ে এজন আন এজনৰ পৰা পৃথক। এই ভিন্নতা বা পাৰ্থক্যৰ বাবে প্ৰত্যেক ব্যক্তিৰ শক্তি ক্ষমতা, যোগ্যতা, সম্ভাৱনীয়তা আদি ভিন ভিন হয়। শিকন-শিক্ষণ কাৰ্যৰ ফলপ্ৰসূতাৰ বাবে শিক্ষক আৰু শিক্ষাবিদসকলে শিশুসকলৰ ব্যক্তি পাৰ্থক্যৰ বিষয়ে সুস্পষ্টভাৱে জনাটো দৰকাৰ। শিক্ষা মনোবিজ্ঞানৰ অধ্যয়নৰ বিষয় স্বৰূপে ব্যক্তি পাৰ্থক্যই বৰ্তমান সময়ত অধিক তাৎপৰ্য বহন কৰিছে।

(১০) **দলীয় মনোবিজ্ঞান (Group Psychology) :** শিশু এজনৰ বৰ্ধন আৰু বিকাশত থকা দলসমূহৰ প্ৰভাৱক শিক্ষা মনোবিজ্ঞান অধ্যয়ন কৰে। দল বা দলীয় জীৱন যাপনে শিশুসকলক সামাজিক গুণৰ অধিকাৰী কৰি সমাজত উপযুক্ত সমাযোজনত সহায় কৰে। সেয়েহে বৰ্তমানৰ শিক্ষাত দলৰ প্ৰভাৱৰ ওপৰত গুৰুত্ব প্ৰদান কৰি দলীয় আলোচনা, সমনীয়াৰ শিকন আদি পদ্ধতিৰ প্ৰয়োগ কৰা হৈছে।

ওপৰত উল্লেখিত বিষয়বোৰৰ বাহিৰেও পাঠ্যক্ৰম আৰু পাঠ্যপুথি প্ৰস্তুতকৰণ, আগ্ৰহ, অভিৰোচন আদি বিষয়ো শিক্ষা মনোবিজ্ঞানৰ পৰিসৰৰ অন্তৰ্ভুক্ত।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**অগ্ৰগতিৰ খতিয়ান**

প্ৰশ্ন ঃ শিক্ষা মনোবিজ্ঞানৰ পিতৃস্বৰূপে কাক জনা যায়?

প্ৰশ্ন ঃ শিক্ষা মনোবিজ্ঞানৰ ভিত্তিত প্ৰতিষ্ঠিত শিক্ষাদানৰ এটা আধুনিক পদ্ধতি উল্লেখ কৰা ।

## ৩.৫ শিক্ষা মনোবিক্ষানৰ পদ্ধতি

আধুনিক সময়ত শিক্ষা মনোবিজ্ঞান অধ্যয়নৰ বাবে বিভিন্ন পদ্ধতিৰ ব্যৱহাৰ কৰা হয়। এই পদ্ধতিবোৰৰ যোগে তথ্য সংগ্ৰহ কৰা হয় আৰু সিদ্ধান্ত গ্ৰহণ কৰা হয়। নিৰ্ধাৰিত পাঠ্যসূচী অনুসৰি শিক্ষা মনোবিজ্ঞানৰ কেইটামান গুৰুত্বপূৰ্ণ পদ্ধতি তলত আলোচনা কৰা হ'ল——

### ৩.৫.১ পৰ্যবেক্ষণ পদ্ধতি ঃ

শিক্ষা মনোবিজ্ঞানৰ এক গুৰুত্বপূৰ্ণ পদ্ধতি হ'ল পৰ্যবেক্ষণ। এই পদ্ধতিত ব্যক্তি এজনৰ মন আৰু আচৰণ প্ৰত্যক্ষ ভাৱে আমাৰ ইন্দ্ৰিয় সংবেদনৰ দ্বাৰা পৰ্যবেক্ষণ কৰা হয় ।ব্যক্তিৰ আচৰণত সাধাৰণতে মানৰ মনৰ আৱেগ, অনুভূতি, অভিজ্ঞতা আদি প্ৰতিফলিত হয়। যদি মানৰ আচৰণ পৰিকল্পিত আৰু পদ্ধতিগত ভাৱে পৰ্যবেক্ষণ আৰু মূল্যায়ণ কৰা হয় তেন্তে মনোবৈজ্ঞানিক দৃষ্টিভংগীত পৰ্যবেক্ষণ ই মূল্যবান তথ্য প্ৰদান কৰিব। পৰ্যবেক্ষণ বিভিন্ন প্ৰকাৰৰ হোৱা দেখা যায়; যেনে - সহযোগী পৰ্যবেক্ষণ আৰু অসহযোগী পৰ্যবেক্ষণ, নিয়ন্ত্ৰিত আৰু অনিয়ন্ত্ৰিত পৰ্যবেক্ষণ, প্ৰাকৃতিক আৰু কৃত্ৰিম পৰ্যবেক্ষণ।

পৰ্যবেক্ষণ পদ্ধতিৰ প্ৰধান স্তৰ চাৰিটা হ'ল —

* প্ৰথমতে, মানৰ আচৰণ পৰ্যবেক্ষণৰ বাবে উপযুক্ত পৰিকল্পনাৰ প্ৰয়োজন । এই স্তৰৰ প্ৰধান বিবেচ্য বিষয় হ'ল কোনবোৰ আচৰণ পৰ্যৱেক্ষণ কৰিব লাগে আৰু কেনেকৈ পৰ্যবেক্ষণ কৰিব লাগে।
* দ্বিতীয়তে, পৰ্যৱেক্ষকে সঠিকভাৱে কাৰ্য সম্পাদন কৰিব লাগে যাতে সকলো প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰিব পাৰে।
* তৃতায়তে, পৰ্যৱেক্ষকে সংগৃহীত তথ্যবোৰ লিপিবদ্ধ কৰিব লাগে।
* শেষত, আচৰণ পৰ্যবেক্ষণ কৰা ব্যক্তিজনৰ বিষয়ে ভালদৰে জানিবলৈ ফলাফল ব্যাখ্যা কৰিব লাগে।

শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই

পৰ্যবেক্ষণ পদ্ধতিৰ বিভিন্ন সুবিধা আৰু অসুবিধা আছে। যেনে —

**সুবিধা ঃ**

* মানৰ আচৰণ অধ্যয়নৰ বেলিকা এই পদ্ধতি হ'ল শিক্ষা মনোবিজ্ঞানৰ এক নমনীয় আৰু মিতব্যয়ী পদ্ধতি।
* সহজভাৱে মানৰ আচৰণ অধ্যয়নৰ ই হ'ল এক নিৰ্ভৰযোগ্য পদ্ধতি।
* এই পদ্ধতিত প্ৰয়োগশালাৰ জটিল পৰিস্থিতিৰ প্ৰয়োজন নহয়।
* এই পদ্ধতিত ব্যক্তিৰ আচৰণ দলীয় ভাৱেও পৰ্যবেক্ষণ কৰিব পাৰি।

**অসুবিধা ঃ**

* এই পদ্ধতিত পৰ্যবেক্ষকৰ নিৰপেক্ষহীনতা দেখা যায়।
* একে পৰিস্থিতি এটাত দুজন পৰ্যবেক্ষকৰ বিশ্লেষণ আৰু ব্যাখ্যা একে নহয়।
* আচৰণৰ কাৰণ-প্ৰভাৱ সম্বন্ধৰ ক্ষেত্ৰত এই পদ্ধতি উপযোগী নহয়।

**৩.৫.২ পৰীক্ষণ ঃ**

পৰীক্ষণ প্ৰয়োগশালাৰ জনা বা পৰিচিত আৰু পূৰ্বনিৰ্ধাৰিত পৰিস্থিতিত কৰা পৰ্যবেক্ষণৰ বাহিৰে আন একো নহয়। পৰীক্ষণৰ প্ৰধান বিবেচ্য বিষয় হ'ল সমস্যা অধ্যয়নৰ বাবে পৰিস্থিতি নিয়ন্ত্ৰিত কৰি লোৱা হয় আৰু সমস্য াবিশ্লেষণ কৰি সিদ্ধান্তত উপনীত হোৱা যায়। এই পদ্ধতিত প্ৰয়োগশালাৰ পৰিৱেশ সম্পূৰ্ণভাৱে পৰীক্ষকৰ তত্বাৱধানত থাকে য'ত বাহিৰৰ পৰিৱেশে ফলাফল ব্যাহত কৰিব নোৱাৰে।

পৰীক্ষণৰ বিভিন্ন স্তৰবোৰ তলত উল্লেখ কৰা হ'ল —

* সমস্যাৰ উত্থাপন হ'ল প্ৰথম স্তৰ। নিৰীক্ষকে নিৰীক্ষণৰ বাবে প্ৰথমতে সমস্যাটো নিৰ্বাচন কৰে।
* তাৰ পিছত, পৰীক্ষা কৰিব লগীয়া বিশেষ সমস্যাৰ ভিত্তিত পৰীক্ষকে প্ৰকল্প নিৰ্ধাৰণ কৰে।
* তাৰ পিছত পৰীক্ষকে সমস্যাৰ লগত জড়িত স্বতন্ত্ৰ আৰু পৰতন্ত্ৰ চলকৰ মাজত পৃথকীকৰণ কৰে।
* তাৰ পিছত নিৰীক্ষকে পৰীক্ষণৰ বাবে পৰিস্থিতিটো নিয়ন্ত্ৰণ কৰে।
* পৰীক্ষকে অভীক্ষাৰ ফলাফলৰ ব্যাখ্যা কৰে।
* শেষত, প্ৰকল্পৰ সত্যতা নিৰূপন কৰা হয়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

পৰীক্ষণ পদ্ধতিৰ বিভিন্ন সুবিধা আৰু অসুবিধা থকা দেখা যায়। তাৰ কেতবোৰ হ'ল —

**সুবিধা ঃ**

* নিৰ্ভৰযোগ্য তথ্য সংগ্ৰহৰ বাবে ই হ'ল শিক্ষা মনোবিজ্ঞানৰ এক শৃংখলাবদ্ধ পদ্ধতি।
* মানৱ আচৰণ অধ্যয়নৰ ই এক বিজ্ঞানসন্মত পদ্ধতি।
* এই পদ্ধতিত পৰীক্ষকৰ ব্যক্তিনিষ্ঠ প্ৰভাৱ নাথাকে।
* এই পদ্ধতিৰ দ্বাৰা মানৱ আচৰণৰ কাৰণ- ফলাফলৰ সম্বন্ধ স্থাপন কৰা হয়।

**অসুবিধা ঃ**

* সময় আৰু অৰ্থৰ দিশেৰে ই এক খৰচী পদ্ধতি কিয়নো ইয়াত বিভিন্ন সামগ্ৰী আৰু প্ৰয়োগশালাৰ প্ৰয়োজন হয়।
* এই পদ্ধতি সকলো শিক্ষকে প্ৰয়োগ কৰিব নোৱাৰে কিয়নো সকলো শিক্ষক এই ক্ষেত্ৰত পাৰদৰ্শী নহয়।
* কম বয়সীয়া শিশুৰ ক্ষেত্ৰত এই পদ্ধতি ফলপ্ৰসূ নহয়।

**৩.৫.৩ ঘটনা অধ্যয়ণ পদ্ধতি ঃ**

ব্যক্তিৰ বৰ্তমানৰ দেহ-মানসিক প্ৰতিক্ৰিয়া আৰু আচৰণ তেওঁৰ অতীত বুৰঞ্জী আৰু গুৰুত্বপূৰ্ণ ঘটনাৰ ওপৰত নিৰ্ভৰশীল । এই পদ্ধতি ব্যক্তিৰ অতীত জীৱনৰ তথ্য সংগ্ৰহ কৰাত প্ৰয়োগ কৰা হয়। বিভিন্ন মনোবৈজ্ঞানিকৰ মতে, বিভিন্ন মানসিক সমস্যা অতীতৰ কেতবোৰ দৈহিক, সামনজিক, আৱেগিক আৰু পৰিয়ালৰ পৰিস্থিতিৰ ফল বুলিব পাৰি। অতীতৰ তথ্যবোৰ সঠিকভাৱে সংগ্ৰহকৰণ আৰু বস্তুনিষ্ঠভাৱে বিশ্লেষণৰ ওপৰত এই পদ্ধতি নিৰ্ভৰশীল। এই পদ্ধতিৰ কেতবোৰ বৈশিষ্ট্য হ'ল —

* ই এক অধ্যয়নৰ ব্যক্তিনিষ্ঠ পদ্ধতি।
* এই পদ্ধতিয়ে অতীতৰ ভিত্তিত বৰ্তমানৰ আচৰণৰ বিশ্লেষণ কৰে।
* এই পদ্ধতিত ব্যক্তিৰ বংশগতীয় আৰু পৰিৱেশীয় তথ্যবোৰ সংগ্ৰহ কৰা হয়।
* এই পদ্ধতিৰ তথ্য সংগ্ৰহকাৰীজন প্ৰশিক্ষিত হোৱা প্ৰয়োজন।

ঘটনা অধ্যয়ন পদ্ধতিৰ বহুতো সুবিধা আৰু অসুবিধা থকাদেখা যায়।

**সুবিধা ঃ**

* এই পদ্ধতিত সামগ্ৰিকভাৱে শিশুৰ সকলোবোৰ দিশ অন্তৰ্ভুক্ত কৰা হয়।

* অপসমাযোজনৰ কাৰণ আৰু প্ৰতিকাৰৰ উপায়বোৰজনাৰ বাবে এই পদ্ধতি উপযোগী।

* এই পদ্ধতি উচ্চভাৱে নিৰ্ভৰযোগ্য।

**অসুবিধা ঃ**

* সকলো শিক্ষাবিদে এই পদ্ধতি প্ৰয়োগ কৰিব নোৱাৰে কিয়নো ইয়াত কাৰিকৰী আৰু বৃত্তিগত কৌশলৰ প্ৰয়োজন হয়।

* এই পদ্ধতিৰ প্ৰয়োগ সীমাৱদ্ধ আৰু পৰিসৰ সংকীৰ্ণ বিধৰ।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

### ৩.৬ শিকণ-শিক্ষণ প্ৰক্ৰিয়াত শিক্ষা মনোবিজ্ঞানৰ গুৰুত্ব ঃ

শিক্ষা মনোবিজ্ঞানৰ জ্ঞান আৰু প্ৰয়োগে শিকণ-শিক্ষণ প্ৰক্ৰিয়াক আকৰ্ষণীয় উৎসাহজনক আৰু ফলপ্ৰসূ কৰি গঢ়ি তোলে। চুইজাৰলেণ্ডৰ মনোবিজ্ঞানী পেষ্টালজীয়ে শিক্ষা ব্যৱস্থাত মনোবিজ্ঞানৰ প্ৰয়োগৰ পোষকতা কৰিছিল আৰু শিক্ষকে নিজৰ শিকণীয় বিষয়বস্তুৰ গভীৰ জ্ঞানেৰে উদ্বুদ্ধ হোৱাৰ বাহিৰেও শিশুৰ বিকাশৰ বিভিন্ন স্তৰ, শিশুৰ আচৰণ আৰু অভিজ্ঞতা আদিৰ বিষয়ে জনাটো দৰকাৰ। শিশুক জনাৰ উপৰিও শিক্ষকসকলে নিজকো জনা উচিত। শিকণ শিক্ষণ প্ৰক্ৰিয়াত সৰ্বতোকৃষ্ট বৰঙণি আগবঢ়াবৰ বাবে শিক্ষকসকলে নিজৰ সক্ষমতা, সবলতা-দুৰ্বলতা, দায়িত্ববোধ আদি জনা দৰকাৰ। শিকণ-শিক্ষণ প্ৰক্ৰিয়াত শিক্ষা মনোবিজ্ঞানৰ গুৰুত্ব তলত আলোচনা কৰা দিশবোৰৰ যোগেদি উপলব্ধি কৰিব পাৰি।

**(১) শিশু মনোবিজ্ঞানৰ বোধ (Understanding Child Psychology) :** শিক্ষকসকলে শিশুক প্ৰকৃতভাৱে শিক্ষাদান কৰাৰ বাবে ব্যক্তিগত আৰু দলীয় শিশু মনোবিজ্ঞানৰ জ্ঞান থকাটো বাঞ্চনীয়। উদাহৰণস্বৰূপে শিশুৱে কি চিন্তা কৰে, বিকাশৰ বিভিন্ন স্তৰত সিহঁতৰ আগ্ৰহবোৰ কেনেধৰণৰ, শৈক্ষিক উদ্দেশ্যৰ বাবে সিহঁতৰ শক্তিবোৰ কেনেকৈ সৰ্বতোকৃষ্টভাৱে প্ৰয়োগ কৰিব পাৰি আদিৰ বিষয়ে শিক্ষকসকলে জনা উচিত। ইয়াৰ উপৰিও শিক্ষাদানৰ বিভিন্ন কৌশলবোৰৰ সংশোধন শিশু মনোবিজ্ঞানৰ জ্ঞানৰ ভিত্তিত শিক্ষক সকলে কৰা দেখা যায়।

**(২) ব্যক্তিগত পাৰ্থক্যৰ বোধ (Understanding Individual Difference):** অতীজত অনুমান কৰা হৈছিল যে সকলো শিশুৱে প্ৰায় একে আৰু সেয়েহে সিহঁতৰ পৰা একে প্ৰগতিৰ আশা কৰা হৈছিল কিন্তু মনোবিজ্ঞানৰ জ্ঞানৰ পৰা আমি জানিলো যে শিশুসকলৰ মাজত ব্যক্তিগত পাৰ্থক্য আছে আৰু

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

প্ৰকৃতিগতভাৱে শিশুসকল ভিন্ ভিন্ দক্ষতাৰ অধিকাৰী। এই দক্ষতাবোৰ শিক্ষকসকলে বিকশাই তোলাৰ প্ৰয়াস কৰা উচিত। এইদৰে শিক্ষা মনোবিজ্ঞানে শিকণ-শিক্ষণ প্ৰক্ৰিয়াত বৰঙণি আগবঢ়ায়।

(৩) **শিশুৰ প্ৰবৃত্তিৰ ব্যৱহাৰ (Use of the Children's Instinct) :** প্ৰবৃত্তিবোৰ কৰ্মমুখী। প্ৰকৃত শিক্ষাই শিশুৰ প্ৰবৃত্তিবোৰ সংশোধন কৰিব বিচাৰে। কেৱল শিক্ষা মনোবিজ্ঞানৰ জ্ঞানৰ যোগে শিক্ষকসকলে ব্যক্তিৰ বিভিন্ন প্ৰবৃত্তিবোৰৰ বিষয়ে জানিব পাৰে আৰু কিদৰে প্ৰবৃত্তিবোৰ সংশোধন কৰি শিশুৰ বিকাশ সাধন কৰিব পাৰি সেই বিষয়ে জানিব পাৰে। কিয়নো জন্মৰ সময়ত শিশু আৰু অন্যান্য জীৱন জন্তুৰ প্ৰবৃত্তিবোৰ মাজত কোনো পাৰ্থক্য নাথাকে।

(৪) **সম্ভাব্য লক্ষ্যৰ গঠন (Formation of Attainable Goals) :** মনোবিজ্ঞানৰ জ্ঞান অবিহনে শিক্ষাৰ লক্ষ্যত উপনীত হোৱাতো সম্ভৱপৰ নহয়। মনোবিজ্ঞানৰ সহায়ত শিক্ষাৰ লক্ষ্যবোৰ যুক্তিসংগত আৰু লব্ধ আকাৰত গঠন কৰা হয়। অৰ্থাৎ কেৱল শিক্ষা মনোবিজ্ঞানৰ জ্ঞানৰ সহায়তহে শিক্ষকসকলে বিভিন্ন পৰ্যায়ৰ শিক্ষাৰ সম্ভাব্য লক্ষ্যবোৰ উপলব্ধি কৰিব পাৰে আৰু নিৰ্ধাৰণ কৰিব পাৰে। সেয়েহে শিক্ষকৰ উপৰিও শিক্ষাবিদ তথা সমাজ সংগঠকসকলক শিক্ষা মনোবিজ্ঞানৰ জ্ঞানৰ প্ৰয়োজন।

(৫) **শিক্ষণৰ নীতিৰ জ্ঞান প্ৰদান (Providing knowledge about the Laws of Learning) :** শিশুৱে শিক্ষাগ্ৰহণ কৰা কাৰ্যৰদ্বাৰা শিক্ষাদানক সংজ্ঞা প্ৰদান কৰা হয়। মনোবিজ্ঞানৰ জ্ঞানে শিক্ষকসকলক জ্ঞাত কৰায় যে শিশুৱে কি কি উপায়েৰে শিক্ষা আহৰণ কৰিব পাৰে। অৰ্থাৎ মনোবিজ্ঞানৰ জ্ঞানৰ সহায়ত শিক্ষকে শিক্ষণৰ বিভিন্ন নীতি অনুসৰণ কৰি শিশু শিক্ষাৰ বিভিন্ন পদ্ধতি আৰু কৌশলৰ সৰ্বতোকৃষ্ট প্ৰয়োগ কৰিব পাৰে। সেয়েহে শিক্ষকে শিক্ষণৰ প্ৰধান নীতি তিনিটা যেনে—প্ৰস্তুতিৰ নীতি, অনুশীলনৰ নীতি আৰু ফলাফলৰ নীতিৰ লগতে আন আন গৌণ নীতিবোৰ জনা উচিত।

(৬) **আৰ্জিত জ্ঞানৰ মূল্যায়ণ (Measurement of Attainment) :** আৰ্জিত জ্ঞানৰ সঠিক আৰু নিৰ্ভৰযোগ্য পৰিমাণ কৰাটো হৈছে শিক্ষকৰ শিক্ষাদান কাৰ্যৰ এক প্ৰধান দায়িত্ব। আৰ্জিত জ্ঞানৰ মূল্যায়ণৰ বাবে থকা উদ্দেশ্যবোৰ শিক্ষকসকলে শৃংখলাবদ্ধভাৱে অধ্যয়ন কৰা প্ৰয়োজনীয়। আৰ্জিত জ্ঞান মূল্যায়ণৰ বাবে থকা প্ৰজ্ঞাত্মক দিশৰ বিভিন্ন পৰ্যায় যেনে—জ্ঞান আহৰণ, বোধ, ক্ষমতা, প্ৰয়োগকৰণ, সংশ্লেষণ, বিশ্লেষণ আৰু মূল্যায়ণৰ বিষয়ে শিক্ষকসকলে পুংখানুপুংখভাৱে জনা দৰকাৰ।

(৭) **বংশগতি আৰু পৰিৱেশৰ জ্ঞান প্ৰদান (Provides Knowledge of Heredity and Environment) :** এজন ব্যক্তিৰ জীৱনত বংশগতি আৰু পৰিৱেশ দুয়োটাৰে প্ৰভাৱ পৰিলক্ষিত হয়। এজন ব্যক্তিৰ সৰ্বাংগীন বিকাশ সাধনত এই দুয়োটায়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিক্ষা মনোবিজ্ঞানৰ জ্ঞানৰদ্বাৰা শিক্ষকে শিশুৰ জীৱনত বংশগতি আৰু পৰিৱেশৰ প্ৰভাৱৰ বিষয়ে জানিব পাৰে। কিয়নো বংশগতি আৰু পৰিৱেশৰ জ্ঞান অবিহনে শিশুক শিক্ষা প্ৰদান কৰাটো সম্ভৱ নহয়।

(৮) **শাস্তি আৰু পুৰস্কাৰৰ প্ৰয়োগকৰণ (Use of Reward and Punishment) :** ছাত্ৰ-ছাত্ৰীসকলৰ আচৰণ সংশোধনৰ বাবে শিক্ষকে প্ৰয়োগ কৰা গুৰুত্বপূৰ্ণ সঁজুলি হ'ল শাস্তি আৰু পুৰস্কাৰ। মনোবিজ্ঞানী সকলে কৰা অধ্যয়নৰ পৰা জানিব পৰা যায় যে পূৰ্বতে প্ৰদান কৰা দৈহিক শাস্তি বৰ্তমান মনোবৈজ্ঞানিক বিধৰ হৈ উঠিছে। শিক্ষকসকলে শাস্তি আৰু পুৰস্কাৰৰ সদ্ব্যৱহাৰ কৰিব জানিব লাগে আৰু শিশুক ফলপ্ৰসূ শিক্ষা লাভ আৰু আচৰণ সংশোধনৰ বাবে উৎসাহ-উদ্দীপনা প্ৰদান কৰিব লাগে।

শেষত, আমি ক'ব পাৰো যে শিক্ষা মনোবিজ্ঞানৰ গুৰুত্ব শিকণ শিক্ষণ প্ৰক্ৰিয়াত অতি বেছি। আধুনিক সময়ত শিক্ষাদান এক মনোবৈজ্ঞানিক কাৰ্য স্বৰূপে গণ্য কৰা হয় গতিকে শিক্ষা মনোবিজ্ঞানৰ জ্ঞান অবিহনে শিক্ষাদান প্ৰক্ৰিয়াত শিক্ষকে ন্যায় প্ৰদান কৰিব বুলি আশা কৰাটো অসম্ভৱ।

**অগ্ৰগতিৰ খতিয়ান**

প্ৰশ্ন ঃ পৰ্যবেক্ষণ পদ্ধতিৰ দুটা সুবিধা উল্লেখ কৰা।

প্ৰশ্ন ঃ পৰীক্ষণৰ দুটা অসুবিধা উল্লেখ কৰা।

## ৩.৭ সাৰাংশ (Summing Up) ঃ

* জাৰ্মানৰ লেইপজিগ নামৰ স্থানত প্ৰতিষ্ঠা কৰা প্ৰথম মনোবৈজ্ঞানিক প্ৰয়োগশালাৰ যোগেদি মনোবৈজ্ঞানিক উইলহেম বুণ্ডটে মনোবিজ্ঞান ধাৰণা আনুষ্ঠানিকভাৱে বিকশাই তুলিছিল।
* ব্যুৎপত্তিগতভাৱে মনোবিজ্ঞানৰ ইংৰাজী প্ৰতিশব্দ 'Psychology' গ্ৰীক ভাষাৰ Psyche আৰু Logos দুটাৰ পৰা আহিছে । Psyche মানে আত্মা আৰু Logos মানে বিজ্ঞান। অৰ্থাৎ মনোবিজ্ঞান মানে আত্মাৰ বিজ্ঞান।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

* মনোবিজ্ঞান এক অবিৰত আৰু গতিশীল প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াত ব্যক্তি এজনে নিজকে বুজি উঠে।
* মনোবিজ্ঞানৰ জ্ঞানে শিক্ষাৰ বিষয়ে গভীৰভাৱে, ব্যাপকভাৱে আৰু ফলপ্ৰসূভাৱে বুজি উঠাত শিক্ষকক সহায় কৰে।
* শৈক্ষিক পৰিস্থিতি আৰু ঘটনাৰ লগত জড়িত মনোবিজ্ঞানৰ কাৰ্যকৰী দিশটোৰ অধ্যয়নে হ'ল শিক্ষা মনোবিজ্ঞান।
* সাধাৰণ মনোবিজ্ঞানে বিভিন্ন পৰিস্থিতিত ব্যক্তিৰ আচৰণ অধ্যয়ন কৰাৰ দৰে শিক্ষা মনোবিজ্ঞানে শৈক্ষিক পৰিস্থিতিত শিশুৰ আচৰণ অধ্যয়ন কৰে।
* শিক্ষা মনোবিজ্ঞানৰ পৰিসৰ অতি ব্যাপক আৰু ই শিক্ষা আৰু মনোবিজ্ঞানৰ লগত জড়িত সকলো দিশক সামৰি লয়।
* শিক্ষা মনোবিজ্ঞানৰ জ্ঞানৰ সহায়ত শিক্ষকে সকলো ছাত্ৰ-ছাত্ৰীৰ দক্ষতা আৰু সমৰ্থতাবোৰ জাবিব পাৰে।

**৩.৮ আৰ্হি প্ৰশ্ন (Sample Questions)ঃ**

**চমু উত্তৰৰ প্ৰশ্ন ঃ**

) মনোবিজ্ঞান কি?

) শিক্ষা মনোবিজ্ঞান কি?

) মনোবিজ্ঞানৰ এটা বৈশিষ্ট্য লিখা।

) শিক্ষা মনোবিজ্ঞানৰ সংজ্ঞা দিয়া।

) পৰ্যবেক্ষণ কি?

) পৰীক্ষণ কি?

) শিক্ষা মনোবিজ্ঞানৰ এটা বৈশিষ্ট্য লিখা।

**দীঘল উত্তৰৰ প্ৰশ্ন ঃ**

) মনোবিজ্ঞান কি? ইয়াৰ প্ৰকৃতিৰ বিষয়ে লিখা।

) শিক্ষা মনোবিজ্ঞানৰ প্ৰকৃতিৰ বিষয়ে লিখা।

) শিক্ষা আৰু মনোবিজ্ঞানৰ মাজত পাৰ্থক্যবোৰ লিখা।

) ঘটনা অধ্যয়ন পদ্ধতিৰ বিষয়ে লিখা।

) মনোবিজ্ঞানৰ জ্ঞানে শিক্ষকক কেনেকৈ সহায় কৰে?

) শিক্ষা মনোবিজ্ঞান কাক বোলে? ইয়াৰ পৰিসৰ আলোচনা কৰা।

) শিকণ-শিক্ষণ প্ৰক্ৰিয়াত শিক্ষা মনোবিজ্ঞানৰ গুৰুত্ব আলোচনা কৰা।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

## ৩.৯ প্ৰসংগ গ্ৰন্থ (References & Suggested Readings)


- Bhatia & Bhatia (2001). *A Text Book of Educational Psychology*. Delhi: Doaba House.
- Chauhan, S. S. (1988). *Advanced Educational Psychology*. New Delhi: Anmol Publications Pvt. Ltd.
- Kakkar, S. B. (2007). *Educational Psychology*. New Delhi: Prentice Hill of India Private Limited.
- Mangal, S. K. (2004). *Advanced Educational Psychology*. New Delhi: Prentice Hill of India Pvt. Ltd.
- Manivannan, M. (2010). *Understanding Educational Psychology*. Hyderabad: Neelkamal Publication Pvt. Ltd.
- কলিতা, উৎপল ( ) শিক্ষাৰ ভিত্তি, গুৱাহাটী শান্তি প্ৰকাশন।


## ৩.১০ অগ্ৰগতিৰ খতিয়ানৰ উত্তৰসমূহ (Answers to Check Your Progress) ঃ

**১নং প্ৰশ্নৰ উত্তৰ ঃ** ব্যুৎপত্তিগতভাৱে মনোবিজ্ঞানৰ ইংৰাজী প্ৰতিশব্দ ‘Psychology’ গ্ৰীক ভাষাৰ Psyche আৰু Logos দুটাৰ পৰা আহিছে । Psyche মানে আত্মা আৰু Logos মানে বিজ্ঞান। অৰ্থাৎ মনোবিজ্ঞান মানে আত্মাৰ বিজ্ঞান।

**২ নং প্ৰশ্নৰ উত্তৰ ঃ** উইলহেম ৰণ্ডট।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** শিক্ষা আৰু মনোবিজ্ঞানৰ মাজৰ দুটা পাৰ্থক্য হ’ল —

* শিক্ষা আদৰ্শনিষ্ঠ বিজ্ঞান কিন্তু মনোবিজ্ঞান সদৰ্থক বিজ্ঞান।

* শিক্ষা চিন্তনৰ তপৃথিৱীৰ লগত সম্বন্ধিত। অন্যহাতে, মনো বিজ্ঞান প্ৰকৃত অভিজ্ঞতাৰ দ্বাৰা নিৰ্দেশিত।

| *শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই* | **৪ নং প্ৰশ্নৰ উত্তৰ ঃ** কিণ্ডাৰ গাৰ্টেন পদ্ধতি<br><br>নং প্ৰশ্নৰ উত্তৰ ঃ সুবিধা দুটা হ'ল —<br><br>* মানৱ আচৰণ অধ্যয়নৰ বেলিকা এই পদ্ধতি হ'ল শিক্ষা মনোবিজ্ঞানৰ এক নমনীয় আৰু মিতব্যয়ী পদ্ধতি।<br><br>* সহজভাৱে মানৱ আচৰণ অধ্যয়নৰ ই হ'ল এক নিৰ্ভৰযোগ্য পদ্ধতি।<br><br>নং প্ৰশ্নৰ উত্তৰ ঃ অসুবিধা দুটা হ'ল—<br><br>* সময় আৰু অৰ্থৰ দিশেৰে ই এক খৰচী পদ্ধতি কিয়নো ইয়াত বিভিন্ন সামগ্ৰী আৰু প্ৰয়োগশালাৰ প্ৰয়োজন হয়।<br><br>* এই পদ্ধতি সকলো শিক্ষকে প্ৰয়োগ কৰিব নোৱাৰে কিয়নো সকলো শিক্ষক এই ক্ষেত্ৰত পাৰদৰ্শী নহয়।<br><br>---*--- |
| --- | --- |

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

## চতুৰ্থ বিভাগ

## ৰাষ্ট্ৰীয় সংহতি আৰু আন্তৰ্জাতিক বুজাপৰাৰ বাবে শিক্ষা

**বিভাগৰ গঠন ঃ**


৪.০ ভূমিকা (Introduction)

৪.১ উদ্দেশ্য (Objectives)

৪.২ ৰাষ্ট্ৰীয় সংহতিৰ অৰ্থ আৰু প্ৰকৃতি

৪.২.১ আন্তৰ্জাতিক বুজাপৰাৰ অৰ্থ আৰু প্ৰকৃতি

৪.৩ ৰাষ্ট্ৰীয় সংহতি আৰু আন্তৰ্জাতিক বুজাপৰা বিকাশত শিক্ষাৰ ভূমিকা

৪.৪ বিশ্বায়নৰ অৰ্থ

৪.৫ আন্তৰ্জাতিক সহযোগিতাৰ বিকাশত বিশ্বায়নৰ প্ৰভাৱ

৪.৬ সাৰাংশ (Summing Up)

৪.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

৪.৮ প্ৰসঙ্গ গ্ৰন্থ (References & Suggested Readings)

৪.৯ অগ্ৰগতিৰ খতিয়ান/আৰ্হি প্ৰশ্নৰ উত্তৰসমূহ


### ৪.০ ভূমিকা (Introduction)

জাতি, ধৰ্ম, বৰ্ণ, সম্প্ৰদায় আদিৰ মাজত বিস্তৰ ব্যৱধান থকা স্বত্ত্বেও শান্তিপূৰ্ণ সহবস্থানেই দেশ এখনৰ ঐতিহ্য। আমাৰ দেশত বিভিন্ন ভাষা-ভাষী বা সম্প্ৰদায়, ধৰ্মৰ লোক অতীজৰে পৰাই বসবাস কৰি আছে। বাস্তৱত দেখা যায় আমাৰ দেশখন অনৈক্যৰ বিচৰণ ক্ষেত্ৰ। তথাপিও এনে অনৈক্যৰ মাজত ভাৰতবাসীয়ে সংহতিৰ বান্ধোনেৰে বান্ধ খাই আছে। আজি আমি সকলোৱে মহান ভাৰতৰ নাগৰিক বুলি গৰ্ব কৰো। ভাৰতবৰ্ষই আজি যি সংহতি, একতাৰ গৌৰৱ বা সন্মানৰ অধিকাৰী হৈছে সেয়া ইতিহাস কোনোৱা এটা যুগৰ পৰা আৰম্ভ কৰি সমন্বয় আৰু বিকাশৰ মাজেদি আজিৰ অৱস্থা পাইছেহি। কোনো এখন দেশ বা জাতি একোটাৰ ভিতৰত বসবাস কৰা বিভিন্ন বৰ্ণ-সম্প্ৰদায়, ভাষা-ভাষী আৰু ধৰ্মাৱলম্বীৰ লোকসকলৰ মাজত থকা সমন্বয় বা একতাই হ'ল ৰাষ্ট্ৰীয় সংহতি। এই বিভাগত ৰাষ্ট্ৰীয় সংহতি আৰু আন্তৰ্জাতিক বুজাপৰাৰ দিশ সমূহ প্ৰকাশ পোৱাকৈ এটি আলোচনা কৰাৰ প্ৰচেষ্টা কৰা হৈছে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

## ৪.১ উদ্দেশ্য (Objectives)

এই বিভাগৰ আলোচনা অধ্যয়ন কৰি আপোনালোকে -

- একাত্মবোধ, একাত্মতাৰ অনুভূতি, একেলগে থকাৰ অনুভূতি আদিৰ বিষয়ে অনুধাৱন কৰিবলৈ সক্ষম হ'ব।
- বিভিন্ন ৰাষ্ট্ৰৰ মাজত থকা সম্পৰ্ক আৰু বুজাপৰাৰ বিষয়ে জ্ঞান লাভ কৰিব।
- ৰাষ্ট্ৰীয় সংহতি আৰু আন্তৰ্জাতিক বুজাপৰাৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা সম্বন্ধে জ্ঞান লাভ কৰিব।
- বৰ্তমান সময়ত বিপ্লৱৰ সুচনা কৰা বিশ্বায়নৰ বিষয়ে আভাস পাব।

## ৪.২ ৰাষ্ট্ৰীয় সংহতিৰ অৰ্থ আৰু প্ৰকৃতি (Meaning of National Integration) ঃ

ৰাষ্ট্ৰীয় সংহতিয়ে এখন দেশৰ জনসাধাৰণৰ মাজত থকা একতাক বুজায়। দেশৰ সকলো নাগৰিকে তেওঁলোকৰ মাজত থকা ধৰ্ম, বিশ্বাস, জাতি, সম্প্ৰদায়, সংস্কৃতি সকলো বিভেদ পৰিহাৰ কৰি উমৈহতীয়া চিনাকি দিবলৈ শিকোৱাটোৱেই হ'ল ৰাষ্ট্ৰীয় সংহতি। ৰাষ্ট্ৰীয় সংহতি হ'ল শিক্ষা বিষয়ক এক প্ৰক্ৰিয়া যাৰ জৰিয়তে দেশবাসীৰ মাজত ৰাষ্ট্ৰীয় চেতনা, বহল মনোভাৱ, ভাতৃত্ববোধ আৰু ৰাষ্ট্ৰৰ প্ৰতি আনুগত্যৰ ভাৱ জগাই তুলিব পাৰি। ৰাষ্ট্ৰীয় সংহতি ৰাষ্ট্ৰৰ মেৰুদণ্ডস্বৰূপ। এখন ৰাষ্ট্ৰ শক্তিশালী হ'বলৈ হ'লে জনসাধাৰণৰ মাজত সংহতি বা একতা থাকিব লাগিব। একে ধৰ্ম, একে ভাষা আৰু একে সংস্কৃতিৰ এখন দেশত সকলো দেশবাসী সাধাৰণতে সম্প্ৰীতিৰ ডোলেৰে বান্ধ খাই ঐক্যবদ্ধ হৈ থাকিবলৈ সহজ। এনে ৰাষ্ট্ৰত সাধাৰণতে ৰাষ্ট্ৰীয় সংহতি সহজে বিনষ্ট নহয়। ধৰ্ম, ভাষা আৰু সাংস্কৃতিক ঐক্যই সকলোকে একগোট হৈ থকাত সহায় কৰে। কিন্তু ভাৰতৰ দৰে বহু ধৰ্মী, বহু ভাষী আৰু ভিন্ন সংস্কৃতিৰ এখন বৃহৎ আয়তনৰ দেশত সকলো দেশবাসীৰ মাজত ঐক্য-সংহতি বৰ্তাই ৰখাটো সহজ কথা নহয়। কিয়নো ইয়াৰ মানুহৰ মাজত ধৰ্ম, বিশ্বাস, সম্প্ৰদায়, জাতি, ধৰ্মৰ ক্ষেত্ৰত প্ৰবল বিভিন্নতা লক্ষ্য কৰা যায়। সেয়েহে দেশৰ জনসাধাৰণৰ মাজত একতা, দৃঢ়তা, সাধাৰণ নাগৰিকত্বৰ উপলবদ্ধি আৰু স্বদেশপ্ৰেমৰ মনোভাৱ জগাই ইয়াক অধিক শক্তিশালী কৰি তুলবিলৈ সাম্প্ৰদায়িকতাবাদসমূহ নিৰ্মূল কৰিব লাগিব, লগতে দৃষ্টিভংগী উন্নত কৰি আটাইয়ে যে ঈশ্বৰৰ সন্তান সেইটো সদায় মনত ৰাখি হিংসা, ঈষা আদি পাহৰি সকলোৱে একে পতাকাৰ তলত থিয় দি ৰাষ্ট্ৰীয় সংহতি বজাই ৰখাত আগবাঢ়ি আহিব লাগিব।

ড° ৰাধাকৃষ্ণণৰ মতে "সংহতিয়ে এনে এটা চেতনা দিয়ে যি জনসাধাৰণক দেশৰ সামূহিক স্বাৰ্থ ৰক্ষাৰ্থে ব্যক্তি স্বাৰ্থৰ বহু ওপৰলৈ উন্নীত কৰে।"

**জানি থওঁ আহক**

ৰাষ্ট্ৰীয় সংহতি হ'ল শিক্ষাবিষয়ক এক প্ৰক্ৰিয়া যাৰ জৰিয়তে দেশবাসীৰ মাজত চেতনা ভাতৃত্ববোধ আদি মনোভাৱ জগাই তুলিব পাৰি।

তলত ৰাষ্ট্ৰীয় সংহতিৰ প্ৰকৃতি সমূহ উল্লেখ কৰা হ'ল --

- ৰাষ্ট্ৰীয় সংহতিত জাতি, ধৰ্ম, বৰ্ণ, ভাষা, সম্প্ৰদায় আদি সকলো শ্ৰেণীৰ লোক ঐক্যবদ্ধ।
- এখন দেশৰ একতাৰ বান্ধোন হৈছে ৰাষ্ট্ৰীয় সংহতি।
- ৰাষ্ট্ৰীয় মূল্যবোধ সৃষ্টি কৰি গণতান্ত্ৰিক আদৰ্শ অটুত ৰাখিবলৈ ৰাষ্ট্ৰীয় সংহতিৰ প্ৰয়োজন।
- ৰাষ্ট্ৰীয় সংহতিৰ মূলমন্ত্ৰ হৈছে "জীয়াই থকা আৰু জীয়াই থাকিবলৈ দিয়া।"
- দেশবাসীৰ মাজত জাতীয়চেতনা, বহল দৃষ্টিভংগী, ভাতৃত্ববোধ, বুজাপৰা, মহানুভাৱ ত্যাগ আদিৰ প্ৰতি ৰাষ্ট্ৰীয় সংহতিয়ে চেতনা জগাই তোলে।
- দেশৰ সকলো জনসাধাৰণৰ মাজত ভেদাভেদ আতৰাই এক উমৈহতীয়া পৰিচয় দিবলৈ জাতীয় সংহতিয়ে প্ৰেৰণা যোগায়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

### ৪.২.১ আন্তৰ্জাতিক বুজাপৰাৰ অৰ্থ আৰু প্ৰকৃতি (Meaning and Nature of International Understanding)ঃ

সাম্প্ৰতিক সময়ৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অভুতপূৰ্ব সাফল্যৰ ফলস্বৰূপে বিশ্বৰ আয়তন এক ক্ষুদ্ৰ গাঁৱলৈ (Global Village) ৰূপান্তৰিত হৈছে। প্ৰযুক্তিবিদ্যাৰ অৱদানস্বৰূপে লাভ কৰা যোগাযোগৰ বিভিন্ন ব্যৱস্থাসমূহে পৃথিৱীৰ ব্যক্তিসকলৰ মাজত থকা ব্যৱধান হ্ৰাস কৰিবলৈ সক্ষম হৈছে। দূৰদৰ্শন, ই-মেইল, সামাজিক গণমাধ্যম যেনে ফেচবুক, টুইটাৰ, ইনষ্টাগ্ৰাম আদিয়ে বিশ্বৰ যিকোনো দেশ সমূহত বসবাস কৰা ব্যক্তিসকলৰ মাজত সামাজিক সম্পৰ্ক গঢ়ি তুলিবলৈ সক্ষম হৈছে।

ইয়াৰোপৰি, বিশ্বায়নৰ ফলত পৃথিৱীৰ দেশ সমূহৰ মাজত অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আদি বিভিন্ন ক্ষেত্ৰত সু-সম্পৰ্ক স্থাপন হৈছে। সেয়েহে পৃথিৱীৰ যিকোনো ৰাষ্ট্ৰ এখনে আন এখন ৰাষ্ট্ৰৰ পৰা বিচ্ছিন্ন হৈ থাকিব নোৱাৰে। ইয়াৰ ফলস্বৰূপে এখন বিশ্বৰ ধাৰণা আজিৰ সমাজত আহি পৰিছে। সমগ্ৰ বিশ্ব আজি জন সমুদ্ৰত পৰিণত হৈছে। আমি এখন দেশৰ নাগৰিক হোৱাৰ উপৰিও এই বিশ্বখনৰো নাগৰিকত্ব লাভ কৰিবলৈ সক্ষম হৈছো। জনসমুদ্ৰত বসবাস কৰা জনগণৰ মনত গঢ়ি উঠা বন্ধুত্বৰ ভাৱকে আন্তৰ্জাতিক বুজাপৰা বুলি ক'ব পৰা যায়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

দ্বিতীয় বিশ্বযুদ্ধৰ পৰাই সমগ্ৰ বিশ্বতে আন্তৰ্জাতিক বুজাপৰাৰ ধাৰণা আৰু ইয়াৰ প্ৰসাৰ হ'বলৈ ধৰিলে।সমগ্ৰ পৃথিৱীতে উগ্ৰ জাতীয়তাবাদে গা কৰি উঠাৰ ফলত অশান্তি আৰু সংঘাতৰ বন্যা নামি আহিছে। এনেধৰণৰ অবাঞ্চিত পৰিবেশৰ ওৰ পেলাবলৈ মানৱ সমাজত আন্তৰ্জাতিক বুজাপৰা ভাৱৰ বিকাশৰ প্ৰয়োজনীয়তা বাঢ়ি আহিছে।

**জানি থওঁ আহা**

পৃথিৱীত বসবাস কৰা ব্যক্তিসকলৰ মাজত গঢ়ি উঠা বন্ধুত্বপূৰ্ণ মনোভাৱকে আন্তৰ্জাতিক বুজাপৰা বুলি ক'ব পাৰি।

**আত্ম মূল্যায়ণ প্ৰশ্ন**

১। আন্তৰ্জাতিক বুজাপৰাৰ ধাৰণা কেতিয়াৰ পৰা প্ৰসাৰ হৈছিল?

**আন্তৰ্জাতিক বুজাপৰাৰ প্ৰকৃতি (Nature of International Understanding)**

আন্তৰ্জাতিক বুজাপৰাৰ প্ৰকৃতি সমূহে আপোনালোকক বিষয়টোৰ ক্ষেত্ৰত স্পষ্ট ধাৰণা লাভ কৰাত সহায় কৰিব

- জনগণৰ মনত বন্ধুত্বৰ ভাৱ জগাই তুলি সমগ্ৰ বিশ্বক একত্ৰিত কৰাৰ ধাৰণাই হৈছে আন্তৰ্জাতিক বুজাপৰা।
- আন্তৰ্জাতিক বুজাপৰাই দেশৰ নাগৰিকৰ মনত স্বাধীন চিন্তা চৰ্চা, নিৰপেক্ষ দৃষ্টিভংগী আৰু মুক্ত চিন্তাধাৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।
- আন্তৰ্জাতিক বুজাপৰা ব্যক্তিৰ সামাজিক আৰু নিজস্ব সচেতনতাৰ ভাৱৰ লগত ওতঃপ্ৰোতভাৱে জড়িত।
- আন্তৰ্জাতিক বুজাপৰাৰ আন এক বৈশিষ্ট্য হৈছে ই কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণৰ ওপৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰে।
- আন্তৰ্জাতিক বুজাপৰাই বিশ্বৰ ৰাষ্ট্ৰৰ নাগৰিকসকলৰ মাজত পাৰস্পৰিক সহযোগিতামূলক সম্পৰ্ক ৰক্ষাত সহায় কৰে।
- সঠিক সিদ্ধান্ত গ্ৰহণ, সুস্থ মনোভাৱ বিকাশ, সমস্যা সমাধান ক্ষমতা আহৰণৰ দিশত গুৰুত্ব প্ৰদানেৰে, আন্তৰ্জাতিক বুজাপৰাই জনগণক আধ্যাত্মিক আৰু নৈতিক মূল্যবোধসমূহ আহৰণত গুৰুত্ব প্ৰদান কৰে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

- সামাজিক কল্যাণকামী মনোভাৱ আৰু সামাজিক যোগাযোগৰ মাধ্যমেৰে জাতীয় বিকাশৰ সূচনা, আন্তৰ্জাতিক বুজাপৰাৰ মূল উদ্দেশ্য।
- এখন দেশৰ সাৰ্বভৌমত্ব ৰক্ষক হিচাপে আন্তৰ্জাতিক বুজাবুজিয়ে বিশেষ ভূমিকা পালন কৰে।
- বিশ্বৰ দেশসমূহৰ মাজত পাৰস্পৰিক নিৰ্ভৰশীলতা আৰু সহযোগিতাৰ ভিত্তি হৈছে আন্তৰ্জাতিক বুজাপৰা।
- আন্তৰ্জাতিক বুজাপৰাৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা বিশেষভাৱে উল্লেখনীয়।

**অগ্ৰগতিৰ খতিয়ান**

১। আন্তৰ্জাতিক বুজাপৰাৰ মূল বৈশিষ্ট্য কি?

## আন্তৰ্জাতিক বুজাপৰাৰ প্ৰয়োজনীয়তা (Importance of International understanding)

আন্তৰ্জাতিক বুজাপৰাৰ অৰ্থ আৰু প্ৰকৃতি আলোচনাৰ মাধ্যমেৰে আপোনালোকে ইয়াৰ গুৰুত্ব উপলব্ধি কৰিব পাৰিছে। দৰাচলতে আন্তৰ্জাতিক বুজাপৰাৰনো কিয় প্ৰয়োজন জানোচোনহঁক——

- বিশ্বক যুদ্ধ বিগ্ৰহৰ পৰা আঁতৰাই ৰাখি, বিশ্বত শান্তি-সমৃদ্ধি বজাই ৰাখিবলৈ আন্তৰ্জাতিক বুজাপৰাৰ প্ৰয়োজন।
- গণতান্ত্ৰিক নীতিবোৰ শক্তিশালী কৰাৰ বাবে আন্তৰ্জাতিক বুজাপৰাৰ প্ৰয়োজন।
- অনুন্নত ৰাষ্ট্ৰসমূহক বিকশিত কৰিবলৈ আন্তৰ্জাতিক বুজাপৰাৰ প্ৰয়োজন।
- দেশ এখনৰ সাৰ্বভৌমত্ব ৰক্ষাৰ স্বাৰ্থত আন্তৰ্জাতিক বুজাপৰাৰ প্ৰয়োজন।
- মানৱ সমাজৰ বিকাশৰ কল্যাণৰ বাবে আন্তৰ্জাতিক বুজাপৰাৰ প্ৰয়োজন।
- বিশ্বৰ সংস্কৃতিৰ বিকাশ আৰু উন্নতিৰ বাবে আন্তৰ্জাতিক বুজাপৰাৰ প্ৰয়োজন।
- বিশ্বৰ বিভিন্ন দেশসমূহৰ মাজত সহায় সহযোগিতাৰ ভাৱ জগাই তুলিবলৈ আন্তৰ্জাতিক বুজাপৰাৰ প্ৰয়োজন।
- সমতা, ন্যায়, ধৰ্মনিৰপেক্ষতা, ভাতৃত্ববোধ, মহাপ্ৰীতিৰ ভাৱ বিকশিত কৰিবলৈ আন্তৰ্জাতিক বুজাপৰাৰ প্ৰয়োজন।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**জানি থওঁ আহা**

আন্তৰ্জাতিক বুজাপৰাৰ গুৰুত্বতা অধিক, দেশ সমূহৰ মাজত সুস্থ সম্পৰ্ক গঠন কৰি, দেশৰ সাৰ্বভৌমত্বৰ লগতে শিক্ষা, ভাষা-সাহিত্য আৰু সংস্কৃতিৰ বিকাশৰ বাবে আন্তৰ্জাতিক বুজাপৰাৰ প্ৰয়োজন।

### ৪.৩ ৰাষ্ট্ৰীয় সংহতি আৰু আন্তৰ্জাতিক বুজাপৰা বিকাশত শিক্ষাৰ ভূমিকা ঃ

আমি ইতিমধ্যে উল্লেখ কৰি আহিছো যে, ৰাষ্ট্ৰীয় সংহতি আৰু আন্তৰ্জাতিক বুজাপৰা, দেশৰ সৰ্বাঙ্গীন বিকাশৰ লগতে বিশ্বশান্তিৰ বাবে অতি প্ৰয়োজনীয়। ৰাষ্ট্ৰীয় সংহতি আৰু আন্তৰ্জাতিক বুজাপৰাৰ ক্ষেত্ৰত বিভিন্ন বাধাৰ সৃষ্টি হ'ব পাৰে। এই বাধাসমূহ নেওঁচি, ৰাষ্ট্ৰীয় সংহতি আৰু আন্তৰ্জাতিক বুজাপৰাৰ মনোভাৱ বিকাশৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা বিশেষভাৱে উল্লেখনীয়। শিক্ষাৰ জৰিয়তে মানুহৰ নিৰুদ্ধ চেতনাক জাগৃত কৰি তুলিব পাৰি। জাতীয় চেতনা জগাই তোলাত শিক্ষাৰ ভূমিকা অনবদ্য। ঠিক একেদৰে আন্তৰ্জাতিক বুজাপৰাৰ ক্ষেত্ৰতো শিক্ষাৰ ভূমিকা লেখতল'বলগীয়া। সমাজৰ প্ৰতিজন মানুহ শিক্ষিত হলেহে মানুহৰ মাজৰপৰা ব্যৱধান আতৰি পাৰস্পৰিক বুজাপৰাৰ ক্ষমতা বৃদ্ধি হ'ব আৰু ই আন্তৰ্জাতিক বুজাপৰাত সহায় কৰিব। তলত, ৰাষ্ট্ৰীয় সংহতি আৰু আন্তৰ্জাতিক বুজাপৰাৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা সমূহ আলোচনা কৰা হ'ল--

- শিক্ষাৰ দ্বাৰা সংৰোপিত প্ৰমূল্যই ব্যাক্তিক সাম্প্ৰদায়িকতাৰ উৰ্দ্ধত চিন্তা কৰিবলৈ সক্ষম কৰি তোলে।
- শিক্ষাৰদ্বাৰা এখন দেশৰ বিভিন্ন অঞ্চলসমূহৰ মাজত সংহতি স্থাপন কৰিব পাৰি।
- শিক্ষাই ব্যক্তিৰ ক্ষেত্ৰত উদাৰবাদী মন একোটা গঢ়ি তোলাত সহায় কৰে।
- শিক্ষানুষ্ঠানসমূহৰ বিভিন্ন কাৰ্য্য আৰু অনুষ্ঠানে যেন - জাতীয় পৰ্য্যায়ৰ দিৱসসমূহৰ উদযাপনে, শিক্ষাৰ্থীৰ মনত জাতীয় চেতনাৰ জন্ম দিয়ে।
- বিদ্যালয়ৰ পাঠ্যক্ৰমসমূহৰ জ্ঞানে বিশেষত সমাজ বিজ্ঞান, ইতিহাস, পৌৰাণিক ধৰ্মগ্ৰন্থসমূহৰ কাহিনীয়েও শিক্ষাৰ্থীৰ মনত জাতীয়তাবাদী মনোভৱ গঢ়ি তুলিব পাৰে।
- বিভিন্ন ৰাজ্যৰ আচাৰ-আচৰণ, নীতি-নিয়ম, সভ্যতা সংস্কৃতি জানিবলৈ আয়োজন কৰা শিক্ষামূলক ভ্ৰমণেও শিক্ষাৰ্থীৰ মনত সংহতি বিকাশত অৰিহণা যোগায়।
- জাতীয় সংহতিমূলক গীতেৰে দিনটোৰ প্ৰাৰম্ভণিৰে শিক্ষাৰ্থীৰ মনত জাতীয় চেতনা জগাই তোলাত শিক্ষানুষ্ঠানে সহায় কৰে।
- বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ উমৈহতীয়া সাজ-পাৰ/পোচাকৰ ব্যৱস্থাই জাতীয় চেতনাৰ বিকাশত অৰিহণা যোগায়।

- শিক্ষানুষ্ঠানত অনুস্থিত সামাজিক আৰু জাতীয় সেৱাৰ কাৰ্য্যসূচীসমূহো বিশেষভাৱে উল্লেখনীয়।
- বিদ্যালয়ৰ পাঠ্যক্ৰমিক বিষয়ৰ উপৰিও সহঃ পাঠ্যক্ৰমিক কাৰ্য্যসূচী যেনে খেলা-ধূলা, সাহিত্য ৰচনা আদিৰ জৰিয়তেও বিদ্যালয়ে অৰ্থাৎ শিক্ষাই ৰাষ্ট্ৰীয় চেতনাৰ বিকাশত বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**জানি থওঁ আহা**

জাতীয় চেতনাৰ বাবে ঐক্য ভাৱনা আৰু আৱেগিক ঐক্যৰ প্ৰয়োজন। শিক্ষাই জাতীয় চেতনা বিকাশৰ ক্ষেত্ৰত বিশেষ। ভূমিকা পালন কৰে। শিক্ষাই আনুষ্ঠানিক প্ৰকৃতিৰূপত বিদ্যালয় বা অন্যান্য শিক্ষানুষ্ঠানসমূহৰ বিভিন্ন কাৰ্য্য নীতিসমূহৰ মাধ্যমেৰে ব্যক্তি/শিক্ষাৰ্থীৰ মনত ৰাষ্ট্ৰীয় সংহতি ৰক্ষাত তথা বিকাশত সহায় কৰে।

**আন্তৰ্জাতিক বুজাপৰাৰ বিকাশৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা ঃ**

ৰাষ্ট্ৰীয় সংহতিৰ দৰে আন্তৰ্জাতিক বুজাপৰাৰ ক্ষেত্ৰতো শিক্ষাৰ ভূমিকা বিশেষভাৱে গুৰুত্বপূৰ্ণ। আমি ইতিমধ্যে পূৰ্ব আলোচনাত আন্তৰ্জাতিক বুজাপৰা সম্পৰ্কে আলোচনা কৰিছো। আপোনালোক সকলো জ্ঞাত যে, উগ্ৰ জাতীয়তাবাদৰ পৰিণামস্বৰূপে বিশ্বত দুখন ভয়াৱহ যুদ্ধ সংঘটিত হৈছিল। দুই বিশ্বযুদ্ধৰ বিভীষিকা সমগ্ৰ বিশ্ববাসীৰ মনত ত্ৰাসৰ সৃষ্টি কৰিছিল। এই বিভীষিকা নিৰ্মূল আৰু বিশ্বশান্তিৰ বাবে আন্তৰ্জাতিক বুজাপৰাৰ প্ৰয়োজন অনুভৱ হৈছিল। ইতিমধ্যে উল্লেখ কৰা হৈছে যে, বিশ্ববাসীৰ মাজত ঐক্য, ভ্ৰাতৃত্ববোধ আৰু বুজাপৰাৰ মনোভাৱৰ বাবে আন্তৰ্জাতিক বুজাপৰাৰ বিশেষ প্ৰয়োজনীয়। শিক্ষা হৈছে বিকাশৰ সমান্তৰাল বিষয়। শিক্ষাৰ জৰিয়তেহে বিকাশ সম্ভৱ হয়। সেয়েহে, আন্তৰ্জাতিক বুজাপৰাৰ ক্ষেত্ৰতো শিক্ষাৰ ভূমিকা উল্লেখনীয়। তলত আন্তৰ্জাতিক বুজাপৰাৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা উল্লেখ কৰা হ'ল। জানো আহক——

- শিক্ষাৰদ্বাৰা আন্তৰ্জাতিক ক্ষেত্ৰত গোলকীয় দৃষ্টিভংগী সলনি কৰিব পাৰি। প্ৰচলিত ধৰ্মীয় গোড়ামী, সংঘাত, সংকীৰ্ণতা আদিৰ বিলুপ্তি সম্ভৱ যেতিয়া সকলো মানুহ শিক্ষিত হব।
- একমাত্ৰ শিক্ষাইহে বিশ্বভ্ৰাতৃত্ব সৃষ্টি কৰি দেশসমূহক শক্তিশালী কৰাত সহায় কৰিব পাৰে।
- শিক্ষাই, শিক্ষাৰ্থীসকলৰ মাজত কাৰ্যক্ষমতা বৃদ্ধি কৰি সমগ্ৰ দেশৰ বিকাশৰ বাবে উপযুক্ত কৰি তুলিব পাৰে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

- দেশসমূহৰ মাজত বিশ্বশান্তিৰ ৰক্ষাৰ বাবে শিক্ষাৰ প্ৰয়োজন কিয়নো পৃথিৱীৰ সকলো মানুহ শিক্ষিত হলেহে দেশসমূহৰ মাজত শান্তিৰ সৃষ্টি হৈ আন্তৰ্জাতিক বুজাপৰা বৃদ্ধি হব।
- শিক্ষাই সাংস্কৃতিক চিন্তাধাৰাৰ সাল সলনিৰ ক্ষেত্ৰতো বিশেষ প্ৰভাৱ পেলায়। "এক বিশ্ব, এক সংস্কৃতি" সৃষ্টি হ'বলৈ প্ৰত্যেক নাগৰিক শিক্ষিত হোৱাটো দৰকাৰী।
- আন্তৰ্জাতিক বুজাপৰাৰ ক্ষেত্ৰত, আন্তৰ্জাতিক ৰাজনীতিৰ গুৰুত্ব উল্লেখনীয়। দেশ সমূহৰ মাজত সু-সম্পৰ্ক স্থাপন কৰাৰ ক্ষেত্ৰত ৰাজনীতিয়ে এক বিশেষ ভূমিকা পালন কৰে। আন্তৰ্জাতিক ৰাজনীতিৰ সু-কাৰ্য্যকৰীকৰণৰ ক্ষেত্ৰত শিক্ষাই এক ভূমিকা পালন কৰে।
- আন্ত:ৰ্জাতিক বুজাপৰাৰ বিকাশত প্ৰযুক্তিবিদ্যাসমূহৰ অৱদান যথেষ্ট। এই প্ৰযুক্তিবিদ্যাসমূহৰ বিকাশৰ অন্তৰালত আছে শিক্ষা।
- বিদ্যালয়ৰ পাঠ্যক্ৰমৰ বিভিন্ন বিষয়ক জ্ঞানে শিক্ষাৰ্থীসকলৰ মনত অন্যদেশৰ প্ৰতি সহানুভুতিতা তথা ভাতৃত্ববোধৰ ভাৱ বিকাশত যথেষ্ট সহায় কৰে।

ওপৰোক্ত এই আলোচনাৰ ভিত্তিত, আমি ক'ব পাৰো যে, ৰাষ্ট্ৰীয় সংহতি আৰু আন্তৰাষ্ট্ৰীয় বুজাপৰাৰ বিকাশৰ ক্ষেত্ৰত শিক্ষাই এক বিশেষ ভূমিকা পালন কৰে। শিক্ষা হৈছে পৰিৱৰ্তনৰ বাহক। সেয়েহে শিক্ষাৰ্থীৰ মনত সহযোগিতা, সংহতি, ভাতৃত্ববোধ আদি মনোভাৱৰ সৃষ্টিত বিদ্যালয়/শিক্ষাৰ অৱদান বিশেষভআৱে উল্লেখনীয়।

**জানি থওঁ আহা**

জাতীয় সংহতিৰ দৰে আন্তৰ্জাতিক বুজাপৰাৰ ক্ষেত্ৰতো শিক্ষাৰ ভূমিকা অপৰিসীম। বিশ্বশান্তিৰ বাবে শিক্ষাৰ প্ৰয়োজন। পৃথিৱীৰ সকলো মানুহ শিক্ষিত হ'লেহে পৰস্পৰে পৰস্পৰৰ প্ৰতি একতাৰ বন্ধোনেৰে ঐক্য হ'ব।

### ৪.৪ বিশ্বায়নৰ অৰ্থ (Meaning of Globalization) ঃ

বৰ্তমান সময়ত সততে ব্যৱহৃত এক শব্দ হৈছে "বিশ্বায়ন"। বিশ্বায়ন শব্দটো মূলতঃ বিশ্ব অৰ্থনীতিৰ লগত জড়িত যদিও বৰ্তমান সময়ত ৰাজনীতি, সমাজনীতি, বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা তথা শিক্ষা, সংস্কৃতি আদি বিষয় সমূহৰ লগতো জড়িত। এতিয়া প্ৰশ্ন হয়, বিশ্বায়ন মানে কি? বিশ্বায়নক গোলকীকৰণ হিচাপেও জনা যায়। এই বিশ্বায়ন হৈছে বিশ্বৰ বিভিন্ন দেশসমূহক ঐক্যবদ্ধ কৰা এক প্ৰক্ৰিয়া। বিশ্বায়ন এক বহুমুখী প্ৰক্ৰিয়া যাৰ

মাধ্যমেৰে বিশ্বৰ বিভিন্ন দেশসমূহৰ অৰ্থনৈতিক, ৰাজনৈতিক আৰু সামাজিক ক্রিয়াসমূহৰ একেলগে সামৰি ল'ব পাৰি।

উল্লেখনীয় যে, বিশ্বায়ন শব্দটোৰ ইংৰাজী প্রতিশব্দ "Globalization", এই "Globalization" শব্দটো "Globalize" শব্দৰ পৰা আহিছে। যাৰ অৰ্থ হ'ল আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত সামাজিক আৰু অৰ্থনৈতিক আদান-প্ৰদান, যোগাযোগ স্থাপনৰ যোগেদি বিশ্ব ভাতৃত্ব ভাৱৰ ভেটি সুদৃঢ় কৰা। ১৯৩০ চনত Toward New Education লেখনিত Globalization শব্দৰ প্রয়োগ কৰা হৈছিল

শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই

**জানি থওঁ আহা**

ইংৰাজী প্রতিশব্দ Globalization শব্দটো Globalize শব্দৰ পৰা আহিছে। যাৰ অৰ্থ হৈছে আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত সামাজিক আৰু অৰ্থনৈতিক আদান প্ৰদান বা যোগাযোগ। বিশ্বায়ন হৈছে বিশ্বৰ বিভিন্ন দেশসমূহক ঐক্যবদ্ধ কৰা এক প্রক্রিয়া।

বিশ্বায়নৰ চূড়ান্ত উপাদানটো হৈছে বিশ্বব্যাপি আন্তঃসংযোগ সাধন যিটো নিত্য ব্যৱহাৰৰ ফলস্বৰূপে সৃষ্টি হয়। সাধাৰণতে বিশ্বায়নক আন্তৰ্জাতিক অৰ্থনীতি আৰু জাতীয় অৰ্থনীতিৰ একেন্দ্ৰীকৰণ প্রক্রিয়া হিচাপে আখ্যা দিয়া হয়। প্রত্যক্ষ বৈদেশিক বিনিয়োগ, মূলধনৰ প্ৰবাহ, ধনৰ একীভূত বাণিজ্য প্রক্রিয়া, তথ্য প্রযুক্তিৰ বিকাশ প্ৰব্ৰজন আদি হৈছে এই প্রক্রিয়াৰ মূল চালিকা শক্তি। বিশ্বায়নৰ প্ৰভাৱ বিস্তৃতভাৱে অসমান। বিশ্বায়নৰ প্ৰভাৱ কিছুমান সমাজত আন কিছুমানতকৈ বেছিকৈ প্ৰভাৱ পেলায় আৰু কিছুমান সমাজৰ কিছু অংশত আন অংশতকৈ বেছিকৈ প্ৰভাৱ পেলায়। বিশ্বায়নৰ কাৰক ভিন্ন। বিশ্বায়নৰ অন্যতম কাৰক হৈছে প্রযুক্তিবিদ্যা।

বৰ্তমান সময়ত তাৰবাৰ্তা প্ৰেৰণ যন্ত্ৰ, দূৰভাষ আৰু অণুবীক্ষণ যন্ত্ৰৰ আৱিস্কাৰে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ কৰ্মকৰ্তা সকলৰ যোগাযোগ ব্যৱস্থাৰ মাজত এটা বিপ্লৱৰ সূচনা কৰিছে।

**আত্মমূল্যায়ণ প্রশ্ন**

প্রশ্ন ২ ঃ বিশ্বায়নৰ অন্যতম উপাদানটো কি?

**বিশ্বায়নৰ সংজ্ঞা ঃ**

**ৰোলেণ্ড ৰবাৰ্টছনৰ** মতে "বিশ্বায়ন হ'ল বিশ্বক সংকুচিত কৰণৰদ্বাৰা একত্ৰিকৰণ প্রক্রিয়াৰ প্রতি বঢ়োৱা ক্রমবর্ধমান সজাগতাৰ ফলশ্রুতি।"

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**মাৰ্টিন এলব্ৰ' আৰু এলিজাবেথ কিংৰ** মতে, "বিশ্বৰ সকলো মানুহকে একেলগে চামিলকৰণৰ সকলো প্ৰক্ৰিয়া প্ৰয়োগেৰে বিশ্বক এখন গোলকীয় সমাজলৈ ৰূপান্তৰকৰণৰ প্ৰক্ৰিয়া।

**বিশ্বায়নৰ প্ৰয়োজনীয়তা (Importance of Globalization) ঃ**

- বিশ্বায়নৰ ফলত তথ্য প্ৰযুক্তিৰ বিকাশ সাধন হৈছে। বিশ্বায়নৰ এই যুগ আৱিস্কাৰৰ যুগ বুলি আখ্যা দিব পাৰি। বিশ্বায়নৰ ফলত বিভিন্ন আধুনিক তথ্য প্ৰযুক্তিৰ সৃষ্টি যাৰ ফলত বিশ্বৰ যোগাযোগ, অৰ্থনৈতিক আদান-প্ৰদান অতি সহজে কৰিব পাৰি।
- বিশ্বায়নে বিশ্বৰ দেশসমূহৰ মাজত ৰাষ্ট্ৰীয় সাৰ্বভৌমত্ব অধিক দৃঢ়ভাৱে গঢ়ি তোলাত সহায় কৰে।
- বিশ্বায়নৰ ফলত শিক্ষাৰ প্ৰসাৰ আৰু দ্ৰুত গতিত হৈছে। বিশ্বায়নে শিক্ষাৰ ক্ষেত্ৰত নতুন ধাৰণাৰ সৃষ্টি কৰিছে। যাৰ ফলত বিশ্বৰ শিক্ষা ব্যৱস্থাৰ গুণগত মানদণ্ড উন্নত কৰাত সহায় কৰিছে।
- বিশ্বায়নৰ ফলত আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু শান্তি বিকাশ হৈছে। বিশ্বায়নৰ বাবে সকলো দেশৰ মাজত  তথ্য, প্ৰযুক্তি, সেৱা আদি আদান-প্ৰদানৰ মাজেৰে এক সহযোগিতাৰ সৃষ্টি হৈছে।
- বিশ্বায়নৰ ফলত বৈদেশিক বিনিয়োগৰ ব্যৱস্থা অতিশয় সহজ হৈ পৰিছে। যাৰ ফলত বিশ্বৰ বিভিন্ন দেশে আন এখন দেশৰ লগত বস্তু আৰু সেৱাৰ নিয়োগ বিনিয়োগ কৰিব পাৰে।

## ৪.৫ আন্তৰ্জাতিক সহযোগিতাৰ বিকাশত বিশ্বায়নৰ প্ৰভাৱ (Impact of Globalization in developing international cooperation) ঃ

১। **বৈদেশিক বাণিজ্য ঃ** বিশ্বায়নৰ ফলত দেশসমূহে সুচল বৈদেশিক বাণিজ্যৰ সুযোগ লাভ কৰিছে। বাণিজ্যই দেশ সমূহৰ মাজৰ বন্ধুত্বসুলভ সম্বন্ধ গাঢ় কৰে। ফলস্বৰূপে বাণিজ্যৰ সামগ্ৰী আদান-প্ৰদানৰ দ্বাৰা ৰাষ্ট্ৰসমূহৰ মাজত গঢ় লৈ উঠা সু-সম্বন্ধই আন্তৰ্জাতিক সম্বন্ধত বৰঙণি আগবঢ়ায়।

২। **সংমিশ্ৰিত সামাজিক, সাংস্কৃতিক ব্যৱস্থাপনা ঃ** বিশ্বায়নে বিশ্বৰ ভিন্ন প্ৰান্তৰ সমাজ সংস্কৃতিৰ সমন্বয়ত অৰিহণা যোগাইছে। ই সামগ্ৰিকভাৱে বিশ্ব সংস্কৃতিৰ উত্তৰণৰ সহায় কৰিছে।

৩। **সম্পদৰ বিনিময় ঃ** উন্নত দেশসমূহৰ উন্নয়নশীল দেশৰ প্ৰাকৃতিক আৰু মানৱ সম্পদৰাজিৰ প্ৰয়োজন হয়। সেইদৰে উন্নত দেশৰ মূলধন আৰু প্ৰযুক্তিগত সামগ্ৰীৰ

উন্নয়নশীল দেশসমূহক প্ৰয়োগ হয়। বিশ্বায়নৰ ফলত এনে প্ৰয়োগ সহজে পূৰ কৰিব পৰা হৈছেগে।

৪। **বৈদেশিক বিনিয়োগ ঃ** গোলকীকৰণে বৈদেশিক বিনিয়োজনৰ পথ মুকলি কৰে। এই বৈদেশিক বিনিয়োজনে দেশসমূহৰ মাজত আন্তৰ্জাতিক সমন্বয়মূলক সম্বন্ধৰ নিৰ্দ্ধাৰণ কৰে। উদাহৰণস্বৰূপে বৰ্তমান ভাৰতবৰ্ষত গোলকীকৰণৰ ফলত বহুতো বিদেশী কোম্পানীয় ভিন ভিন প্ৰকল্পত মূলধন বিনিয়োগ কৰিছে।

৫। **প্ৰতিযোগিতা ঃ** সমন্বিত উন্নয়নৰ বাবে প্ৰতিযোগিতা প্ৰয়োজনীয়। আন্তৰ্জাতিক পৰ্য্যায়ত ৰাষ্ট্ৰসমূহে পৰিৱেশ, স্বাস্থ্য, শিক্ষা আদি বিষয়ত কৰা প্ৰতিযোগিতাৰ বাবেই বিশ্ব নাগৰিকৰূপে যুৱ প্ৰজন্মক গঢ়ি তোলাৰ প্ৰয়াস কৰি আহিছে।

৬। **দৰিদ্ৰতা দূৰীকৰণ ঃ** গোলকীকৰণে উন্নয়নশীল দেশসমূহৰ দৰিদ্ৰতা দূৰ কৰাত সহায় কৰে। যাৰ ফলত ৰাষ্ট্ৰসমূহে আন্তৰ্জাতিক পৰ্য্যায়ত সমন্বয়ৰ হকে কাম কৰিবলৈ উদ্বুদ্ধ হোৱা পৰিলক্ষিত হয়।

গতিকে, ওপৰোক্ত আলোচনাৰ ভিত্তিত আমি ক'ব পাৰো যে, গোলকীকৰণ বা বিশ্বায়নে আন্তৰ্জাতিক সমন্বয় ৰক্ষাত যথেষ্ট সহায় কৰে।

**অগ্ৰগতিৰ খতিয়ান**

২। আন্তৰ্জাতিক সমন্বয় স্থাপনত বিশ্বায়নৰ ভূমিকা কি?

## ৪.৬ সাৰাংশ (Summing Up) ঃ

ওপৰোক্ত পাঠটিত আলোচনা কৰা বিষয়সমূহ চমুকৈ তলত উল্লেখ কৰা হ'ল -

- ৰাষ্ট্ৰীয় সংহতি হ'ল শিক্ষাবিষয়ক এক প্ৰক্ৰিয়া যাৰ জৰিয়তে দেশবাসীৰ মাজত বহল মনোভাৱ, ভাতৃত্ববোধ আৰু ৰাষ্ট্ৰৰ প্ৰতি আনুগত্য ভাৱ জগাই তুলিব পাৰি।
- ৰাষ্ট্ৰীয় সংহতিৰ মূলমন্ত্ৰ হৈছে "জীয়াই থকা আৰু জীয়াই থাকিবলৈ দিয়া।"
- ৰাষ্ট্ৰীয় সংহতিৰ লগত সম্পৰ্কযুক্ত আন এক বিষয় হৈছে - আন্তৰ্জাতিক বুজাপৰা।
- জনসমুদ্ৰত বসবাস কৰা জনগণৰ মনত গঢ়ি উঠা বন্ধুত্বৰ ভাৱকে আন্তৰ্জাতিক বুজাপৰা বুলি কোৱা হয়।
- দ্বিতীয় বিশ্বযুদ্ধৰ পৰাই সমগ্ৰ বিশ্বতে আন্তৰ্জাতিক বুজাপৰাৰ ধাৰণা প্ৰসাৰ হৈছিল।
- আন্তৰ্জাতিক বুজাপৰাই দেশৰ নাগৰিকৰ মনত স্বাধীন চিন্তা-চৰ্চা, নিৰপেক্ষ দৃষ্টিভংগী আৰু মুক্ত চিন্তাধাৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

- আন্তৰ্জাতিক বুজাপৰাৰ গুৰুত্ব অপৰিসীম। বিশ্বৰ বিভিন্ন দেশসমূহৰ মাজত সহায় সহযোগিতাৰ ভাৱ জগাই তুলি বিশ্ব শান্তি বজায় ৰাখিবলৈ আন্তৰ্জাতিক বুজাপৰাৰ প্ৰয়োজন।
- আন্তৰ্জাতিক বুজাপৰা আৰু জাতীয় সংহতিৰ বিকাশত শিক্ষাৰ ভূমিকা বিশেষ উল্লেখনীয়।
- শিক্ষানুষ্ঠানৰ বিভিন্ন কাৰ্য্যকলাপে আৰু পাঠ্যক্ৰম আৰু সহপাঠ্যক্ৰমে শিক্ষাৰ্থীৰ মনত ৰাষ্ট্ৰীয় সংহতি আৰু আন্তৰ্জাতিক বুজাপৰাৰ বিকাশত সহায় কৰে।
- বিশ্বায়নৰ ধাৰণা বৰ্তমান সময়ৰ এক অতি জনপ্ৰিয় আৰু বহুল ধাৰণা।
- বিশ্বায়ন হৈছে বিশ্বৰ বিভিন্ন দেশসমূহক ঐক্যবদ্ধ কৰা এক প্ৰক্ৰিয়া।
- ইংৰাজী Globalization শব্দটো Globalize শব্দৰ পৰা আহিছে যাৰ অৰ্থ হৈছে "আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত সামাজিক আৰু অৰ্থনৈতিক আদান-প্ৰদান, যোগাযোগ স্থাপনৰ যোগেদি বিশ্ব ভাতৃত্বভাৱৰ ভেটি সুদৃঢ় কৰা।"
- বিশ্বায়নৰ গুৰুত্বতা সৰ্বাধিক। বিশ্বায়নৰ ফলত অৰ্থনীতিৰ লগতে শিক্ষাৰ প্ৰসাৰ আৰু বিকাশ দ্ৰুত গতিত হৈছে।
- আন্তৰ্জাতিক সহযোগিতা বিকাশত বিশ্বায়নৰ ভূমিকা উল্লেখনীয়। বৈদেশিক বাণিজ্য, সম্পদৰ বিনিময় আদিৰ জৰিয়তে বিশ্বায়নে আন্তৰ্জাতিক সহযোগিতা ৰক্ষাত সহায় কৰে।

## ৪.৭ আৰ্হি প্ৰশ্ন (Sample Questions) ঃ

১) আন্তৰ্জাতিক বুজাপৰাৰ অৰ্থটো বৰ্ণনা কৰা।

২) আন্তৰ্জাতিক বুজাপৰাৰ প্ৰয়োজনীয়তা সম্পৰ্কে লিখা।

৩) আন্তৰ্জাতিক সমন্বয়ত বিশ্বায়নৰ প্ৰভাৱ আলোচনা কৰা।

## ৪.৮ প্ৰসঙ্গ গ্ৰন্থ (References & Suggested Readings) ঃ


১) বৰুৱা যতীন ঃ ভাৰতৰ শিক্ষা সমস্যাত দৃষ্টিপাত, লয়াৰ্ছ বুক ষ্টল, পাণবজাৰ।

২) শৰ্মা, মালাকাৰ আৰু বৰা ঃ 'শিক্ষাতত্ব' শান্তি প্ৰকাশন, পাণবজাৰ।

৩) শইকীয়া, কলিতা, দেৱী আৰু দত্ত, 'অৰ্থনৈতিক বিচাৰ্য বিষয় আৰু শিক্ষা", অসম বুক ডিপো।

৪) Aggarwal, J.C. : "Theory and principles of Education', Vikash Publishing House

## ৪.৯ অগ্ৰগতিৰ খতিয়ান/আৰ্হি প্ৰশ্নৰ উত্তৰসমূহ (Answers to Check Your Progress) ঃ

শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই

১। উঃ আন্তৰ্জাতিক বুজাপৰাৰ মূল বৈশিষ্ট্য সমূহ -

১। ই দেশৰ নাগৰিকৰ মনত স্বাধীন চিন্তা-চৰ্চা নিৰপেক্ষ দৃষ্টিভংগী ওপৰত গুৰুত্ব আৰোপ কৰে।

২। ই ৰাষ্ট্ৰৰ নাগৰিকসকলৰ মাজত পাৰস্পৰিক সম্পৰ্ক ৰক্ষাত সহায় কৰে।

২। উঃ আন্তৰ্জাতীয় সমন্বয় স্থাপনত বিশ্বায়নৰ ভূমিকা সমূহ হ'ল -

১। বিশ্বায়নৰ ফলত বিশ্বৰ বিভিন্ন দেশসমূহে পৰস্পৰৰ পৰিস্থিতি সম্পৰ্কে অৱগত হোৱাৰ সুবিধা লাভ কৰে।

২। বিশ্বায়নে আন্তৰ্জাতিক প্ৰেক্ষাপতত ৰাষ্ট্ৰসমূহৰ মাজত সংহতি আৰু বন্ধুত্ব সুলভ ভাৱৰ বৰ্দ্ধি কৰে।

৩। বিশ্বায়নৰ ফলত গঢ় লৈ উঠা আন্তৰ্জাতিক সংস্থা, সংগঠনসমূহৰ জৰিয়তে ৰাষ্ট্ৰসমূহে বিভিন্ন সমস্যাৰ ফলপ্ৰসু সমাধান উলিয়াবলৈ সক্ষম হৈছে।

---*---

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

# পঞ্চম বিভাগ
# সমাজবিজ্ঞান আৰু শিক্ষা

বিভাগৰ গঠন ঃ


৫.০ ভূমিকা **(Introduction)**

৫.১ উদ্দেশ্য **(Objectives)**

৫.২ সমাজবিজ্ঞানৰ অৰ্থ আৰু সংজ্ঞা

৫.৩ শিক্ষা আৰু সমাজবিজ্ঞান

৫.৪ শৈক্ষিক সমাজবিজ্ঞান

৫.৫ শৈক্ষিক সমাজবিজ্ঞানৰ পৰিসৰ

৫.৬ সমাজবিজ্ঞান আৰু শৈক্ষিক সমাজবিজ্ঞানৰ পাৰ্থক্য

৫.৭ শৈক্ষিক সমাজবিজ্ঞানৰ সীমাবদ্ধতা

৫.৮ নতুন গণতান্ত্ৰিক সামাজিক বিন্যাসৰ বিকাশত শিক্ষাৰ ভূমিকা

৫.৯ সামাজিক সমূহ

- ৫.৯.১ সমাজ আৰু গোট
- ৫.৯.২ দল কি
- ৫.৯.৩ দলৰ প্ৰধান বৈশিষ্ট্য
- ৫.৯.৪ দলীয় কৰ্ম বা কৰ্তব্য
- ৫.৯.৫ দলৰ শ্ৰেণী বিভাগ
- ৫.৯.৬ দল গঠনৰ বিভিন্ন শক্তি
- ৫.৯.৭ বিদ্যালয় আৰু গণ-মন
- ৫.৯.৮ বিদ্যালয়ত দলীয় মনৰ তাৎপৰ্য্য
- ৫.৯.৯ দলীয় নেতৃত্ব

৫.১০ সমাজীকৰণৰ ধাৰণা

- ৫.১০.১ সমাজীকৰণৰ ক্ষেত্ৰত শিক্ষা
- ৫.১০.২ সমাজীকৰণ প্ৰক্ৰিয়া হিচাপে সহযোগিতা, সদৃশীকৰণ, প্ৰতিযোগিতা, দ্বন্দ্ব আৰু প্ৰশাসন
- ৫.১০.৩ সমাজীকৰণ প্ৰক্ৰিয়াত সমাজ, বিদ্যালয়, পৰিয়াল আৰু অন্যান্য আহিলাসমূহ (সমকক্ষ দল, গণমাধ্যম) আদিৰ ভূমিকা
- ৫.১০.৪ শিশুৰ সমাজীকৰণত সমাজৰ প্ৰভাৱ
- ৫.১০.৫ শিশুৰ সমাজীকৰণ প্ৰক্ৰিয়াত বিদ্যালয়ৰ ভূমিকা
- ৫.১০.৬ শিশুৰ সমাজীকৰণ প্ৰক্ৰিয়াত পৰিয়ালৰ ভূমিকা
- ৫.১০.৭ অন্যান্য আহিলাসমূহৰ ভূমিকা

৫.১১ সাৰাংশ **(Summing Up)**

৫.১২ আৰ্হি প্ৰশ্ন **(Sample Questions)**

৫.১৩ প্ৰসঙ্গ গ্ৰন্থ **(References & Suggested Readings)**

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

## ৫.০ ভূমিকা (Introduction)

মানুহ আৰু সমাজ অৰ্থাৎ, ব্যক্তি আৰু সমাজ বিৱৰ্তনৰ ফলশ্ৰুতিত সৃষ্টি হৈছে। সমাজ অবিহনে যেনেকৈ মানুহ অথবা ব্যক্তিৰ মূল্যায়ন নিৰৰ্থক ঠিক তেনেকৈ ব্যক্তি অবিহনে সমাজৰ মূল্যায়নো অৰ্থহীন। সমাজ আৰু ব্যক্তিৰ মাজত অতি গভীৰ যোগসূত্ৰ আছে। মানুহে সমাজ গঢ়ে আৰু সমাজে মানুহৰ বিকাশ প্ৰক্ৰিয়াক প্ৰণালীবদ্ধভাৱে আগবঢ়াই নিয়ে। সৰল অৰ্থত, মানুহে সমাজ সৃষ্টি কৰে আৰু সমাজে মানুহ সৃষ্টি কৰে— এয়াই হৈছে সমাজ আৰু মানুহৰ মাজৰ সম্পৰ্ক।

সমাজ আৰু মানুহৰ মাজত থকা সম্পৰ্কৰ দৰে সমাজ আৰু শিক্ষাৰ মাজতো অতি ঘনিষ্ঠ সম্পৰ্ক আছে। মানুহ বা ব্যক্তি, সমাজ আৰু শিক্ষাৰ মাজৰ সম্পৰ্ক অতি প্ৰণালীবদ্ধ। এইখিনিতে আমাৰ মনত উদয় হোৱা অতি সৰল প্ৰশ্নটো হৈছে প্ৰকৃতাৰ্থত সমাজ বুলি ক'লে আমি কি বুজি পাওঁ অথবা সমাজৰ অৰ্থই বা কি? অতি সৰলভাৱে এনে প্ৰশ্নৰ মীমাংসা কৰিবলৈ হ'লে আমি ক'ব লাগিব সমাজ হৈছে ব্যক্তিৰ সংঘবদ্ধ অথবা সন্মিলিত জীৱন প্ৰক্ৰিয়া। অৰ্থাৎ কিছুসংখ্যক মানুহে যেতিয়া নিৰ্দিষ্ট ৰীতি-পৰম্পৰাৰ আশ্ৰয়ত শৃংখলাবদ্ধ অথবা প্ৰণালীবদ্ধ জীৱন প্ৰক্ৰিয়া পৰিচালনা কৰিবলৈ লয় তেতিয়া তাকেই সমাজ বুলি কোৱা হয়।

**মানুহৰ জীৱনৰ প্ৰণালীবদ্ধ, সন্মিলিত প্ৰক্ৰিয়াক সমাজ বুলি কোৱা হয়।** সামাজিক জীৱন প্ৰক্ৰিয়াত বিভিন্ন গোষ্ঠী আৰু দলৰ মাজত সহযোগিতাপূৰ্ণ, পৰস্পৰে বুজাবুজিৰ দ্বাৰা পৰিচালিত আৰু সমিলমিলৰ দ্বাৰা সৃষ্টি কৰি লোৱা ৰীতি-পৰম্পৰাৰ জীৱন পৰিচালনা কৰা হয়। সামাজিক জীৱন প্ৰক্ৰিয়াত মানুহৰ সম্পৰ্কৰ দিশসমূহ পৰিৱৰ্তনশীল। ৰীতি-পৰম্পৰা, আচাৰ-ব্যৱহাৰ, মানৱীয় যোগসূত্ৰ, সহযোগিতা, সম্পৰ্ক এই সকলোবোৰেই অতি গতিশীল। জীৱনৰ গতিশীলতাই সমাজৰ ৰীতি-পৰম্পৰালৈকেও গতিশীল ধ্যান-ধাৰণাৰ আগমন ঘটায়। ইয়াৰোপৰি মানুহৰ দৈহিক আৰু মানসিক প্ৰয়োজনীয়তা আৰু ৰুচিবোধৰ দ্বাৰাও সমাজৰ ৰীতি-নীতি প্ৰভাৱিত হয়। সৰলভাৱে ক'বলৈ হ'লে মানুহৰ আচৰণ প্ৰক্ৰিয়াই অতি ধাৰাবাহিকভাৱে সমাজৰ ৰীতি-পৰম্পৰা আৰু নীতিৰ ক্ষেত্ৰত প্ৰভাৱ পেলায়। একেদৰে পৰিৱৰ্তিত সামাজিক ৰীতি-নীতিয়ে মানুহৰ আচৰণৰ ওপৰত গতিশীলভাৱে প্ৰভাৱ বিস্তাৰ কৰে। অৰ্থাৎ সামাজিক ৰীতি-নীতিয়ে মানুহৰ আচৰণ প্ৰক্ৰিয়ালৈকে গতিশীলতা কঢ়িয়াই আনে। জীৱনৰ বিকাশ, সমাজৰ ৰীতি-নীতিৰ বিকাশ, পৰম্পৰাৰ উন্নতি সাধন, সংস্কৃতিৰ বিকাশ আৰু সামগ্ৰিকভাৱে সভ্যতাৰ বিকাশৰ বাবেই মানুহে নিজৰ ৰুচিবোধ, আচাৰ-ব্যৱহাৰ আদিৰ ৰূপান্তৰ ঘটাবলৈ বাধ্য হৈ পৰে। এনে প্ৰক্ৰিয়াৰ ক্ষেত্ৰত শিক্ষাই মানুহক বিশেষভাৱে সহায় কৰে। অৰ্থাৎ শিক্ষাৰ সহায় লৈয়ে মানুহে নিজস্ব জীৱন প্ৰক্ৰিয়ালৈকে প্ৰয়োজনীয় পৰিৱৰ্তন কঢ়িয়াই আনে আৰু এনে পৰিৱৰ্তনে যেতিয়া বিস্তাৰিত ৰূপ গ্ৰহণ কৰে তেতিয়া সমাজৰ কাঠামোৱো পৰিৱৰ্তন সাধন হয়।

সামগ্ৰিকভাৱে মানুহৰ আচৰণ প্ৰক্ৰিয়াৰ পৰিৱৰ্তন সাধন কৰি সামাজিক কাঠামোৰ পৰিৱৰ্তনত সহায় কৰা গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়াটোৱেই হৈছে শিক্ষা। অৰ্থাৎ, শিক্ষাই ব্যক্তিৰ আচৰণ প্ৰক্ৰিয়াৰ ৰূপান্তৰ সাধন কৰি সামাজিক জীৱন প্ৰক্ৰিয়াৰো ৰূপান্তৰৰ প্ৰক্ৰিয়াক অতি গতিশীল কৰি তোলে। এনে কাৰণতে শিক্ষাক এক প্ৰকাৰ সমাজ বিজ্ঞান বুলি অভিহিত কৰা হৈছে। সমাজ বিজ্ঞানৰ অন্তৰ্ভুক্ত সকলোবোৰ শক্তিৰ ভিতৰত শিক্ষা হৈছে অধিক ভাৱে গতিশীল শক্তি। শিক্ষাই ব্যক্তিৰ আচৰণ মাৰ্জিত ৰূপত গঢ় দি তোলাত আগভাগ লয়। ব্যক্তিৰ চিন্তাশক্তিৰ প্ৰণালীবদ্ধ বিকাশ সাধন, উৎপাদনশীল ক্ষমতাৰ বিকাশ সাধন আদিৰ দ্বাৰা পৰিশোধিত ব্যক্তিত্বৰ বিকাশ সাধন কৰি মানুহক নতুন ৰূপত গঢ়ি তোলে শিক্ষাই। ব্যক্তিগত স্তৰত শিক্ষাই ব্যক্তিৰ মাজত নিহিত হৈ থকা সুপ্ত ক্ষমতা আৰু গুণৰাশিক বিকাশপ্ৰাপ্ত কৰি তোলে। অৰ্থাৎ, শিক্ষাৰ কাম হৈছে ব্যক্তিসত্তাৰ মাজত নিহিত হৈ থকা সকলোবোৰ ক্ষমতাৰ প্ৰণালীবদ্ধ বিকাশ সম্ভৱ কৰি তোলা। শিক্ষাই ব্যক্তিৰ দৈহিক, মানসিক, আৱেগিক, সামাজিক আৰু নৈতিক বিকাশৰ দিশসমূহ লক্ষ্য হিচাপে সামৰি লয়।

ব্যক্তিসত্তাৰ বিভিন্ন দিশৰ বিকাশৰ লগত সমাজৰ গভীৰ সম্পৰ্ক আছে। কাৰণ, সমাজৰ স্বাৰ্থৰ বিপৰীতে কেতিয়াও ব্যক্তিৰ ক্ষমতাসমূহৰ বিকাশৰ বাবে কাৰ্য-পদক্ষেপ গ্ৰহণ কৰা নহয়। সামাজিক মানদণ্ড অনুসৰিহে ব্যক্তিৰ প্ৰতিভা আৰু ক্ষমতাসমূহৰ বিকাশ সাধন কৰা হয়। এনে দৃষ্টিভংগীৰ ফালৰ পৰা শিক্ষাৰ কাম হৈছে দুই ধৰণৰ। ইয়াৰ ভিতৰত শিক্ষাই প্ৰথমতে ব্যক্তিৰ ব্যক্তিগত আচৰণ আৰু ব্যক্তিত্বৰ পৰিশোধন আৰু বিকাশ সম্ভৱ কৰি তুলিব লাগিব। আৰু দ্বিতীয়তে, এনে বিকাশ ব্যক্তিয়ে বাস কৰা সমাজখনৰ সংস্কৃতি আৰু প্ৰয়োজনীয়তাৰ লগত সম্পৰ্ক ৰক্ষা কৰিহে সম্ভৱ কৰি তুলিব লাগিব। অৰ্থাৎ, ব্যক্তিৰ আচৰণৰ পৰিশোধন তথা উন্নতি সাধনৰ দ্বাৰা ব্যক্তিৰ নিজস্ব সমাজখনত প্ৰচলিত সংস্কৃতিৰ স্বাৰ্থ ৰক্ষা কৰি, সমাজখনৰ বিকাশৰ বাবে শিক্ষাই তেওঁক সমৰ্থবান বা যোগ্য কৰি তুলিব লাগিব।

## ৫.১ উদ্দেশ্য (Objectives)

সমাজবিজ্ঞান আৰু শিক্ষা সম্বন্ধে অধ্যয়ন কৰাৰ পাছত আপোনালোকেঃ——

- মানুহ আৰু সমাজৰ সম্বন্ধৰ বিষয়ে যথাযথ ভাৱে আলোচনা কৰিব পাৰিব।
- মানুহ, সমাজ আৰু শিক্ষাৰ মাজত থকা ঘনিষ্ঠ যোগসূত্ৰৰ বিষয়ে উল্লেখ কৰিব পাৰিব।
- শিক্ষা আৰু সমাজবিজ্ঞানৰ সম্বন্ধৰ বিষয়ে নিৰ্দিষ্টভাৱে আলোচনা কৰিব পাৰিব।
- সমাজবিজ্ঞানৰ অৰ্থ আৰু সংজ্ঞা প্ৰদান কৰিব পাৰিব।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

- শৈক্ষিক সমাজবিজ্ঞানৰ ধাৰণা আৰু পৰিসৰৰ বিষয়ে আলোচনা কৰিবলৈ সমৰ্থ হ'ব।
- সমাজবিজ্ঞান আৰু শৈক্ষিক সমাজবিজ্ঞানৰ পাৰ্থক্য নিৰূপণ কৰিব পাৰিব।
- সমাজ আৰু গোটৰ বিষয়ে আলোচনা কৰিবলৈ সমৰ্থ হ'ব।

**আত্মমূল্যায়ন প্ৰশ্ন**

**শিক্ষা আৰু সমাজবিজ্ঞান পৰস্পৰে নিৰ্ভৰশীল নে? (      টা মান শব্দৰ ভিতৰত)।**

........................................................................................................

........................................................................................................

........................................................................................................

- দলৰ প্ৰধান বৈশিষ্ট্য আৰু দলীয় কৰ্তব্যৰ বিষয়ে বৰ্ণনা দিব পাৰিব।
- দলৰ শ্ৰেণীবিভাগ নিৰূপণ কৰি দল গঠনৰ বিভিন্ন শক্তিৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- বিদ্যালয়ত দলীয় মনৰ তাৎপৰ্যৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- দলীয় নেতৃত্বৰ বিষয়ে বহলভাৱে আলোচনা কৰিব পাৰিব।
- সমাজীকৰণৰ বিষয়ে স্পষ্ট ব্যাখ্যা দাঙি ধৰিব পাৰিব।

### ৫.২ সমাজবিজ্ঞানৰ অৰ্থ আৰু সংজ্ঞা (Meaning and Definition of Sociology) ঃ

সমাজবিজ্ঞান হৈছে সামাজিক জীৱন সম্পৰ্কীয় বিজ্ঞান। অৰ্থাৎ যি বিজ্ঞানে মানুহৰ সামাজিক জীৱন আৰু তেওঁৰ সমাজ সম্পৰ্কে থকা ধ্যান-ধাৰণা, দৃষ্টিভংগী প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰে তাকেই সমাজবিজ্ঞান বুলি কোৱা হয়। সমাজবিজ্ঞানৰ বিষয়বস্তু হৈছে মানুহৰ জীৱন প্ৰক্ৰিয়া, কাৰ্যকলাপ, দলীয় আচৰণ, ৰুচিবোধ, আচাৰ-ব্যৱহাৰ, জাতি আৰু সম্প্ৰদায় সম্পৰ্কীয় চেতনাৰ স্বৰূপ নিৰ্ণয়, সংস্কৃতি, সভ্যতা আদি। সামাজিক প্ৰক্ৰিয়াৰ পৰিৱৰ্তনৰ বাবে মানুহে চলোৱা দাবী আৰু আন্দোলনৰ লগতে মানৱীয় সম্পৰ্কৰ একা-বেঁকা গতি সম্পৰ্কে প্ৰণালীবদ্ধ অধ্যয়ন কৰাটোকেই সমাজবিজ্ঞানৰ উদ্দেশ্য হিচাপে নিৰ্ণয় কৰিব পাৰি।

সামাজিক ক্ষেত্ৰত মানুহৰ জীৱন প্ৰক্ৰিয়া অতি বিচিত্ৰ ধৰণৰ। মানুহৰ সমাজত মানৱীয় বান্ধোন আৰু মানৱীয় সম্পৰ্কৰ দিশসমূহো অতি বিচিত্ৰতাৰে পৰিপূৰ্ণ। জীৱন আৰু মানৱীয় সম্পৰ্কৰ মাজত নানাধৰণৰ জটিলতা পৰিলক্ষিত হয়। এনে বিচিত্ৰতা আৰু জটিলতাসমূহ মানুহৰ সমাজত প্ৰচলিত কিছুসংখ্যক অতি সৰল আৰু অপৰিৱৰ্তনীয়

ভিত্তিৰ ওপৰত নিৰ্ভৰশীল। এনে ভিত্তিবোৰৰ নিয়ন্ত্ৰণ মূলতঃ কিছুমান অতি ৰহস্যপূৰ্ণ প্ৰাকৃতিক নীতিৰ ওপৰত প্ৰতিষ্ঠিত। গতিকে মানৱ সমাজৰ মানৱীয় বান্ধোনৰ অথবা মানৱীয় সম্পৰ্কৰ জটিলতাৰ দিশসমূহ ৰহস্যপূৰ্ণ প্ৰাকৃতিক নীতিৰ দ্বাৰা প্ৰভাৱিত; যিবোৰৰ ভিত্তি অতি সৰল আৰু অপৰিৱৰ্তনীয় প্ৰকৃতিৰ। সমাজবিজ্ঞানে এনে সকলোবোৰ দিশৰে পুংখানুপুংখ বিচাৰ-বিশ্লেষণ আগবঢ়ায়। প্ৰকৃতিৰ, দিশৰ পৰা এনে বিজ্ঞান দ্ব্যৰ্থক স্বৰূপৰ। অৰ্থাৎ এফালে ই সমাজৰ বিষয়ে প্ৰণালীবদ্ধ অধ্যয়ন চলায় আৰু আনফালে ব্যক্তি, অৰ্থাৎ মানুহৰ জীৱন সম্পৰ্কেও সমাজবিজ্ঞানে পুংখানুপুংখ বিচাৰ-বিশ্লেষণ আগবঢ়ায়।

এনেবোৰ দিশৰ উপৰি সমাজবিজ্ঞানে সমাজৰ পৰিৱৰ্তনমূলক চৰিত্ৰৰ ওপৰত প্ৰণালীবদ্ধ অধ্যয়ন চলায় আৰু আনফালে ই সমাজৰ সহজাত স্থিৰতাৰ বিষয়েও অধ্যয়ন কৰে। সামাজিক জীৱন প্ৰক্ৰিয়াত মানৱীয় সম্পৰ্কত থকা সহযোগিতা আৰু দ্বন্দ্ব, প্ৰতিযোগিতা আৰু সমতা, সাৰ্বজনীনতা আৰু ক্ষণস্থায়িত্ব আদি বিশিষ্ট দিশসমূহে সমাজবিজ্ঞানৰ অধ্যয়ন আৰু অনুসন্ধানসমূহ সততে মনোগ্ৰাহী কৰি তোলে আৰু এইবোৰেই সমাজবিজ্ঞানৰ অধ্যয়নৰ ক্ষেত্ৰ আৰু উপাদানসমূহো নিৰ্ধাৰণ কৰে।

পৃথিৱীত মানুহৰ ইতিহাস বৰ দীঘলীয়া। গতিকে মানুহ আৰু মানৱ জাতিৰ বিকাশৰ প্ৰণালীবদ্ধ অধ্যয়নৰ বাবে নৃতাত্ত্বিক বিচাৰ-বিশ্লেষণৰ প্ৰয়োজন। নৃতাত্ত্বিকসকলৰ মতে পৃথিৱীত মানৱ জাতি মঙ্গোলয়েড্, ইউৰোপিঅয়েড্ আৰু নিগ্ৰোয়েড্ এই তিনি মহাজাতিত বিভক্ত। এনে মহাজাতিসমূহৰ পৰাই জাতি-উপজাতিসমূহৰ বিকাশ ঘটিছে। গতিকে ক্ৰমবিৱৰ্তনৰ প্ৰতিটো ধাৰাৰ লগতে বৰ্তমানৰ মানুহৰ গভীৰ সম্পৰ্ক আছে। বিকাশৰ প্ৰতিটো উত্থান-পতনৰ লগত বৰ্তমানৰ মানুহৰ সম্পৰ্ক অতি গভীৰ। বৰ্তমানৰ প্ৰতিজন মানুহৰ মাজত তেওঁৰ পূৰ্বপূৰুষৰ ইতিহাসৰ প্ৰভাৱ আছে। এনে ইতিহাস জৈৱিক তথা সামাজিক। তেওঁৰ বৰ্তমানৰ সমস্যা আৰু অসন্তুষ্টিয়ে নতুন চিন্তা আৰু প্ৰচেষ্টাৰে নতুন জীৱনৰ ভৱিষ্যত প্ৰস্তুতিৰ বাবে তেওঁক প্ৰেৰিত কৰে। এনেকৈয়ে মানুহে তেওঁৰ পৰম্পৰা, ৰীতি-নীতি, অনুষ্ঠান আদিও গঢ় দি লয় আৰু এইবোৰৰ লগত সমাযোজন কৰি সামাজিক জীৱন আগবঢ়াই নিয়ে। অতীতৰ কোনো ৰীতি-পৰম্পৰাই বৰ্তমানৰ মানুহৰ জীৱনৰ কিবা ক্ষতিসাধন কৰিলে মানুহে সেইবোৰৰ পৰিৱৰ্তন আৰু ৰূপান্তৰৰ বাবে নতুন চিন্তা আৰু প্ৰচেষ্টা আৰম্ভ কৰে আৰু লাহে লাহে বাস্তৱ জীৱনত সেইবোৰ প্ৰয়োগ কৰি পুৰণি ৰীতি-নীতি আৰু পৰম্পৰাৰ সংস্কাৰ সাধন কৰি লয়। এনে প্ৰক্ৰিয়াৰে মানুহৰ অতীত আৰু বৰ্তমান জীৱনৰ তুলনামূলক মূল্যায়ন কৰা হয়। মানুহে তেওঁৰ অতীতক গভীৰভাৱে মনত ৰাখে, কাৰণ বৰ্তমান জীৱনৰ প্ৰায়বোৰ ক্ষেত্ৰতে অতীত ইতিহাসৰ গুৰুত্বপূৰ্ণ প্ৰভাৱ থাকে। বৰ্তমানক মানুহে অধিক পৰিমাণে ভাল পায়, মনোনিবেশ কৰে, কাৰণ বৰ্তমানতেই প্ৰতিজন মানুহে জীৱনৰ উপলব্ধি আৰু জীৱন পৰিচালনাৰ সকলো কাৰ্য বাস্তৱায়িত কৰে। সৰল কথাত, বৰ্তমানত মানুহ জীয়াই থাকে। অতীত আৰু বৰ্তমানৰ ভাল-বেয়াৰ তুলনামূলক বিচাৰ-বিশ্লেষণেৰে মানুহে ভৱিষ্যতৰ বাবে নতুন চিন্তা আৰু আদৰ্শৰ পৰিকল্পনা কৰি লয়। গতিকে সমাজবিজ্ঞানে মানুহৰ অস্তিত্বৰ লগত জড়িত সকলো প্ৰশ্ন, সমস্যা

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

আৰু কাৰ্যকলাপৰ প্ৰণালীবদ্ধ বিচাৰ-বিশ্লেষণ আৰু অধ্যয়ন কৰে। এনে অধ্যয়নৰ সহায়ত মানুহৰ জীৱন, সমাজ, সংস্কৃতি, সভ্যতা আদিৰ অস্তিত্বৰ বাস্তৱ সমস্যাৰ বিচাৰ-বিশ্লেষণ কৰি সেইবোৰৰ নিৰাময়ৰ উপায় সম্পৰ্কে মানুহক পথ নিৰ্দেশনা প্ৰদান কৰে।

সমাজ বিজ্ঞানে অকল মানুহৰ ভিন্নদল, সম্প্ৰদায়, ৰীতি-নীতি, পৰম্পৰা আৰু সামাজিক অনুষ্ঠানৰ মাজত সংযোগ সাধনৰ উপায় প্ৰদান কৰাতে ব্যস্ত নাথাকি এইবোৰৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত সম্পৰ্কেও প্ৰণালীবদ্ধ বিচাৰ-বিশ্লেষণ আৰু দিকনিৰ্দেশনা প্ৰদান কৰে।

সমাজবিজ্ঞানৰ প্ৰণালীবদ্ধ ধাৰণা লাভ কৰাৰ বাবে বিশিষ্ট সমাজ বিজ্ঞানীসকলৰ ধ্যান-ধাৰণাসমূহ বিচাৰ-বিশ্লেষণ কৰি চোৱাটো জৰুৰী। *তলত কিছুসংখ্যক সমাজবিজ্ঞানীয়ে আগবঢ়োৱা সংজ্ঞা প্ৰদান কৰা হ'ল ঃ*

। এমিল ডাৰ্কহেইমৰ মতে, "সমাজবিজ্ঞান হৈছে সমষ্টিবাচক বিৰৰণৰ বিজ্ঞান।" (Sociology is the science of collective representation)।

। মেক্স ওৱেবাৰৰ মতে, "সমাজবিজ্ঞান হৈছে সামাজিক কাৰ্যসমূহৰ প্ৰণালীবদ্ধ বৰ্ণনামূলক উপলব্ধিৰ বাবে প্ৰচেষ্টা চলোৱা এটা প্ৰণালীবদ্ধ বিজ্ঞান যাৰ সহায়ত এইবোৰৰ ধাৰা আৰু ফল সম্পৰ্কে মানুহে সাময়িক বৰ্ণনাত উপনীত হ'ব পাৰে। (Sociology is the science which attempts the interpretive understanding of social action in order thereby to arrive at a casusl explanation of its course and results)।

। গিডিংচৰ মতে, "সমাজবিজ্ঞান হৈছে বৈষয়িক কাৰণসমূহৰ লগত সন্মিলিতভাৱে বিৱৰ্তনৰ প্ৰক্ৰিয়াত ক্ৰিয়াৰত হৈ থকা প্ৰক্ৰিয়াৰ সহায়ত সমাজৰ উৎপত্তি, গঠন আৰু ভিন্ন কাৰ্যৰ মূল্যায়নৰ এটা প্ৰক্ৰিয়া (Sociology is an attempt to account for the origin, growth, structure and activities of society by the operation of physical and physical causes working together in the process of evolution)।

। মেকআইভাৰ আৰু পেজৰ মতে, "সমাজবিজ্ঞান হৈছে সামাজিক সম্পৰ্কৰ বিষয়ে, সমাজ বুলি আখ্যা দিয়া জালসদৃশ সম্পৰ্কৰ বিজ্ঞান" (Sociology is about social relationship, the network of relationship we call society)।

সমাজবিজ্ঞান এটা বিশিষ্ট বিজ্ঞান, ইয়াৰ কাম হৈছে ব্যক্তি জীৱন আৰু সামাজিক ঘটনাৱলীৰ বিষয়ে প্ৰণালীবদ্ধভাৱে অন্বেষণ কৰা। মানুহৰ অনুষংগৰ পৰা সৃষ্টি হোৱা বিজ্ঞানসন্মত আৰু পাৰস্পৰিক ক্ৰিয়াৰ প্ৰতি ঐতিহাসিকভাৱে ওচৰ চাপি যোৱাটোৱেই সমাজবিজ্ঞানৰ প্ৰধান কাম। অৱশ্যে মানৱীয় যোগসূত্ৰ আৰু সম্পৰ্কৰ দ্বাৰা প্ৰভাৱিত পাৰস্পৰিক ক্ৰিয়াৰ উপৰি অসামাজিক উপাদানসমূহে প্ৰভাৱিত কৰা মানুহৰ কাৰ্যকলাপ আৰু সম্পৰ্কৰ বিষয়েও সমাজবিজ্ঞানে প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰে। এটা উন্নত আৰু প্ৰগতিশীল জীৱন যাপন

কৰাৰ বাবে প্ৰয়োজন হোৱা মানৱ ইতিহাসৰ জ্ঞান লাভ কৰা, বৰ্তমানৰ সমস্যাসমূহৰ বিচাৰ-বিশ্লেষণ কৰা আৰু ভৱিষ্যতৰ বাবে কাৰ্যপ্ৰণালী স্থিৰ কৰি লোৱাৰ ক্ষেত্ৰত সমাজবিজ্ঞানে জ্ঞানৰ প্ৰধান ধাৰা হিচাপে মানুহক সহায় কৰে।

সমাজবিজ্ঞানৰ বিষয়বস্তুসমূহো সামগ্ৰিক মানৱীয় ধ্যান-ধাৰণা আৰু কাৰ্যকলাপৰ লগত জড়িত হৈ আছে। সমাজৰ বিভিন্ন সমস্যা, সমষ্টিগত আচৰণ, সামাজিক অনুষ্ঠান সমূহ, মানুহৰ সামাজিক অভাৱসমূহৰ সমাজীকীকৰণ, সেইবোৰৰ সন্তুষ্টিৰ বাবে উপায় নিৰ্দেশ কৰা আদিৰ দৰে গুৰুত্বপূৰ্ণ দিশ আৰু কাৰ্যবোৰেই সমাজবিজ্ঞানৰ বিষয়বস্তু। অৱশ্যে সমাজবিজ্ঞান যে অকল মানুহৰ সমাজৰ গুৰুতৰ সমস্যাসমূহৰ লগত জড়িত হৈ থকা বিজ্ঞান তেনে নহয়। মানুহৰ সমাজৰ অথবা সামাজিক জীৱনৰ সৰু-বৰ প্ৰতিটো সমস্যা, যিবোৰৰ লগত মানৱ জীৱনৰ সম্পৰ্ক সংলগ্ন হৈ আছে, সেই সকলোবোৰৰ বিষয়ে সমাজবিজ্ঞানে প্ৰণালীবদ্ধ অধ্যয়ন চলায় আৰু সেইবোৰৰ সমাধানৰ বাবে পথ নিৰ্দেশনা প্ৰদানৰ প্ৰচেষ্টা চলায়।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**আত্মমূল্যায়ন প্ৰশ্ন**

**সমাজবিজ্ঞানৰ অৰ্থ ব্যাখ্যা কৰি সংজ্ঞা প্ৰদান কৰা। ( টা মান শব্দৰ ভিতৰত)।**

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

মানৱ সমাজত প্ৰচলিত হৈ থকা সমাজবিজ্ঞানৰ প্ৰতিটো বিষয়বস্তুৱে ভিন্ ভিন্ বিষয়ক নিজৰ কাৰ্য পৰিসৰৰ অন্তৰ্ভুক্ত কৰি লয়। অৰ্থাৎ এনে প্ৰতিটো বিষয়ে নিজৰ চিন্তা আৰু কাৰ্যৰ একো একোটা এলেকা নিৰ্বাচন কৰি আৰু তেনে নিৰ্দিষ্ট এলেকাৰ লগত সংলগ্ন হৈ থাকে। উদাহৰণস্বৰূপে শিক্ষাৰ কথা ক'ব পাৰি। সমাজবিজ্ঞানৰ এটা বিষয় হিচাপে শিক্ষাৰ কাম হৈছে মানুহৰ জীৱন, সভ্যতা আৰু সংস্কৃতিৰ ৰূপান্তৰ আৰু প্ৰগতিৰ বাবে দিক নিৰ্দেশনা প্ৰদান কৰা। সমাজে নিজৰ লক্ষ্য আৰু উদ্দেশ্য পূৰণৰ বাবে পূৰ্বৱৰ্তীভাৱে দৰ্শনৰ আশ্ৰয়ত স্থিৰ কৰি দিয়া লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখিয়ে শিক্ষাই নিজৰ এলেকাৰ ভিতৰত কাৰ্য সম্পাদন কৰে। কিন্তু সমাজবিজ্ঞানৰ ক্ষেত্ৰত এনে হোৱা দেখা নাযায়। সমাজবিজ্ঞানৰ কাম হৈছে মানুহৰ জীৱনৰ সামগ্ৰিক দিশ অন্তৰ্ভুক্ত কৰি কাৰ্য সম্পাদন কৰা। অৰ্থাৎ সমাজবিজ্ঞানে মানুহৰ জীৱনৰ সকলোবোৰ দিশেই নিজৰ কাৰ্য পৰিসৰৰ অন্তৰ্ভুক্ত কৰি বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰে। সৰল ভাষাত মানুহৰ সমাজ সম্পৰ্কে প্ৰণালীবদ্ধ বৰ্ণনা আৰু ব্যাখ্যা প্ৰদান কৰি সামগ্ৰিক সমাজৰ সকলোদিশ পুংখানুপুংখভাৱে বিচাৰ-বিশ্লেষণ কৰা বিজ্ঞানকেই সমাজবিজ্ঞান বুলি ক'ব পাৰি।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

## ৫.৩ শিক্ষা আৰু সমাজবিজ্ঞান (Education and Sociology) ঃ

শিক্ষা আৰু সমাজবিজ্ঞানৰ মাজত থকা অন্তৰ্নিহিত যোগসূত্ৰ উপলব্ধি নকৰাকৈ সভ্যতাৰ বিকাশ সাধন প্ৰক্ৰিয়াক প্ৰণালীবদ্ধভাৱে আগবঢ়াই নিয়াটো কঠিন। ব্যক্তি আৰু সমাজৰ স্বাৰ্থতেই এনে যোগসূত্ৰ উপলব্ধি কৰাটো অতিকৈ গুৰুত্বপূৰ্ণ। পূৰ্বতে শিক্ষা আৰু সমাজবিজ্ঞানৰ মাজত থকা যোগসূত্ৰ অতি প্ৰণালীবদ্ধভাৱে মানুহে উপলব্ধি কৰিব পৰা নাছিল। সাম্প্ৰতিক কালত এই দুয়োটা বিষয় অতি গভীৰভাৱে সাঙোৰ খাই পৰিছে, আৰু মানুহে শিক্ষা আৰু সমাজবিজ্ঞানৰ মাজৰ অন্তৰ্নিহিত অৰ্থ উপলব্ধিৰ বাবে গভীৰভাৱে প্ৰচেষ্টা চলাইছে।

শিক্ষাৰ দাৰ্শনিক অথবা তাত্ত্বিক বিশ্লেষণসমূহ অনুধাৱন কৰিলে আমি দেখা পাও যে পুৰণি কালত সমাজৰ লগত কোনো ধৰণৰ যোগসূত্ৰ নৰখাকৈ একমাত্ৰ ব্যক্তিৰ স্বাৰ্থৰ কথা মনত ৰাখি শিক্ষাৰ সংজ্ঞা প্ৰদানৰ প্ৰচেষ্টা চলোৱা হৈছিল। এনে প্ৰক্ৰিয়াত ব্যক্তিৰ নিজস্ব প্ৰতিভা আৰু স্বাৰ্থক অগ্ৰাধিকাৰ দিয়া হৈছিল। সাম্প্ৰতিক কালত এনে ধ্যান-ধাৰণা বিশুদ্ধ নহয় বুলি মানুহে উপলব্ধি কৰিব পাৰিছে।

শিক্ষাক একমাত্ৰ ব্যক্তিৰ স্বাৰ্থত পৰিচালিত কৰাটো সম্ভৱ নহয়। কাৰণ ব্যক্তিৰ জন্ম হয় সমাজত আৰু ব্যক্তিৰ বিকাশৰ সকলো কথাই বিভিন্ন প্ৰকাৰৰ সামাজিক অনুষ্ঠানৰ মাজেৰেহে সম্ভৱ হৈ উঠে।

বিশেষজ্ঞসকলৰ দৃষ্টিভংগীত সমাজৰ সহায় নোহোৱাকৈ ব্যক্তিৰ কোনো ভৱিষ্যৎ থাকিব নোৱাৰে। এনে দৃষ্টিভংগীৰ ফালৰ পৰা সমাজৰ স্বাৰ্থৰ কথা অবজ্ঞা কৰি একমাত্ৰ ব্যক্তিস্বাৰ্থৰ ওপৰত প্ৰাধান্য প্ৰদান কৰি শিক্ষাৰ কথা ভবাটো পক্ষপাতিত্বৰ পৰিচায়ক হ'ব, যিটো সকলোৰে বাবে অতি ক্ষতিকাৰক। গতিকে ব্যক্তি আৰু সমাজ উভয়ৰে স্বাৰ্থৰ প্ৰতি নজৰ ৰাখিহে শিক্ষাৰ বিষয়ে চিন্তা কৰা উচিত। এনে দৃষ্টিভংগীৰ পৰা শিক্ষা আৰু সামাজবিজ্ঞানৰ মাজত এৰাব নোৱাৰা সম্পৰ্ক থকা বুলি ক'ব পাৰি। এক কথাত সমাজবিজ্ঞান আৰু শিক্ষা একেটা মুদ্ৰাৰে দুটা পিঠি স্বৰূপ। সমাজবিজ্ঞানৰ ধ্যান-ধাৰণাই শিক্ষাৰ ধ্যান-ধাৰণাসমূহ নিৰ্ধাৰিত কৰে আৰু শিক্ষাৰ ধ্যান-ধাৰণাই সমাজবিজ্ঞানৰ গতি নিৰূপণ কৰে। অৰ্থাৎ শিক্ষাৰ সমাজবিজ্ঞান বুলি কোৱা কথাষাৰৰ দ্বাৰা সমাজবিজ্ঞান আৰু শিক্ষাৰ মাজত থকা ঘনিষ্ঠ যোগসূত্ৰৰ কথাকে সূচোৱা হয়।

আমাৰ জীৱন অভিজ্ঞতাৰ পৰা সহজে অনুমান কৰিব পাৰো যে শিক্ষা আৰু সমাজৰ মাজত অতি ওচৰ সম্বন্ধ আছে। এনে সম্বন্ধৰ বিষয়ে প্ৰণালীবদ্ধভাৱে বিচাৰ-বিশ্লেষণ আৰু অধ্যয়ন কৰা বিজ্ঞানকেই সৰলভাৱে শিক্ষাৰ সমাজবিজ্ঞান (Sociology of Education) বুলি অভিহিত কৰিব পাৰি।

## ৫.৪ শৈক্ষিক সমাজবিজ্ঞান (Educational Sociology) ঃ

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

শৈক্ষিক সমাজবিজ্ঞান অথবা শিক্ষা সমাজবিজ্ঞান (Educational Sociology) সমাজ বিজ্ঞানৰ এটা বিশেষ শাখা। সমাজবিজ্ঞানৰ এই শাখাটোক নতুনকৈ জন্ম পোৱা শাখা হিচাপে অভিহিত কৰিব পাৰি। মানুহৰ সমাজ জীৱনত শিক্ষা প্ৰক্ৰিয়াৰ আৰম্ভণিৰ লগে লগে শিক্ষা সমাজবিজ্ঞানৰ জন্ম হোৱা বুলি ক'ব পাৰি। এনেবোৰ দৃষ্টিভংগীৰ ফালৰ পৰা শিক্ষা সমাজবিজ্ঞানক মানুহৰ সমাজ জীৱনৰ বিকাশৰ এটা নিৰ্দিষ্ট স্তৰত সৃষ্টি হোৱা সমাজবিজ্ঞানৰ এটা আধুনিক শাখা হিচাপে গণ্য কৰা হৈছে।

শিক্ষা সমাজবিজ্ঞানৰ কাম হৈছে সমাজৰ লগত সম্পৰ্ক ৰক্ষা কৰি শিক্ষাৰ বিভিন্ন দিশৰ বিষয়ে প্ৰণালীবদ্ধ অধ্যয়ন চলোৱা। অৰ্থাৎ সমাজবিজ্ঞানৰ যি শাখাটোৱে মানুহৰ সমাজ জীৱনৰ বিকাশৰ লগত গভীৰভাৱে জড়িত হৈ থকা শিক্ষা প্ৰক্ৰিয়াৰ বিষয়ে সামাজিক দৃষ্টিকোণ অনুসৰি প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰে, তাকেই শিক্ষা সমাজ বিজ্ঞান বুলি অভিহিত কৰিব পাৰি। শিক্ষাৰ ক্ষেত্ৰত, বিশেষকৈ শিক্ষকসকলৰ শিক্ষাৰ ক্ষেত্ৰত শিক্ষা সমাজ বিজ্ঞান বুলি অভিহিত কৰা বিষয়বস্তু চনত হেনৰি চুজালোৰ (Henry Suzzallo) দ্বাৰা আগবঢ়াই দিয়া বুলি ধাৰণা কৰা হয়। শিক্ষাৰ ক্ষেত্ৰত এনে বিষয় অন্তৰ্ভুক্ত কৰাৰ প্ৰাৰম্ভিক অৱস্থাত ইয়াৰ বিষয়বস্তু সম্পৰ্কে বিশেষজ্ঞসকলৰ মনত নানা খেলিমেলিৰ সৃষ্টি হৈছিল। কিন্তু সময়ৰ অগ্ৰগতিৰ লগে লগে এনে খেলিমেলি লাহে লাহে আঁতৰ কৰি শিক্ষা সমাজবিজ্ঞানৰ বিষয়বস্তু আৰু কাৰ্য পৰিসৰ প্ৰণালীবদ্ধভাৱে সূত্ৰায়িত কৰি তোলা হৈছে।

শিক্ষা সমাজবিজ্ঞানৰ লগত হেন্‌ৰি চুজালোৰ উপৰি, পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ আন বহুতো সমাজ বিজ্ঞানীৰ নাম জড়িত হৈ আছে। এইক্ষেত্ৰত মূলত জৰ্জ পেইন, জন ডিউই, ডেভিড স্নেডেন, চি. চি. পেটাৰচ্, ফ্ৰেডেৰিক ই বলটন, লয়েড এলেন কুক, উইলাৰ্ড ওৱালাৰ, জৰ্জ কাউনটচ্, এলিচন ডেভিচ, হিডা টাবা, হেভিগ হাৰ্ষ্ট, ডলাৰ্ড স্লেভচন, হেলেন জেনিংচ্ (George Payne, John Dewey, David Snedden, C. C. Peters, Frederik E. Bolton, Lioyed Allen Cook, Willard Waller, George Counts, Allison Davis, Hida Taba, Havig Hurst, Dollard Slavson, Helen Jennings) আদিৰ নাম বিশেষভাৱে উল্লেখযোগ্য। এওঁলোকৰ উপৰি আমেৰিকা যুক্তৰাষ্ট্ৰত ৰ'চ ফিনে, ফ্ৰাঞ্চত ডুৰ্কহেইম, জাৰ্মানীত মেক্স ওৱেবাৰ, ডব্লিউ ও লেচ্‌টাৰ স্মিথ, কাৰ্ল মানহেইম, চাৰ ফ্ৰেড ক্লাৰ্ক আৰু ওটোৱে (Ross Finney, Durkheim, Max Weber, W. O. Lester Smith, Karl Mannheim, Sir Fred Clarke and Ottoway), শিক্ষা সমাজবিজ্ঞান সম্পৰ্কে নানা ধৰণৰ নতুন ধ্যান-ধাৰণা আৰু দৃষ্টিভংগী দাঙি ধৰে। এইসকল সমাজবিজ্ঞানীৰ ভিতৰত জৰ্জ পেইন আৰু জ'ন ডিউই শিক্ষা সমাজবিজ্ঞান সম্পৰ্কীয় চিন্তা-চৰ্চাৰ অগ্ৰদূত হিচাপে চিহ্নিত হৈ আছে। শিক্ষা সমাজবিজ্ঞান সম্পৰ্কত এওঁলোকে আগবঢ়োৱা নতুন চিন্তা আৰু দৃষ্টিভংগীয়ে এওঁলোকক সকলোবোৰ সমাজবিজ্ঞানীৰ ভিতৰত আগস্থান

| শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই |
| --- |
| |

প্ৰদান কৰিছে। কৰ্ম আৰু নতুন দৃষ্টিভংগীৰ দিশ অনুসৰণ কৰি আধুনিক চিন্তাবিদসকলে জৰ্জ পেইনক শিক্ষা সমাজবিজ্ঞানৰ পিতৃ (Father of Educational Sociology) হিচাপে চিহ্নিত কৰিছে। পেইনে সমাজ বিজ্ঞানৰ বিভিন্ন নীতি আৰু প্ৰয়োজনীয়

দৃষ্টিভংগী অনুসৰণ কৰি সামগ্ৰিক শিক্ষা প্ৰক্ৰিয়াৰ নীতি নিৰ্ধাৰণৰ সপক্ষে মত দাঙি ধৰিছিল। পেইনৰ মতে শিক্ষাৰ মূল লক্ষ্য মানুহৰ ব্যক্তিত্বৰ বিকাশ আৰু আচৰণৰ সংস্কাৰ সাধন প্ৰক্ৰিয়াক, ভালদৰে উপলব্ধি কৰাৰ বাবে সমাজবিজ্ঞানৰ নীতিসমূহ উপলব্ধি কৰাটো অতিকৈ প্ৰয়োজন। কাৰণ এনে বিকাশ প্ৰক্ৰিয়াত সামাজিক অথবা সমাজবিজ্ঞানসন্মত শক্তিসমূহৰ প্ৰভাৱ অতি গুৰুত্বপূৰ্ণ। যিহেতু ব্যক্তিৰ ব্যক্তিত্ব বিকাশৰ প্ৰক্ৰিয়া বিভিন্ন ব্যক্তিৰ মাজত সাধিত হোৱা পাৰস্পৰিক ক্ৰিয়া আৰু সামাজিক পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱৰ মাজেৰেহে সম্ভৱ হৈ উঠে; গতিকে ব্যক্তিত্ব বিকাশৰ বাবে অথবা আচৰণৰ সংস্কাৰ সাধন কৰাৰ বাবে সমাজ বিজ্ঞানৰ অধ্যয়ন নিতান্তই প্ৰয়োজনীয়। মানুহৰ সামাজিক সম্পৰ্ক উপলব্ধি কৰি শিক্ষা পদ্ধতিৰ বিৱৰ্তনত ইয়াক গুৰুত্বপূৰ্ণ স্থান প্ৰদান কৰাৰ সপক্ষে পেইনে মত প্ৰকাশ কৰে। তেওঁৰ মতে এনে প্ৰক্ৰিয়াইহে শিক্ষাক সামাজিক নিয়ন্ত্ৰণৰ উপায় হিচাপে উপলব্ধি কৰাৰ ক্ষেত্ৰত উপযুক্তভাৱে সহায় কৰিব পাৰে।

শিক্ষা সমাজবিজ্ঞানৰ ধ্যান-ধাৰণাক প্ৰণালীবদ্ধভাৱে আগবঢ়াই নিয়াৰ বাবে পেইন (Payne) আৰু ডিউইয়ে (Dewey) বিভিন্ন গুৰুত্বপূৰ্ণ কাৰ্য হাতত লয়। পাইনে সমাজ বিজ্ঞানৰ ধাৰণাক আগবঢ়াই নিয়াৰ বাবে শৈক্ষিক সমাজ বিজ্ঞানৰ অধ্যয়নৰ স্বাৰ্থত জাতীয় সমাজ (National Society) সংগঠিত কৰি তোলে। ইয়াৰ উপৰি তেওঁ নিজৰ সম্পাদনাত 'The Journal of Educational Sociology' প্ৰকাশ কৰি উলিয়ায়। এই মহান সমাজবিজ্ঞানী গৰাকীয়ে চনত 'The Principles of Educational Sociology' নামৰ বিখ্যাত গ্ৰন্থখনো প্ৰকাশ কৰি উলিয়ায়। এই গ্ৰন্থখনতে তেওঁ দলগত জীৱনত (Group life) শিক্ষণৰ প্ৰভাৱ আৰু একে প্ৰক্ৰিয়াৰে শিক্ষণৰ ওপৰত দলগত জীৱনৰ প্ৰভাৱ সম্পৰ্কে সুন্দৰ বৰ্ণনা দাঙি ধৰে। এই মহান গ্ৰন্থখনৰ মাজেৰে তেওঁ শিক্ষা আৰু মানুহৰ সমাজ জীৱনৰ নানা দিশৰ মাজত থকা গভীৰ সম্পৰ্কৰ বিষয়ে পুংখানুপুংখ বৰ্ণনা দাঙি ধৰে।

পাইনৰ (Payne) উপৰি মহান দাৰ্শনিক শিক্ষাবিদ আৰু সমাজবিজ্ঞানী জন ডিউইয়ে শৈক্ষিক সমাজবিজ্ঞানৰ ধাৰণাক জনপ্ৰিয় কৰি তোলাৰ বাবে নানা ধৰণৰ কাৰ্য পদক্ষেপ হাতত লয়। সমাজবিজ্ঞানৰ ধাৰণাক জনমানসত সুন্দৰভাৱে প্ৰতিষ্ঠা কৰাৰ বাবে ডিউইয়ে তেওঁৰ মহান গ্ৰন্থ 'The School and Society' আৰু 'Democracy and Education' -ৰ দ্বাৰা বিশেষভাৱে প্ৰচেষ্টা চলায়। এইগৰাকী মহান শিক্ষা দাৰ্শনিকৰ মতে শিক্ষা প্ৰক্ৰিয়াৰ দুটা বিশিষ্ট দিশ আছে। ইয়াৰ ভিতৰত প্ৰথম দিশটো হৈছে মনোবৈজ্ঞানীক (Psychological) আৰু দ্বিতীয় দিশটো হৈছে সমাজ বিজ্ঞানসন্মত (Sociological)। ইয়াৰ ভিতৰত দ্বিতীয় দিশটোৰ ওপৰত তেওঁ বিশেষ প্ৰাধান্য প্ৰদান কৰি মন্তব্য কৰিছিল, "All education

proceeds by the participation of the individual in the social consciousness of the race."

পৃথিৱীৰ অন্যান্য ক্ষেত্ৰৰ দৰে ভাৰতবৰ্ষতো প্ৰাচীন আৰু মধ্যযুগীয় সময়ৰ শিক্ষা প্ৰক্ৰিয়াত সমাজবিজ্ঞানৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছিল। শিক্ষা প্ৰক্ৰিয়াৰ মাজেৰে মানুহৰ সমাজ জীৱনৰ সমস্যাসমূহ সমাধা কৰাৰ গভীৰ প্ৰচেষ্টা চলোৱা হৈছিল সেই সময়ত। দুৰ্ভাগ্যবশত ব্ৰিটিছ যুগৰ শিক্ষা প্ৰক্ৰিয়াই আমাৰ দেশত এনে স্পৃহা দুৰ্বল কৰি তোলে। শাসকসকলৰ সাম্ৰাজ্য ৰক্ষা কৰাৰ স্বাৰ্থত ব্ৰিটিছ শিক্ষা ব্যৱস্থাৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ নিৰ্ণীত হোৱাত ভাৰতীয় সমাজ জীৱনৰ স্বাৰ্থসমূহ এনে শিক্ষা প্ৰক্ৰিয়াত কম দৰকাৰী হিচাপে বিবেচিত হয়।

স্বাধীনতাৰ পৰৱৰ্তীকালত ভাৰতীয় সমাজৰ পুনৰ গঠনৰ বাবে শিক্ষা আৰু সমাজবিজ্ঞানৰ মাজত গভীৰ সম্পৰ্ক স্থাপনৰ কথা পুনঃ নতুন দৃষ্টিভংগীৰে উপলব্ধি কৰা হয়। এই ক্ষেত্ৰত বিশ্ববিদ্যালয় আয়োগৰ পৰা আৰম্ভ কৰি নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিলৈকে সমাজবিজ্ঞান আৰু শিক্ষা বিজ্ঞানৰ মাজত গভীৰ যোগসূত্ৰ ৰক্ষা কৰি শিক্ষা আৰু সমাজক আগবঢ়াই নিয়াৰ বাবে নানা পৰামৰ্শ আগবঢ়োৱা হয়। ১৯৬৪-৬৬ চনৰ কোঠাৰী আয়োগৰ দৃষ্টিভংগী অনুধাৱন কৰিলে এই কথা সুন্দৰভাৱে উপলব্ধি কৰিব পাৰি। এই আয়োগৰ মতে, "The destiny of India is now being shaped in her classrooms।"

শৈক্ষিক অথবা শিক্ষা সমাজবিজ্ঞানৰ এনেবোৰ ঐতিহাসিক পৰিপ্ৰেক্ষিত অনুধাবন কৰি মানুহৰ সমাজ জীৱনৰ বিকাশ আৰু প্ৰগতিত ইয়াৰ গুৰুত্বৰ বিষয়ে আমি সহজে উপলব্ধি কৰিব পাৰোঁ। অৱশ্যে এনে গুৰুত্ব উপলব্ধিৰ বাবে ইয়াৰ বিজ্ঞানসন্মত সংজ্ঞা নিৰ্ণয় কৰাটো অতি প্ৰয়োজন। তলত কিছুসংখ্যক শিক্ষা সমাজবিজ্ঞানীয়ে শৈক্ষিক সমাজ বিজ্ঞান সম্পৰ্কত আগবঢ়োৱা সংজ্ঞাৰ বিষয়ে উল্লেখ কৰা হ'লঃ

প্ৰখ্যাত সমাজবিজ্ঞানী ব্ৰাউনৰ (Brown) মতে, "সমাজৰ অন্যান্য ব্যক্তিসকল, সামাজিক দলসমূহ আৰু আচৰণৰ প্ৰক্ৰিয়াসমূহক অন্তৰ্ভুক্ত কৰি ব্যক্তি আৰু তেওঁৰ সাংস্কৃতিক পাৰিপাৰ্শ্বিকতাৰ মাজত পাৰস্পৰিক ক্ৰিয়াৰ বিষয়ে চলোৱা অধ্যয়নকে শৈক্ষিক অথবা শিক্ষা সমাজবিজ্ঞান বুলি কোৱা হয়।" (Educational Sociology is the study of the interaction of the individual and his cultural environment including other individuals, social groups and patterns of behaviour)। তেওঁৰ মতে, ব্যক্তিয়ে এনে পাৰস্পৰিক ক্ৰিয়াৰ মাজেৰেই এজন মানুহ হিচাপে পৰিগণিত হৈ উঠে।

ওটোৱেৰ মতে, "এজন বৰ্ধনশীল শিশুৰ ওপৰত সামাজিক পৰিৱেশৰ প্ৰভাৱসমূহৰ লগতেই শিক্ষাৰ সমাজবিজ্ঞান বিশেষভাৱে জড়িত" (Sociology of Education is specially concerned with the influences of the social environment on the growing child)। ওটোৱেৰ মতে, শৈক্ষিক সমাজবিজ্ঞান কিছুসংখ্যক বিশেষভাৱে

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

সত্য বুলি ধৰি লোৱা ধাৰণাৰ ওপৰত নিৰ্ভৰশীল হৈ আগবাঢ়ি যায়। অৰ্থাৎ শিক্ষা সমাজবিজ্ঞানে ধৰি লয় যে, 'শিক্ষা হৈছে এটা বিশেষ কাৰ্য যিটো সমাজত প্ৰচলিত হৈ থাকে, আৰু ইয়াৰ লক্ষ্য আৰু উদ্ধৃতিসমূহ সাধাৰণতে নিৰ্দিষ্ট সমাজখনৰ নিজস্ব প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। সৰল অৰ্থত, শৈক্ষিক সমাজবিজ্ঞানে এখন নিৰ্দিষ্ট সমাজত প্ৰচলিত হৈ থকা শিক্ষা প্ৰক্ৰিয়াৰ শৈক্ষিক লক্ষ্য, পদ্ধতি, অনুষ্ঠান, প্ৰশাসন আদিৰ বিষয়ে সমাজখনৰ অৰ্থনৈতিক, ৰাজনৈতিক, ধৰ্ম্মীয়, সামাজিক, সাংস্কৃতিক আদি শক্তিসমূহৰ লগত সম্পৰ্ক ৰক্ষা কৰি প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰে। ব্যক্তিৰ শিক্ষাৰ ক্ষেত্ৰত সমাজখনৰ সামাজিক জীৱন আৰু সামাজিক সম্পৰ্কৰ প্ৰভাৱৰ দ্বাৰা ব্যক্তিত্বৰ বিকাশৰ দিশসমূহো শৈক্ষিক সমাজ বিজ্ঞানে গুৰুত্বপূৰ্ণভাৱে বিবেচনা কৰে। ওটোৱেৰ মতে এজন শিশুৰ বিকাশৰ দিশসমূহ তেওঁৰ সমাজখনৰ লগত আৰু সমাজখনৰ সংস্কৃতিৰ লগত সম্পৰ্ক ৰক্ষা কৰিহে চিন্তা কৰা উচিত।

**আত্মমূল্যায়ন প্ৰশ্ন**

**শৈক্ষিক সমাজবিজ্ঞানৰ ব্যাখ্যা কি ভাৱে দিব পাৰি? (      টা মান শব্দৰ ভিতৰত)।**

..........................................................................................................

..........................................................................................................

..........................................................................................................

সামগ্ৰিক দৃষ্টিভংগীত শৈক্ষিক সমাজ বিজ্ঞান হৈছে, সমাজ বিজ্ঞানৰ শৈক্ষিক প্ৰক্ৰিয়াৰ বাবে গুৰুত্বপূৰ্ণ দিশসমূহৰ বিষয়ে প্ৰণালীবদ্ধ অধ্যয়ন। অৰ্থাৎ সমাজবিজ্ঞানৰ যিবোৰ দিশে এজন ব্যক্তিৰ শিক্ষণ প্ৰক্ৰিয়া অথবা শিক্ষণৰ অৱস্থাসমূহ প্ৰভাৱিত আৰু নিয়ন্ত্ৰিত কৰে সেইবোৰৰ বিষয়ে শৈক্ষিক সমাজবিজ্ঞান অথবা শিক্ষাৰ সমাজবিজ্ঞানে প্ৰণালীবদ্ধভাৱে আলোচনা কৰে।

## ৫.৫ শৈক্ষিক সমাজবিজ্ঞানৰ পৰিসৰ (Scope of Educational Sociology) ঃ

শৈক্ষিক সমাজ বিজ্ঞানৰ পৰিসৰ বুলি ক'লে আমি সাধাৰণতে শৈক্ষিক সমাজবিজ্ঞানৰ কৰ্মক্ষেত্ৰ আৰু কাৰ্য পৰিচালনাৰ লগত গভীৰভাৱে জড়িত উপাদানসমূহৰ কথাকেই বুজি পাওঁ। শৈক্ষিক সমাজবিজ্ঞানৰ পৰিসৰে সাধাৰণতে শিক্ষাৰ সম্পৰ্ক থকা নানা ধৰণৰ সামাজিক শক্তি আৰু উপাদানক অন্তৰ্ভুক্ত কৰি লয়। এনে ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য দিশটো হৈছে সংস্কৃতি। অৰ্থাৎ মানুহৰ সাংস্কৃতিক ৰীতি-পৰম্পৰা কেনেকৈ এটা পুৰুষৰ পৰা আন এটা পুৰুষলৈ, এখন সমাজৰ পৰা আন এখন সমাজলৈ হস্তান্তৰিত হয় সেই বিষয়ে প্ৰণালীবদ্ধ বিচাৰ-বিশ্লেষণ কৰাটো শিক্ষা সমাজবিজ্ঞানৰ বিশেষ দায়িত্ব। এই ক্ষেত্ৰত নানা ধৰণৰ আহিলা, যেনে— বিদ্যালয়, পৰিয়াল বা গৃহ,

ধৰ্মীয় সংগঠন, খেলা ধূলা আদিৰ বিভিন্ন দল, আদিৰ কাৰ্য তথা ভূমিকাৰ বিষয়ে প্ৰণালীবদ্ধ অধ্যয়নৰ বাবে এইবোৰ, শৈক্ষিক সমাজবিজ্ঞানে নিজৰ পৰিসৰৰ অন্তৰ্ভুক্ত কৰি লয়। সামাজিক পাৰস্পৰিক ক্ৰিয়াৰ মাজেৰে কেনেকৈ সমাজীকীকৰণ প্ৰক্ৰিয়া অগ্ৰসৰ হয়; সামগ্ৰিক পাৰস্পৰিক ক্ৰিয়া যেনে— প্ৰতিযোগিতা, দ্বন্দ্ব বা সংঘাত, সহযোগিতা, উপযোজন আৰু সদৃশীকৰণ (accomodation and assimilation) আদিয়ে কেনেধৰণে এই ক্ষেত্ৰত ক্ৰিয়া কৰে এইবোৰৰ বিষয়ে শিক্ষা সমাজবিজ্ঞানে বিস্তাৰিত অধ্যয়ন চলোৱাৰ প্ৰচেষ্টা কৰে। ইয়াৰোপৰি মানুহৰ সামাজিক জীৱনৰ ৰূপান্তৰ আৰু পৰিৱৰ্তনৰ লগত গভীৰভাৱে সাঙোৰ খাই থকা বিশেষ কিছুমান আহিলা, যেনে— মুদ্ৰণ ও প্ৰকাশন অৰ্থাৎ সংবাদ পত্ৰ, ৰেডিঅ' অথবা অনাতাৰ যন্ত্ৰ, চিনেমা বা কথাছবি, দূৰদৰ্শন, কম্পিউটাৰ, ইন্টাৰনেট, (Press, Radio, Cinema, Television, Computer, Internet) আদিয়ে সামাজিক পাৰস্পৰিক ক্ৰিয়া আৰু যোগাযোগৰ মাধ্যম হিচাপে কেনেকৈ ক্ৰিয়া কৰে সেই বিষয়েও শিক্ষা সমাজবিজ্ঞানে বিস্তাৰিতভাৱে আলোকপাত কৰে। সমাজ পৰিৱৰ্তনৰ উপায় হিচাপে শিক্ষা আৰু সামাজিক নিয়ন্ত্ৰণত শিক্ষাৰ ভূমিকা শীৰ্ষক বিষয়সমূহো শিক্ষা সমাজ বিজ্ঞানৰ পৰিসৰৰ অন্তৰ্ভুক্ত হৈ আছে। সমাজ বিজ্ঞানসন্মত চিন্তা-চৰ্চাসমূহে শিক্ষাৰ লক্ষ্য আৰু কাৰ্য প্ৰণালীৰ ওপৰত কি ধৰণে প্ৰভাৱ বিস্তাৰ কৰে, শিক্ষাৰ পাঠ্যক্ৰম, বিদ্যালয়ৰ সংগঠন আৰু শিকোৱাৰ পদ্ধতিসমূহত কি ধৰণে প্ৰভাৱ পেলায় সেই সম্পৰ্কে শিক্ষা সমাজ বিজ্ঞানে বহলাই আলোচনা কৰে। এইবোৰৰ উপৰি শিক্ষা সমাজবিজ্ঞানৰ কেন্দ্ৰীয় আলোচ্য বিষয় হৈছে মানুহৰ সকলো প্ৰকাৰৰ সামাজিক সম্পৰ্ক আৰু সেইবোৰে শিকাৰুসকলৰ ব্যক্তিত্ব বিকাশৰ প্ৰক্ৰিয়াক কি ধৰণেৰে প্ৰভাৱিত কৰে সেই সম্পৰ্কে প্ৰণালীবদ্ধভাৱে আলোচনা আগবঢ়োৱা।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

## ৫.৬ সমাজবিজ্ঞান আৰু শৈক্ষিক সমাজবিজ্ঞানৰ পাৰ্থক্য (Difference between Sociology and Educational Sociology) ঃ

সমাজবিজ্ঞান আৰু শিক্ষা সমাজবিজ্ঞানৰ পাৰ্থক্য নিৰ্ণয় কৰাৰ বাবে দুয়োটা বিষয়ৰ নিজস্ব বিশেষত্ব অথবা স্বৰূপ নিৰ্ণয় কৰাটো অতি প্ৰয়োজন। প্ৰখ্যাত ফৰাচী দাৰ্শনিক অগষ্ট কোঁটে (Auguste Comte) চনত তেওঁৰ বিভিন্ন ধৰণৰ বক্তৃতাত প্ৰথমে 'সমাজ বিজ্ঞান' (Sociology) শব্দটো ব্যৱহাৰ কৰিছিল। এইগৰাকী মহান দাৰ্শনিকে দৰ্শনৰ ক্ষেত্ৰত বিশেষ ধৰণৰ দৃষ্টিভংগীৰ প্ৰতিষ্ঠা কৰিছিল। কোঁটেৰ এনে দৃষ্টিভংগীক 'পজিটিভ ফিলোচ্ফি অথবা পজিটিভিজিম' (Positive Philosophy or Positivism) বুলি কোৱা হৈছিল। পৰৱৰ্তী কালত কোঁটে তেওঁৰ এনে দৃষ্টিভংগীক তেওঁৰ মহান গ্ৰন্থ 'Course de Philosophic Pisitive'- ত অন্তৰ্ভুক্ত কৰি ইয়াৰ বহল ব্যাখ্যা দাঙি ধৰাৰ প্ৰয়াস কৰিছিল। কোঁটে মূলতঃ মানুহৰ প্ৰকৃতি আৰু সমাজৰ বিষয়ে অধ্যয়ন কৰাৰ বাবে বিজ্ঞানসন্মত পদ্ধতিৰ বৰ্ণনা প্ৰদানৰ কাৰনে 'সমাজবিজ্ঞান' শব্দটোৰ

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

ব্যৱহাৰ কৰিছিল। তেওঁ ধাৰণা কৰি লৈছিল যে সমাজবিজ্ঞান হৈছে এটা মৌলিক বিজ্ঞান, কাৰণ অনুসন্ধানমূলক অধ্যয়নৰ বাবে ইয়াৰ এটা বাস্তৱ পদ্ধতি আছিল। কোঁটে এখোপ আগবাঢ়ি গৈ বিজ্ঞানৰ সম্প্ৰদায়ৰ অতি উচ্চস্তৰত সমাজ বিজ্ঞানৰ স্থান নিৰূপণ কৰিছিল। কাৰণ তেওঁৰ মতে সমাজবিজ্ঞানে অন্যান্য বিজ্ঞানৰ দৰে মানৱ জাতিৰ বিষয়ে বিভিন্ন তথ্য অতি প্ৰণালীবদ্ধভাৱে সংগ্ৰহ কৰাৰ ক্ষেত্ৰত সমৰ্থ হৈছিল। তেওঁৰ দৃষ্টিভংগীত গণিত শাস্ত্ৰ, জ্যোতিৰ্বিজ্ঞান, পদাৰ্থবিজ্ঞান, ৰসায়নবিজ্ঞান, জীৱবিজ্ঞান আৰু মনোবিজ্ঞানৰ শাৰীৰ শেষ স্থানত সামাজবিজ্ঞানৰ স্থান নিৰূপণ কৰা সম্ভৱ। তেওঁৰ মতে সমাজবিজ্ঞানে সমাজৰ সকলোবোৰ বিষয়বস্তুৰে অন্তৰ্ভুক্ত কৰি লয় যিবোৰ বৰ্ণনা কৰাটো অতি জটিল আৰু কষ্টকৰ।

পৰৱৰ্তী কালত প্ৰখ্যাত ইংৰাজ দাৰ্শনিক হাৰ্বাৰ্ট স্পেনচাৰে চনত তেওঁৰ বিশেষ গ্ৰন্থ 'Principles of Sociology' প্ৰকাশ কৰি এই নতুন বিষয়টোৰ বিকাশত অৰিহণা যোগাইছিল। স্পেনচাৰ মূলত প্ৰখ্যাত সমাজ তথা জীৱবিজ্ঞানী ডাৰউইন, লামাৰ্ক (Darwin, Lamark) আৰু অন্যান্য বিজ্ঞানীসকলৰ দ্বাৰা বৰকৈ প্ৰভাৱিত হৈছিল। এনেবোৰ বিজ্ঞানীৰ চিন্তা-চৰ্চাক অনুসৰণ কৰি হাৰ্বাটে ধাৰণা কৰি লৈছিল যে মানৱ ব্যক্তিসকল আছিল একো একোটা কোষ (Cell) স্বৰূপ আৰু মানুহৰ সমাজ হৈছে একো একোটা প্ৰাণী (Organism) সদৃশ। এটা প্ৰাণী বা জীৱৰ দেহত বিভিন্ন কোষ সমূহে নানাধৰণে ক্ৰিয়া কৰাৰ দৰে মানৱ ব্যক্তিসকলেও সমাজত বিভিন্ন ক্ৰিয়া সম্পাদন কৰে। প্ৰাণীদেহত অন্যান্য কোষসমূহৰ লগত সম্পৰ্ক ৰক্ষা নকৰাকৈ অথবা প্ৰাণীটোৰ লগত গভীৰ বান্ধোন ৰক্ষা নকৰাকৈ যেনেকৈ কোষসমূহে উপযুক্তভাৱে কাম কৰিব নোৱাৰে ঠিক তেনেদৰে অন্যান্য ব্যক্তি আৰু উপাদান আৰু লগতে সামগ্ৰিক সমাজখনৰ লগত সম্পৰ্ক নৰখাকৈ ব্যক্তিয়ে কোনো কাৰ্য সাধন কৰিব নোৱাৰে। গতিকে সমাজবিজ্ঞানৰ কাম হৈছে মানুহ আৰু সমাজৰ মাজত থকা অত্যন্ত ঘনিষ্ঠ যোগসূত্ৰৰ সকলো দিশ পুংখানুপুংখভাৱে অন্বেষণ কৰি মানুহ আৰু সমাজৰ বিকাশৰ প্ৰক্ৰিয়াক প্ৰণালীবদ্ধভাৱে আগবঢ়াই নিয়াৰ নীতি নিৰ্ধাৰণ কৰা।

পৰৱৰ্তী কালত কোঁটে আৰু সমসাময়িক প্ৰখ্যাত সমাজবিজ্ঞানী ফ্ৰেডেৰিক লে প্লে (Frederic Le Play) সমাজৰ সমস্যাসমূহ বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰাৰ বাবে বিজ্ঞানসন্মত আৰু বস্তুনিষ্ঠ পদ্ধতিৰ অৱতাৰণা কৰিছিল। উদাহৰণস্বৰূপে, কোঁটে বস্তুনিষ্ঠ পৰিমাপ হিচাপে বাজেটৰ (Budget) সহায়ত পৰিয়ালৰ দৰে অনুষ্ঠানৰ অধ্যয়ন কৰাৰ প্ৰচেষ্টা চলাইছিল। এনেকৈ উল্লিখিত মহান ব্যক্তিসকলৰ চিন্তা-চৰ্চাৰ আঁত ধৰি পৰৱৰ্তী কালত সমাজবিজ্ঞানৰ দৰে বিষয়টোৱে মানুহৰ সমাজত অতি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিল।

এটা স্বয়ংসম্পূৰ্ণ বিষয় হিচাপে সমাজবিজ্ঞানে মানুহৰ সমাজৰ প্ৰতিটো দিশ আৰু সমস্যাৰে প্ৰণালীবদ্ধ অন্বেষণ চলায়। তাৰোপৰি মানুহৰ সমাজ জীৱনৰ প্ৰগতিৰ বাবে প্ৰয়োজনীয় কাৰ্য পদক্ষেপসমূহৰো দিকনিৰ্দেশনা প্ৰদান কৰে সমাজ বিজ্ঞানে। মুৰে

আৰু কলৰ (Moore and Cole) মতে, সমাজবিজ্ঞানে মানুহৰ বহু একাধিক আচৰণ (Plural behaviour) সম্পৰ্কে আলোচনা কৰে। প্লুৰেল বিহেভিয়াৰ বুলি কোৱা পৰিভাষাৰ দ্বাৰা আনৰ লগত সম্পৰ্ক ৰক্ষা কৰি মানুহে প্ৰকাশ কৰা আচৰণৰ কথা বুজোৱা হৈছে। মানুহে বিভিন্ন ব্যক্তি, বিভিন্ন দল, বিভিন্ন সংগঠনৰ লগত সম্পৰ্ক ৰক্ষা কৰি যিবোৰ আচৰণ প্ৰকাশ কৰে সেয়াই হৈছে তেওঁৰ প্লুৰেল অৰ্থাৎ একাধিক বিহেভিয়াৰ। সমাজত মানুহৰ আচৰণৰ বিচিত্ৰতাৰ প্ৰধান কাৰণ আৰু উদ্দেশ্য সম্পৰ্কে সমাজবিজ্ঞানে বহুল আৰু বিস্তাৰিতভাৱে আলোচনা কৰি সেইবোৰ প্ৰণালীবদ্ধভাৱে আগবঢ়াই নিয়াৰ বাবে পথ নিৰ্দেশনা প্ৰদান কৰে।

সমাজবিজ্ঞানৰ লগত গভীৰভাৱে সাঙোৰ খাই থকা অন্যান্য সমাজবিজ্ঞানী, যেনে— ডানকান, বগাৰডাচ, আৰ এম্ মেকআইভাৰ, পেজ, মেৰিল, এলড্ৰিজ, (Duncan, Bagardus, R. M. MacIver, Page, Merril and Eldridge) আদিয়েও সামাজিক পাৰস্পৰিক ক্ৰিয়া অথবা সামাজিক সম্পৰ্কৰ বিষয়ত সদৃশ ধাৰণা প্ৰকাশ কৰিছে।

সমাজবিজ্ঞানে মানুহৰ সমাজত মানৱীয় বান্ধোন অথবা সম্পৰ্কৰ লগত জৰিত প্ৰতিটো বিষয়কে প্ৰণালীবদ্ধভাৱে বিচাৰ-বিশ্লেষণ কৰে।

অন্যহাতে শিক্ষা সমাজবিজ্ঞান অথবা শৈক্ষিক সমাজবিজ্ঞান হৈছে সমাজবিজ্ঞানৰ এটা বিশেষ শাখাহে মাথোন। শিক্ষা সমাজবিজ্ঞান সমাজবিজ্ঞানৰ এটা উপশাখা স্বৰূপ। সমাজবিজ্ঞানে সমাগ্ৰিকভাৱে মানুহৰ প্লুৰেল বিহেভিয়াৰৰ বিষয়ে অধ্যয়ন কৰে। ই অধ্যয়ন কৰে সামাজিক, পাৰস্পৰিক ক্ৰিয়াৰ বিষয়ে, সামাজিক সংগঠন সমূহৰ বিষয়ে, সামাজিক অনুষ্ঠানসমূহৰ বিষয়ে। ইয়াৰ উপৰি মানুহৰ সমাজত প্ৰচলিত সকলো প্ৰকাৰৰ সংস্কৃতিৰ বিষয়ে সমাজবিজ্ঞানে প্ৰণালীৱদ্ধ আলোচনা দাঙি ধৰে।

অন্যহাতে শিক্ষা অথবা শৈক্ষিক সমাজবিজ্ঞানে সমাজবিজ্ঞানৰ চিন্তা-চৰ্চাসমূহ শিক্ষাৰ জগতত প্ৰণালীবদ্ধভাৱে প্ৰয়োগ কৰাৰ প্ৰচেষ্টা হাতত লয়। মানৱ ব্যক্তিৰ আচৰণৰ পৰিৱৰ্তন সাধন, সমাজীকীকৰণ, ব্যক্তিত্বৰ বিকাশ সাধন আদিৰ বাবে প্ৰয়োজনীয় কাৰ্য প্ৰক্ৰিয়াৰ বাবে শিক্ষা সমাজবিজ্ঞানে দিক নিৰ্দেশনা প্ৰদান কৰে। শিক্ষা সমাজবিজ্ঞানে শিক্ষাক এটা সামাজিক প্ৰক্ৰিয়া হিচাপে গণ্য কৰি শিক্ষাৰ মাজেৰে কেনেকৈ ব্যক্তিৰ পৰিশোধিত ব্যক্তিত্বৰ বিকাশ সাধন কৰিব পাৰি সেই বিষয়ে পথ নিৰ্দেশনা প্ৰদান কৰে। শিক্ষা সমাজবিজ্ঞানৰ অন্তৰ্ভুক্ত অন্যান্য অধ্যয়নৰ বিষয়বস্তুসমূহ হৈছে শৈক্ষিক মনোবিজ্ঞান, নৃতত্ববিজ্ঞান, সামাজিক মনোবিজ্ঞান আদি। অৰ্থাৎ, সামগ্ৰিকভাৱে সমাজ আৰু মানৱ ব্যক্তিত্বৰ মাজত ঘনিষ্ঠ যোগসূত্ৰ স্থাপনৰ মাজেৰে ব্যক্তি আৰু সমাজ দুয়োটাৰে স্বাৰ্থক প্ৰণালীবদ্ধভাৱে সংৰক্ষিত কৰাৰ বাবে প্ৰয়োজনীয় শৈক্ষিক পৰিক্ৰমা নিৰ্ধাৰণ কৰি লোৱাত সহায় কৰাটোৱেই শিক্ষা সমাজবিজ্ঞানৰ মূল কাম।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**আত্মমূল্যায়ন প্ৰশ্ন**

সমাজবিজ্ঞা আৰু শৈক্ষিক সমাজবিজ্ঞানৰ মাজত পাৰ্থক্য আছেনে? (     টা মান শব্দৰ ভিতৰত)।

......................................................................................................

......................................................................................................

......................................................................................................

## ৫.৭ শৈক্ষিক সমাজবিজ্ঞানৰ সীমাবদ্ধতা (Limitations of Educational Sociology)ঃ

শিক্ষাৰ বিভিন্ন দিশ অধ্যয়ন কৰাৰ ক্ষেত্ৰত নৃতত্ত্ববিদ আৰু সমাজবিজ্ঞানীসকলৰ বিভিন্ন কাৰ্যৰ প্ৰভাৱ আধুনিক কালত লাহে লাহে বাঢ়ি আহিছে। এটা গুৰুত্বপূৰ্ণ সামাজিক কাৰ্য হিচাপে শিক্ষা প্ৰক্ৰিয়াৰ প্ৰণালীবদ্ধ মূল্যায়নৰ বাবে সমাজবিজ্ঞানৰ ধ্যান-ধাৰণাসমূহৰ প্ৰয়োগ বৰ্তমান অৱস্থাত অতি গুৰুত্বপূৰ্ণ। মানুহৰ বিভিন্ন ধৰণৰ আচৰণ প্ৰক্ৰিয়াৰ মূল্যাংকনৰ ক্ষেত্ৰত শৈক্ষিক সমাজবিজ্ঞানৰ ধ্যান-ধাৰণা, নীতি, আদৰ্শসমূহ বহুলভাৱে প্ৰয়োগ কৰা হয়। অৱশ্যে, মানুহৰ আচৰণসমূহৰ মূল্যাংকনৰ বাবে প্ৰয়োজনীয় আদৰ্শ আৰু উদ্দেশ্যসমূহ একমাত্ৰ শৈক্ষিক সমাজ বিজ্ঞানে প্ৰদান কৰিব নোৱাৰে। এই ক্ষেত্ৰত মানুহৰ সামাজিক অভ্যাস আৰু অনুষ্ঠানসমূহক একমাত্ৰ উপায় অথবা কাৰণ হিচাপে বিবেচনা কৰাৰ স্পৃহাই ব্যক্তিৰ স্বকীয় সত্তাক অস্বীকাৰ কৰাৰ প্ৰচেষ্টা চলোৱাৰ সম্ভাৱনা অধিক। মানুহৰ উপলব্ধি, চিন্তা আৰু প্ৰেৰণাসমূহক বাদ দি তেওঁৰ আচৰণৰ মূল্যাংকন কৰা কঠিন। মানৱ প্ৰাণীসমূহ অকল সমাজৰ প্ৰতিনিধি স্বৰূপেই নহয়, তেওঁলোক একো একোজন ব্যক্তিও। গতিকে, শৈক্ষিক সমাজবিজ্ঞানৰ, অকল সমাজৰ স্বাৰ্থত মানৱীয় আচৰণৰ মূল্যায়ন কৰিবলৈ চলোৱা প্ৰচেষ্টা একেবাৰে নিখুঁত বুলি ক'ব নোৱাৰি।

## ৫.৮ নতুন গণতান্ত্ৰিক সামাজিক বিন্যাসৰ বিকাশত শিক্ষাৰ ভূমিকা (Role of Education in the Development of New Democratic Social Order) ঃ

বৰ্তমান কালত পৃথিৱীৰ কেইটামান ক্ষুদ্ৰ অঞ্চল অথবা কেইখনমান বিশেষ ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় পৰিপ্ৰেক্ষিতৰ বাহিৰে সকলোতে গণতন্ত্ৰ প্ৰতিষ্ঠিত হৈছে। গণতান্ত্ৰিক সমাজ জীৱনত ব্যক্তিৰ স্বকীয় সত্তা আৰু সমাজিক বিকাশৰ মাজত গভীৰ সম্পৰ্ক ৰক্ষা কৰাৰ প্ৰচেষ্টা চলোৱা হয়। অৰ্থাৎ ব্যক্তিসত্তাৰ বিকাশৰ মাজেৰে সামাজিক অৱস্থাৰ উন্নতি ঘটোৱা অথবা সামাজিক পৰিৱেশৰ উন্নতিৰ মাজেৰে ব্যক্তিৰ উন্নতি নিশ্চিত কৰাৰ ওপৰত গণতান্ত্ৰিক ব্যৱস্থাই অধিক জোৰ দিয়ে। গণতন্ত্ৰত সকলো মানুহৰে সমান সুবিধা লাভৰ অধিকাৰ, প্ৰতিজন ব্যক্তিৰে সম্পূৰ্ণ বিকাশৰ সুবিধা লাভ, পৰস্পৰৰ মাজত আদান প্ৰদান নোহোৱা শ্ৰেণীবিভাগৰ পৰিসমাপ্তি আৰু দেশৰ শাসনত সকলো নাগৰিকৰে মতামত দিয়াৰ অধিকাৰ আদিৰ দৰে কথাবোৰৰ ওপৰত বিশ্বাস কৰা হয়।

শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই

গতিকে, এক বিশাল ব্যক্তিত্বৰ অধিকাৰী হিচাপে প্ৰতিজন নাগৰিকৰে জন্মজ ক্ষমতাসমূহৰ বিকাশ নিশ্চিতভাৱে সম্ভৱ কৰি তোলাটোৱেই গণতন্ত্ৰত শিক্ষাৰ মূল কাম। তাৰোপৰি এটা বিশেষ সামাজিক প্ৰক্ৰিয়া হিচাপে শিক্ষাই নাগৰিকসকলক নিজস্ব অধিকাৰ আৰু দায়বদ্ধতা সমূহৰ বিষয়ে সচেতন কৰি তোলাটোও গণতন্ত্ৰত শিক্ষাৰ মূল কাম।

এটা বিশেষ সামাজিক অনুষ্ঠান হিচাপে স্কুল বা বিদ্যালয়ে এনেবোৰ দায়বদ্ধতা সুকলমে সম্পাদন কৰাটো অতি জৰুৰী। গণতন্ত্ৰত বিদ্যালয়সমূহে কোনো ধৰণৰ কৰ্তৃত্বৰ দ্বাৰা সমৰ্থিত ঐতিহ্যমূলক জ্ঞান দান কৰাটো বাঞ্ছনীয় নহয়। স্কুলৰ জীৱন আৰু সমাজৰ জীৱনৰ মাজত ঘনিষ্ঠ যোগসূত্ৰ থকাটো বাঞ্ছনীয়। গণতান্ত্ৰিক সমাজৰ স্কুল আৰু বৃহত্তৰ সমাজৰ জীৱন প্ৰক্ৰিয়াৰ মাজত কোনো বিভেদ বা পাৰ্থক্য থকাটো উচিত নহয়। স্কুলসমূহে সমাজ জীৱনৰ অৰ্থনীতি, ৰাজনীতি, ধৰ্মনীতি, সাংস্কৃতিক পৰম্পৰা, সামাজিক ৰীতি-পৰম্পৰা আৰু ঐতিহ্যৰ জ্ঞান এটা পুৰুষৰ পৰা আন এটা পুৰষলৈকে নিখুঁতভাৱে কঢ়িয়াই নিব লাগিব। স্কুলৰ শিক্ষাত বাহিৰৰ সমাজখনৰ সকলো কথাই উদাৰভাৱে স্থান লাভ কৰিব আৰু স্কুলৰ জীৱনৰ সহায়ত মানুহে সমাজত জীৱন যাপনৰ প্ৰণালীবদ্ধ জ্ঞান লাভ কৰিব পাৰিব লাগিব। গণতান্ত্ৰিক সমাজ জীৱনত এটা গুৰুত্বপূৰ্ণ সামাজিক প্ৰতিবিম্ব হিচাপে স্কুলখন বৃহত্তৰ সমাজৰ প্ৰতিবিম্ব স্বৰূপে পৰিগণিত হ'ব লাগিব। অৱশ্যে এনে হোৱা সত্বেও স্কুলৰ সমাজ বৃহত্তৰ সমাজতকৈ পৱিত্ৰ, সৰল আৰু সামঞ্জস্যপূৰ্ণ হ'ব লাগিব। সৰল অৰ্থত, গণতান্ত্ৰিক সমাজ জীৱনত শিক্ষানুষ্ঠানসমূহত আহৰণ কৰিবলগীয়া জ্ঞান আৰু বৃহত্তৰ জীৱন সম্পৰ্কে জ্ঞানৰ মাজত কোনো ধৰণৰ ব্যৱধান বা পাৰ্থক্য থকা অনুচিত।

গণতান্ত্ৰিক সমাজ জীৱনত শিক্ষাৰ প্ৰধান কাম হৈছে উদাৰনৈতিক, সুসমঞ্জস ব্যক্তিত্বৰ অধিকাৰী, কৰ্মঠ আৰু সাহসী মানুহ তৈয়াৰ কৰা। হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ এজন অধ্যাপকে কোৱা কথা এযাৰ এইখিনিতে উল্লেখ কৰিব পাৰি। তেওঁৰ মতে, "জাতি বা সমাজৰ অভিপ্ৰেত ধৰণৰ মানুহ গঢ়ি তোলাই হ'ল শিক্ষাৰ ঘাই কাম। ইয়াৰ দ্বাৰা জাতি বা সমাজ লানি নিছিগাকৈ চলি থাকিব পাৰে। এনে কাৰ্য ঘাইকৈ দুটা কথাৰ পৰা চলি থাকে। প্ৰথমতে, সমাজৰ বয়সীয়া লোকসকলে নিৰাপত্তা আৰু আত্মৰক্ষাৰ বাবে এনে কামৰ পৃষ্ঠপোষকতা কৰে আৰু অপৈণত বয়সৰ লোকবিলাকে সমাজৰ সভ্যৰূপে গণ্য হোৱাৰ হাবিয়াসৰ পৰা এনে কাৰ্যত সহযোগ কৰে"।

## ৫.৯ সামাজিক সমূহ (Social Group) ঃ

আচৰণৰ বৈজ্ঞানিক অধ্যয়নেই মনোবিজ্ঞানৰ প্ৰধান বিষয়বস্তু। ব্যক্তিৰ আচৰণ ভালদৰে নিৰীক্ষণ কৰিলে দেখা যায় যে বিভিন্ন পৰিবেশত মানুহৰ আচৰণৰ কাৰণ, উদ্দেশ্য, স্বৰূপ ইত্যাদি বিভিন্ন হয়। এজন ব্যক্তিয়ে সমাজৰ পৰা আঁতৰত থাকি যেতিয়া ব্যক্তিগতভাৱে আচৰণ কৰে তেতিয়া তেওঁৰ আচৰণ নিজস্ব বৈশিষ্ট্যৰ দ্বাৰা প্ৰভাৱিত হয়। কিন্তু তেওঁ যদি সমাজৰ

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

ভিতৰত থাকি অথবা দলভুক্ত হৈ কোনো কাম কৰে তেন্তে তেওঁৰ ব্যৱহাৰত সামূহিক জীৱনৰ ভাৱ-অনুভূতি, ক্রিয়া-প্রৱণতা প্রকাশ পায়। অৰ্থাৎ সমাজত বস-বাস কৰি সামাজিক জীৱন যাপন কৰা এজন ব্যক্তিৰ আচৰণ সামাজিক জীৱনৰ প্রভাৱমুক্ত আন এজন ব্যক্তিৰপৰা পৃথক হয়।

**দলবৃত্তি, আত্ম-প্রতিষ্ঠাৰ প্রবৃত্তি** আৰু **আত্ম-অৱমাননাৰ প্ৰবৃত্তি**— এই তিনিওটা প্রবৃত্তিয়ে মানুহক সমাজ পাতি দলবদ্ধ জীৱন যাপনৰ বাবে প্রেৰণা যোগায়। যি প্রক্রিয়াৰ দ্বাৰা দলীয় আচৰণ প্রকাশ পায় তাক শিক্ষা বিশেষজ্ঞ **নানে মিমেছিছ** (Mimesis) আখ্যা দিছে। ইয়াৰ অৰ্থ হ'ল আনৰ চিন্তা, ভাৱনা আৰু কাৰ্যৰ অনুসৰণ। শিক্ষা মনোবিজ্ঞানৰ শেহতীয়া ধাৰণাত মানুহৰ **যৌথ জীৱন** (Group Life) সম্পৰ্কে আলোচনা-বিলোচনা আৰু পৰীক্ষা-নিৰীক্ষাই বিশেষ গুৰুত্ব লাভ কৰা দেখা গৈছে। কাৰণ শিক্ষাদান আৰু শিক্ষাগ্ৰহণ উভয় কাৰ্যসমূহ মনৰ দ্বাৰা প্রভাৱিত হয় আৰু শিক্ষাৰ সাফল্যও মনৰ ওপৰত নিৰ্ভৰশীল।

### ৫.৯.১ সমাজ আৰু গোট (Society and Group) ঃ

মানুহ সামাজিক প্ৰাণী। স্মৰণাতীত কালৰেপৰা মানুহে সমাজ পাতি দলবদ্ধ জীৱন যাপন কৰি আহিছে আৰু স্তৰে স্তৰে সংস্কৃতি-সভ্যতাৰ অগ্ৰগতিত অৰিহণা যোগাই আহিছে। এই সমাজনো কি? সমাজৰ সংজ্ঞা দিবলৈ হ'লে ক'ব পাৰি যে, **'উমৈহতীয়া স্বাৰ্থ ৰক্ষাৰ বাবে একগোট হোৱা বিশেষ ধৰণৰ পাৰিপাৰ্শ্বিক সম্বন্ধ থকা, একেটা লক্ষ্য ৰাখি কাম কৰা, একে ৰীতি-নীতি মানি চলা একোদল লোকৰ সমষ্টিকে সমাজ বুলি অভিহিত কৰা হয়।'**

জন্ম মুহূৰ্তৰপৰা জীৱনৰ অন্তিম সময়লৈকে মানৱ শিশুৱে পিতৃ-মাতৃ, আত্মীয়-স্বজন, বন্ধু-বান্ধৱ আৰু অন্যান্য ব্যক্তিৰ সংস্পৰ্শত বিভিন্ন ধৰণৰ সামাজিক প্রক্রিয়াৰ মাজেদি জীৱন অতিবাহিত কৰিবলগীয়া হয়। এই সামাজিক প্রক্রিয়াই শিশুৰ আচৰণ মাৰ্জিত কৰে। সিহঁতক বাস্তৱ জীৱনৰ সৈতে পৰিচিত কৰায়, সিহঁতৰ কাৰ্যকৰী দক্ষতা বৃদ্ধি কৰে আৰু সুপ্ত প্ৰতিভাৰ বিকাশ ঘটায়। যি সমাজত শিশুৱে জন্ম লয় আৰু ডাঙৰ-দীঘল হয় সেই সমাজৰ ভাষা সি আয়ত্ত কৰে। এটি মানৱ শিশুক জন্মৰেপৰা যদি সমাজৰপৰা আঁতৰত ৰখা হয় তেন্তে সেই সমাজৰ অন্যান্য ব্যক্তিৰ দৰে তেওঁ কথা-বতৰা ক'বলৈ আৰু আচৰণ কৰিবলৈ অপাৰগ হয়। ইয়াৰ পৰাই জানিব পাৰি মানৱ জীৱনৰ ওপৰত সমাজৰ প্ৰভাৱ কিমান শক্তিশালী।

### ৫.৯.২ দল কি (What is Group) ঃ

মানুহ হ'ল সামাজিক প্ৰাণী আৰু মানুহৰ অস্তিত্ব সমাজৰ পাৰস্পৰিক সম্পৰ্কৰ লগত সদায় জড়িত। জন্মৰপৰা মৃত্যুলৈ মানুহে বিভিন্ন প্ৰকাৰৰ দলৰ **আন্তঃসম্পৰ্কৰ** (Inter-relationship) মাজেদি জীৱন অতিবাহিত কৰিবলগীয়া হয়। **সমাজ হ'ল এক বৃহৎ দল আৰু ইয়াক সৰু-বৰ নানা প্ৰকাৰৰ দলৰ সমষ্টি বুলি ক'ব পাৰি।** এই দলনো প্ৰকৃততে কি? এই সম্পৰ্কে সামাজিক, মনোবৈজ্ঞানিক আৰু শৈক্ষিক দিশৰপৰা বিভিন্ন অৰ্থ আমি পাওঁ।

'দল' শব্দটোৰ সংজ্ঞা দিবলৈ হ'লে ক'ব পাৰি **যে ই হ'ল বিভিন্ন ব্যক্তিৰ সমষ্টি যিসকলৰ মাজত কৰ্ম আৰু অনুৰাগৰ সাধাৰণ ঐক্য চকুত পৰে** (A Group may be defined as an aggregate of individuals which has one or more interests and activities in common)। **দলৰ সদস্যসকলৰ ভিতৰত পাৰস্পৰিক সম্পৰ্ক থকা আৰু সকলোৰে মাজত বিদ্যমান এক মিলনসূত্ৰ সম্পৰ্কে সচেতন বিভিন্ন লোকৰ সমষ্টিয়ে হ'ল দল বা গোট** (A Group may be defined as a plurality of individuals who are in contact with one another, who take on another into contact and who are aware of same significant commodity)। *1

**জন. ডব্লিউ বাৰ্ণেট** আৰু **টুমিনে দলৰ সংজ্ঞা দি কৈছিল— "একে লক্ষ্য আৰু একে পন্থাৰে প্ৰত্যক্ষ আৰু নিৰৱচ্ছিন্নভাৱে পাৰস্পৰিক সম্পৰ্কৰ কাম কৰি যোৱা বিভিন্ন ব্যক্তিৰ সমষ্টিয়ে হ'ল দল**" (A Group is a number of people in definiable and persistent interaction directed towards common goals and using agreed upon means)।

আন ভাষাত ক'বলৈ হ'লে যেতিয়া একে ঠাইত গোট খোৱা একাধিক ব্যক্তিয়ে একে ধৰণে চিন্তা কৰে, অনুভৱ কৰে আৰু কাম কৰে তেতিয়াই একোটা দলৰ সৃষ্টি হয়।

**মেকাআইভাৰ আৰু পেইজৰ মতে, "ইজনে সিজনৰ লগত পাৰস্পৰিক সম্পৰ্কত সোমাই পৰা মানৰ সমষ্টিকে দল বোলা হয়** (By Group we mean any collection of human beings who are brought into social relationship)। অৱশ্যে এইটোও সত্য যে কিছুমান মানুহ এঠাইত গোট খালেই তাক দল বুলি ক'ব নোৱাৰি। অফিচ বহাৰ সময়ত ৰাস্তাৰ কাষত বহু মানুহৰ সমাগম হয় কিন্তু এনেকৈ গোট খোৱা মানুহক দল বুলিব নোৱাৰি। কিয়নো তেওঁলোক প্ৰত্যেকেই নিজৰ ইচ্ছা আৰু প্ৰয়োজন মতে কাম কৰি গৈছে আৰু তেওঁলোকৰ কাৰো প্ৰতি কাৰো কোনো ভ্ৰূক্ষেপ নাই। কিন্তু হঠাতে যদি এটা দুৰ্ঘটনা ঘটে আৰু তাত সকলো মানুহ সমবেত হয় তেনে পৰিৱেশ পৰিস্থিতিৰ এটি দলৰ সৃষ্টি হয়। কাৰণ তাত গোট খোৱা প্ৰত্যেকেই দুৰ্ঘটনাক কেন্দ্ৰ কৰি এক ভাৱাপন্ন হয় আৰু দলীয় ভাৱৰ প্ৰকাশ ঘটে। এনে দলক **জনতা** (crowd) **বোলা হয়**। এনে ধৰণৰ দল যে অতি ক্ষণস্থায়ী তাক কোৱা নিষ্প্ৰয়োজন। জনতাতকৈ **স্থায়ী বহুতো দল আছে যেনে— ক্লাব, সংঘ, সাহিত্য-সংস্কৃতিমূলক সন্থা ইত্যাদি। সকলো দলতকৈ অধিক স্থায়ী হ'ল পৰিয়াল, সম্প্ৰদায়, ৰাষ্ট্ৰ ইত্যাদি।**

সমাজত থকা সকলোবোৰ গোট বা দল পৰস্পৰে পৰস্পৰৰ লগত অঙ্গাগীভাৱে জড়িত। তদুপৰি এই দলবোৰৰ সামাজিক, শৈক্ষিক, মনোবৈজ্ঞানিক ইত্যাদি নানা প্ৰকাৰৰ তাৎপৰ্য আছে। সৰুৰেই হওঁক বা ডাঙৰেই হওঁক এটা দলৰ প্ৰধান বৈশিষ্ট্য হ'ল দলৰ ভিতৰত **অৱস্থান সম্পৰ্কে সচেতনতা** আৰু **বিভিন্নজনৰ মাজত আদান-প্ৰদানৰ ভাব**। অৰ্থাৎ **ভৌগোলিকভাৱে নিকট অৱস্থানেই এটা গোট বা দলৰ প্ৰধান কথা নহয়; পাৰস্পৰিক আদান-প্ৰদান আৰু ভাৱ বিনিময়হে ইয়াৰ প্ৰধান কথা।** দ্বিতীয়তে, সমাজ হ'ল এটা বৃহৎ দল, কিন্তু সকলো দলেই সমাজ

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

| শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই |
|---|

নহয়। *সামাজিক দল এটাৰ অস্তিত্ব আৰু স্থায়িত্ব কেইটামান কথাৰ ওপৰত নিৰ্ভৰ কৰে। সেইবোৰ হ'ল ঃ*

### ৫.৯.৩ দলৰ প্ৰধান বৈশিষ্ট্য (Characteristics of a Group) ঃ

*দলৰ প্ৰধান বৈশিষ্ট্যবোৰ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি। যেনে ঃ*

। **সমগোষ্ঠীতাৰ অনুভূতি** (We-Feeling) ঃ

দলৰ প্ৰতিজন ব্যক্তিৰ ভিতৰতে এক সমূহ সচেতনতা অৰ্থাৎ আত্মীয়তাবোধ, অৰ্থাৎ সমগোষ্ঠীতাৰ অনুভূতি জাগ্ৰত থাকে। সমাজবিজ্ঞানত এই সমগোষ্ঠীতাৰ অনুভূতিক 'We feeling' অৰ্থাৎ **আমিত্ব ভাব** বুলি অভিহিত কৰা হয়। এই অনুভূতি অবিহনে কোনো দলৰ সৃষ্টি হ'ব নোৱাৰে।

। **অভিন্ন লক্ষ্য বা উদ্দেশ্য** (Common Aim) ঃ

দলীয় স্বাৰ্থ আৰু সামাজিক অস্তিত্বৰ বুনিয়াদ ৰচিত হয় অভিন্ন লক্ষ্যৰ ভেঁটিত। বিশেষ বিশেষ উদ্দেশ্য বা লক্ষ্য পূৰণৰ কাৰণে সমাজত বিশেষ বিশেষ দলৰ সৃষ্টি হোৱা দেখা যায়।

। **পাৰস্পৰিক প্ৰতিক্ৰিয়া** (Interaction) ঃ

একাধিক ব্যক্তি যেতিয়া একেলগে থাকে তেতিয়া সদস্যসকলৰ মাজত পাৰস্পৰিক প্ৰতিক্ৰিয়া সৃষ্টি হয়। এই প্ৰতিক্ৰিয়াৰ ফলস্বৰূপে সদস্যসকলৰ মাজত আচৰণ আৰু ব্যৱহাৰৰ পৰিৱৰ্তন লক্ষ্য কৰা যায়।

। **ছেদহীনতা** (Continuity) ঃ

এক নিৰ্দিষ্ট সময় ধৰি কোনো দলৰ সভ্যসকলৰ মাজত স্থায়ী সম্পৰ্ক বাহাল থাকে। দলৰ মাজত এই সময়গত স্থায়িত্ব নাথাকিলে সেই জনসমষ্টিক দল আখ্যা দিব নোৱাৰি।

। **আচৰণৰ অভিন্নতা** (Common Behaviour) ঃ

কোনো দল বা গোটৰ বিভিন্ন সভ্যসকলৰ আচৰণত প্ৰচুৰ সমতাৰ ভাৱ পৰিলক্ষিত হয়। সমগোষ্ঠীয় অনুভূতিৰ পৰাই অচেতন আৰু সচেতন উভয় প্ৰক্ৰিয়াৰ সহায়ত এই অভিন্নতাৰ ধাৰণা গঢ় লৈ উঠে।

। **পোছাক-পৰিচ্ছদৰ সমতা** (Common Dress) ঃ

দলৰ সভ্যসকলৰ ভিতৰত সমানুভূতিৰ সৃষ্টি কৰাৰ ক্ষেত্ৰত অন্যান্য কথাৰ বাহিৰেও পোছাক-পৰিচ্ছদৰ এক বিশিষ্ট ভূমিকা আছে। একে ধৰণৰ সাজ-সজ্জাৰ পৰাই ধীৰে ধীৰে মিলা-প্ৰীতি আৰু সমতাৰ ভাব বিকশিত হোৱা দেখা যায়।

। **সংগকামিতা** (Desire to form Group) ঃ

দলৰ আন এটি প্ৰধান বৈশিষ্ট্য হ'ল দল গঠনৰ বাবে হাবিয়াস। এই আকাঙ্খা নহ'লে কোনো পৰিস্থিতিতে দল সৃষ্টি হ'ব নোৱাৰে। সংগকামিতা প্ৰতিজন মানুহৰ ভিতৰত সহজাত প্ৰবৃত্তিৰূপে থাকে আৰু এই প্ৰেৰণাই মানুহক দলবদ্ধ হোৱাত সহায় কৰে।

। **পাৰস্পৰিক নিৰ্ভৰশীলতা** (Mutual Dependence) ঃ

কোনো দল বা গোটৰ সদস্যসকলৰ মাজত থকা পাৰস্পৰিক নিৰ্ভৰশীলতা হ'ল ইয়াৰ আন এটি উল্লেখযোগ্য বিশেষত্ব।

। **সাধাৰণ নিয়ন্ত্ৰণ** (Common Control) ঃ

সমূহীয়া সিদ্ধান্ত আৰু নিৰ্দেশৰ দ্বাৰা দলৰ সকলো সদস্যৰ আচৰণ নিয়ন্ত্ৰিত হয়।

। **সামূহিকভাৱে কৰ্ত্তব্য সম্পাদন** (Common Duty) ঃ

দলৰ সমূহ সদস্যই সামুহিক অভিজ্ঞতা অৰ্জন আৰু কৰ্তব্য সম্পাদনৰ সোৱাদ পায়। ইয়াৰ ফলত তেওঁলোকৰ মাজত দায়িত্ববোধ, আমিত্ববোধ আৰু ঐক্যৰ ভাব দৃঢ় হয়।

## ৫.৯.৪ দলীয় কৰ্ম বা কৰ্তব্য (Group Action) ঃ

বিভিন্ন সময় আৰু পৰিস্থিতিত কোনো গোট বা দলে সামূহিকভাৱে কৰা কাম বিভিন্ন ধৰণৰ হ'ব পাৰে। *ইয়াৰ বিতং তালিকা দিয়াতো সম্ভৱ নহ'লেও সমাজবিজ্ঞানী চৰ'কিনে* (Sorokin) *দিয়া এনে কামৰ থুলমুল এখন তালিকা দিয়া হ'ল ঃ*

- । ৰক্ত সম্পৰ্কীয় আত্মীয়তা ৰক্ষাকৰণ (Physiological Kinship and community of blood)।
- । বিবাহ সম্পাদন (Marriage)।
- । ধৰ্মীয় আৰু যাদু সম্পৰ্কীয় বিশ্বাস আৰু আচাৰ অনুষ্ঠানৰ ক্ষেত্ৰত কৰ্তব্য সম্পাদন (Similarity in religious and magical beliefs and rites)।
- । নিজস্ব ভাষা আৰু ৰীতি-নীতিৰ ঐক্যভাব (Similarity in native language and mores)।
- । ভূমিৰ সমূহীয়া দখল আৰু ব্যৱহাৰ (Common possession and utilization of common land)।
- । ভৌগোলিক সামীপ্য ৰক্ষা (Geographical nearness)।
- । দলীয় দায়িত্ববোধৰ উদ্ৰেক (Common responsibility)।
- । জীৱিকাৰ ক্ষেত্ৰত সমূহীয়া স্বাৰ্থ সম্পৰ্কে সচেতনতা (Community of occupational interest)।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই

। বিভিন্ন অৰ্থনৈতিক স্বাৰ্থ সম্পৰ্কে সমূহীয়া সচেতনতা (Community of various types of economic interest)।

। দলনেতাৰ প্ৰতি আনুগত্য (Subjection to the group leader)।

। একে সামাজিক অনুষ্ঠানৰ প্ৰতি বাধ্যতামূলক বা মুক্ত সম্পৰ্ক (Attachment either free or compulsory to the same social institution or agency of social enemy)।

। সমূহীয়া শত্ৰুৰ বিৰুদ্ধে সমূহীয়া প্ৰতিৰক্ষা (Common defence against common enemy)।

। পাৰস্পৰিক সাহায্য (Mutual aid)।

। দলীয়ভাৱে জীৱন নিৰ্বাহ, অভিজ্ঞতা অৰ্জন আৰু কৰ্তব্য সম্পাদনৰ ব্যৱস্থা (General living experiencing and acting together)।

### ৫.৯.৫ দলৰ শ্ৰেণী বিভাগ (Classification of Group) ঃ

সমাজবিজ্ঞানীসকলৰ মাজত দলৰ শ্ৰেণীবিভাগ সম্পৰ্কে বিভিন্ন মতামত পৰিলক্ষিত হয়। কোনো কোনোৱে সংখ্যাৰ ভেঁটিত দলক বিভিন্ন ভাগত ভগায়। আন এদলে আকৌ লিংগ আৰু বয়সৰ ভেঁটিতহে শ্ৰেণীবিভাগ কৰে। কোনো সমাজবিজ্ঞানীয়ে ৰক্ত সম্পৰ্কীয় সম্বন্ধ, ভৌগোলিক সামীপ্য আৰু সমূহীয়া কৰ্মক এই বিভাজনৰ মূল ভেঁটি হিচাপে লয়। *এই সকলোখিনি কথা বিবেচনা কৰি চিন্তাবিদসকলে দলৰ নিম্নোক্ত শ্ৰেণী বিভাগ কৰিছে ঃ*

(ক) **প্ৰত্যক্ষ বা প্ৰাথমিক দল** (Primary Group);

(খ) **পৰোক্ষ দল** (Secondary Group);

(গ) **প্ৰান্তীয় দল** (Marginal or Tertiary Group);

(ঘ) **অন্তৰৰ্তী দল আৰু বাহ্যিক দল** (In Group and Out Group)।

*প্ৰত্যক্ষ বা প্ৰাথমিক দলৰ প্ৰধান বৈশিষ্ট্য হ'ল যে এনে দলৰ সভ্যসকলৰ ইজনৰ লগত সিজনৰ প্ৰত্যক্ষ সম্পৰ্ক থাকে। প্ৰথামিক দলৰ প্ৰধান বৈশিষ্ট্য কেইটা হ'ল ঃ* **(১) সামীপ্য, (২) সীমিত আকাৰ, (৩) স্থায়ীত্ব, (৪) সম্পৰ্কৰ ছেদহীনতা, (৫) সাধাৰণ লক্ষ্য, (৬) স্বতঃস্ফূৰ্ত আন্তৰিক সম্পৰ্ক, (৭) অনুশাসন, (৮) ব্যক্তিগত সম্পৰ্ক, (৯) নৈব্যক্তিক কৰ্তব্য সম্পাদন, (১০) প্ৰয়োজন মতে ত্যাগৰ ভাব, (১১) দলীয় ঐক্য, (১২) বন্ধুত্বৰ ভাব।** এনে দলত পৰস্পৰে পৰস্পৰৰ লগত পোনপটীয়াভাৱে মিলা-মিচা কৰে, কথা-বতৰা কয়, সুখ দুখৰ বিনিময় কৰে আৰু দলীয় কামত সমানে অংশ লয়। ইয়াৰ সদস্যসকলৰ মাজত থকা সম্পৰ্ক প্ৰাথমিক আৰু আন্তৰিক। প্ৰত্যক্ষ দলৰ এটি উদাহৰণ হ'ল পৰিয়াল। স্বামী, স্ত্ৰী, পিতৃ-মাতৃ আৰু সন্তানৰ লগতে আত্মীয়-স্বজনৰ লগত পৰিয়ালৰ প্ৰতিজনৰে মৰম-চেনেহ আৰু সুখ-দুখৰ প্ৰত্যক্ষ সম্পৰ্ক থাকে।

**পৰোক্ষ দলৰ সদস্য**সকলৰ মাজত থকা সম্পৰ্ক পোনপটীয়া আৰু গভীৰ নহয়। কোনো মতবাদ অথবা আদৰ্শৰ মাধ্যমত দলৰ সদস্যসকল একত্ৰিত হয় আৰু দলবদ্ধভাৱে কাম কৰা দেখা যায়। যেনে— অসমীয়া সমাজ, মুছলমান সমাজ, বাংলাভাষী সমাজ ইত্যাদি। এই দলৰ ভেঁটি প্ৰত্যক্ষ দলৰ সমান স্থায়ী আৰু সুদৃঢ় নহয় যদিও প্ৰতিজন সদস্যই পৰোক্ষভাৱে হ'লেও দলীয় অস্তিত্বৰ প্ৰতি সচেতনভাৱে কাম কৰি যায়। পৰোক্ষ দলৰ ঘাই ঘাই বৈশিষ্ট্যকেইটা হ'ল—

। দলত কোনো সভ্যৰ ভূমিকা জন্মগতভাৱে নহয় কৰ্মৰ দ্বাৰাইহে নিৰ্ধাৰিত হয়।

। সদস্যসকলৰ ব্যক্তিত্ব আৰু স্বকীয়তা ইয়াৰ দ্বাৰা বিকাশ লাভ কৰে।

। আকাৰ ডাঙৰ হোৱা কাৰণে পৰোক্ষ দলৰ সদস্যসকলৰ সম্পৰ্ক প্ৰত্যক্ষ দলৰ দৰে আন্তৰিক আৰু সুদৃঢ় নহয়।

। পৰোক্ষ দলৰ আকাৰ সম্পৰ্কে কোনো ধৰা-বন্ধা নিয়ম নাই।

। প্ৰত্যক্ষ দলৰ দৰে পৰোক্ষ দলৰ অস্তিত্ব সিমান স্পষ্ট আৰু স্থায়ী নহয়।

**প্ৰান্তীয় দলবোৰ অতিশয়** ক্ষণস্থায়ী আৰু দুৰ্বল। হঠাতে কোনো কাৰণবশতঃ ৰাস্তাই-ঘাটে জুম বান্ধে আৰু কিছু সময়ৰ পিছত সকলো দিহা-দিহি গুচি যায়। তেওঁলোকৰ প্ৰত্যেকৰে প্ৰতিক্ৰিয়া অসংবদ্ধ আৰু অনিয়ন্ত্ৰিত ৰূপত প্ৰকাশ পায়।

### ৫.৯.৬ দল গঠনৰ বিভিন্ন শক্তি (Various forces of Group Construction) ঃ

কোনো দল গঠিত হোৱাৰ ক্ষেত্ৰত কেইটিমান শক্তিয়ে বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। *সেই শক্তিবিলাক হ'ল ঃ*

**যৌথ প্ৰবৃত্তি, সমানুভূতি, অনুকৰণ, অনুভাৱন**।

সকলো মানুহৰে মনত দলগত জীৱন যাপনৰ এক স্বাভাৱিক প্ৰেৰণা থাকে আৰু ই মানুহক সামাজিকভাৱে জীৱন কটাবলৈ সক্ষম কৰে। আগতেই কৈ অহা হৈছে যে মানুহ সমাজপ্ৰিয় জীৱ। এই সমাজ-প্ৰৱণতা কোনো কৃত্ৰিম উপায়ে তেওঁৰ ভিতৰত সঞ্চাৰিত হোৱা নাই। প্ৰকৃতিৰ ভিতৰতে ই নিহিত হৈ আছে। এই নিহিত হৈ থকা যৌথ প্ৰবৃত্তিয়ে দল গঠনত সহায় কৰে। অৱশ্যে এই প্ৰবৃত্তি একেই ৰূপত সকলোতে প্ৰকাশ নাপায়। অভ্যাস, অভিজ্ঞতা আৰু পৰিবেশৰ কাৰণে ই ভিন ভিন ৰূপত প্ৰকাশ পায়। **মেক্‌ডুগেলে** তেওঁৰ প্ৰবৃত্তিৰ তালিকাত **যৌথ প্ৰবৃত্তিক** (Gregarious instinct) বিশেষ প্ৰাধান্য দিছে আৰু কৈছে যে এই প্ৰবৃত্তিয়েই মানুহৰ সমাজ গঠনৰ মূল প্ৰেৰণা। এই স্বাভাৱিক প্ৰেৰণাৰ কাৰণেই মানুহে অকলশৰে থাকিবলৈ বেয়া পায় আৰু দলবদ্ধ জীৱন যাপন কৰিবলৈ আগ্ৰহী হয়। এই দলীয় প্ৰেৰণাই অসম্ভৱক সম্ভৱ কৰি তোলে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**সংসূচন বা অনুভাৱন** (Suggestion) হ'ল এটি শক্তি যাৰ বাবে দলীয় জীৱন সম্ভৱ হয়। অন্য ব্যক্তিৰ মাজত চিন্তা, ভাৱনা, আদৰ্শ, কল্পনা, যুক্তি নিজৰ বুলি গ্ৰহণ কৰিলেই ব্যক্তিৰ মাজত সংসূচন প্ৰক্ৰিয়া সক্ৰিয় হৈ উঠে (Suggestion is a process of communication resulting in acceptance with conviction of the communicated proposition in the absence of logically adequate ground for its acceptance)। সংসূচন হ'ল এক প্ৰকাৰৰ অনুকৰণ। কোনো ব্যক্তিয়ে সজ্ঞানে কোনো উদ্দেশ্য পূৰণৰ বাবে অন্য ব্যক্তিৰ মনত নিজৰ চিন্তা, ধাৰণা, কল্পনা, যুক্তি পৰিৱাহিত কৰে আৰু দ্বিতীয় ব্যক্তিয়েও সেই সকলো অজানিতে গ্ৰহণ কৰি লয় আৰু ভাবে যে সেই চিন্তা-ধাৰা, যুক্তি, আদৰ্শ অন্যৰ নহয় তেওঁৰ নিজৰহে; **ইয়াকেই অনুভাৱন বোলা হয়।** দলগত জীৱন যাত্ৰাত অনুভাৱন প্ৰতিক্ৰিয়াই বিশেষভাৱে সহায় কৰে। *অনুভাৱন বা সংসূচন কেইবা প্ৰকাৰৰো হ'ব পাৰে। যেনে ঃ*

১। **শ্ৰদ্ধাজনিত সংসূচন** (Prestige Suggestion) ঃ

বয়সত ডাঙৰ অভিজ্ঞ লোকৰ ভাব-চিন্তা, বিচাৰ-বুদ্ধিৰ প্ৰতি যি শ্ৰদ্ধা, সেই শ্ৰদ্ধাৰ বাবেই বহুত সময়ত তেনে লোকৰ চিন্তা, যুক্তি, আদৰ্শ অন্যই গ্ৰহণ কৰে।

২। **আত্মসংসূচন বা স্ব-সংসূচন** (Auto Suggestion) ঃ

যেতিয়া কোনো দিহা-পৰামৰ্শৰ কাৰণে অভিজ্ঞ লোকৰ ওচৰ নাচাপি নিজেই নিজৰ বিচাৰ-বুদ্ধি আৰু বিবেকৰ কাষ চাপি আত্ম-প্ৰত্যয়িত হোৱা যায় তাকেই **আত্মসংসূচন বোলা** হয়।

৩। **বিপৰীত সংসূচন** (Contra Suggestion) ঃ

যেতিয়া সংসূচিত ব্যক্তিক সংসূচকৰ দিহা-পৰামৰ্শৰ বিপৰীতে কাম কৰা দেখা যায় তাকেই বিপৰীত সংসূচন বোলা হয়।

৪। **জন-সংসূচন** (Mass এuggestion) ঃ

আকৰ্ষণীয় ব্যক্তিত্ব আৰু পাণ্ডিত্যৰ বলত কোনো কোনো লোকে জনসমাবেশত বিশেষ প্ৰভাৱ পেলোৱা দেখা যায়। তেতিয়া জনগণে নিৰ্বিবাদে তেওঁৰ পৰামৰ্শ গ্ৰহণ কৰি লয়।

৫। **নেতিবাচক সংসূচন** (Negative Suggestion) ঃ

কোনো কোনো পৰিস্থিতিত কোনো লোকে নেতিবাচক পৰামৰ্শ দিয়া দেখা যায়। এই পৰামৰ্শৰ বাবে সংসূচিত ব্যক্তিৰ মনত বিপৰীতধৰ্মী প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়।

**অনুকৰণ (Imitation) ঃ**

অন্যৰ আচৰণ অনুসৰণ কৰা কাৰ্যকে অনুকৰণ বোলা হয়। পৃথিৱীত জীয়াই থাকিবলৈ হ'লে পাৰিপাৰ্শ্বিক অৱস্থাৰ লগত সংগতি বিধান কৰি প্ৰাণীয়ে চলিব লাগিব। এই সংগতি বিধান কাৰ্যত অনুকৰণ প্ৰক্ৰিয়াই বিশেষভাৱে সহায় কৰে। মানৱ জীৱনৰ প্ৰতিটো স্তৰতে অুকৰণৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। বিশেষকৈ শৈশৱৰ কালছোৱাত অনুকৰণ প্ৰক্ৰিয়া অতি শক্তিশালী আৰু কাৰ্যকৰী হৈ পৰে। সেয়েহে বুদ্ধিবৃত্তি অপৰিণত অৱস্থাত থাকিলেও অনুকৰণ প্ৰৱণতাৰ

তাড়নাত শিশুৱে জীৱন ধাৰণৰ কাৰণে উপযোগী বহুতো কামত (যেনে— খোজকঢ়া, কথাকোৱা, লিখা-পঢ়া শিকা ইত্যাদি) দক্ষতা আয়ত্ত কৰে। সেইদৰেই প্ৰাপ্তবয়স্কসকলৰ ক্ষেত্ৰতো দেখা যায় যে সমাজৰ আন আন লোকৰ চিন্তা, আচৰণ, আদৰ্শ তেওঁলোকে অনুকৰণ কৰি বহুতো কাম কৰে। অনুকৰণৰ এই সাৰ্বজনীন আৰু পৰিব্যাপক প্ৰভাৱৰ কথা বৰ্তমানে সকলো মনোবৈজ্ঞানিকে স্বীকাৰ কৰি লৈছে। সভ্যতাৰ ইতহাস পঢ়িলেও দেখা যায় যে যি সময়ত সমাজত কোনো শিক্ষানুষ্ঠান স্থাপিত হোৱা নাছিল সেই সময়ত ব্যক্তিয়ে আনক দেখি আৰু আনৰ কথা-বতৰা, ভাব, আচৰণ অনুকৰণ কৰি বহু বিষয়ত দক্ষতা অৰ্জন কৰিছিল।

*অনুকৰণ দুই প্ৰকাৰৰ হ'ব পাৰে। যেনে ঃ*

। **অবিবেচিত** বা **অজ্ঞান অনুকৰণ** (Spontaneous or Unconscious Imitation)।

। **বিবেচিত বা সজ্ঞান অনুকৰণ** (Deliberate or Conscious Imitation)।

যি প্ৰক্ৰিয়াৰ দ্বাৰা ব্যক্তিয়ে নিজৰ অজ্ঞাতে আৰু কোনো সচেতন অভিপ্ৰায় নোহোৱাকৈ আনৰ আচৰণ অনুকৰণ কৰে তাকেই অবিবেচিত বা অজ্ঞান অনুকৰণ বোলা হয়।

যি প্ৰক্ৰিয়াৰ দ্বাৰা ব্যক্তিয়ে এটা উদ্দেশ্য লৈ যুক্তি আৰু বিচাৰ-বুদ্ধি প্ৰয়োগ কৰি অন্যৰ আচৰণ অনুকৰণ কৰিবলৈ লয় তাকেই সজ্ঞান বা সুবিবেচিত অনুকৰণ বোলা হয়।

## সহানুভূতি (Sympathy) ঃ

অন্যৰ অনুভূতিৰ অনুকৰণক সহানুভূতি বোলা হয়। আনৰ দুখত দুখী হোৱা, আনৰ সুখত সুখী হোৱা, আৰু মৰম-চেনেহ উপলব্ধি কৰা ইত্যাদি হ'ল সহানুভূতিৰ দৃষ্টান্ত। ই এটা উৎকৃষ্ট দলীয় ভাৱবৃত্তি। মানুহে সমাজ পাতি দলবদ্ধ জীৱন যাপন কৰাৰে পৰা এজনে আন জনৰ সুখ-দুখৰ অংশীদাৰ হ'বলৈ শিকিলে। বিদ্যালয়তো সহানুভূতিৰ প্ৰভাৱ স্পষ্টভাৱে দেখিবলৈ পোৱা যায়। কিয়নো শিক্ষক-শিক্ষাৰ্থীৰ মাজত সহানুভূতি নাথাকিলে শিক্ষাদান আৰু গ্ৰহণ কাৰ্যতো ফলৱতী হ'ব নোৱাৰে। উভয়ৰে মাজত ভাৱ বিনিময়, ভাৱ পৰিচালনা আৰু ভাব সঞ্চালনৰ মাজেদিহে শিক্ষাক সাৰ্থক কৰি তুলিব পৰা যায়। গতিকে শিক্ষক আৰু অভিভাৱকসকল শিশুৰ প্ৰতি সহানুভূতিশীল হ'ব লাগে আৰু বিদ্যালয়ৰ পৰিবেশত আত্মীয়তাবোধ আৰু ঐক্য ভাৱৰ সৃষ্টি কৰিবলৈ প্ৰচেষ্টা চলাব লাগে। শিক্ষকসকল সহানুভূতিশীল হ'লেহে তেওঁলোকক অনুকৰণ কৰি ছাত্ৰসকলে আনৰ দুখ-যাতনাৰ প্ৰতি সহানুভূতিশীল হ'ব পাৰে। বিদ্যালয়ত সামাজিক জীৱনত এনে আত্মীয়তাবোধ, প্ৰীতিময় পৰিবেশ আৰু আন্তৰিক সহযোগিতাৰ ভাব আদিৰ বিশেষভাৱে প্ৰয়োজন। কিয়নো তেতিয়াহে সেই ভাব সংক্ৰামিত হৈ আমাৰ বৃহত্তৰ সমাজ-জীৱন সুদৃঢ় আৰু ঐক্যবদ্ধ হৈ উঠিব।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

## গণ-মন বা দলীয় মন (Group Mind) ঃ

কিছু সংখ্যক লোকে যেতিয়া ঐক্যবদ্ধভাৱে কোনো সামূহিক লক্ষ্য পূৰণৰ বাবে সামাজিক সংগঠনৰ সৃষ্টি কৰে তেতিয়া তেওঁলোকৰ বিচ্ছিন্ন সত্তা একীভূত হৈ এক সমষ্টিগত সত্তা বা দলীয় সত্তাৰ সৃষ্টি হয়। এই সত্তা বা মনক দলীয় মন বা গণ-মন (Collective mind or Group mind) **বোলা হয়।** দলৰ উদ্দেশ্য, কাৰ্য-কলাপ, চিন্তা-ধাৰা, ভাৱ-গতি আৰু আচৰণ লক্ষ্য কৰিলে দলীয় মনৰ আভাষ পোৱা যায়। তদুপৰি সমাজৰ প্ৰত্যেক ব্যক্তিৰে নিজৰ সামুহিক দায়িত্ব, কৰ্তব্য, ঐতিহ্য, কৃষ্টি, সংস্কৃতি, সভ্যতা সম্পৰ্কে এটি স্থায়ী ধাৰণা আৰু ভাৱাবেগ থাকে। এই কৰ্তব্যবোধ, দায়িত্বজ্ঞান, চিন্তা, লক্ষ্য, প্ৰয়োজনৰ ওচৰত ব্যক্তিগত লক্ষ্য, দায়িত্ব, স্বাৰ্থ আৰু পছন্দ-অপছন্দৰ জোৰ কমি যায়। দলৰ প্ৰত্যেক সদস্যই সামুহিক আদৰ্শ, চিন্তা, দায়িত্ব আৰু আচৰণৰ দ্বাৰা নিজৰ আচৰণ আৰু কথা-বতৰা নিয়ন্ত্ৰিত কৰে। যি দলৰ ভিতৰত এই গণচেতনা বা দলীয় সত্তা সুদৃঢ় সেই দলৰ ক্ষেত্ৰত সামুহিক কাম-কাজ আৰু লক্ষ্য ৰূপায়ন প্ৰক্ৰিয়া সহজ হৈ পৰে। আনহাতে যি দলত গণ-চেতনা দুৰ্বল সেই দলৰ স্থায়ীত্বও অনিশ্চিত হৈ পৰে।

## গণ-মন সৃষ্টিৰ উপাদান (Elements of Group Mind) ঃ

গণ-মন সৃষ্টি কৰাটো বৰ সহজ কথা নহয়। গণ-মন বা দলীয়-মন সৃষ্টিৰ বাবে কেইটামান চৰ্তৰ বিশেষভাৱে প্ৰয়োজন। সেইবোৰ হ'লঃ

। দলৰ অস্তিত্ব স্থায়ী হ'ব লাগে। এই স্থায়িত্বই হ'ল দলৰ প্ৰথম চৰ্ত। সদস্যসকলৰ পৰিৱৰ্তন ঘটিলেও দল হিচাপে ই এটা ৰূপত থাকে।

। দলৰ উদ্দেশ্য, আদৰ্শ, কাৰ্য প্ৰভৃতি সম্পৰ্কে প্ৰতিজন সদস্যৰ পৰিষ্কাৰ ধাৰণা থকা উচিত। **"আমি প্ৰত্যেকে প্ৰত্যেকৰ বাবে"**— এই মূলমন্ত্ৰ হ'ল গণ-সংহতিৰ ঘাই কথা।

। বিভিন্ন দল বা গোটসমূহৰ মাজত সহযোগিতা, সহনশীলতা, পাৰস্পৰিক আদান-প্ৰদান আৰু বন্ধুত্বপূৰ্ণ দৃষ্টিভংগী থাকিব লাগে। দলা-দলীৰ ভাব, শত্ৰুতা আৰু ধ্বংসমূলক ভাৱধাৰাই দলৰ কন্দল আৰু অধোন্নতিৰ কাৰণ হ'ব পাৰে।

। দলৰ স্থায়িত্ব, উন্নতি আৰু মংগলৰ বাবে দলীয় কীৰ্তি, ঐতিহ্যৰ প্ৰতি সকলোতে শ্ৰদ্ধা আৰু সমীহৰ ভাৱ থকাটো প্ৰয়োজন। পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধা থকা মানেই অতীতৰ প্ৰতি অন্ধ পূজাৰ কথা নুবুজায়। অতীতৰ ভালখিনি গ্ৰহণ কৰি, বৰ্জনীয় অংশ ত্যাগ কৰি দলে এক প্ৰগতিশীল দৃষ্টিভংগী সদস্যসকলৰ মাজত গঢ়ি তোলাৰ প্ৰয়োজন।

। দলৰ বাবে প্ৰধানকৈ প্ৰয়োজন দল নেতাৰ। কিয়নো সামুহিক আদৰ্শৰ ৰূপায়ন আৰু কাম-কাজ, চিন্তা-ধাৰণাৰ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত দল নেতাই বিশেষ ভূমিকা গ্ৰহণ কৰে। যদি দল নেতাই সুস্থ নীতি উদ্ভাৱন কৰি সেই নীতিৰ ৰূপায়নৰ ক্ষেত্ৰত নিস্বাৰ্থভাৱে কাম কৰি যায় তেন্তে দলৰ শক্তি আৰু স্থায়িত্ব বাঢ়ে। আনহাতে দুৰ্বল নেতৃত্বৰ বাবে গোট বা দল বিপৰ্যস্ত হোৱা দেখা যায়।

### ৫.৯.৭ বিদ্যালয় আৰু গণ-মন (School and Group Mind) ঃ

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

প্ৰকৃতাৰ্থত বিদ্যালয় হ'ল এটা গোট বা দল আৰু বিদ্যালয়ৰ জীৱনধাৰা সামাজিকভাৱে তাৎপৰ্যপূৰ্ণ। বিদ্যালয় হৈছে সমাজৰ ক্ষুদ্ৰ সংস্কৰণ। বিদ্যালয়ত নানা দলীয় কাম-কাজে আগস্থান পায়। সেয়েহে বিদ্যালয়ত দলীয় চেতনা গঢ়ি তোলাৰ প্ৰয়োজনীয়তাৰ বিষয়ে আজি সকলোকে সজাগ হোৱা দেখা গৈছে। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত বিদ্যালয়ত যিমানেই ঐক্য, প্ৰীতি আৰু সংহতিৰ সম্পৰ্ক গঢ়ি উঠে সিমানেই বিদ্যালয়ৰ কাম-কাজ সুচাৰুৰূপে সম্পন্ন হয় আৰু যেতিয়া এই সম্পৰ্ক ত্ৰুটিপূৰ্ণ হয় তেতিয়াই নানা বেমেজালি আৰু সমস্যাৰ সৃষ্টি হয়। *বিদ্যালয়ত গণ-চেতনা জগাই তুলিবৰ বাবে নিম্নোক্ত পন্থা গ্ৰহণ কৰাটো আৱশ্যক। যেনে ঃ*

। একো একোটা দলৰ সংহতিৰ বাবে ইয়াৰ স্থায়ীত্ব অৰ্থাৎ ছেদহীন অস্তিত্বৰ একান্ত প্ৰয়োজন। বিদ্যালয়ত তেওঁলোকৰ অৰ্থাৎ ছাত্ৰ-ছাত্ৰী, শিক্ষক কৰ্মচাৰী আদি সকলোৰে মাজত কৰ্তব্য, দায়িত্বৰ লগতে বিদ্যালয়ৰ মূল আদৰ্শ, ঐতিহ্য, কৰ্মধাৰা ইত্যাদিৰ বিষয়ে আন্তৰিক অনুভৱ জগাই তুলিব পাৰিলে বিদ্যালয়ত দলীয় চেতনা সৃষ্টি হোৱা দেখা যায়।

। সমাজৰ অন্য দলৰ প্ৰতি অসুস্থ প্ৰতিযোগিতামূলক মনোভাৱৰ পৰিবৰ্তে সুস্থ আৰু সৌহাৰ্দ্যপূৰ্ণ মনোভাৱ জগাই তোলাটো গণ-চেতনা জাগৰণৰ আন এটি কাৰ্যকৰী পন্থা।

। বিদ্যালয়ৰ ইতিহাসৰ লগত পৰিচয়, বিভিন্নজনৰ কীৰ্তি-কলাপ আৰু গৌৰৱোজ্জ্বল কৃতকাৰ্যতাৰ বিষয়ে জ্ঞান, গণ-চেতনা জাগ্ৰত কৰাৰ ক্ষেত্ৰত বিশেষভাৱে প্ৰয়োজন। প্ৰতিগৰাকী লোকে পূৰ্বতে কৰি যোৱা কাম-কাজৰ মূল্যায়ন অতিকে প্ৰয়োজন।

। বিদ্যালয়ৰ সামুহিক কাম-কাজৰ সুপৰিকল্পনা আৰু তাৰ বাস্তৱ ৰূপায়নৰ সু-ব্যৱস্থাৰ লগতে সুনিয়ন্ত্ৰণৰ কাৰণে নেতা নিৰ্বাচন হ'ল ইয়াৰ আন এটি চৰ্ত। সকলোতে নেতৃত্ব দিব পৰা লোক নিৰ্বাচন কৰি কাম-কাজবোৰ আগুৱাই নিব লাগিব।

। বিদ্যালয়ৰ অনুশাসন ৰক্ষা আৰু বিভিন্ন সমস্যা সমাধানত শিক্ষাৰ্থীৰ সক্ৰিয় সহযোগিতা আৰু দায়িত্ব গ্ৰহণ হ'ল ইয়াৰ এটি ফলপ্ৰদ পন্থা। আগতে প্ৰশিক্ষাৰ্থীক এনে কামত কোনো দায়িত্ব দিয়া নহৈছিল, কিন্তু সাম্প্ৰতিক কালত বিদ্যালয় সমাজৰ সুপৰিচালনা আৰু সমস্যা সমাধানৰ বিষয়ত ক্ৰমাগতভাৱে ছাত্ৰ-ছাত্ৰীক অধিক জড়িত কৰা হৈছে। কাৰণ এনে ব্যৱস্থাৰ দ্বাৰা গণ-চেতনা সৃষ্টিৰ ক্ষেত্ৰত সুফল পোৱা গৈছে।

। বিদ্যালয়ৰ নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ, নিয়ম-কানুন আদি মানি চলাৰ ক্ষেত্ৰত প্ৰত্যেকৰে মনত সচেতনতাৰ ভাব অনুভূতি সৃষ্টি কৰাতো বিশেষভাৱে প্ৰয়োজন।

। বিদ্যালয়ত গণ-চেতনা জাগ্ৰত কৰাৰ ক্ষেত্ৰত এক সাজ-পোছাক, প্ৰতীক-চিহ্ন, নিজস্ব পতাকা আৰু বিদ্যালয়ৰ সংগীতৰ বিশেষ ভূমিকা আছে।

। গণ-চেতনাৰ বাবে বিদ্যালয়ত সমাজধৰ্মী পৰিৱেশ সৃষ্টিৰ বিশেষ দৰকাৰ। সামূহিক কাম-কাজ, দলীয় খেলা-ধূলা, সাংস্কৃতিক কাৰ্যসূচী, প্ৰদৰ্শনী, সমাজ কল্যাণমূলক কামকাজ,

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

বিশেষ দিৱস উদ্‌যাপন ইত্যাদিৰ যোগেদি এনেদৰে ছাত্ৰ-ছাত্ৰীৰ মনত দলীয়ভাৱ জাগ্ৰত কৰিব পাৰি। এনে কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীৰ লগত শিক্ষক-শিক্ষয়িত্ৰীৰ সক্ৰিয় সহযোগিতা আগবঢ়াব লাগে।”

### ৫.৯.৮ বিদ্যালয়ত দলীয় মনৰ তাৎপৰ্য্য (Significance of Group-mind in School)ঃ

শিক্ষানুষ্ঠানত সামাজিক দলৰ সকলোখিনি বৈশিষ্ট্য সুন্দৰভাৱে ফুটি উঠা দেখা যায়। সাধাৰণতে প্ৰত্যেকখন বিদ্যালয় একো একোটা সু-সংগঠিত দল অথবা সমাজ। বৰ্ত্তমান শিক্ষাবিদসকলে বিদ্যালয়ৰ এনে সু-সংগঠিত সামাজিক দলসমূহৰ মনোবৈজ্ঞানিক অধ্যয়ণত বিশেষভাৱে মনোযোগ দিছে। প্ৰত্যেকখন বিদ্যালয়ৰে নিজস্ব শৈক্ষিক উদ্দেশ্য তথা লক্ষ্য থাকে। সেই লক্ষ্য পূৰণৰ বাবে শিক্ষাৰ্থী, শিক্ষক আৰু শিক্ষানুষ্ঠানৰ কৰ্মচাৰীসকলে একগোট হৈ নানা ধৰণেৰে কাম-কাজ সম্পাদন কৰে। শিক্ষানুষ্ঠানৰ সকলো ব্যক্তিৰ মাজত চিন্তা, ক্ৰিয়া আৰু অনুভূতি আদিৰ পাৰস্পৰিক আদান-প্ৰদান হয়। বিদ্যালয়খনৰ অতীত ইতিহাস, ঐতিহ্যপূৰ্ণ ধাৰণা আৰু গৌৰৱবোধে শিক্ষক, শিক্ষাৰ্থী সকলোকে অনুপ্ৰাণিত কৰে। এনে ধৰণে গঢ়লৈ উঠা বৈশিষ্ট্যই বিদ্যালয়ৰ স্থায়িত্ব সুদৃঢ় কৰি তোলে। শিক্ষানুষ্ঠানৰ সু-সংগঠিত সামাজিক দলীয় ভাৱধাৰাৰ ফলত শক্তিশালী মনোভাৱ গঢ় লৈ উঠে। বিদ্যালয়ত কি ধৰণেৰে সামূহিক ভাৱধাৰা গঢ়ি তুলিব পৰা যায় তাৰ চমু বৰ্ণনা তলত দাঙি ধৰা হ'লঃ

**১। ছাত্ৰ একতা সভা গঠন** (Students' Union) ঃ

বিদ্যালয়বোৰত শিক্ষাৰ্থীসকলে সামগ্ৰিক বিকাশৰ বাবে কাম কৰাৰ অৰ্থে, দলীয় ভাৱধাৰা সৃষ্টি কৰাৰ বাবে ছাত্ৰ একতা সভা গঢ়ি তোলাৰ ব্যৱস্থা আছে। এনে সভাত শিক্ষক-শিক্ষাৰ্থী উভয়ে একেগোট হৈ বিভিন্ন ধৰণৰ শিক্ষা সম্বন্ধীয় প্ৰয়োজন পূৰণ কৰাৰ লগতে নানা সমস্যা ৰাজিৰো সমাধান কৰিব পাৰে। ইয়াৰ উপৰিও ছাত্ৰ একতা সভাৰ মাধ্যমত শিক্ষাৰ্থীসকলৰ ব্যক্তিত্বৰ বিকাশ কৰিব পৰা যায়। ছাত্ৰ একতা সভাৰ নেতা নিৰ্বাচন কৰোতে শিক্ষাৰ্থীসকলৰ মনত গণতান্ত্ৰিক ভাৱধাৰাৰ উদয় হয় আৰু শিক্ষাৰ্থীসকলে নেতৃত্বৰ শিক্ষা পায়। শিক্ষাৰ্থীসকলৰ ব্যক্তি প্ৰতিভা আৰু সামৰ্থ্য ইয়াৰ মাধ্যমেৰে শিক্ষক তথা সমাজৰ দৃষ্টিগোচৰ হয়। ছাত্ৰ একতা সভাই শিক্ষাৰ্থীসকলৰ মনত সহযোগিতাৰ মনোভাৱ আৰু ঐক্যবদ্ধ ধাৰণাৰ উদয় কৰায়।

**২। পাঠ্যক্ৰম সম্বন্ধীয় কাৰ্যক্ৰমৰ প্ৰয়োগ** (Application of Curricular Programmes)ঃ

শিক্ষাৰ্থীসকলৰ মনত দলীয় ভাৱধাৰাৰ উদয় কৰাৰ বাবে পাঠ্যক্ৰম সম্বন্ধীয় কাৰ্যাৱলীও সু-সংগঠিত কৰিব পাৰি। বিদ্যালয়ত নিৰ্ধাৰিত পাঠ্যক্ৰমৰ বিভিন্ন কাৰ্যসূচীৰ দ্বাৰা শিক্ষাৰ্থীসকলৰ চিন্তা, ক্ৰিয়া আৰু অনুভূতিৰ ঐক্য সহজে স্থাপন কৰিব পাৰি। শ্ৰেণীকক্ষত শিক্ষকে পাঠদানৰ মাধ্যমেৰে তেওঁৰ চিন্তা ভাৱনা আৰু অনুভূতি আদি প্ৰকাশ কৰে। শিক্ষাৰ্থীসকলে শিক্ষকৰ প্ৰতি অনুগামী হৈ শিক্ষকৰ নিৰ্দেশসমূহ পালন কৰিবলৈ যত্নপৰ হয়। বিদ্যালয়ৰ বিজ্ঞানাগাৰ, কৰ্মশালা আদিত শিক্ষাৰ্থীসকলে শিক্ষকে দিয়া নিৰ্দেশ অনুকৰণ কৰি লাভৱান্বিত হয়। সেয়েহে শিক্ষাৰ্থীসকলৰ

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

মনত শিক্ষাৰ শ্ৰেণীবোৰত শিক্ষকে নেতাৰ ভূমিকা গ্ৰহণ কৰে। শিক্ষকৰ ওপৰত আস্থা ৰাখি শিক্ষাৰ্থীৰ পৰা আলাপ আলোচনা আৰু ভাৱৰ আদান প্ৰদানৰ মাধ্যমেদি সহযোগিতাৰ মনোভাৱ আয়ত্ব কৰে।

**৩। বাৰ্ষিক কাৰ্যসূচী উদ্‌যাপনৰ ব্যৱস্থা** (Provision of Organising Annual Programmes)ঃ

বিদ্যালয়বোৰত বছৰৰ ভিতৰত শেষৰ পিনে কিছুমান বাৰ্ষিক ক্ৰিয়া-কাৰ্য তথা অনুষ্ঠান পালন কৰা হয়। এনে ধৰণৰ কাৰ্যবোৰে বিদ্যালয়ৰ সামাজিক জীৱন সু-সংগঠিত আৰু সু-দীৰ্ঘ কৰি তোলে। বিদ্যালয়ৰ ভিতৰত প্ৰতিষ্ঠা দিৱস, বাৰ্ষিক পুৰস্কাৰ বিতৰণী সভা, ন-পুৰণি ছাত্ৰৰ সমাৱেশ, বিদায় সভা ইত্যাদি অনুষ্ঠিত কৰিব পৰা যায়। এনেধৰণৰ কাৰ্যসূচীবোৰ অনুষ্ঠিত কৰিলে শিক্ষাৰ্থীসকলৰ মনত একাত্মবোধৰ ধাৰণাৰ উদয় হয় আৰু লগে লগে বিদ্যালয়খনৰ সামাজিক জীৱন স্বাভাৱিকভাৱে শক্তিশালী হৈ উঠে।

**৪। কলাসুলভ বিষয়ৰ ব্যৱস্থা** (Provision of Artistic Subject) ঃ

বিদ্যালয়বোৰত শিক্ষাদানৰ কাৰ্যৰ মাজতে সমান্তৰালভাৱে কলাত্মক বিষয়ৰ জ্ঞানো দিব পৰা যায়। এই কলাত্মক বিষয়বোৰে শিক্ষক আৰু শিক্ষাৰ্থীৰ মনত আৱেগিক ভাৱধাৰাৰ উন্মেষ ঘটায়। বিদ্যালয়ত সঙ্গীত, নাটক, সাংস্কৃতিক কাৰ্যসূচী, কলা-কৃষ্টিৰ কাৰ্যসূচী, কবিতা আদিৰ শিক্ষাদান কৰোতে শিক্ষক-শিক্ষাৰ্থীৰ মনত আৱেগিক অনুভূতিৰ সৃষ্টি হয়। এনেবোৰ কাৰ্যসূচীৰ প্ৰচলনে শিক্ষক শিক্ষাৰ্থীৰ মনত পৰস্পৰ বুজা বুজিৰ ভাৱধাৰা গঢ়ি তোলে। শিক্ষক-শিক্ষাৰ্থীসকলৰ মনত সংহতিৰ ভাৱধাৰা উদয় হৈ আৱেগিক ঐক্য সৃষ্টি হয়। কলা-সংস্কৃতি, নাটক, সঙ্গীত ইত্যাদিবোৰে যিমান সোনকালে শিক্ষাৰ্থীৰ মন আকৰ্ষিত কৰিব পাৰে অন্য কোনো দিশেই শিক্ষাৰ্থীসকলৰ মনত ইমান শক্তিশালীভাৱে প্ৰভাৱ পেলাব নোৱাৰে। সেয়েহে এনেবোৰ বিষয়ৰ শিক্ষাদান কৰাটো অতীব প্ৰয়োজন।

**৫। সামূহিক কাৰ্যসূচীৰ ব্যৱস্থা** (Provision of Common Programmes) ঃ

বৰ্তমান বিদ্যালয়বোৰত শিক্ষাৰ্থীসকলে নানাবিধ সামূহিক কাৰ্যসূচীত অংশ গ্ৰহণ কৰিবলৈ সক্ষম হয়। বিদ্যালয়বোৰত প্ৰয়োগ কৰা বিভিন্ন ধৰণৰ অতিৰিক্ত পাঠ্যক্ৰমৰ কাৰ্যসূচীবোৰ এইখিনিতে উল্লেখনীয়। বিদ্যালয়খনৰ বিভিন্ন শ্ৰেণীৰ মাজত দলীয় ক্ৰিয়া আদি অনুষ্ঠিত কৰি সমূহ মনৰ ভাৱধাৰা শক্তিশালী কৰিবলৈ যত্ন কৰা হয়। বিদ্যালয়বোৰত সময়ে সময়ে তৰ্ক প্ৰতিযোগিতা, আলোচনা চক্ৰ, অভিবৰ্ত্তন আদি অনুষ্ঠিত কৰা হয়। সেই কাৰ্যসূচীবোৰত শিক্ষক-শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰি সামূহিক চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱান্বিত হয়। ইয়াৰ ফলত শিক্ষাৰ্থীসকলৰ নৈতিক চৰিত্ৰ শক্তিশালী হৈ উঠে আৰু তাৰ লগে লগে লাভ কৰে সামাজিক সংহতিৰ মনোভাৱ আৰু সমাজীকৰণৰ ধাৰণা। এনেবোৰ ধাৰণাৰ দ্বাৰা উদ্বুদ্ধ কৰিবলৈ হ'লে সামুহিক প্ৰাৰ্থনা, দলীয় গান, সমাজ সেৱাৰ আঁচনি, স্বেচ্ছাসেৱা মূলক কাম আদিবোৰ অনুষ্ঠিত কৰিব লাগিব। এনে কাৰ্যসূচী হাতত ল'লহে শিক্ষাৰ্থীৰ মনত সামাজিক নৈতিকতাৰ ভাৱ গঢ় ল'ব। আগতে শিক্ষাৰ্থীক এনে কামত কোনো দায়িত্ব দিয়া নহৈছিল, কিন্তু সাম্প্ৰতিক কালত বিদ্যালয়, সমাজৰ সুপৰিচালনা আৰু সমস্যা সমাধানৰ বিষয়ত ক্ৰমাগতভাৱে ছাত্ৰ-ছাত্ৰীক অধিক জড়িত কৰা হৈছে। কাৰণ এনে ব্যৱস্থাৰ দ্বাৰা গণ-চেতনা সৃষ্টিৰ ক্ষেত্ৰত সুফল পোৱা গৈছে।

শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই

। বিদ্যালয়ৰ নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ, নিয়ম-কানুন আদি মানি চলাৰ ক্ষেত্ৰত প্ৰত্যেকৰে মনত সচেতনতাৰ মনোভাৱ সৃষ্টি কৰাতো বিশেষভাৱে প্ৰয়োজন।

। বিদ্যালয়ত গণ-চেতনা জাগ্ৰত কৰাৰ ক্ষেত্ৰত এক সাজ-পোছাক, প্ৰতীক-চিহ্ন, নিজস্ব পতাকা আৰু বিদ্যালয়ৰ সংগীতৰ বিশেষ ভূমিকা আছে।

। গণ-চেতনাৰ বাবে বিদ্যালয়ত সমাজধৰ্মী পৰিবেশ সৃষ্টিৰ বিশেষ দৰকাৰ। সামুহিক কাম-কাজ, দলীয় খেলা-ধূলা, সাংস্কৃতিক কাৰ্যসূচী, প্ৰদৰ্শনী, সমাজ কল্যাণমূলক কামকাজ, বিশেষ দিৱস উদ্‌যাপন ইত্যাদিৰ যোগেদি এনেদৰে ছাত্ৰ-ছাত্ৰীৰ মনত দলীয়ভাৱ জাগ্ৰত কৰিব পাৰি। এনে কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰীৰ লগত শিক্ষক-শিক্ষয়িত্ৰীৰ সক্ৰিয় সহযোগিতাৰ অতি প্ৰয়োজন।

**আত্মমূল্যায়ন প্ৰশ্ন**

**দল বুলিলে আমি কি বুজো? দলৰ বৈশিষ্ট্যবোৰ কেনেভাৱে আলোচনা কৰিব পাৰি? দল গঠন কেনেবোৰ শক্তিৰ ওপৰত নিৰ্ভৰ কৰে? ( টা মান শব্দৰ ভিতৰত)।**

..........................................................................................................
..........................................................................................................
..........................................................................................................

## ৫.৯.৯ দলীয় নেতৃত্ব (Group Leadership) ঃ

সকলো দল গঠনৰ মূলতে থাকে সামুহিক আৰু বৃহত্তৰ স্বাৰ্থ, আদৰ্শ আৰু প্ৰয়োজনৰ বাস্তৱ ৰূপায়নৰ আকাংক্ষা। পৰম্পৰাগতভাৱেই হওঁক বা ইচ্ছাকৃতভাৱেই হওঁক দল বা গোটৰ মুখ্য উদ্দেশ্য আৰু নীতিসমূহৰ বাস্তৱ ৰূপায়ণৰ ক্ষেত্ৰত দলে এনে নেতা নিৰ্বাচন কৰিবলগীয়া হয় যি নেতাই ব্যক্তিগত স্বাৰ্থ আৰু নীতিৰ উৰ্ধত থাকি সামুহিক জীৱনৰ বাবে নীতিগতভাৱে কাম কৰি যাব পাৰে। তেওঁৰ আচৰণবিধি, ধ্যান-ধাৰণা আৰু কৰ্মধাৰা উচ্চস্তৰীয় আদৰ্শৰ দ্বাৰা নিয়ন্ত্ৰিত হ'ব লাগে। তদুপৰি দলৰ সকলোৰে তেওঁ আস্থাভাজন হোৱাটো প্ৰয়োজন। দলৰ প্ৰতিজন সদস্যই অনুভৱ কৰিব লাগে যে তেওঁ দলৰ প্ৰতীকৰূপে সমুহ জীৱনৰ আশা-ভৰসা, আকাংক্ষা আৰু প্ৰেৰণা বাঞ্ছিত ৰূপত ৰূপায়িত কৰিব। আনকথাত তেওঁ জনগণৰ প্ৰকৃত প্ৰতিনিধি হোৱাৰ দৰকাৰ। দলনেতা যদি চৰিত্ৰৱান, নীতিৱান, নিস্বাৰ্থ, দূৰদৃষ্টিসম্পন্ন হয় তেন্তে তেওঁৰ অধিনায়কত্বত দলৰ সন্মান আৰু স্থায়িত্ব বাঢ়ি যায়। ক্ষমতাৰ সুপ্ৰয়োগৰ দ্বাৰা তেওঁ যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা কৰিব পাৰে। আনহাতে, দলনেতা দুৰ্বল, স্বাৰ্থপৰ, নীতিহীন হ'লে দলৰ মৰ্যদা লাঘৱ হয়।

দল নেতাৰ গুণাৱলী সম্পৰ্কে বহু জনৰ বহু মত। *ইয়াৰে ভিতৰত থূলমূলকৈ কেইটিমান বিশেষত্বৰ কথা তলত উল্লেখ কৰা হ'ল। সেইবোৰ হ'লঃ*

। দল-নেতাগৰাকী আকৰ্ষণীয় ব্যক্তিত্বৰ আৰু আনন্দদায়ক ব্যৱহাৰৰ প্ৰতীক হোৱাটো অপৰিহাৰ্য।

। দলক সুচাৰুৰূপে নিয়ন্ত্ৰিত কৰিবৰ বাবে তেওঁৰ দক্ষতা, কৌশল আৰু সামৰ্থ থাকিব লাগে।

। তেওঁৰ শাৰীৰিক শক্তি আৰু যোগ্যতা থকাটো বিশেষভাৱে প্ৰয়োজন।

। সততা, সাধুতা আৰু ন্যায়পৰায়ণতা দল নেতাৰ আন এটি গুণ।

। দলীয় আদৰ্শ আৰু কৰ্ম-তালিকা সম্পৰ্কে তেওঁৰ সম্যক জ্ঞান থকাৰ প্ৰয়োজন।

। সামূহিক কামৰ অভিজ্ঞতা, এনে কামত নিষ্ঠা আৰু অনুৰাগ থকাটো দল নেতাৰ পক্ষে একান্ত আৱশ্যক।

। দল নেতাগৰাকী গণতন্ত্ৰত বিশ্বাসী হোৱাৰ উপৰিও দলৰ লগত একাত্ম হৈ কাম কৰাৰ আগ্ৰহ থাকিব লাগে।

। দল নেতা সাহসী আৰু নিৰ্ভীক হোৱাৰ প্ৰয়োজন।

। পক্ষপাত শূন্যতা, সকলোৰে প্ৰতি সহানুভূতিশীল আৰু ঠেক নীতিৰ উৰ্ধত থকাটো দল নেতাৰ আন এটি গুণ।

। দল নেতাগৰাকী সামাজিকভাৱে দায়বদ্ধ আৰু দলৰ প্ৰতি অকুণ্ঠ আনুগত্য থকা ব্যক্তি হ'ব লাগে।

। দলটোৰ সামাজিক চেতনা অধিক শক্তিশালী হোৱা উচিত।

। জীৱনবোধৰ ক্ষেত্ৰত পাৰ্যমানে বিশুদ্ধতা থকাটো প্ৰয়োজন।

। দলৰ প্ৰতিজন সদস্যৰ ক্ষমতা আৰু সম্ভাৱনা সম্পৰ্কে সচেতন দৃষ্টিভংগী থকাতো প্ৰয়োজন।

। ভাষা-সংস্কৃতিৰ বিশুদ্ধ জ্ঞান দলনেতাৰ ক্ষেত্ৰত অতি আৱশ্যকীয়।

। দলৰ বাবে নিজৰ সকলো ত্যাগ কৰাৰ মানসিকতা দলনেতাৰ ক্ষেত্ৰত অতিকে প্ৰয়োজন।

### ৫.১০ সমাজীকৰণৰ ধাৰণা (Concept of Socialisation) ঃ

শৈক্ষিক সমাজবিজ্ঞানৰ এটা গুৰুত্বপূৰ্ণ আলোচ্য বিষয় হৈছে সমাজীকৰণ প্ৰক্ৰিয়া। সমাজ বিজ্ঞানসন্মত দৃষ্টিকোণৰ পৰা শিক্ষাৰ প্ৰধান কাম হৈছে প্ৰতিজন মানৱ শিশুক সামাজিক অথবা সমাজমুখী কৰি তোলা। বাস্তৱ ক্ষেত্ৰত এনে প্ৰক্ৰিয়া বৰ সৰল প্ৰক্ৰিয়া বুলি অভিহিত কৰিব নোৱাৰি। এনে প্ৰক্ৰিয়াৰ লগত মানুহৰ বায়'জেনিটিক (Biogenetic) আৰু চছিঅ'জেনিটিক (Sociogenetic) স্পৃহা আৰু প্ৰয়োজন আৰু আচৰণসমূহ গভীৰভাৱে

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

সাঙোৰ খাই আছে। মানুহৰ সমাজ জীৱনৰ বিভিন্ন বিশেষত্ব আৰু ব্যক্তিজীৱনৰ বিশেষত্বসমূহো সমাজীকৰণ প্ৰক্ৰিয়াৰ লগত গভীৰভাৱে সংলগ্ন হৈ আছে। মানুহৰ আচৰণ প্ৰক্ৰিয়াসমূহে সমাজীকৰণ প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ ভূমিকা লয়। মানৱ আচৰণৰ অন্তৰালত ক্ৰিয়া কৰা জৈৱিক তথা সামাজিক বিশেষত্ব আৰু উপাদানসমূহে তেওঁৰ জীয়াই থকাৰ প্ৰক্ৰিয়াত গভীৰভাৱে প্ৰভাৱ পেলায়। এনে আচৰণসমূহ আকৌ সমাজ আৰু ব্যক্তিৰ দেহ-মানসিক ক্ষমতাৰ বিভিন্নতা অনুসৰি পৃথক হ'বলৈ বাধ্য। মানুহৰ দৈহিক আচৰণ অথবা জৈৱিক আচৰণসমূহে মূলত দেহ যন্ত্ৰ আৰু মানসিক প্ৰয়োজনসমূহ নিৰ্ধাৰণ কৰে। অৰ্থাৎ ক্ষুধা, তৃষ্ণা, নিদ্ৰা, আঘাত অথবা বিপদৰ পৰা ৰক্ষা পৰাৰ আকাংক্ষা, নিৰসন বা অপসৰণ (Elimination), কিছুসংখ্যক সামাজিক মনোভাৱ বা অভিবৃত্তি (Attitudes), মানদণ্ড (Norms) আৰু প্ৰমূল্যবোধ (Values) আদিৰ দৰে অভিপ্ৰায় (motives) সমূহে মানুহৰ দেহ-মানসিক আচৰণসমূহ প্ৰভাৱিত কৰে। মানুহে সদায় এটা শৃংখলাবদ্ধ জীৱন পৰিচালনা কৰাৰ আকাংক্ষা কৰে। খোৱা, পিন্ধা, শোৱা, সংগী নিৰ্বাচন কৰি লোৱা, ৰীতি-পৰম্পৰাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা, কথা পতা আদিৰ ক্ষেত্ৰত মানুহে নিৰ্দিষ্ট কিছু নিয়ম-নীতি অথবা বাধ্যবাধকতা অনুসৰণ কৰি সম্পাদন কৰাৰ চেষ্টা চলায়।

এটা বৰ্ধমান শিশুৱে জন্মগ্ৰহণ কৰা পৰিয়াল, সম্প্ৰদায় আৰু সমাজৰ পৰাই ক্ৰমাগতভাৱে নিৰ্দিষ্ট কিছুসংখ্যক আদব- কায়দা, ৰুচি-অভিৰুচি, লক্ষ্য-উদ্দেশ্য, অভিপ্ৰায়, কৰ্ম পৰিচালনাৰ নীতি অতি স্বাভাৱিকভাৱে শিকি লয়। ইয়াৰ উপৰি সমাজৰ মংগলৰ বাবে সমাজে নিৰ্দিষ্ট অভিপ্ৰায় সন্মুখত ৰাখি স্থাপন কৰা বিদ্যালয় অথবা শিক্ষানুষ্ঠান, সামাজিক আচাৰ-অনুষ্ঠান, সমনীয়াৰ দল, খেলা-ধূলাৰ সঙ্গ আদিৰ পৰাও নিৰ্দিষ্ট কিছুসংখ্যক আচৰণ, ৰুচিবোধ, প্ৰমূল্যবোধ, ৰীতি-পৰম্পৰা শিকি লয়। নিজৰ পৰিয়াল, লগ-সঙ্গ, সম্প্ৰদায়, শিক্ষানুষ্ঠান, ধৰ্মীয় অনুষ্ঠান আদিৰ পৰা প্ৰতিজন মানুহে পুৰণি পুৰুষসকলে সৃষ্টি কৰি থোৱা বা মানি অহা আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, পৰম্পৰা, প্ৰমূল্যবোধ আদিৰ বিষয়ে অতি প্ৰণালীবদ্ধভাৱে প্ৰয়োজনীয় শিক্ষা অভিজ্ঞতা লাভ কৰে। এটা শিশুৱে নিজৰ সম্প্ৰদায়ৰ ভাষা, চলন-ফুৰণৰ নীতি-নিয়ম, মনোভাৱ, খোৱা-পিন্ধাৰ নীতি-নিয়ম আদিৰ বিষয়ে নানাধৰণৰ কথা শিকি লয়। বিকাশ লাভ কৰা অথবা ডাঙৰ-দীঘল হোৱা নিজস্ব পৰিৱেশৰ বিভিন্ন উৎস, যেনে— পৰিয়াল, লগ-সংগ, ধৰ্মানুষ্ঠান, শিক্ষানুষ্ঠান আৰু সমাজখনৰ পৰা তেওঁৰ আচৰণ, কৰ্তব্য, কাৰ্যসম্পাদনৰ নীতি আদি সম্পৰ্কত বিভিন্ন শিক্ষা, বিভিন্ন অভিজ্ঞতা আহৰণ কৰিবলৈ সমৰ্থবান হয়। বিকাশৰ বিভিন্ন স্তৰ অতিক্ৰম কৰি সামাজিক ক্ষেত্ৰত বিভিন্ন অৱস্থা আৰু উপাদানৰ বাবে তেওঁ নানা ধৰণৰ শিক্ষা-অভিজ্ঞতা, জ্ঞান-অভিজ্ঞতা আহৰণ কৰে। তেনে শিক্ষা-অভিজ্ঞতা, জ্ঞান-অভিজ্ঞতা, কৌশল আৰু দক্ষতাৰ সহায়তে তেওঁ নিজৰ আচৰণ পৰিমাৰ্জিত আৰু বিকশিত কৰি জীৱনৰ গতিৰে এজন মানুহ হিচাপে অগ্ৰসৰ হয়।

জন্মৰ মুহূৰ্তৰ পৰা মৃত্যুৰ মুহূৰ্তলৈ জীৱনৰ এনেবোৰ কাৰ্যকলাপেৰে সমাজ জীৱনৰ বিভিন্ন ক্ষেত্ৰ আৰু অৱস্থাৰ মুখামুখি হৈ সেইবোৰৰ লগত গভীৰভাৱে সাঙোৰ খাই পৰা

শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই

প্ৰক্ৰিয়াটোকে সৰল অৰ্থত সমাজীকৰণ প্ৰক্ৰিয়া বুলি অভিহিত কৰা হয়। সমাজীকৰণ হৈছে এটা অতি প্ৰণালীবদ্ধ প্ৰক্ৰিয়া যাৰ সহায়ত এজন ব্যক্তিয়ে সামাজিক অৱস্থাৰ বিভিন্ন ক্ষেত্ৰ আৰু অংশৰ লগত গভীৰ মানৱীয় যোগসূত্ৰ আৰু সম্পৰ্ক স্থাপন কৰিবলৈ প্ৰচেষ্টা চলায়। এনে প্ৰক্ৰিয়াৰ সহায়ত মানুহে নিজৰ সমাজ, দল, সম্প্ৰদায় আৰু বিস্তাৰিতভাৱে বৃহত্তৰ মানৱীয় সমাজৰ লগত নিজকে খাপ খুৱাই লোৱাৰ প্ৰয়াস কৰে।

সমাজীকৰণৰ সহায়ত মানৱ সভ্যতাৰ এক সমাজমুখী অৱস্থাকে বুজোৱা হয়। সমাজীকৰণ মানুহৰ জীৱন প্ৰক্ৰিয়া আৰু সভ্যতাৰ এক অতি জটিল প্ৰক্ৰিয়া। এনে প্ৰক্ৰিয়াৰ প্ৰণালীবদ্ধ আৰু বিজ্ঞানসন্মত প্ৰগতিৰ ওপৰতে মানুহৰ জীৱন, সমাজ আৰু সভ্যতাৰ গতিশীল উত্থান আৰু উন্নত বিকাশৰ অৱস্থাসমূহো সম্পৰ্কিত হৈ আছে। এনে কাৰণতে আধুনিক সমাজবিজ্ঞান আৰু নৃতত্ত্ব বিজ্ঞানত 'সমাজীকৰণ' আৰু 'সংস্কৃতি গ্ৰহণ' (Socialization and accultration) এই দুটা কথাৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিয়া হৈছে। এনে কাৰণতে আধুনিক শিক্ষাৰ বিভিন্ন দিশ অধ্যয়নৰ ক্ষেত্ৰত সমাজীকৰণ আৰু সংস্কৃতি গ্ৰহণৰ পদ্ধতিসমূহে কিভাৱে সহায় কৰিছে আৰু কেনেকৈ এজন ব্যক্তিক তেওঁৰ সাংস্কৃতিক পৰম্পৰাৰ অংশ হোৱাত সহায় কৰিছে সেই কথা প্ৰণালীবদ্ধভাৱে বিচাৰ-বিশ্লেষণ কৰি চোৱাটো নিতান্তই প্ৰয়োজন।

সামাজিক অন্তৰ্নিহিতৰ অৰ্থ গভীৰভাৱে অনুধাৱন কৰাৰ বাবে এই বিষয়ৰ সংজ্ঞাসমূহ বিশ্লেষণ কৰি চোৱাটো প্ৰয়োজন। তলত এনে ধাৰণা আৰু সংজ্ঞাসমূহ আগবঢ়োৱা হ'লঃ—

ড্ৰেভাৰৰ (Drever) মতে, "সমাজীকৰণ হৈছে এনে এটা প্ৰক্ৰিয়া যাৰ সহায়ত এজন ব্যক্তিয়ে তেওঁৰ সামাজিক পাৰিপাৰ্শ্বিকতাৰ লগত (সংগতি সাধনৰ দ্বাৰা) সমাযোজিত কৰি লয়, আৰু এজন স্বীকৃত সহযোগী আৰু দক্ষ প্ৰতিনিধি হিচাপে পৰিগণিত হয়। (Socialisation is a process by which the individual is adapted to his social environment (by attaining social conformity), and becomes a recognised, co-operating and efficient member of it)।

লিনটন, ক্ৰোৱেবাৰ, ৰাথ বেনেডিক্ট্, মাৰ্গাৰেট মিড, ৰাডক্লিফ, সাপিৰ আৰু অন্যান্য সাংস্কৃতিক নৃতত্ত্ববিদসকলে সমাজীকৰণক সংস্কৃতিগ্ৰহণৰ এটা প্ৰক্ৰিয়া হিচাপে গণ্য কৰে (Socialization is a process of accultration or the process of taking on the culture of a group)।

সংস্কৃতি এটা বিশাল ধাৰণা। মানুহৰ অভ্যাস, মনোভাৱ, পৰম্পৰা, জ্ঞান-কলা, লোক উপায় বা উপকৰণ (Folk-ways), লোকাচাৰ বা লোকনীতি (Mores), এটা দলৰ ৰীতি-নীতি বা আচাৰ (Customs) আদিক সংস্কৃতিয়ে সামৰি লয়। মানুহৰ জীৱন প্ৰক্ৰিয়াৰ সকলো উপায় আৰু কাৰ্যকলাপ সংস্কৃতিৰ অন্তৰ্ভুক্ত। সংস্কৃতিয়ে মানুহৰ জীৱনৰ প্ৰতিটো সৰু-বৰ দিশকেই সামৰি লয়। ড'চনৰ ভাষাত, "সংস্কৃতি হৈছে মানুহৰ জীৱনৰ এটা প্ৰচলিত ধাৰা, মানুহৰ চৌপাশৰ প্ৰাকৃতিক বেষ্টনী আৰু তেওঁৰ অৰ্থনৈতিক

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

প্ৰয়োজনীয়তাবোৰৰ লগত বিশেষ সমাযোজন" (A culture is a common way of life, particular adjustment of man to his natural surrounding and his economic needs)। সংস্কৃতিয়ে মানুহৰ জীৱনৰ প্ৰতিটো কৰ্ম, শিক্ষা, অভিজ্ঞতা, জ্ঞান-দক্ষতা, কলা, শিল্প, আইন, ৰীতি-নীতি, পৰম্পৰা, বিশ্বাস সকলো ধৰণৰ সামৰ্থ্য, অভ্যাস, এই সকলোবোৰকে অন্তৰ্ভুক্ত কৰি লয়। সৰল ভাষাত সামাজিক জীৱন প্ৰক্ৰিয়াত নিজস্ব সমাজৰ এজন প্ৰতিনিধি হিচাপে মানুহে যিবোৰ জ্ঞান, দক্ষতা, কৰ্ম, অভ্যাস, ৰীতি-পৰম্পৰা, বিশ্বাস, সামৰ্থ্য, আহৰণ কৰে অথবা শিকি লয় সেই সকলোবোৰকে সন্মিলিতভাৱে সংস্কৃতি বুলি কোৱা হয়। মানৱ জীৱনৰ এনে কাৰ্য প্ৰৱণতাসমূহৰ বিকাশ আৰু উন্নতি সম্ভৱ হয় সমাজীকৰণ প্ৰক্ৰিয়াৰ মাজেৰে। অৰ্থাৎ সমাজীকৰণ হৈছে এনে এটা বিশাল আৰু প্ৰণালীবদ্ধ প্ৰক্ৰিয়া যাৰ সহায়ত মানুহে জীৱন পৰিচালনাৰ, সমাজত আদৰ্শ জীৱন অতিবাহিত কৰাৰ বাবে প্ৰয়োজন হোৱা জ্ঞান-দক্ষতাৰ আৰু নিজস্ব সভ্যতা সংস্কৃতিৰ ৰক্ষণাবেক্ষণ আৰু বিকাশ সাধনৰ সকলো নীতি-আদৰ্শ, কৰ্মদক্ষতা শিকি লয়। কুকৰ (Cook) দৃষ্টিভংগীত, "সমাজীকৰণ হৈছে এনে এটা প্ৰক্ৰিয়া যাৰ সহায়ত ল'ৰা-ছোৱালীসকলে অৰ্থাৎ সমাজৰ নতুন পুৰুষসকলে বিভিন্ন ধৰণৰ সামাজিক ভূমিকা, সামাজিক শিক্ষণ আৰু বিকাশমূলক কাম গ্ৰহণ কৰি নিজৰ আৰু সমাজৰ বিকাশৰ বাবে প্ৰচেষ্টা চলায়।" সমাজত প্ৰতিজন ব্যক্তিয়ে নিজস্ব বয়স অনুসৰি, লিংগ অনুসৰি আৰু সামাজিক পদমৰ্যাদা অনুসৰি নিজৰ নিজৰ কাৰ্য সম্পাদন কৰিবলগীয়া হয়। ইয়াৰ উপৰি প্ৰতিজন মানুহে নিজস্ব মনোভাৱ বা অভিবৃত্তি অনুসৰি, প্ৰমূল্যবোধ অনুসৰি, নিজৰ আচৰণ সমাজৰ লগত সুসংগতভাৱে মিলাই লৈ মানুহে জীৱনৰ বাবে প্ৰয়োজনীয় সকলো কাৰ্যই সম্পাদন কৰিবলগীয়া হয়। এনেবোৰ স্পৃহা অথবা কৰ্ম পৰিচালনাৰ নীতি মানুহে জৈৱিক প্ৰেৰণা অথবা জাতি-প্ৰজাতি সংৰক্ষণৰ স্বাভাৱিক প্ৰৱণতা মনোবৈজ্ঞানিক গভীৰ স্পৃহা আৰু বংশগতিৰ আদৰ্শগত স্পৃহা সন্মুখত ৰাখি জ্ঞাত-অজ্ঞাত ভাৱে সম্পাদন কৰিবলৈ বাধ্য হৈ পৰে। অকল মানুহৰ মাজতেই যে এনে প্ৰক্ৰিয়া সংঘটিত হয় তেনে নহয়। প্ৰাণী জগতৰ মাজতো এই প্ৰক্ৰিয়া অবিৰতভাৱে প্ৰাকৃতিক নিয়ম অনুসৰি প্ৰচলিত হৈ আছে। নিজৰ বংশ ৰক্ষা কৰা আৰু সমাজখনৰ অস্তিত্ব ৰক্ষা কৰাৰ বাবে সকলো প্ৰাণীয়েই অতি স্বাভাৱিক প্ৰৱণতাৰে বিভিন্ন কাৰ্যত লিপ্ত হৈ পৰে। অৱশ্যে মানুহৰ ক্ষেত্ৰত অতি সচেতনভাৱে এনে প্ৰক্ৰিয়া অগ্ৰসৰ হয়।

আধুনিক কালৰ মনোবিজ্ঞানীসকলে সমাজীকৰণক এটা অতি সচেতন প্ৰক্ৰিয়া হিচাপে অভিহিত কৰিব খোজে। তেওঁলোকৰ দৃষ্টিভংগীত সমাজীকৰণ হৈছে সমাজৰ বিকাশ সাধনৰ অতি প্ৰণালীবদ্ধ আৰু গতিশীল প্ৰক্ৰিয়া। এনে প্ৰক্ৰিয়াই সামাজিক অভিবৃত্তি (social attitude) যেনে— বন্ধুত্বপূৰ্ণ অনুভূতি, সহযোগিতাৰ অনুভূতি, প্ৰতিদ্বন্দ্বিতাৰ অনুভূতি, প্ৰতিযোগিতাৰ অনুভূতি, সামাজিক দক্ষতা আৰু মানদণ্ড ৰক্ষা কৰাৰ অনুভূতিসমূহৰ বিকাশ আৰু ক্ৰমোন্নতিত মানুহক প্ৰেৰণা দিয়ে। এনে প্ৰেৰণাসমূহৰ সহায়ত মানুহে মানৱীয় যোগসূত্ৰ আৰু মানৱীয় বান্ধোনসমূহ সুদৃঢ় কৰি নিজস্ব জীৱন আৰু

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

সামাজিক অৱস্থাৰ বিকাশ আৰু প্ৰগতিৰ প্ৰক্ৰিয়া অধিক দৃঢ় কৰি তোলে। উল্লিখিত সকলোবোৰ দিশ অনুধাবন কৰি আমি ক'ব পাৰো যে সামাজীকৰণ হৈছে এটা অতি প্ৰণালীবদ্ধ স্বাভাৱিক প্ৰক্ৰিয়া যাৰ সহায়ত মানুহে নিজস্ব জীৱনৰ বিকাশৰ স্বাৰ্থত, ৰক্ষণাবেক্ষণৰ স্বাৰ্থত সমাজৰ বিকাশ আৰু ৰক্ষণাবেক্ষণৰ সকলো নীতি-আদৰ্শ আৰু কৰ্ম পৰম্পৰাৰ শিক্ষা গ্ৰহণৰ মাজেৰে আচৰণ পক্ৰিয়াৰ সংস্কাৰ সাধন কৰি লয়। ই এটা অতি গতিশীল আৰু স্বাভাৱিক প্ৰক্ৰিয়া।

**শিক্ষা আৰু সমাজীকৰণৰ প্ৰক্ৰিয়াসমূহ (Education and Socialisation Processes)ঃ**

সমাজীকৰণক সৰ্বাত্মক সামাজিক পাৰস্পৰিক ক্ৰিয়াৰ দ্বাৰা মূল্যায়ন কৰা হয়। অৰ্থাৎ সকলো প্ৰকাৰৰ সমাজীকৰণ সামাজিক পাৰস্পৰিক ক্ৰিয়াৰ দ্বাৰা মূল্যায়ন কৰা হয়। সকলো প্ৰকাৰৰ সমাজীকৰণ সামাজিক পাৰস্পৰিক কাৰ্যৰ দ্বাৰাহে সম্ভৱ হয়। সমাজীকৰণৰ দ্বাৰা মানুহৰ আচৰণ প্ৰক্ৰিয়াক সমাজমুখী কৰি তোলাৰ কথাকে বুজোৱা হয়। সৰলভাৱে ক'বলৈ হ'লে সমাজীকৰণে মানুহক সামাজিক আচৰণৰ নীতি-আদৰ্শসমূহৰ প্ৰণালীবদ্ধ জ্ঞান প্ৰদান কৰে। সমাজীকৰণৰ মাজেৰে মানুহে সামাজিক যোগসূত্ৰৰ ৰীতি-পৰম্পৰাৰ জ্ঞান লাভ কৰে। আনৰ আচৰণৰ নিৰীক্ষণ, কথা-বতৰাৰ নিৰীক্ষণ, কাম-কাজ, আচাৰ-ব্যৱহাৰ, গভীৰভাৱে নিৰীক্ষণ কৰি শিক্ষা আৰু অনুকৰণৰ মাজেৰে সেইবোৰৰ প্ৰয়োজনীয়খিনি শিকি লোৱাৰ মাজেৰে নিজ আচৰণৰ কাৰ্যকলাপৰ, চিন্তা-চৰ্চাৰ সংস্কাৰ সাধন কৰি লয় মানুহে। এনে প্ৰক্ৰিয়াৰ ক্ষেত্ৰত মূলতঃ মানুহক বিভিন্ন সামাজিক আচৰণ আৰু কাৰ্য প্ৰক্ৰিয়াই গভীৰভাৱে সহায় কৰে।

**৫.১০.১ সমাজীকৰণৰ ক্ষেত্ৰত শিক্ষা (Education in the Process of Socialisation)ঃ**

সমাজীকৰণ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত ধাৰাবাহিকভাৱে ক্ৰিয়াৰত হৈ থকা নানাধৰণৰ উপাদানৰ ভিতৰত অন্যতম প্ৰধান উপাদান হৈছে শিক্ষা। অৱশ্যে শিক্ষাৰ প্ৰকৃত অৰ্থ আৰু কাৰ্যসমূহ উপলব্ধি নকৰাকৈ সমাজীকৰণত শিক্ষাৰ ভূমিকা উপলব্ধি কৰাটো সম্ভৱ নহয়। পুৰণি কালত শিক্ষাক জ্ঞান আহৰণৰ মাধ্যম হিচাপে গ্ৰহণ কৰা হৈছিল। প্ৰাচীন গ্ৰীচৰ মহান শিক্ষা দাৰ্শনিকসকলৰ চিন্তা-চৰ্চা বিশেষকৈ প্লেটো, এৰিষ্টটল আদিৰ চিন্তা-চৰ্চা অনুধাৱন কৰিলে এনেবোৰ কথা সহজে উপলব্ধি কৰিব পাৰি। “গ্ৰীকবিলাকে প্ৰকৃতিৰ পৰা মানুহে শিক্ষা লাভ কৰা কথাটোত বেছি গুৰুত্ব আৰোপ কৰা নাছিল। তেওঁলোকে ধৰি লৈছিল যে শিক্ষা এক বিশেষ প্ৰকাৰৰ সামাজিক অনুষ্ঠান। ই মানুহৰ দ্বাৰা আৱিষ্কৃত এক বিশেষ প্ৰকাৰৰ পদ্ধতি। তেওঁলোকে ধৰি লৈছিল যে শিক্ষা এটা কলা আৰু ই প্ৰকৃতিক মানুহে পৰিৱৰ্তিত কৰি উন্নত কৰাৰ কথাহে সূচনা কৰে।”

তেওঁলোকে বিশ্বাস কৰিছিল যে, “শিক্ষা এটা কলা; ই মানুহৰ দ্বাৰা বোধ্য মূল্যাংকন ক্ৰমে মানুহৰ অভিজ্ঞতা নিয়ন্ত্ৰিত কৰে আৰু গঢ়ি দিয়ে। এনে কাৰ্যৰ দ্বাৰা প্ৰত্যেক খাপতে স্বাভাৱিক প্ৰকৃতিৰ উন্নতি সাধন ঘটে।”

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

দাৰ্শনিক হেগেলৰ মতে "সমাজ মানুহৰ আৱিষ্কাৰ বা সৃষ্টি নহয়, বৰঞ্চ সমাজৰ পৰাহে মানুহৰ আত্মিক সত্তাৰ উদ্ভৱ হৈছে। তেওঁৰ মতে ৰাষ্ট্ৰ এক অতিমানৱিক সত্তা, ব্যক্তিগত জীৱন এই সত্তাৰ পৰা আঁতৰি অহাৰ একোটা উদাহৰণহে মাথোন। ব্যক্তিগত আত্মাই স্বকীয় ইচ্ছাশক্তি আৰু বিবেক সকলো এই সত্তাৰ পৰাহে আহৰণ কৰি লয়।"

মানুহ সমাজপ্ৰিয় জীৱ। সমাজত থাকি নিজস্ব ক্ষমতা আৰু চিন্তা-চৰ্চাৰে মানুহে নিজৰ বিকাশৰ মাজেৰে সমাজৰ বিকাশ সাধন কৰে। এনে প্ৰক্ৰিয়াৰ সহায়তেই সমাজ, সংস্কৃতি আৰু সভ্যতাৰ বিকাশ সাধন সম্ভৱ হৈ উঠিছে। এনে বিকাশৰ মাজেৰেই মানুহৰ নিজৰ আৰু মানৱ সভ্যতাৰ সকলোবোৰ ভাল কাম বাস্তৱত সম্ভৱ হৈ পৰিছে। সামাজিক আবেষ্টনীত থাকি মানুহে নিজস্ব ব্যক্তিসত্তাৰ অন্তৰ্নিহিত গুণাৱলীৰ বিকাশ সাধনৰ প্ৰচেষ্টা হাতত লয়। সমাজ আৰু সামাজিক প্ৰক্ৰিয়াসমূহে মানুহৰ ওপৰত প্ৰত্যক্ষভাৱে প্ৰভাৱ বিস্তাৰ কৰে। নিজস্ব সমাজত মানুহৰ ওপৰত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে নানা উপাদানে প্ৰভাৱ পেলায়। তেনে প্ৰভাৱৰ সহায়তে মানুহৰ প্ৰতিভা আৰু ক্ষমতাসমূহৰ বিকাশ প্ৰক্ৰিয়া প্ৰণালীবদ্ধভাৱে অগ্ৰসৰ হয়। সমাজত মাক, দেউতাক, ককায়েক, ভায়েক, বায়েক, ভনীয়েক, সমনীয়া, সহপাঠী, একেলগে খেলা-ধূলা কৰা লগ-সংগ, শিক্ষক, বন্ধু বান্ধৱ, জীৱনৰ ভিন্ন কৰ্মৰ প্ৰতিযোগীসকল, প্ৰতিদ্বন্দ্বীসকল, জ্যেষ্ঠ আৰু কনিষ্ঠ সকলো লোকেই নানা ক্ৰিয়া আৰু প্ৰতিক্ৰিয়াত লিপ্ত হয়। এনে ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ফলতেই মানুহৰ মানৱীয় আচৰণ আৰু ব্যক্তিত্বৰ বিকাশ সাধিত হয়।

মানৱীয় আচৰণ আৰু ব্যক্তিত্বৰ বিকাশ প্ৰক্ৰিয়াত প্ৰণালীবদ্ধভাৱে ক্ৰিয়া-প্ৰতিক্ৰিয়াৰে প্ৰভাৱ পেলোৱা এনেবোৰ উপাদানৰ ভিতৰত শিক্ষা প্ৰক্ৰিয়া হৈছে সকলোতকৈ শক্তিশালী প্ৰক্ৰিয়া। শিক্ষা হৈছে এনে এটা প্ৰক্ৰিয়া যাৰ সহায়ত জীৱন আৰু সমাজৰ বাবে প্ৰয়োজনীয় জ্ঞান মানুহৰ প্ৰতি পৰিচালনা কৰা হয়। শিক্ষাৰ সহায়ত বিভিন্ন কৌশল, জ্ঞান, দক্ষতাৰ বিকাশ সাধনৰ উপৰি মানুহৰ ব্যক্তিত্বৰ প্ৰণালীবদ্ধ বিকাশ সাধন কৰা হয়। সমাজৰ ভালখিনিৰ বিষয়ে প্ৰণালীবদ্ধ জ্ঞান প্ৰদান কৰাৰ উপৰিও শিক্ষাই এটা পুৰুষৰ সংস্কৃতিৰ জ্ঞান আন এটা পুৰুষলৈ কঢ়িয়াই আনে। এনে কাৰণতে শিক্ষাক সংস্কৃতিৰ বাহক আৰু সভ্যতাৰ জীৱনীশক্তি বুলি অভিহিত কৰিব পাৰি। শিক্ষাই মানুহৰ আত্মিক গুণাৱলীৰ বিকাশ সাধনৰ মাজেৰে মানুহৰ মাজত অন্তৰ্নিহিত হৈ থকা মানৱীয় চৰিত্ৰৰ উত্থানত সহায় কৰে। এনে মানৱীয় চৰিত্ৰৰ সহায়ত সামাজিক চেতনাৰ বিকাশ সাধন কৰাত শিক্ষাই অগ্ৰদূত হিচাপে কাম কৰে। গতিকে সমাজীকৰণ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত শিক্ষা হৈছে ব্যক্তি আৰু সমাজৰ মাজত সংযোগ সাধনকাৰী শক্তি। শিক্ষাই ব্যক্তিৰ প্ৰাণশক্তি জাগ্ৰত কৰে। এনে প্ৰাণশক্তিৰে সমাজে নতুন জীৱন পায়, সংস্কৃতিয়ে ৰূপান্তৰৰ বাবে শক্তি পায় আৰু সভ্যতাই জীৱনীশক্তি লাভ কৰে। মানৱ সমাজৰ সাংস্কৃতিক পৰম্পৰাক ৰক্ষা কৰাৰ ক্ষেত্ৰত শিক্ষাই মানুহক প্ৰেৰণা দিয়ে। মানৱীয় প্ৰমূল্যসমূহৰ বিকাশ, ৰক্ষণা-বেক্ষণ আৰু এটা পুৰুষৰ পৰা আন এটা পুৰুষলৈ হস্তান্তৰিত কৰাৰ প্ৰক্ৰিয়াত শিক্ষাই সৰ্বশক্তিৰে মানুহক সহায় কৰে। সামাজিক বেষ্টনীটোৰ স্বাৰ্থ অনুসৰণ কৰি ব্যক্তিৰ স্বকীয় ক্ষমতা সমূহৰ

বিকাশৰ মাজেৰে সু-সমঞ্জস ব্যক্তিত্বৰ বিকাশ সাধনত শিক্ষাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সামাজিক কাঠামোৰ ৰূপান্তৰ ঘটোৱাৰ ক্ষেত্ৰতো শিক্ষাৰ গুৰুত্ব অধিক। সমাজৰ ভাল-বেয়া, সুন্দৰ-অসুন্দৰ আদি সকলো কথাৰে বিচাৰ-বিশ্লেষণ কৰাৰ বাবে প্ৰয়োজনীয় ক্ষমতাৰ বিকাশ সাধনতো শিক্ষাইহে অগ্ৰণী ভূমিকা পালন কৰে। সমাজ বিজ্ঞানীসকলৰ দৃষ্টিভংগীত শিক্ষা মানুহক সামাজিক জীৱ হিচাপে গঢ়ি তুলিবৰ বাবে এটা অৱচেতন প্ৰক্ৰিয়া। সমাজীকৰণ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত সকলোবোৰ শক্তিশালী উপাদানৰ ভিতৰতে শিক্ষাৰ ভূমিকা অধিক শক্তিশালী। এনে কথাৰ প্ৰাথমিক যুক্তি হিচাপে শিক্ষা প্ৰক্ৰিয়াই বাস্তৱায়িত কৰা তিনিটা প্ৰধান উদ্দেশ্যৰ কথা উল্লেখ কৰিব পাৰি। এই তিনিওটা উদ্দেশ্য মানুহৰ সমাজীকৰণ প্ৰক্ৰিয়াৰ গুৰুত্বপূৰ্ণ পূৰ্ব চৰ্ত হিচাপেও বিবেচনা কৰা সম্ভৱ। *এনে উদ্দেশ্যসমূহ মূলতঃ তলত দিয়া ধৰণৰ ঃ*

(ক) শিক্ষাই মানুহক জীৱন নিৰ্বাহ অথবা জীৱিকা উপাৰ্জনৰ বাবে উপযুক্ত কৰি তোলে।

(খ) শিক্ষাই মানুহক গণতান্ত্ৰিক জীৱন প্ৰক্ৰিয়াৰ বাস্তৱ অৰ্থ আৰু অস্তিত্ব উপলব্ধিত সহায় কৰে। তাৰোপৰি গণতান্ত্ৰিক জীৱন প্ৰক্ৰিয়াত নাগৰিক হিচাপে নিজৰ কৰ্তব্য, দায়বদ্ধতা আৰু অধিকাৰ সম্পৰ্কে শিক্ষাই নাগৰিক সচেতনতা বৃদ্ধিত অৰিহণা যোগায়।

(গ) শিক্ষাই মানুহৰ মাজত অন্তৰ্নিহিত হৈ থকা সকলো মানৱীয় ক্ষমতাৰে বিকাশ সাধন কৰি জীৱন পৰিচালনা কৰা আৰু জীৱন উপভোগ কৰাৰ বাবে উপযুক্তভাৱে গঢ় দি তোলে।

### ৫.১০.২ সমাজীকৰণ প্ৰক্ৰিয়া হিচাপে সহযোগিতা, সদৃশীকৰণ, প্ৰতিযোগিতা, দ্বন্দ্ব আৰু অনুশাসন (Socialization Processes such as Co-operation, Assimilation, Competition, Conflict and Discipline) ঃ

সমাজীকৰণৰ সকলোবোৰ প্ৰক্ৰিয়াই পাৰস্পৰিক ক্ৰিয়াৰ অন্তৰ্ভুক্ত। অৰ্থাৎ সকলো প্ৰকাৰৰ পাৰস্পৰিক ক্ৰিয়াই সমাজীকৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সামাজীকৰণে সাধাৰণতে সামাজিকভাৱে আচৰণ প্ৰদৰ্শন কৰা কাৰ্যক বুজায়। অৰ্থাৎ সমাজীকৰণ প্ৰক্ৰিয়াই মানুহক অদৰ্শপূৰ্ণ সামাজিক আচৰণ প্ৰদৰ্শন কৰাৰ বাবে সমৰ্থবান কৰি তোলে। আন ব্যক্তিৰ উপস্থিতি, আন ব্যক্তিৰ অংগীভংগী আৰু কথা-বতৰাৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰদৰ্শনত সচেতন আচৰণ প্ৰদৰ্শন কৰা প্ৰক্ৰিয়াকো সমাজীকৰণ প্ৰক্ৰিয়াই অন্তৰ্ভুক্ত কৰি লয়। সমাজত আন ব্যক্তিৰ সান্নিধ্যলৈ অহা, আন ব্যক্তিৰ কাৰ্যকলাপ লক্ষ্য কৰা, আনৰ কথা-বতৰা, কাম-কাজৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰদৰ্শন কৰা, নিজৰ কাম-কাজৰ প্ৰতি আনৰ প্ৰতিক্ৰিয়া জাগ্ৰত কৰা আদি কাৰ্যসমূহ সমাজীকৰণে অন্তৰ্ভুক্ত কৰি লয়। সমাজীকৰণৰ দিশলৈ আগবঢ়াই নিয়া অৰ্থাৎ মানুহক সমাজমুখী কৰি তোলাৰ ক্ষেত্ৰত প্ৰধানতঃ দুই

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

ধৰণৰ ক্ৰিয়া প্ৰতিক্ৰিয়া অন্তৰ্ভুক্ত হয়। ইয়াৰে প্ৰথম প্ৰকাৰৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া হৈছে প্ৰাথমিক বা মৌলিক বা মুখ্য বা প্ৰধান (Primary) আৰু দ্বিতীয় প্ৰকাৰৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া হৈছে অপ্ৰধান বা অধীন (Secondary)। প্ৰাথমিক বা মৌলিক বা মুখ্য অথবা প্ৰধান পাৰস্পৰিক ক্ৰিয়া বুলি কোৱা কথাষাৰৰ দ্বাৰা সাধাৰণতে ব্যক্তিৰ মাজত সংঘটিত পাৰস্পৰিক ক্ৰিয়াক বুজোৱা হয়। অন্যহাতে অপ্ৰধান বা অধীন পাৰস্পৰিক ক্ৰিয়াৰ দ্বাৰা ব্যক্তি আৰু তেওঁলোকৰ নিজস্ব সমাজৰ সংস্কৃতিৰ লগত সাধিত হোৱা পাৰস্পৰিক কাৰ্যৰ কথাক বুজোৱা হয়। এনে কাৰ্যৰ ভিতৰত ধৰ্মীয় বিশ্বাস, কলাসুলভ ৰুচি-অভিৰুচি, সাহিত্য, ৰীতি-নীতি, ধৰ্মমত, পৰম্পৰা আৰু অন্যান্য সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ দ্বাৰা বা সমূহৰ মাজত সংঘটিত পাৰস্পৰিক কাৰ্যক অন্তৰ্ভুক্ত কৰা হয়। সমাজীকৰণ প্ৰক্ৰিয়াত ঘটা পাৰস্পৰিক ক্ৰিয়াসমূহৰ সমতল (Level) সমূহৰ উপৰি ইয়াৰ বিভিন্ন আকাৰ বা ৰূপ (Forms) দৃষ্টিগোচৰ হয়। এই ক্ষেত্ৰত পাৰ্ক আৰু বাৰ্জেচে (Park and Burgess) চাৰিটা ৰূপৰ সামাজিক পাৰস্পৰিক ক্ৰিয়াৰ কথা উল্লেখ কৰিছে। সেয়া হ'ল ঃ

**(ক) প্ৰতিযোগিতা**,

**(খ) দ্বন্দ্ব**,

**(গ) ব্যৱস্থাপনা বা উপযোজন**, আৰু

**(ঘ) সদৃশীকৰণ**,

পাৰ্ক আৰু বাৰ্জেচ্‌ৰ উপৰি আন কিছুমান সমাজ বিজ্ঞানীয়ে উল্লিখিত চাৰিটা পাৰস্পৰিক ক্ৰিয়াৰ লগত আন এটা পাৰস্পৰিক ক্ৰিয়া সংযুক্ত কৰিছে। সেয়া হ'ল 'সহযোগিতা' (Co-operation)। ইয়াৰ উপৰি অনুশাসনেও পাৰস্পৰিক ক্ৰিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰা বুলি আধুনিক সমাজ বিজ্ঞানীসকলে মত প্ৰদান কৰিছে। *তলত সমাজীকৰণ প্ৰক্ৰিয়াৰ অন্তৰ্ভুক্ত এনে পাৰস্পৰিক ক্ৰিয়াসমূহৰ সংক্ষিপ্ত বৰ্ণনা প্ৰদান কৰা হ'ল ঃ*

**প্ৰতিযোগিতা** (Competition) **ঃ সমাজীকৰণ** প্ৰক্ৰিয়াত বিভিন্ন পাৰস্পৰিক ক্ৰিয়াৰ ভিতৰত প্ৰতিযোগিতা এটা গুৰুত্বপূৰ্ণ পাৰস্পৰিক ক্ৰিয়া। প্ৰতিযোগিতা বুলি ক'লে সাধাৰণতে দুজন বা অধিক ব্যক্তিৰ মাজত এটা অবিভাজিত উদ্দেশ্য বাস্তৱায়িত কৰাৰ বাবে পাৰস্পৰিক প্ৰতিদ্বন্দ্বিতা অথবা পাৰস্পৰিক প্ৰচেষ্টাক বুজোৱা হয়। প্ৰতিযোগিতাৰ সহায়ত মানুহে জৈৱিক তথা সামাজিক প্ৰয়োজনসমূহ পূৰণৰ প্ৰচেষ্টা চলায়। সৰু সৰু ল'ৰা-ছোৱালীসকলে নিজৰ মাক-দেউতাক, লগ সমনীয়া, খেলা-ধূলা কৰা সংগী, সহপাঠী আদিৰ পৰা প্ৰতিযোগিতাৰ দৃষ্টান্ত, মনোভাৱ আৰু প্ৰেৰণা লাভ কৰে। অৱশ্যে অতিমাত্ৰা প্ৰতিযোগিতা আৰু প্ৰচেষ্টা কেতিয়াও ভাল বুলি ক'ব নোৱাৰি। এনে প্ৰক্ৰিয়াই ব্যক্তিৰ মনত মানসিক চাপৰ সৃষ্টি কৰি হতাশাৰ মাজলৈ ঠেলি দিব পাৰে। উন্নত ৰাষ্ট্ৰসমূহৰ সামাজিক পৰিপ্ৰেক্ষিতত এনে দৃষ্টিভংগীৰ বাস্তৱ প্ৰতিফলন দেখা গৈছে।

শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই

**দ্বন্দ্ব** (Conflict) ঃ সমাজীকৰণ প্ৰক্ৰিয়াৰ আন এটা গুৰুত্বপূৰ্ণ পাৰস্পৰিক ক্ৰিয়া-অনুভূতি হৈছে দ্বন্দ্ব। দ্বন্দ্বই সাধাৰণতে দুজন বা ততোধিক ব্যক্তিৰ মাজত বিৰোধভাৱ অথবা আক্ৰমণৰ অনুভূতিক বুজায়। সাধাৰণতে যিবোৰ সাংস্কৃতিক পৰম্পৰাত অধিক প্ৰতিযোগিতাক প্ৰেৰণা যোগোৱা হয় তাত দ্বন্দ্বৰ অনুভূতি অথবা প্ৰক্ৰিয়া অধিক দৃঢ় হোৱা দেখা যায়। অধিক মাত্ৰাত এনে স্পৃহা বৃদ্ধি পালে সামাজিক সংঘাতৰ পৰিসৰ অধিক বিস্তাৰিত হৈ পৰে। গতিকে সৃষ্টিশীল অথবা গঠনমূলক কাৰ্যৰ বাবে দ্বন্দ্বৰ প্ৰয়োজনীয়তাক উৎসাহিত কৰা উচিত যদিও অপ্ৰয়োজনীয় সংঘাত সৃষ্টি কৰিব পৰা ঘটনা-পৰিঘটনাৰ ক্ষেত্ৰত দ্বন্দ্বক নিৰুৎসাহী কৰা উচিত।

**ব্যৱস্থাপনা বা উপযোজন** (Accommodation) ঃ সামাজিক পাৰস্পৰিক ক্ৰিয়াৰ ক্ষেত্ৰত উপযোজন এটা অতি গুৰুত্বপূৰ্ণ ক্ৰিয়া। উপযোজনৰ সহায়ত পাৰস্পৰিক প্ৰতিযোজন (Adaptation) আৰু সমাযোজন (Adjustment) কাৰ্য সহজতে বাস্তৱায়িত কৰা হয়। উপযোজনৰ সহায়ত দ্বন্দ্ব বা আক্ৰমণৰ মনোভাৱ থকা ব্যক্তি অথবা দলসমূহৰ মাজত বুজাবুজিৰে কাম কৰাৰ বিশেষ সম্পৰ্ক স্থাপন কৰাটো সম্ভৱ। সাধাৰণতে আমাৰ দৈনন্দিন জীৱনত, পাৰিবাৰিক জীৱন প্ৰক্ৰিয়াত, মাক-দেউতাক আৰু ল'ৰা-ছোৱালী, সমনীয়া, লগ-সংগ, বিদ্যালয়ৰ সহপাঠী আদিৰ মাজত এনে প্ৰক্ৰিয়া অধিকভাৱে কাৰ্যক্ষম।

**সহযোগিতা** (Co-operation) ঃ সমাজীকৰণ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত সহযোগিতাৰ ভূমিকা বৰ গুৰুত্বপূৰ্ণ। সহযোগিতাই ব্যক্তি আৰু বিভিন্ন দলৰ মাজত বুজাবুজি আৰু সমন্বয়ৰ ভাব বৃদ্ধি কৰি তোলে। সহযোগিতা হৈছে এটা প্ৰচলিত অথবা বিভাজন কৰি ল'ব পৰা, লক্ষ্যত উপনীত হোৱাৰ বাবে, তেনে লক্ষ্যৰ দিশলৈ পৰিচালিত সমন্বয়মূলক প্ৰচেষ্টা। সাধাৰণতে যেতিয়া কিছুসংখ্যক ব্যক্তিয়ে নিজস্ব প্ৰচেষ্টাৰে এটা নিৰ্দিষ্ট কৰি লোৱা সাধাৰণ লক্ষ্যত উপনীত হোৱাত ব্যৰ্থ হয় তেতিয়া সামূহিক প্ৰচেষ্টাৰে তেনে লক্ষ্যত উপনীত হোৱাৰ প্ৰচেষ্টা চলোৱা হয় আৰু আন ক্ষেত্ৰত সহযোগিতাই অতি শক্তিশালী ভূমিকা পালন কৰে। সহযোগিতাৰ সহায়ত আমি নানা কৌশল, বিভিন্ন জ্ঞান অভিজ্ঞতা, অভ্যাস, মনোভাৱ আৰু স্পৃহাৰ শিক্ষা আহৰণ আৰু চেতনাৰ বিকাশ সাধন কৰিব পাৰো। সামাজিক ক্ষেত্ৰত ব্যক্তিয়ে যেতিয়া নিৰ্ধাৰিত কোনো লক্ষ্য বা উদ্দেশ্যত উপনীত হোৱাৰ প্ৰচেষ্টা চলায় তেতিয়া তেনে ক্ষেত্ৰত প্ৰতিযোগিতাৰ মনোভাৱে বিশেষভাৱে সহায় কৰে। আৰু যেতিয়া কোনো দলীয়া লক্ষ্য-উদ্দেশ্য সাধনৰ বাবে প্ৰচেষ্টা চলোৱা হয় তেতিয়া তেনে ক্ষেত্ৰত সহযোগিতাই গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়।

**অনুশাসন** (Discipline) ঃ সমাজীকৰণৰ ক্ষেত্ৰত অনুশাসনৰ ভূমিকাও বৰ শক্তিশালী। পাৰস্পৰিক ক্ৰিয়াৰ ক্ষেত্ৰত অনুশাসনে বিশেষভাৱে অৱদান যোগায়। অনুশাসন বুলি কোৱা কথাষাৰৰ দ্বাৰা সাধাৰণতে শৃংখলাবদ্ধভাৱে নিজৰ আচৰণ প্ৰদৰ্শন কৰা কথাকে

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

বুজোৱা হয়। অৰ্থাৎ মানুহৰ আচৰণ প্ৰক্ৰিয়া যেতিয়া শৃংখলাবদ্ধভাৱে প্ৰকাশিত অথবা প্ৰদৰ্শিত হয় তেতিয়াই তাক অনুশাসন বুলি কোৱা হয়। জীৱনৰ সকলো কাৰ্য সাধনত অনুশাসনৰ অসীম গুৰুত্ব আছে। ব্যক্তিগত জীৱনেই হওক বা সামাজিক জীৱনেই হওক কাৰ্যসাধনৰ ক্ষেত্ৰত অনুশাসন বৰ প্ৰয়োজনীয়। খেলা-ধূলাৰ পৰা আদি কৰি যুদ্ধ ক্ষেত্ৰলৈ সকলোতে অনুশাসনে কাৰ্যৰ উদ্দেশ্য বা লক্ষ্য বাস্তৱায়িত কৰাৰ ক্ষেত্ৰত বৰ গুৰু দায়িত্ব বহন কৰে।

**সদৃশীকৰণ** (Assimilation) ঃ সমাজীকৰণ প্ৰক্ৰিয়াত সদৃশীকৰণৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সামাজিক পাৰস্পৰিক ক্ৰিয়াৰ ক্ষেত্ৰত সদৃশীকৰণ শেষ প্ৰক্ৰিয়াস্বৰূপ। আন কথাত সদৃশীকৰণ পাৰস্পৰিক ক্ৰিয়াৰ চূড়ান্ত ফলস্বৰূপ। সদৃশীকৰণৰ সহায়ত ব্যক্তিয়ে সমাজৰ অন্যান্য লোক আৰু দল, সম্প্ৰদায়ৰ অনুৰাগ, ভাৱ, অনুভূতি, চিন্তা, আদৰ্শ, কাৰ্যধাৰা, ৰীতি-নীতি আদিৰ লগত পৰিচিত হৈ পৰে। এনে প্ৰক্ৰিয়াৰ সহায়ত নানা ব্যক্তি আৰু দলৰ পুৰণি স্মৃতি, স্পৃহা, ভাৱ, অনুভূতি, বিশ্বাস, ৰীতি-নীতি, পৰম্পৰা আদিৰ বিষয়ে নতুনচাম লোক আৰু সামাজিক দলৰ পৰিচয় ঘটে। তেনে পৰিচয়ৰ সহায়ত তেওঁলোকে তেওঁলোকৰ পূৰ্বপুৰুষসকলৰ ৰীতি-পৰম্পৰা, বিশ্বাস, ভাৱ, অনুভূতি, স্পৃহা আদি তেওঁলোকে বুজি উঠে আৰু নিজৰ চিন্তা, আদৰ্শ, ৰীতি-নীতি, বিচাৰ, বিশ্বাস সদৃশৰূপত গঢ় দি তোলে।

সদ্যবিবাহিত দম্পতিসকলে লাহে লাহে পুৰণি বিবাহিত দম্পতিবিলাকৰ দৰে নিজৰ আচৰণ প্ৰদৰ্শন কৰিবলৈ শিকি লয়। সমাজৰ নতুন প্ৰজন্মই পৰিপক্ক লোকসকলৰ দৰে চিন্তা, আচৰণ প্ৰদৰ্শন কৰিবলৈ লয়। অৱশ্যে সদৃশীকৰণ প্ৰক্ৰিয়াৰ সহায়ত পুৰণি সমাজৰ অপ্ৰয়োজনীয় আৰু কম দৰকাৰী ৰীতি, পৰম্পৰা, ভুল চিন্তা-আদৰ্শ, ৰীতি-নীতি আদিক নতুনসকলে বুজি লৈ সেইবোৰৰ পৰিৱৰ্তন আৰু পৰিৱৰ্ধন কৰি লোৱাৰ বাবেও প্ৰচেষ্টা চলাই থকা কাৰ্য প্ৰক্ৰিয়া হাতত লয়।

সমাজীকৰণ প্ৰক্ৰিয়াত উল্লিখিত পাৰস্পৰিক ক্ৰিয়াবোৰৰ উপৰি আন দুবিধ পাৰস্পৰিক ক্ৰিয়া হৈছে পৰামৰ্শ (Suggestion) আৰু অনুকৰণ প্ৰক্ৰিয়া (Imitation)। পৰামৰ্শৰ সহায়ত সমাজৰ পুৰণিচাম লোকে অথবা পৰিপক্ক লোকসকলে তলৰ লোক সকলক সমাজৰ ৰীতি-পৰম্পৰা, আচাৰ-ব্যৱহাৰ, বিশ্বাস, সংস্কৃতি, সভ্যতা আদিৰ ৰক্ষণাবেক্ষণ আৰু সুন্দৰ জীৱন যাপনৰ বাবে প্ৰয়োজনীয় চিন্তা আৰু কাৰ্যৰ বিষয়ে পৰামৰ্শ প্ৰদান কৰে। আনহাতে অনুকৰণ প্ৰক্ৰিয়াৰ সহায়ত নতুনচাম লোকে পুৰণিচাম লোকৰ কাৰ্য পৰম্পৰা, চিন্তা, আদৰ্শক অনুকৰণ কৰি জীৱনৰ গতিৰে আগবাঢ়ি যায়। সমাজৰ বিৱৰ্তন আৰু বিকাশত এনেবোৰ কাৰ্যই অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই

### ৫.১০.৩ সমাজীকৰণ প্ৰক্ৰিয়াত সমাজ, বিদ্যালয়, পৰিয়াল আৰু অন্যান্য আহিলাসমূহ (সমকক্ষ দল, গণমাধ্যম) আদিৰ ভূমিকা (Role of Society, School, Family and other Agencies (Peer Group, Mass Media) in the Process of Socialisation) ঃ

আধুনিক সমাজ জীৱনৰ গতিশীলতাৰ লগে লগে বৰ্তমান শিক্ষা প্ৰক্ৰিয়াত বিশেষ কিছুমান পৰিৱৰ্তন পৰিলক্ষিত হৈছে। আধুনিক সমাজ অতি গতিশীল। সামাজিক জীৱনৰ ক্ৰমবৰ্ধিত গতিশীলতাই আমাৰ জীৱন প্ৰক্ৰিয়াও অধিক গতিশীল কৰি তুলিছে। বৰ্তমানৰ মানৱ সভ্যতা সম্পূৰ্ণৰূপে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অত্যাধুনিক জ্ঞানৰ দ্বাৰা বাৰুকৈ প্ৰভাৱিত। সভ্যতাৰ ক্ৰমাগত পৰিৱৰ্তনে আমাৰ জীৱন প্ৰক্ৰিয়াও অতি প্ৰতিযোগিতামূলক, জটিল আৰু কৃত্ৰিম কৰি তুলিছে। বৈজ্ঞানিক কাৰ্য তথা প্ৰযুক্তিবিদ্যাৰ উন্নত বিকাশে যিদৰে বৰ্তমানৰ জীৱন প্ৰক্ৰিয়া সহজ আৰু সুখদায়ক কৰি তুলিছে ঠিক একেদৰে মানুহৰ সভ্যতাৰ অস্তিত্বৰ সন্মুখত ই বিশেষ ভাবুকিৰো সৃষ্টি কৰিছে।

মানৱ সভ্যতাৰ প্ৰাৰম্ভিক সময়ৰ পৰা বৰ্তমানলৈ মানুহৰ সমাজ, সভ্যতা, সংস্কৃতি আৰু জীৱন প্ৰক্ৰিয়া দ্বান্দ্বিক গতিৰে, পৰিৱৰ্তিত ৰূপত আগবাঢ়িছে। সমাজ বুলি ক'লে কোনো স্থবিৰ ব্যাখ্যা আগবঢ়োৱা সম্ভৱ নহয়। মানুহৰ সমাজ সম্পৰ্কীয় ধাৰণা নিশ্চিতভাৱে নৃতাত্ত্বিক বিষয়বস্তুৰ লগত সম্পৰ্কিত। দাস-মালিকৰ শ্ৰেণীবিভক্ত মানৱ সমাজ তথা মানৱ জাতি, মহাপৰিৱৰ্তনৰ গতিৰে আগবাঢ়িছে। যি কি নহওঁক, সমাজ বুলি ক'লে অতি সাধাৰণ দৃষ্টিত ব্যক্তিবিশেষৰ সংঘবদ্ধ জীৱন প্ৰক্ৰিয়াৰ কথাকে বুজা যায়। প্ৰকৃত অৰ্থত 'সমাজ' এনে এটা সংগঠন যিয়ে সংগঠকসকলক নিজস্বভাৱে সৃষ্ট নিয়ম-আদৰ্শৰ ভিত্তিত শৃংখলাবদ্ধ জীৱন পৰিচালিত কৰাত সহায় কৰে। তাৰোপৰি জীৱনৰ বুনিয়াদী নিৰাপত্তা 'সমাজ' নামৰ সংগঠিত জীৱন প্ৰক্ৰিয়াত নিশ্চিতভাৱে আশা কৰিব পাৰি।

সমাজ সম্পৰ্কে বিভিন্ন সমাজবিজ্ঞানীয়ে নিজস্ব দৃষ্টিভংগীৰে বিভিন্ন ব্যাখ্যা আৰু সূত্ৰ আগবঢ়াইছে।

সমাজ বিজ্ঞানী Giddings ৰ মতে, "Society is the union itself, the organisation, the sum of formal relations in which associating individuals are found together"।

সমাজবিজ্ঞানী John F. Cuber ৰ মতে, "A society may be defined as a group of people who have lived together enough long to become organised and to consider themselves and be considered as a unit more or less distinct from other human units।"

MacIver and Page ৰ মতে, "Society is a system of wages and procedures, authority and mental aid of many groupings and divisions, controls of human behaviour and of liberties।"

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

উল্লিখিত সূত্ৰসমূহ বিশ্লেষণ কৰি চালে আমি সহজে উপলব্ধি কৰিব পাৰোঁ যে সমাজ বুলি ক'লে অকল মাথো কিছুমান মানুহৰ সংঘবদ্ধ জীৱন প্ৰক্ৰিয়াকে বুজোৱা নহয়। সমাজৰ লগত গভীৰভাৱে সম্পৰ্কযুক্ত আন বিষয়টো হৈছে বিভিন্ন ভাষা, সংস্কৃতি, জাতি ধৰ্ম আৰু জীৱন প্ৰক্ৰিয়া অনুসৰণ কৰা সকলো ব্যক্তিৰ মানৱীয় সম্পৰ্ক। গভীৰ মানৱীয় সম্পৰ্কক বাদ দি প্ৰকৃত সমাজ জীয়াই থাকিব নোৱাৰে। সামাজিক পৰিপ্ৰেক্ষিতত ৰক্ষিত হ'ব লাগিব মহাবিশ্ব, মানুহ আৰু মানৱ জাতিৰ সামূহিক সম্পৰ্ক আৰু স্বাৰ্থ।

### ৫.১০.৪ শিশুৰ সমাজীকৰণত সমাজৰ প্ৰভাৱ (Influence of Society in Child's Socialisation) ঃ

মানুহ হৈছে প্ৰকৃতিৰ আটাইতকৈ মূল্যবান সৃষ্টি আৰু মানুহেই প্ৰকৃতিৰ আটাইতকৈ সুন্দৰ আধ্যাত্মিক বিন্যাসৰ দ্বাৰা বিভূষিত হৈ আছে। অসীম প্ৰতিভা আৰু শক্তি নিহিত হৈ আছে মানুহত, যিবোৰ প্ৰয়োগ কৰি প্ৰত্যেকজন ব্যক্তিৰ জীৱন ভেটি সুদৃঢ় কৰিব পাৰি; আৰু মানৱ জাতিক একত্ৰভাৱে আটাইতকৈ চহকী গুণসম্পন্ন আৰু চিত্তাকৰ্ষক কৰি তুলিব পাৰি। কিন্তু সামাজিক কাঠামো সুদৃঢ়কৰণৰ দ্বাৰা গভীৰ মানৱীয় দৃষ্টিভংগীত সমাজ ব্যৱস্থা গঢ় দিব নোৱাৰিলে ব্যক্তিত্ব বিকাশৰ প্ৰক্ৰিয়া ভুল পথে আগবাঢ়িব পাৰে। সমাজ ব্যৱস্থাত মানৱীয় প্ৰমূল্য আৰু সম্পৰ্কসমূহে অগ্ৰাধিকাৰ পাব লাগিব। শিক্ষাৰ মূল লক্ষ্য হৈছে সৰ্বাত্মক ব্যক্তিত্বৰ বিকাশ সাধন কৰা। শিক্ষাই প্ৰত্যেকজন মানৱ শিশুকে প্ৰকৃত মানৱ সম্পদ হিচাপে গঢ় দিব লাগিব। বিশাল জাগতিক গতিশীলতাৰ লগত সভ্যতা, সংস্কৃতি আৰু সমাজক সজাই-পৰাই ল'ব পৰাটোৱেই উৎকৃষ্ট শিক্ষা। শিক্ষাই প্ৰত্যেকজন মানৱ শিশুকে জীৱনৰ গতিশীলতা উপলব্ধি কৰি এই গতিশীলতাৰ সৈতে জীৱনক সমাযোজিত কৰি ল'বলৈ এটা পৰিপক্ক মন গঢ়ি লোৱাত সহায় কৰে। প্ৰকৃত শিক্ষাই এনে এটা চেতনা প্ৰদান কৰে যাৰ দ্বাৰা প্ৰত্যেকজন মানৱ শিশুৱে নতুবা মানৱ ব্যক্তিয়ে বুজি উঠিব পাৰে যে আমাৰ বৰ্তমানৰ সভ্যতা, সংস্কৃতি আৰু জীৱন প্ৰক্ৰিয়া হৈছে এটা ধাৰাবাহিক দ্বান্দ্বিক প্ৰক্ৰিয়াৰ ফলহে মাথোঁ। শিক্ষাই নতুন প্ৰজন্মৰ সৃজনীমূলক প্ৰতিভাৰ বিকাশ সাধনত সহায় কৰে। কিন্তু সৃজনীমূলক প্ৰতিভাৰ বিকাশ সাধনৰ দ্বাৰা মানুহে যেতিয়া নিজৰ সুন্দৰ সৃষ্টিসমূহ ধ্বংস কৰিব পৰা মাৰণাস্ত্ৰসমূহ সৃষ্টি কৰি উলিয়ায় তেতিয়া আমি জানো এনে সৃষ্টিসমূহক সাৰটি ধৰি আমাৰ সভ্যতা আৰু সংস্কৃতিক ৰক্ষা কৰিব পাৰিম। এনেধৰণৰ সৃষ্টি প্ৰতিভাসমূহৰ বিকাশৰ বাবে আমাৰ কাৰিকৰী উত্থানবোৰেই দায়ী নহয় জানো? তেনেহ'লে আমাৰ বৰ্তমানৰ সমাজ প্ৰক্ৰিয়াত মানৱীয় মূল্যবোধৰ অৱক্ষয় ঘটিছে নেকি? সমাজ প্ৰক্ৰিয়া পৰিৱৰ্তন কৰিবলগীয়া হৈছে নেকি? যি সমাজখনত আমি আজি মানৱীয় মূল্যবোধৰ অৱক্ষয় ঘটা বুলি কৈছোঁ সেই সমাজখনতেই নতুবা সেই একে সামাজিক পৰিপ্ৰেক্ষিততেই আমাৰ শিশুসকলো ডাঙৰ দীঘল হৈছে। তেওঁলোকৰ ব্যক্তিত্ব বিকাশৰ প্ৰক্ৰিয়া বিজ্ঞানসন্মতভাৱে আগবাঢ়িছে বুলি ক'ব পাৰিনে?

নে আমাৰ শিশুসকল উপযুক্ত বিকাশ প্ৰক্ৰিয়াৰে আগবাঢ়ি গৈছে, আমিহে মাথোঁ ভুল পথে পৰিচালিত হৈছোঁ?

প্ৰকৃতাৰ্থত ক'বলৈ হ'লে 'আধুনিক জীৱন প্ৰক্ৰিয়া' বুলি আমি আজি যি বুজি উঠিছোঁ সেয়া মানৱ সভ্যতা আৰু সংস্কৃতিৰ এটা ভয়াবহ ৰূপহে মাথোঁ। বৰ্তমান সমাজ প্ৰক্ৰিয়াত আমাৰ শিশুসকলৰ ভৱিষ্যত কিমান সুনিশ্চিত তাক সকলোৱে উপলব্ধি কৰিব পাৰিছে। শিশুসকলৰ মানৱীয় শক্তিৰ উপযুক্ত আৰু বিজ্ঞানসন্মত বিকাশৰ বাবে সমাজ ব্যৱস্থা বিজ্ঞানসন্মতভাৱে আমিয়ে গঢ় দি ল'ব লাগিব। অহমিকাৰ (Ego) ভেঁটিত মানৱ চৰিত্ৰৰ দ্ৰুততৰ আৰু অবিৰত বিকাশৰ ফলত মানুহৰ মাজত থকা মানৱীয় উপাদানৰ অত্যন্ত অধঃপতন ঘটে। শিক্ষাই মানৱীয় প্ৰমুল্যসমূহৰ বিকাশ সম্ভৱ কৰি তুলিব লাগিব। তাৰ বাবে সমাজেও উপযুক্ত পৰিৱেশ সৃষ্টি কৰিব লাগিব। মানৱীয় প্ৰমূল্যৰ ভেঁটিত গঠিত সমাজ এখনেহে এজন সৰ্বাংগসুন্দৰ ব্যক্তি গঢ়ি তুলিব পাৰে। মানৱতাক বাদ দি সমাজৰ উপযুক্ত বিকাশ কেতিয়াও সম্ভৱ নহয় আৰু সমাজৰ প্ৰগতি বা উপযুক্ত বিকাশ নোহোৱাকৈ প্ৰকৃত মানৱীয় প্ৰমূল্যও জীয়াই থাকিব নোৱাৰে। গতিকে আমাৰ শিশুসকলক মানৱদৰদী শিক্ষাৰে বিকশিত কৰিব লাগিব। ব্যক্তিৰ অস্তিত্ব বাদ দি সমাজৰ অস্তিত্ব জীয়াই থাকিব নোৱাৰে আৰু সমাজৰ অস্তিত্ব দুৰ্বল হ'লে ব্যক্তিৰ অস্তিত্বও দুৰ্বল হৈ পৰে। সমাজ আৰু ব্যক্তিৰ বিকাশ প্ৰক্ৰিয়া গভীৰভাৱে সম্পৰ্কযুক্ত। এজন ব্যক্তিয়ে সমাজৰ আন এজন ব্যক্তিৰ সহায়ত সমাজৰ মাজেৰেই নিজৰ বিকাশ লাভ কৰে আৰু উন্নতি সাধন কৰে আৰু সমাজেও ব্যক্তিৰ নামত বা ব্যক্তিৰ আলম লৈ মানুহৰ মাজেৰেই বিকাশ লাভ কৰে। ব্যক্তি আৰু সমাজৰ এনে জটিল সম্পৰ্কক সহজভাৱে প্ৰতিফলিত কৰে শিক্ষাই। জাতিভিত্তিক শ্ৰেণীবিভক্ত সমাজ এখন শ্ৰমভিত্তিক শ্ৰেণীবিভক্ত সমাজতকৈ অধিক সমস্যাপূৰ্ণ। জাতিভিত্তিক সমাজ এখনত দমন-নিপীড়নৰ সমস্যাও জটিল ধৰণৰ। শ্ৰমৰ প্ৰতি মৰ্যাদাপূৰ্ণ স্পৃহা গভীৰ কৰি তোলে শ্ৰমভিত্তিক মানৱদৰদী শিক্ষাইহে।

সমাজ হৈছে মানুহৰ সভ্যতাৰ দাপোণ। সামাজিক ক্ষেত্ৰত শিশুৱে পাৰস্পৰিক আচৰণ আৰু সম্পৰ্কৰ এক নিৰ্দিষ্ট অৱস্থা লাভ কৰে। সামাজিক জীৱন প্ৰক্ৰিয়া আৰু সমাজৰ পৰা শিশুৱে সাধাৰণতে নিম্ন উল্লিখিত অভিজ্ঞতা আৰু বিশেষ শিক্ষা লাভ কৰিব পাৰে ঃ

। সমাজ জীৱনৰ পৰা শিশুৱে দলবদ্ধ জীৱন প্ৰক্ৰিয়াৰ মূল্য আৰু সুবিধাসমূহৰ বিষয়ে উপলব্ধি কৰিব পাৰে।

। সমাজে প্ৰত্যেকজন ব্যক্তিকে জীৱনৰ বুনিয়াদী নিৰাপত্তা প্ৰদান কৰে। এনে বুনিয়াদী নিৰাপত্তাৰ (Basic Security) বিষয়ে শিশুসকলে উপযুক্ত শিক্ষা লাভ কৰিব পাৰে সমাজৰ পৰা।

। সমাজৰ পৰা শিশুসকলে পাৰস্পৰিক আচৰণ আৰু সম্পৰ্কৰ মূল্য উপলব্ধি কৰিবলৈ শিকে।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

- সমাজৰ পৰা ব্যক্তি-স্বাধীনতা আৰু সামাজিক স্বাধীনতাৰ মূল্য আৰু পাৰ্থক্যৰ বিষয়ে শিক্ষা লাভ কৰে।
- সামাজিক পৰিপ্ৰেক্ষিতত সহনশীল গুণৰ বিকাশ সাধন হয়।
- সমাজৰ পৰা শিশুসকলে ন্যায়ৰ (Justice) মূল্য উপলব্ধি কৰিব পাৰে।
- সমাজৰ পৰা স্বাধীনতাৰ মূল্য আৰু প্ৰয়োজনীয়তাৰ বিষয়ে উপযুক্ত জ্ঞান লাভ কৰিব পাৰে।
- সমাজে জাতি ভাৱ (Fellow-Feeling) বিকাশত সহায় কৰে।
- ভ্ৰাতৃত্ববোধ (Feeling of Brotherhood) ভাৱৰ বিকাশ সাধনত সমাজে বাৰুকৈ সহায় কৰে।
- সাৰ্বজনীন স্বাৰ্থ, সাৰ্বজনীন জীৱন প্ৰক্ৰিয়া, সাৰ্বজনীন জীৱন ক্ষেত্ৰ সম্পৰ্কীয় জ্ঞান লাভত সমাজে বিশেষভাৱে সহায় কৰে।

সৰ্বাত্মক দৃষ্টিত ব্যক্তিত্ব বিকাশৰ সামগ্ৰিক পৰিৱেশ সৃষ্টি কৰি সমাজে মানৱ সভ্যতা, সংস্কৃতি আদিৰ ধাৰাবাহিকতাক গতিশীলভাৱে আগবাঢ়ি যোৱাত বিশেষভাৱে সহায় কৰে।

### ৫.১০.৫ শিশুৰ সমাজীকৰণ প্ৰক্ৰিয়াত বিদ্যালয়ৰ ভূমিকা (Role of School in Child's Socialisation) ঃ

মানৱ সভ্যতাৰ আৰম্ভণিৰ পৰাই সমাজ আৰু সামাজিক পৰিৱেশক শিক্ষাৰ কেন্দ্ৰস্থল বুলি গণ্য কৰা হৈছে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে সমাজ ব্যৱস্থা আৰু মানুহৰ জীৱন নিৰ্বাহৰ প্ৰক্ৰিয়াসমূহৰো মৌলিক পৰিৱৰ্তন সাধিত হৈছে। সমাজ জীৱনৰ অগ্ৰগতিৰ লগে লগে ক্ৰমবৰ্ধমান মানৱ জাতি তথা মানৱ সমাজৰ চাহিদা পূৰণৰ বাবেই সকলো ব্যৱস্থাকে পৰিকল্পিত ৰূপ দিয়াৰ প্ৰয়োজন বাঢ়ি আহে। সভ্যতাৰ অগ্ৰগতিয়ে জীৱনৰ জটিলতা ক্ৰমে ক্ৰমে বঢ়াই আনিছে। এনে জটিলতাই মানুহক নতুন জীৱন প্ৰক্ৰিয়া উদঘাটন কৰি লোৱাত সহায় কৰে। মানুহৰ সভ্যতাৰ প্ৰাচীন সময়ৰ পৰাই জীৱনৰ মৌলিক প্ৰয়োজন পূৰণাৰ্থে প্ৰণালীবদ্ধভাৱে জ্ঞান-দক্ষতা অৰ্জনৰ চাহিদাতে শিক্ষাৰ প্ৰতিষ্ঠান হিচাপে বিদ্যালয় স্থাপনৰ মৌলিক প্ৰয়োজন তীব্ৰ হৈ উঠে।

শিক্ষাবিদ তথা সমাজবিজ্ঞানী আৰু দাৰ্শনিকসকলৰ দৃষ্টিত সমাজ আৰু সভ্যতা সংস্কৃতিৰ সংৰক্ষণৰ এক অপৰিহাৰ্য মাধ্যম হ'ল বিদ্যালয়সমূহ। এই বিদ্যালয়সমূহত বৰ্তমানৰ প্ৰজন্মই পূৰ্বপুৰুষৰ সভ্যতা, সংস্কৃতি আৰু ইতিহাসৰ উপযুক্ত জ্ঞান লাভ কৰিব পাৰে। এনে জ্ঞানৰ সহায়তে তেওঁলোকে বৰ্তমান আৰু ভৱিষ্যতে সুস্থ জীৱন নিৰ্বাহৰ জ্ঞান আৰু যোগ্যতা আহৰণ কৰি ভৱিষ্যত বংশধৰসকলৰ হাতত তুলি দিব পাৰে তেওঁলোকৰ

জ্ঞান, কৰ্ম আৰু অভিজ্ঞতাৰ ইতিহাস। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ক্ৰমবৰ্দ্ধমান বিকাশে মানুহৰ সভ্যতাক অতি যান্ত্ৰিক আৰু কৃত্ৰিম কৰি তুলিছে। এনে বিকাশসমূহে মানৱ সমাজৰ সমাজনীতি, অৰ্থনীতি, ৰাজনীতি সকলোতে এক তীব্ৰ গতিশীলতা প্ৰদান কৰি নতুন নতুন সমস্যা আৰু সংঘাতৰ সৃষ্টি কৰিছে। মানুহৰ সমাজত তীব্ৰ বিভেদৰ সৃষ্টি কৰিছে এনে সংঘাতসমূহে। এনে বিভেদৰ পৰা ক্ৰমাগতভাৱে আগবাঢ়ি গৈছে জীৱন প্ৰক্ৰিয়া, সভ্যতা, সংস্কৃতি আৰু মানৱ সমাজ। শিক্ষাদাৰ্শনিক ডিউইৰ (Dewey) মতে, "বিভেদ মানেই হৈছে নতুনত্ব আৰু নতুনত্ব মানেই চিন্তাৰ প্ৰতি প্ৰত্যাহ্বান। অৰ্থাৎ বিভেদৰ দ্বাৰাই নতুনত্বৰ সৃষ্টি হয় আৰু নতুনত্ব থাকিলেহে চিন্তাৰ প্ৰতি প্ৰত্যাহ্বান দিয়া দেখা যায়। (Diversity means novelty and novelty means challenge)।" এনে প্ৰত্যাহ্বানমুখী দৃষ্টিভংগীয়ে সমাজ আৰু সভ্যতাক অধিক গতিশীল আৰু শক্তিশালী কৰি তোলে। সামাজিক অনুষ্ঠান হিচাপে বিদ্যালয়ে সমাজ ব্যৱস্থাৰ প্ৰচলিত গতিধাৰাটোকে প্ৰতিফলিত কৰে। সেয়ে সামাজিক অনুষ্ঠান হিচাপে সমাজ আৰু জীৱন প্ৰক্ৰিয়াৰ পৰিৱৰ্তনত বিদ্যালয়ৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ য'ত বিকাশমুখী মানৱ শিশুৱে বাঞ্ছিত জ্ঞান আৰু অভিজ্ঞতা লাভ কৰি সমাজ জীৱনক অধিক গতিশীলতা প্ৰদান কৰিব পাৰে।

সমাজবাদী শিক্ষাদাৰ্শনিক ডিউইৰ মতে, "The school is a simplified, purified and better balanced Society।"

শিশুৰ শিক্ষাৰ ক্ষেত্ৰত বিদ্যালয়ৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। দেশৰ বিদ্যালয়সমূহৰ ভূমিকা বৰ্ণনা কৰিবলৈ গৈ ড° ডি. এচ্. কোঠাৰীয়ে মন্তব্য কৰিছে, "The destiny of India is now being shaped in her classrooms।" অৰ্থাৎ ভাৰতবৰ্ষৰ জাতীয় জীৱনৰ ভৱিষৎ তথা সৌভাগ্য গঢ়ি উঠিছে শ্ৰেণীকোঠাৰ ভিতৰত।

বিদ্যালয় আনুষ্ঠানিক শিক্ষাৰ এক উল্লেখযোগ্য আহিলা অথবা মাধ্যম। শিশুৰ সামগ্ৰিক বিকাশ প্ৰক্ৰিয়াত বিদ্যালয়সমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। শিশুসকলৰ চৰিত্ৰ গঠন, ভাৱ, অনুভূতি আদিৰ উপযুক্ত বিকাশ, অভ্যাস গঠন আৰু উপযুক্ত মনোভাৱ গঢ় দি তোলাত বিদ্যালয়ে বিশেষ ভূমিকা পালন কৰে। শিশুসকলৰ মানসিক দিশ আৰু আধ্যাত্মিক দিশৰ উপযুক্ত বিকাশ সাধনৰ মাজেৰে সৰ্বাংগসুন্দৰ ব্যক্তিত্ব গঢ় দি লোৱাত বিদ্যালয়ে বিশেষভাৱে সহায় কৰে। বিদ্যালয়ে শিশুসকলক প্ৰকৃত মানৱ সম্পদৰূপে গঢ়ি তোলাৰ বাবে শাৰীৰিকভাৱে শক্তিশালী, মানসিকভাৱে সচেতন, আৱেগিকভাৱে স্থিৰ, সাংস্কৃতিভাৱে সুস্থ আৰু সামাজিকভাৱে যোগ্য ব্যক্তিত্ব গঢ় দি লোৱাত বিশেষভাৱে সহায় আগবঢ়ায়। শিক্ষা দাৰ্শনিক নানৰ (Nunn) মতে, "A nations schools ... are an organ of its life whose special function is to consolidate its spirutial strength to guarentee its future।"

শিক্ষাদাৰ্শনিক জন ডিউই'ৰ (John Dewey) ভাষাত, "The school is primarily a social institution, education being a social process, the school is simply that

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

form of community life in which all those agencies are concentrated that will be most effective in bringing the child to share in the inherited resources of the race to use powers for social ends।"

উল্লিখিত দিশসমূহ অনুধাৱন কৰি আমি সংক্ষিপ্তভাৱে ক'ব পাৰোঁ যে শিশুসকলৰ বিকাশ প্ৰক্ৰিয়াত বিদ্যালয়ে মূলতঃ তলত দিয়া ধৰণে সহায় আগবঢ়ায়

। সৰ্বাংগসুন্দৰ ব্যক্তিত্ব বিকাশৰ বাবে প্ৰয়োজনীয় বিভিন্ন শিক্ষা, প্ৰশিক্ষণ আৰু জ্ঞান বিদ্যালয়ে প্ৰদান কৰে।

। গণতন্ত্ৰৰ বাবে প্ৰয়োজনীয় প্ৰশিক্ষণ বিদ্যালয়ে প্ৰদান কৰে।

। জাতিগত সংস্কৃতি ৰক্ষণাবেক্ষণৰ বাবে প্ৰয়োজনীয় জ্ঞান, অভিজ্ঞতা বিদ্যালয়ে প্ৰদান কৰে।

। সামাজিক সংস্কাৰৰ আহিলা হিচাপে বিদ্যালয়ে সেৱা আগবঢ়ায়।

। জীৱন, সমাজ আৰু সভ্যতা সম্পৰ্কে বিজ্ঞানসন্মত ধাৰণা বিকশিত কৰাত বিদ্যালয়ে বিশেষভাৱে সহায় কৰে।

। আত্মনিৰ্ভৰশীলতাৰ মূল্য উপলব্ধিত বিদ্যালয়ে বিশেষভাৱে সহায় কৰে।

। ব্যক্তি বৈষম্য উপলব্ধিত বিদ্যালয়ে বিশেষভাৱে সহায় কৰে।

। সামাজিক ন্যায়ৰ বাবে উপযুক্ত মনোভাৱ গঢ় দি লোৱাত বিদ্যালয়ে বিশেষভাৱে সহায় কৰে।

। নৈতিক শিক্ষাৰ প্ৰয়োজনীয় দায়িত্ব বিদ্যালয়ে পালন কৰে।

। বৃত্তীয় শিক্ষা আৰু প্ৰশিক্ষণৰ দায়িত্ব পালন কৰে বিদ্যালয়ে।

। স্বাধীনতা আৰু আত্মনিৰ্ভৰশীলতাৰ মূল্য উপলব্ধিত বিদ্যালয়ে বিশেষভাৱে সহায় কৰে।

। আধুনিকীকৰণৰ প্ৰক্ৰিয়া গতিশীল কৰি তোলে বিদ্যালয়ে।

উল্লিখিত দিশবোৰৰ পৰাই আধুনিক শিক্ষাত বিদ্যালয়ক সমাজৰ এক বিশেষ অনুষ্ঠান হিচাপে গণ্য কৰা হৈছে। ডিউইৰ মতে বিদ্যালয় হৈছে বৃহত্তম সমাজৰ এটা ক্ষুদ্ৰ সংস্কৰণ, য'ত মানৱ জীৱনৰ সৰলতা (Simplicity), পবিত্ৰতা (Purity) আদিক সুন্দৰভাৱে বজাই ৰখাৰ শিক্ষা দিয়া হয়। বৃহৎ সমাজ গঠনৰ বাবে প্ৰয়োজনীয় সামাজিক যোগ্যতা আমাৰ নতুন প্ৰজন্মই এই বিদ্যালয়তে লাভ কৰে। স্কুল হৈছে সামগ্ৰিক সমাজৰ এক ক্ষুদ্ৰ অথচ গুৰুত্বপূৰ্ণ অংশ। গতিকে স্কুলৰ পাঠ্যক্ৰমত সমাজ বিৱৰ্তনৰ সকলো কাৰ্য আৰু জ্ঞান-অভিজ্ঞতাক সন্নিবিষ্ট কৰিব লাগিব। সমাজৰ গতিশীল সভ্যতাক ই সাঙুৰি ল'ব লাগিব। কোনো এখন সমাজৰ সামগ্ৰিক প্ৰগতি আৰু উন্নতি এই স্কুলৰ

শিক্ষাৰ ওপৰতেই নিৰ্ভৰশীল। কোনো এখন সমাজৰ শিক্ষাব্যৱস্থাৰ সুস্থতাৰ ওপৰতেই নিৰ্দিষ্ট সমাজখনৰ সামগ্ৰিক প্ৰগতি নিৰ্ভৰ কৰে। অৱশ্যে স্কুলৰ শিক্ষাৰ প্ৰগতিও নিৰ্ভৰ কৰে সু-সংঘবদ্ধ সমাজ জীৱনৰ ওপৰতহে। সামাজিক প্ৰগতি বাদ দি স্কুলে কোনো ধৰণৰ উন্নত কাৰ্য পালন কৰিব নোৱাৰে আৰু সমাজেও স্কুলক অৱহেলা কৰি সমাজ জীৱন তথা নিৰ্দিষ্ট সভ্যতাৰ উন্নতিৰ কথা চিন্তা কৰিব নোৱাৰে। সেয়ে সামাজিক অনুষ্ঠান হিচাপে আধুনিক যান্ত্ৰিক সভ্যতাত স্কুলৰ ভূমিকা অধিক শক্তিশালী।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

### ৫.১০.৬ শিশুৰ সমাজীকৰণ প্ৰক্ৰিয়াত পৰিয়ালৰ ভূমিকা (Role of Family in Child's Socialisation) ঃ

শিশুৰ শিক্ষাৰ ক্ষেত্ৰত পৰিয়ালৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। আনুষ্ঠানিক শিক্ষাৰ বিশেষ শক্তিশালী আহিলা হিচাপে মানৱ সভ্যতাৰ আৰম্ভণিৰ পৰা বৰ্তমানলৈ পৰিয়ালে বিশেষ প্ৰাধান্য লাভ কৰি আহিছে। সমাজ বিজ্ঞানীসকলৰ মতে মানুহৰ সভ্যতাৰ পাতনি গৃহ বা পৰিয়ালৰ মাজেৰেই সম্ভৱ হৈছিল। মানুহৰ জ্ঞান অভিজ্ঞতাৰ বিকাশ প্ৰক্ৰিয়াৰ আৰম্ভণি বা পাতনি এই গৃহ বা পৰিয়ালতেই সম্ভৱ হয়। ৰোজেন ক্ৰেজৰ (Rosen Craz) মতে, "গৃহই হ'ল শিক্ষাৰ আৰম্ভণি বিন্দু" (Family is the original starting point of education)।

শিক্ষা দাৰ্শনিক Ballard ৰ মতে, "মানুহৰ শৃংখলাবদ্ধ জীৱন প্ৰক্ৰিয়াত পৰিয়ালেই হৈছে একেবাৰে প্ৰাৰম্ভিক অনুষ্ঠান যাৰ পৰা আন সকলো অনুষ্ঠানৰ জন্ম অথবা উদ্ভৱ হৈছে। পৰিয়াল সকলো সামাজিক সংগঠনৰ ভেটিস্বৰূপ।"

শিশুসকলৰ জীৱনৰ অৰম্ভণিও হয় এই পৰিয়ালতেই। শিশু এজনৰ ভৱিষ্যৎ জীৱনৰ সামাজিক, নৈতিক, বৌদ্ধিক আদি দিশৰ বিকাশৰ স্থল হ'ল পৰিয়াল বা গৃহ।

Joseph Mazzini ৰ মতে, "প্ৰতিজন মানৱ শিশুৱে সিহঁতৰ মাতৃৰ কোলাতেই আৰু পিতৃৰ চুম্বনৰ সহায়তে নাগৰিকত্বৰ প্ৰথম পাঠ শিকি লয়।"

শিশুৱে তাৰ পিতৃ-মাতৃ আৰু আত্মীয়-স্বজনৰ সহায়তে জন্মৰ পিছৰে পৰা সকলো প্ৰয়োজনীয় দেহ-মানসিক ক্ৰিয়া আৰু আচৰণৰ শিক্ষা নিজস্ব পৰিয়ালতে লাভ কৰে। কথা-বতৰা, ৰীতি-নীতি আদিৰ সামাজিক অভিজ্ঞতাসমূহ, চলন-ফুৰণ আদি তাৰ গৃহ পৰিৱেশক কেন্দ্ৰ কৰিয়েই গঢ় লৈ উঠে। শিশুসকল স্বাভাৱিকতে অনুকৰণপ্ৰিয় আৰু সেয়ে সিহঁতে নিজস্ব পৰিৱেশৰ সকলো লোককে অনুকৰণ কৰি জীৱনৰ বাবে প্ৰয়োজনীয় অভিজ্ঞতাৰ ভেঁটি গঢ়ি লয়। অন্যহাতে গৃহ পৰিৱেশৰ শিক্ষাই এজন শিশুৰ ভৱিষ্যতৰ বৃত্তীয় জীৱন (Vocational life) গঢ় দি তোলে। তাৰোপৰি, শিশুৰ সকলো ধৰণৰ সামাজিক আদৰ্শ আৰু গুণৰাশিৰ শিক্ষা এই গৃহ পৰিৱেশতেই দিয়াটো সহজ। আদৰ্শ আৰু অনুকূল ঘৰুৱা পৰিৱেশত শিশুৱে সহযোগিতা, সহানুভূতিশীলতা, নিয়ম-শৃংখলতা,

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

আত্মনিয়ন্ত্ৰণৰ ক্ষমতা আদি সজ গুণৰাশি অনুশীলন কৰিবলৈ শিকে; যাৰ দ্বাৰা দেশৰ এজন সুনাগৰিকৰ প্ৰয়োজনীয় গুণবোৰ ভৱিষ্যতে শিশুজনৰ ব্যক্তিত্বত বিকশিত হৈ উঠাৰ প্ৰচুৰ সম্ভাৱনা দেখা যায়। শিশুক নৈতিকভাৱে শক্তিশালী কৰি তোলাৰ উপযুক্ত স্থানো হৈছে এই গৃহ বা পৰিয়ালৰ পৰিৱেশ।

এনেকৈ বিভিন্ন দিশৰ পৰা শিশুৰ ভৱিষৎ জীৱনৰ ভেঁটি সুদৃঢ়কৰণৰ ক্ষেত্ৰত গৃহ-বা পৰিয়ালৰ ভূমিকা যথেষ্ট গুৰুত্বপূৰ্ণ। ইয়াৰ ভূমিকাই সবাতোকৈ লেখত ল'বলগীয়া।

শিশুৰ ব্যক্তিত্ব আকাংক্ষিতভাৱে গঢ় দিয়াৰ বাবে পৰিয়ালৰ প্ৰতিজন ব্যক্তিয়ে তলত দিয়া কথাকেইটাৰ প্ৰতি গুৰুত্ব সহকাৰে সচেতন হোৱা উচিত ঃ

। শিশুৰ উপযুক্ত শাৰীৰিক আৰু মানসিক বিকাশৰ উপযুক্ত অৱস্থাসমূহ সৃষ্টি কৰা।

। সু-অভ্যাস গঠন কৰি কু-অভ্যাস আঁতৰ কৰা।

। আনন্দময় ক্ৰীড়ামূলক গৃহপৰিৱেশ সৃষ্টি কৰা।

। শাস্তিমূলক বা দমনমূলক অনুশাসন ত্যাগ কৰা।

। অনুকূল পৰিৱেশ সৃষ্টি কৰি ঘৰৰ সামূহিক অনুষ্ঠানত শিশুক অংশগ্ৰহণৰ কাৰণে উৎসাহ দান কৰা।

। শিশুৰ স্বতঃস্ফুৰ্ত বিকাশৰ বাবে বিভিন্ন খেলা-ধূলা আদি কৰ্মত মুক্তভাৱে যোগদান কৰাত সহায় কৰা।

। আত্মনিৰ্ভৰশীলতাৰ শিক্ষা দিয়া।

। নিয়মানুৱৰ্তিতাৰ শিক্ষা দিয়া।

। মানসিক গুণসমূহ, যেনে— দয়া, ক্ষমা, সহানুভূতিশীলতা আদিৰ উপযুক্ত বিকাশত সহায় কৰা।

। সমাজৰ প্ৰতি দায়িত্ববোধ জোগাই তোলা।

। অন্ধবিশ্বাস আৰু কু-সংস্কাৰৰ কু-প্ৰভাৱৰ প্ৰতি সচেতন কৰি তোলা।

। ধৰ্মীয় গোড়ামি আৰু অন্ধবিশ্বাসৰ বিপক্ষে যুঁজ দিয়াৰ প্ৰয়োজনীয় মানসিকতা গঢ় দি তোলা।

প্ৰতিজন মানৱ শিশুৰ বিকাশ প্ৰক্ৰিয়াত পৰিয়ালে এক বিশেষ ভূমিকা পালন কৰে। শিশুৰ শিক্ষাৰ ক্ষেত্ৰত পৰিয়ালে মুখ্যত তলত উল্লেখ কৰা দায়িত্বসমূহ পালন কৰে ঃ

। সংঘবদ্ধ জীৱনৰ প্ৰথম পাঠ শিশুৱে পৰিয়ালৰ পৰা আয়ত্ব কৰে।

। সংঘবদ্ধ কৰ্ম প্ৰক্ৰিয়াৰ প্ৰথম পাঠ শিশুৱে পৰিয়ালৰ পৰা লাভ কৰে।

। সহযোগিতাৰে কাম কৰাৰ প্ৰথম শিক্ষা শিশুৱে পৰিয়ালৰ পৰা লাভ কৰে।

। সহানুভূতিশীল মানসিকতা শিশুৱে পৰিয়ালতেই বিকশিত কৰিব পাৰে।

। পাৰস্পৰিক সহযোগিতাৰ মূল্য পৰিয়ালতেই উপলব্ধি কৰিব পাৰে।

। সমাযোজন প্ৰক্ৰিয়াৰ প্ৰথম শিক্ষা পৰিয়ালতেই শিশুৱে লাভ কৰে।

তাৰোপৰি শিশুৰ মানৱীয় গুণৰাশিৰ বিকাশৰ প্ৰক্ৰিয়াও পৰিয়ালতেই আৰম্ভ হয়। এই ক্ষেত্ৰত—

। শিশুৰ ভৱিষ্যৎ শিক্ষাৰ ভেটি পৰিয়ালতেই গঢ় লয়।

। ভৱিষ্যৎ ব্যক্তিত্বৰ ভেঁটিও পৰিয়ালতেই গঢ় লয়।

। চৰিত্ৰৰ ভৱিষ্যৎ ভেঁটিও পৰিয়ালতেই গঢ় লয়।

। শিশুৰ নিজস্ব ৰুচিবোধ, মানসিকতা, সমাজ সম্পৰ্কীয় ধাৰণা, আত্মধাৰণা এই সকলোবোৰৰ ভেঁটিও পৰিয়ালতে গঢ়ি উঠে।

বৰ্তমানৰ শিশু ভৱিষ্যতৰ নাগৰিক। গতিকে শিশুসকলক উপযুক্ত মানৱীয় ব্যক্তিত্ব সম্পন্ন নাগৰিক হিচাপে গঢ়ি তোলাৰ বাবে পৰিয়ালৰ প্ৰত্যেকজন ব্যক্তিয়ে সচেতন হ'ব লাগিব। পাৰিবাৰিক বিশৃংখলতাই যাতে শিশুসকলৰ বিকাশ প্ৰক্ৰিয়া বাধাগ্ৰস্ত কৰিব নোৱাৰে তাৰ প্ৰতি প্ৰতিজন প্ৰতিনিধিয়ে গুৰুত্ব দিয়া উচিত। আধুনিক সমাজ তথা জীৱন প্ৰক্ৰিয়া কৃত্ৰিমতাৰ দ্বাৰা আক্ৰান্ত। কৃত্ৰিম আচৰণ আৰু দৃষ্টিভংগীয়ে শিশুসকলৰ মানসিকতাও ৰুগ্ন কৰি তোলা দেখা যায়। বাস্তৱ জীৱন আৰু জগত সম্পৰ্কে শিশুৰ কোনো ধাৰণাই নাথাকে। পৰিয়ালৰ আপোন ব্যক্তিয়ে যি ধৰণৰ দৃষ্টিভংগীৰে শিশুসকলক প্ৰতিপালন কৰে তেনে দৃষ্টিভংগীৰে তেওঁলোকৰ ব্যক্তিত্বও বিকশিত হয়। গতিকে সকলো ধৰণৰ কৃত্ৰিমতাৰ পৰা আঁতৰত ৰাখি প্ৰকৃত মানৱীয় মূল্যবোধৰ ভেঁটিত শিশুৰ ব্যক্তিত্ব গঢ় দি তোলাৰ বাবে পৰিয়ালৰ সকলো ব্যক্তিৰে দৃষ্টিভংগী শুদ্ধ আৰু বিজ্ঞানসন্মত হ'ব লাগিব। অন্যথা শিশুৰ বিকাশ প্ৰক্ৰিয়া ভুল পথে পৰিচালিত হোৱাৰ আশংকাই অধিক।

**আত্মমূল্যায়ন প্ৰশ্ন**

সমাজীকৰণৰ বিষয়ে কিভাৱে আলোচনা কৰিব পাৰি? (         টা মান শব্দৰ ভিতৰত)।

..............................................................................................
..............................................................................................
..............................................................................................
..............................................................................................
..............................................................................................
..............................................................................................

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

### ৫.১০.৭ অন্যান্য আহিলাসমূহৰ ভূমিকা (Role of other Agencies) ঃ

সমাজ, বিদ্যালয়, পৰিয়াল আদিৰ উপৰি শিশুৰ সমাজীকৰণ প্ৰক্ৰিয়াত সমকক্ষ দল আৰু গণমাধ্যমসমূহে বিশেষ ধৰণে সহায় কৰে। এনে মাধ্যমসমূহৰ ভিতৰত যিবোৰৰ দ্বাৰা আমাৰ সভ্যতা আৰু সংস্কৃতিৰ যোগসূত্ৰ, বিভিন্ন দলগত বা সমষ্টিগত লোকৰ মাজত সম্ভৱ কৰিব পাৰি তাৰ ভিতৰত— প্ৰেছ বা ছপা মাধ্যম অৰ্থাৎ বাতৰিকাকত, আলোচনী, বাৰ্তালোচনী, চিনেমা বা কথাছবি, টেলিভিচন, ৰেডিঅ' আৰু ইন্টাৰনেটৰ গুৰুত্ব অধিক। এইবোৰক বেছি সময়তে Mass Media বা গণ-মাধ্যম বুলি অভিহিত কৰা হয়। লগতে এইবোৰক Social Techniques বা সামাজিক কৌশল বুলিও অভিহিত কৰা হৈছে। এই কাৰণতেই যে এই আহিলাসমূহে জনসমাজত বিভিন্ন দল বা সমষ্টিৰ ভাৰধাৰা আৰু সামাজিক পৰম্পৰা বিস্তাৰ কৰাত সহায় কৰে। এইবোৰৰ ব্যৱহাৰ জনসমাজত বিশেষভাৱে আদৰণীয় আৰু মত বিনিয়মৰ মাধ্যম হিচাপেও এইবোৰ জনমাধ্যমৰূপে পৰিগণিত। ব্যক্তিৰ ব্যক্তিত্ব বিকাশত বাহ্যিক পৰিৱেশৰ পৰা সংস্কৃতিৰ প্ৰভাৱ অধিক প্ৰখৰ কৰি জনশিক্ষাৰ মাধ্যম হিচাপে এইবোৰে এক শক্তিশালী গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰিছে। সামাজিক সমাযোজন অথবা সমাজীকৰণৰ আন দুটা মাধ্যম হ'ল কথাছবি আৰু অনাতাঁৰ যন্ত্ৰ। এইবোৰ সামাজিক আৰু শিক্ষাগত মূল্য ব্যৱহাৰিক দিশত অধিক বুলি ক'ব পাৰি। এইবোৰৰ উপৰি সমাজীকৰণৰ অতি আধুনিক মাধ্যম হ'ল ইন্টাৰনেট। ইন্টাৰনেটৰ সহায়ত মানুহে এতিয়া সমগ্ৰ পৃথিৱীৰ সমাজ জীৱন আৰু সামাজিক অৱস্থাৰ লগত ঘনিষ্ঠ যোগসূত্ৰ স্থাপন কৰাত সমৰ্থবান হৈছে।

### ৫.১১ সাৰাংশ (Summing Up) ঃ

সমাজবিজ্ঞান হৈছে সামাজিক জীৱন সম্পৰ্কীয় বিজ্ঞান। অৰ্থাৎ যি বিজ্ঞানে মানুহৰ সামাজিক জীৱন আৰু তেওঁৰ সমাজ সম্পৰ্কে থকা ধ্যান-ধাৰণা, দৃষ্টিভংগী প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰে তাকেই সমাজবিজ্ঞান বুলি কোৱা হয়। সমাজবিজ্ঞানৰ বিষয়বস্তু হৈছে মানুহৰ জীৱন প্ৰক্ৰিয়া, কাৰ্যকলাপ, দলীয় আচৰণ, ৰুচিবোধ, আচাৰ-ব্যৱহাৰ, জাতি আৰু সম্প্ৰদায় সম্পৰ্কীয় চেতনাৰ স্বৰূপ নিৰ্ণয়, সংস্কৃতি, সভ্যতা আদি। সামাজিক প্ৰক্ৰিয়াৰ পৰিৱৰ্তনৰ বাবে মানুহে চলোৱা দাবী আৰু আন্দোলনৰ লগতে মানৱীয় সম্পৰ্কৰ একা-বেঁকা গতি সম্পৰ্কে প্ৰণালীবদ্ধ অধ্যয়ন কৰাটোকেই সমাজবিজ্ঞানৰ উদ্দেশ্য হিচাপে নিৰ্ণয় কৰিব পাৰি।

প্ৰখ্যাত সমাজবিজ্ঞানী ব্ৰাউনৰ (Brown) মতে, "সমাজৰ অন্যান্য ব্যক্তিসকল, সামাজিক দলসমূহ আৰু আচৰণৰ প্ৰক্ৰিয়াসমূহক অন্তৰ্ভুক্ত কৰি ব্যক্তি আৰু তেওঁৰ সাংস্কৃতিক পাৰিপাৰ্শ্বিকতাৰ মাজত পাৰস্পৰিক ক্ৰিয়াৰ বিষয়ে চলোৱা অধ্যয়নকে শৈক্ষিক অথবা শিক্ষা সমাজবিজ্ঞান বুলি কোৱা হয়।" (Educational Sociology is the study of the interaction of the individual and his cultural environment including

other individuals, social groups and patterns of behaviour)। তেওঁৰ মতে, ব্যক্তিয়ে এনে পাৰস্পৰিক ক্ৰিয়াৰ মাজেৰেই এজন মানুহ হিচাপে পৰিগণিত হৈ উঠে।

গণতান্ত্ৰিক সমাজ জীৱনত শিক্ষাৰ প্ৰধান কাম হৈছে উদাৰনৈতিক, সুসমঞ্জস ব্যক্তিত্বৰ অধিকাৰী, কৰ্মঠ আৰু সাহসী মানুহ তৈয়াৰ কৰা। হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ এজন অধ্যাপকে কোৱা কথা এযাৰ এইখিনিতে উল্লেখ কৰিব পাৰি। তেওঁৰ মতে, "জাতি বা সমাজৰ অভিপ্ৰেত ধৰণৰ মানুহ গঢ়ি তোলাই হ'ল শিক্ষাৰ ঘাই কাম। ইয়াৰ দ্বাৰা জাতি বা সমাজ লানি নিছিগাকৈ চলি থাকিব পাৰে। এনে কাৰ্য ঘাইকৈ দুটা কথাৰ পৰা চলি থাকে। প্ৰথমতে, সমাজৰ বয়সীয়া লোকসকলে নিৰাপত্তা আৰু আত্মৰক্ষাৰ বাবে এনে কামৰ পৃষ্ঠপোষকতা কৰে আৰু অপৈণত বয়সৰ লোকবিলাকে সমাজৰ সভ্যৰূপে গণ্য হোৱাৰ হাবিয়াসৰ পৰা এনে কাৰ্যত সহযোগ কৰে"।

*প্ৰথামিক দলৰ প্ৰধান বৈশিষ্ট্য কেইটা হ'ল ঃ* **(১) সামীপ্য, (২) সীমিত আকাৰ, (৩) স্থায়ীত্ব, (৪) সম্পৰ্কৰ ছেদহীনতা, (৫) সাধাৰণ লক্ষ্য, (৬) স্বতঃস্ফূৰ্ত আন্তৰিক সম্পৰ্ক, (৭) অনুশাসন, (৮) ব্যক্তিগত সম্পৰ্ক, (৯) নৈব্যৰ্ক্তিক কৰ্তব্য সম্পাদন, (১০) প্ৰয়োজন মতে ত্যাগৰ ভাব, (১১) দলীয় ঐক্য, (১২) বন্ধুত্বৰ ভাব।**

সমাজীকৰণৰ সহায়ত মানৱ সভ্যতাৰ এক সমাজমুখী অৱস্থাকে বুজোৱা হয়। সমাজীকৰণ মানুহৰ জীৱন প্ৰক্ৰিয়া আৰু সভ্যতাৰ এক অতি জটিল প্ৰক্ৰিয়া। এনে প্ৰক্ৰিয়াৰ প্ৰণালীবদ্ধ আৰু বিজ্ঞানসন্মত প্ৰগতিৰ ওপৰতে মানুহৰ জীৱন, সমাজ আৰু সভ্যতাৰ গতিশীল উত্থান আৰু উন্নত বিকাশৰ অৱস্থাসমূহো সম্পৰ্কিত হৈ আছে। এনে কাৰণতে আধুনিক সমাজবিজ্ঞান আৰু নৃতত্ত্ব বিজ্ঞানত 'সমাজীকৰণ' আৰু 'সংস্কৃতি গ্ৰহণ' (Socialization and accultration) এই দুটা কথাৰ ওপৰত বিশেষভাৱে গুৰুত্ব দিয়া হৈছে।

## ৫.১২ আৰ্হি প্ৰশ্ন (Sample Questions) ঃ

। সমাজবিজ্ঞানৰ সংজ্ঞা দিয়া। সমাজ বিজ্ঞান আৰু শিক্ষা সমাজবিজ্ঞানৰ পাৰ্থক্য নিৰ্ণয় কৰা।

(Define Sociology. Differentiate Sociology and Educational Sociology)।

। শিক্ষা সমাজবিজ্ঞানৰ সংজ্ঞা দিয়া। শিক্ষা সমাজবিজ্ঞানৰ প্ৰকৃতি আৰু পৰিসৰৰ বৰ্ণনা কৰা।

(Define Educational Sociology. Explain the nature and scope of Educational Sociology)।

। শিক্ষা সমাজবিজ্ঞানৰ অৰ্থ প্ৰদান কৰা। শিক্ষা সমাজবিজ্ঞানৰ লক্ষ্য আৰু কাৰ্যসমূহ বৰ্ণনা কৰা।

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

(Give the meaning of Educational Sociology. Explain the aims and functions of Educational Sociology)।

। সমাজবিজ্ঞান আৰু শিক্ষা সমাজবিজ্ঞানৰ পাৰ্থক্য নিৰ্ণয় কৰা।

(Determine the difference between Sociology and Educational Sociology)।

। শিক্ষা সমাজবিজ্ঞান কি? নতুন গণতান্ত্ৰিক সামাজিক বিন্যাসৰ বিকাশত শিক্ষাৰ ভূমিকা বৰ্ণনা কৰা।

(What is Educational Sociology? Explain the role of education in the development of new democratic social order)।

। সমাজীকৰণ বুলিলে কি বুজা? সমাজীকৰণৰ বৈশিষ্ট্যসমূহ বহলাই আলোচনা কৰা।

(What do you mean by socialisation? Discuss the characteristics of the process of socialisation)।

। দল বুলিলে কি বুজা? দলৰ প্ৰধান বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।

(What do you mean by a Group? Explain the chief characteristics of a Group)।

(What do you mean by Group Dynamics? Explain the Group Action)।

। নেতৃত্বৰ সংজ্ঞা দিয়া? নেতৃত্বৰ প্ৰয়োজনীয় গুণাৱলীৰ বিষয়ে আলোচনা কৰা।

(Define leadership. Discuss the necessary qualities of leadership)।

। **চমু টোকা লিখা** (Write Short Notes) ঃ

(ক) দল গঠনৰ বিভিন্ন শক্তি (Various forces of Group construction)।

(খ) অনুকৰণ (Imitation) ।

(গ) সহানুভূতি (Sympathy)

(ঘ) গণমন বা দলীয় মন (Group Mind)।

(ঙ) গণমন সৃষ্টিৰ উপাদান সমূহ (Elements of creating Group Mind)।

(চ) বিদ্যালয় আৰু গণমন (School and Group Mind)।

(ছ) বিদ্যালয়ত দলীয় মনৰ তাৎপৰ্য (Significance of Group Mind in shcool) ।

(জ) দলীয় নেতৃত্ব (Group leadership)।

## ৫.১৩ প্ৰসঙ্গ গ্ৰন্থ (References & Suggested Readings) ঃ


। দাস,পৰিমল ভূষণ. ( ). ভাৰতীয় দৰ্শন পৰিচয়. বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, পৃ.

। দাস, পৰিমল ভূষণ. ( ). ভাৰতীয় দৰ্শন পৰিচয়. বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, পৃ.

। দাস, পৰিমল ভূষণ. ( ). ভাৰতীয় দৰ্শন পৰিচয়. বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, পৃ.

। চেতিয়া, বিপিন ( ). ভাৰতীয় দৰ্শন পৰিচয বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, পৃ.

। শাস্ত্ৰী, শ্ৰীবিশ্বনাৰায়ণ. ( ). শিক্ষা পৰিক্ৰমা. অসম প্ৰকাশন পৰিষদ, অসম, পৃষ্ঠা.-

। শাস্ত্ৰী, শ্ৰীবিশ্বনাৰায়ণ. ( ). শিক্ষা পৰিক্ৰমা. অসম প্ৰকাশন পৰিষদ, অসম, পৃষ্ঠা-

। শাস্ত্ৰী, শ্ৰীবিশ্বনাৰায়ণ. ( ). শিক্ষা পৰিক্ৰমা. অসম প্ৰকাশন পৰিষদ, অসম, পৃষ্ঠা- .

। দাস, লক্ষহীৰা. ( ). স্নাতক মহলাৰ সম্পূৰ্ণ শিক্ষা. অমৃত প্ৰকাশন, গুৱাহাটী, , পৃঃপৃঃ - .

। শৰ্মা, মুকুন্দ. ( ). স্নাতক মহলাৰ শিক্ষাৰ মৌলিক ধাৰণা আৰু বুনিয়াদ. গুৱাহাটী, চন্দ্ৰ প্ৰকাশ।


---*---

*শিক্ষাৰ্থীৰ অনুশীলনৰ বাবে ৰখা ঠাই*

**UG-EDU-I-01** Semester- I

*Foundations of Education*

# GUIDOL also offers the following programmes:

## Master Degree Programme:

*M.A. in* Assamese, English, Political Science, History, Philosophy, Bodo, Bengali, Sanskrit, Education, Communication & Journalism
*M.A./M.Sc. in* Economics, Mathematics
M.Com

## PG Diploma Programme:

Sales & Marketing Management **(PGDSMM)**
Human Resource Management **(PGDHRM)**
Journalism & Mass Communication **(PGDJMC)**
Business Management **(PGDBM)**
Finance Management **(PGDFM)**
Banking & Financial Services **(PGDBFS)**
Insurance & Risk Management **(PGDIM)**

## IT Programme:

M.Sc.-IT, PGDCA

## Under Graduate Programme:

B.A(General)., B.Com(General), BCA, B.Sc.-IT

**GAUHATI UNIVERSITY**
**Institute of Distance and Open Learning**
Gopinath Bardoloi Nagar, Guwahati - 781014
www.idolgu.in

9 788194 268970